# সঞ্চয়

প্ৰথম বছৰ ঃ তৃতীয় খণ্ড ঃ এপ্ৰিল, ১৯৬৩।

মূল্য দুটকা

অসমীয়া ডাইজেষ্ট পত্ৰিকা

শত্রুৰ কবলৰ পৰা দেশ ৰক্ষা কৰিবলৈ
একতাবদ্ধ হওঁ আহক। মনত ৰাখিব,
মাউখে উটালে গুৰি পকৰাৰে।
মৰণ নাই।


**সঙ্গম ঃ** চাৰিমহীয়া অসমীয়া ডাইজেষ্ট পত্ৰিকা। দাম খনে ডুটকা, বছৰেকীয়া ছয় টকা। ভি পি খনে ২'৮০ টকা, বছৰেকীয়া ৬'৮০ টকা। সৰহীয়াকৈ নিওঁতাৰ কমিচন আছে।

এজেণ্ট সকললৈ ভি, পি যোগে সঙ্গম পঠিওৱা হয়

সুলভ মূল্যত সুৰুচিপূৰ্ণ বিজ্ঞাপন সঙ্গমত প্ৰকাশ কৰা হয়।

বিতং বিৱৰণৰ কাৰণে তলৰ ঠিকনাত খবৰ কৰিব

মেনেজাৰ, সঙ্গম
কানৈ কলেজ, পোঃ আঃ ডিব্ৰুগড়

ত্ৰৈমাসিক প্ৰকাশনৰ (ডিব্ৰুগড়)

# স ঙ্গ ম

প্ৰথম বছৰ : ৩য় খণ্ড ।

এপ্ৰিল, ১৯৬০

সম্পাদনা সমিতি :

তফজ্জুল আলি (মুখ্য সম্পাদক)

[illegible]ণমা দেৱী

[illegible]শ্বৰ বৰুৱা

ভুবন চুতীয়া

ডিম্বেশ্বৰ চলিহা

সুনীলকুমাৰ বৰঠাকুৰ

পুণ্যধৰ বাজখোৱা

**THE MELODY**

**(Opposite Doom Dooma Stores)**

**DIBRUGARH**

*Authorised Dealers For :*

*'Murphy Radio'*

*Also Available* :

Kleertone's electrical goods, photographic, Transistor, Ahuja, Amplifiers, Modern type Radiograms, Tape recorders etc.

*'Servicing is our Speciality'*

CONSULT

# KHUBCHAND'S

*Tailoring Specialist,*

SUPERVISED BY

EX-MERINA OF BOMBAY.

*Stockists of -*

**Woolen, Cotton, Silk, Suiting, Shirting, Ladies blouse and Dress material; Sarees, Bressiers, Ready-to-wear Garments, Ties, Socks, Hankies, Leather belts, Watches, Fountains pen, Presentation articles, Purfumeries, Curtain and Carpets.**

*—Sole Distributors Of—*

**Dunlo Pillo, Liberty Garments.**

*—Leading Dealers In—*

**Overseas, Indiamade, Foreign liquour and Mathylated spirit·**

*KHUBCHAND & SONS*

DIBRUGARH

Gram : "Khubsons" Phone : 152

*Wise Listeners Always Select Skilled Service-man For Their Radio Sets*

RADIO SPARES

DIBRUGARH

# MEDHI TAILORS

*Gents & Ladies Outfitters*

NEW MARKET P. O. DIBRUGARH

Phone No. 486 Telegram - Syndicate

# Mercantile Syndicate

**Mancotta Road, Dibrugarh**

*Dealers in General Provisions*

*Phone 269* Estd. 1924 *Gram-Cycles*

(Formerly at Sadiya, NEFA)

# Bisheswarlal Chiranjilal

*Dealers in Cycles & Cycle Accessories*

*P. O. Dibrugarh (Assam)*

With past experience of 39 years in the trade we store cycles and components of good manufecture etc.

**Our sister concern : Mahabir Printing Works**

Phone : Dib. 324

# Manmohan Mistann Bhandar

*Manufecturer of high class Sweets and Order Suppliers*

New Merket, P. O. DIBRUGARH, Assam

JAYANTI

**ASSAM SILK STORES**

**P. O. Rehabari,** Newmarket, **Dibrugarh (Assam)**

Dealers in all kinds of Assamese Endi, Muga, Silken fashionable Serees and Chadars etc. Better arrangement for V. P. Orders. Wish Bihu greetings to their Customers.

**KAMALALAYA**

**General Merchants & Order Suppliers**

***Biggest Stockists of***

**Office Equipments, Stationeries, Purfumeries, Hardwares, Fancy Cloths etc. etc.**

**Rly. Sta. DIBRUGARH,** *P. O. DIBRUGARH (Assam)*

***Bihu Greetings to all our patrons***

**United Tyres**

MANCOTTA ROAD

DIBRUGARH

**Bihu And New Year Greetings To Our Customers**

***Utpala Restaurant***

DIBRUGARH

শৰ্ম্মা চিল্ক ষ্টোৰ্চ

# SARMA SILK STORES

DIBRUGARH, ASSAM

**Ask for all kinds of handloom fabrics Cotton and Assam Silk from us.**

---

## Usha Tailoring & Embroidery School For Ladies

***Please Contact Instructor Of The School for Enrolment Of Your Name***

**Dibrugarh—Mancotta Road**
**Tinsukia—Khageswar Road**
**Digboi— Charali**
**Jorhat—(M/s Assam Stores and Agency)**
**Doom Dooma—(M/s Air Voice).**

***Shortly We Are Going To Start a School at Sibsagar***

**Managed By :**

*Usha Sales Private Ltd.*

DIBRUGARH

---

# UDAYAN

**Phone No. 322 Dib,**

Cloth Merchants

NEW MARKET, DIBRUGARH

**Rly. Stn.:Dibrugarh Town**
**Str. Stn. : Dibrugarh**

**Sole Agents for Assam :-**
**SAMSON'S DRESSES**

**P. & T.O. Dibrugarh**
**Assam**

শাৰী নয় শুধু সূত'ৰ কবিতা,
মেখেলা নহয় যেন অমৃত ভৰা,
খোজে পতি নামি আহে উৰ্বশী অপ্সৰা।

## Dibru Sports Mart

*Sports Specialists & General Merchants*

REHABARI · ROAD

P. O. DIBRUGARH

## ASSAM VULCANISING WORKS

Estd. 1932

*Importers of Cycles & Cycle Accessories & General Repairers*

Stockists—

NEW { Motor Tyres, Tubes and Exide Batteries

All Sizes Motor and Truck Tyres, Tubes

Vulcanising by H. F. Process

*Rly. Stn.* : Dibrugarh Town — P. O. Rehabari

*Str. Ghat* . Dibrugarh Town — DIBRUGARH

## FASHION HOUSE

*Tailors and Drapers*

Station Road, DIBRUGARH

Bihu and New Year Greetings To

All Their Customers

TELEPHONE : DIB. 284

# DEKA STORES

ESTD. 1939

GOVT. REGISTERED CONTRACTORS

*Electrical & Mechanical Engineers, General Contractors & Order Suppliers, Expert for all kinds of Electrical Repairing, House Wiring, Armature Rewinding, etc.*

P. O. DIBRUGARH (Assam)

Cordial Bihu Greetings To Our Customers

# B. DUTTA & SONS

DIBRUGARH (Assam) Phone : 232 & 232A

Wholesale & Retail Dealers in Motor and Tractor Parts

*Authorised Stockists and Dealer of :*

1. Dodge Vehicle, and Standard Battery.
2 Eenner "Pyramid" 'Z' Hair Belting and Rayon Cord "V" Belt
3. "Kelvinator" Room Air Conditioner.
4. Caltex Lubricants.
5. Parts and Accessories for Morris, Standard, Bedford, Ford, Chevrolet, Landrover, Jeep and Fiat and Hindustan Vehicles.

সজনৰ পাঠক পাঠিকা সকললৈ
আমাৰ ওলগ জনালো

বঙঘৰ ডিব্ৰুগড় — ফোন নং ১৬৯

বঙঘৰ তিনিচুকীয়া — ফোন নং ৯২

—বাহকবনীয়া শ্ৰেষ্ঠ চিত্ৰ প্ৰদৰ্শক—

—বঙঘৰ ভ্ৰাম্যমান চিনেমা—

চাহ বাগিছাৰ মাহেকীয়া পূজা পাৰ্ব্বন উপলক্ষে

কথাছবি প্ৰদৰ্শনৰ বাবে

আমাক খবৰ কৰক।

বঙঘৰ গুৱাহাটী—প্ৰেক্ষাগৃহৰ নিৰ্ম্মানৰ আঁচনি
সম্পূৰ্ণ প্ৰায়

স্বত্বাধিকাৰী— মালভোগ বৰুৱা
ইষ্টেচ (প্ৰাঃ) লিমিটেড
ডিব্ৰুগড়

*Please Step in*

KUSUM STUDIO

DIBRUGARH

এই অন্তৰস্পৰ্শী প্ৰবন্ধটোত স্বনামধন্য
ৰাজনীতিজ্ঞজনে ব্যক্তিগত করুণ
অভিজ্ঞতাৰ পৰা কেইটামান
গভীৰ নৈতিক প্ৰশ্নৰ
অৱতাৰণা কৰিছে।

★

# এজন পুত্ৰ আৰু এটা সমস্যা

: শ্ৰীপ্ৰকাশ

আপোনজনৰ কথা মুকলিকৈ লিখিবলৈ যি কোনো মানুহে সঙ্কোচ বোধ কৰিব। এনে ধৰণৰ প্ৰচেষ্টাক মানুহে সাধাৰণতে ভুল বুজে; আনকি অনেকে ইয়াৰ দ্বাৰা বিতুষ্টও হয়। কিছুমানে আকৌ ইয়াক লৈ উপলুভাও কৰে। এইবিলাক কাৰণে লিখো লিখো বুলিও মই মোৰ দ্বমলীয়া ল'ৰা তপোবৰ্দ্ধনৰ চমু জীৱন আৰু করুণ মৃত্যুৰ কথা লিখিবলৈ ইতস্ততঃ কৰি আছিলো। তপোবৰ্দ্ধন ঢুকুৱা আজি চাৰে পাঁচ বছৰৰো অধিক হ'ল।

বহুতেই হয়তো নাজানে যে অবিভক্ত বোম্বাইৰ ৰাজ্যপাল হিচাপে ১৯৫৬ চনত মোৰ নিযুক্তিৰ ঘোষণা আৰু মোৰ দ্বমলীয়া ল'ৰাটিৰ মৃত্যু প্ৰায় ওচৰাওচৰিকৈ হৈছিল। মই তেতিয়া মাদ্ৰাজৰ ৰাজ্যপাল আছিলো। দুখেভৰা হিয়াৰে মই বোম্বাই পালোহি। মোৰ সেই সময়ৰ মানসিক অৱস্থালৈ চাই ৰাজ্যপালৰ দৰে গুৰুভাৰৰ

পৰা মোক অব্যাহতি দিবলৈ মই ৰাষ্ট্ৰপতিক অনুৰোধ জনাইছিলো। ৰাষ্ট্ৰপতি তেতিয়া মাদ্ৰাজত আছিল। মাজতে মনে মনে আহি তেওঁ মাদ্ৰাজৰ ৰাজভৱনত মোক সান্ত্বনা দিলেহি। ৰাষ্ট্ৰপতিয়ে মোক বোম্বাইলৈ যাবলৈহে কলে আৰু ময়ো তেওঁৰ কথা পেলাব নোৱাৰিলো।

১৯২৪ চনত তপোবৰ্দ্ধনৰ জন্ম হয়। এবছৰ আঠ মাহতে তেওঁ বসন্ত মহামাৰীত মাকক হেৰুৱায়। মোৰ দুজন ল'ৰাৰ ভিতৰত তপোবৰ্দ্ধন কুমলীয়া আছিল। তেওঁলোকৰ ওপৰৰ বায়েক দুজনীৰ যথাক্ৰমে আঠ আৰু নবছৰহে হৈছিল।

মোৰ পাৰিবাৰিক এই দুৰ্যোগৰ সময়তে আহিল এক নিৰ্ব্বাচন। কংগ্ৰেছ স্বৰাজ্য দলৰ নেতা মতিলাল নেহৰুৱে কেন্দ্ৰীয় বিধান সভালৈ মোকে প্ৰাৰ্থী স্বৰূপে ঠিক কৰালে। মোৰ নিৰ্ব্বাচনী সমষ্টি আছিল গোৰখপুৰ আৰু বাৰানসী বিভাগ—মুঠতে হিমালয়ৰ পৰা বিন্ধ্যলৈকে বিৰাট এক গ্ৰাম্য অঞ্চল। পণ্ডিত মতিলাল নেহৰু আৰু মোৰ ওপৰত বিতুষ্ট হৈ পণ্ডিত মদনমোহন মালবীয়ই কলিকতাৰ পৰা ঘনশ্যাম দাস বিৰলাক আনি মোৰ বিপক্ষে ঠিয় কৰালেহি। নিৰ্ব্বাচনত নামিবলৈ মোৰ বা বিৰলা কোনো জনৰে ইচ্ছা নাছিল যদিও আমাৰ পৰস্পৰৰ নেতাসকলৰ কথা এজনেও পেলাব নোৱাৰিলো। বিৰলাও মোৰ দৰে বিপত্নীক আছিল। তেওঁৰ পৰিবাৰক হেৰুওৱা দুবছৰমান হৈ গৈছিল।

পূৰ্ব্ব পৰিচয় বিশেষ নাছিল যদিও দুয়োৰে মাজত নিৰ্ব্বাচনৰ যোগেদি সহানুভূতি গঢ়ি উঠিল। বাধ্যত পৰি প্ৰতিদ্বন্দ্বিতা কৰিব লগা হোৱাত দুয়ো পেটে পেটে দুখ পাইছিলো। নিৰ্ব্বাচনী যুদ্ধ যথেষ্ট সৌজন্যৰে হৈছিল। এই অসমান প্ৰতিদ্বন্দ্বিতাত মোৰেই পৰাজয় হ'ল। কিন্তু এই নিৰ্ব্বাচনে বিৰলা আৰু মোক ঘনিষ্ঠ হবলৈ সুযোগ দিলে। তেতিয়াৰ পৰাই দুয়োৰে মাজত বন্ধুত্ব গঢ়ি উঠিল।

মোৰ পৰিবাৰৰ অকাল মৃত্যু আৰু তাৰ ফলত হোৱা ঘৰুৱা বেমেজালি আৰু অসুবিধালৈ

চাই মই ৰাজনীতিৰ পৰা আঁতৰি থাকিবলৈ বিচাৰিছিলো। কিন্তু পণ্ডিত মতিলাল নেহৰুৱে মোৰ কথা শুনিব নোখোজে। ফলত নির্ব্বাচন, ৰাজহুৱা কাম আদিৰ মাজত সোমাই মই মোৰ দুর্ভগীয়া ঘৰখনলৈ চকু দিবলৈ আজৰিকে নোপোৱাত পৰিলো।

নির্ব্বাচনৰ বাহিৰেও অকল কংগ্রেছৰ আনুষ্ঠানিক কামেই সেই সময়ত আন্দোলনত ভাগ লোৱা সকলক দিনেৰাতি ব্যস্ত কৰি ৰাখিছিল। মহাত্মা গান্ধীয়ে নিজেও যেনেকৈ বিশ্রাম কি নাজানিছিল তেনেকৈ তেওঁৰ অনুগামীসকলকো বিশ্রাম কৰিবলৈ নিদিছিল। কোন সময়ত মহাত্মাই কি আন্দোলন আৰম্ভ কৰে কব নোৱাৰি; গতিকে গোটেই কংগ্রেছ অনুষ্ঠানটিকে সকলো সময়তে সাজু ৰাখিব লগা হৈছিল। ১৯২৯ চনৰ পৰা ১৯৩৩ চনলৈকে দুটা আন্দোলন,—লোণ সত্যাগ্রহ আৰু খাজনা বন্ধ আন্দোলন হৈছিল। ইয়াৰ ফলত মই দুবাৰকৈ জেলত থাকিব লগা হৈছিলো। গোটেই দেশ জুৰি যি বিপ্লৱৰ বহ্নি জ্বলিছিল তাত স্কুল-কলেজৰ ছাত্র-ছাত্রী উভয়ে ক্ষতিগ্রস্ত হৈছিল। ইয়াৰ পাচত আকৌ আহিল ব্যক্তিগত আইন অমান্য আন্দোলন (১৯৪০) আৰু ভাৰত ত্যাগ আন্দোলন(১৯৪২)। তেতিয়াৰ পৰা ১৯৪৫ চনত ২য় মহাসমৰৰ অৱসান হোৱালৈকে দেশত শান্তি একপ্রকাৰ নাছিল বুলিবই পাৰি।

১৯২০--২১ চনৰ অসহযোগ আন্দোলন বন্ধ হোৱাৰ পাচতো চৰকাৰী শিক্ষানুষ্ঠানবিলাক বর্জ্জন কৰি থাকিবলৈ কোনো স্পষ্ট নির্দ্দেশ নাছিল যদিও সাধাৰণতে কংগ্রেছীসকলে নিজৰ ল'ৰা-ছোৱালীক তাত পঢ়ুৱাব বুলি ভবা নহৈছিল। গোৰ দুয়োজনী ল'ৰাটিয়ে ঘৰত আৰু এবাৰ বাৰেকৈ স্কুলত যি অলপ শিক্ষা পালে তাৰেই ডাঙৰ দীঘল হ'ল। ১৯৪৫ চনত কোনো আনুষ্ঠানিক ডিগ্রী নোহোৱাকৈ তেওঁ এৰৈকৰ বছৰত ভৰি দিলেহি। ডিগ্রী নাথাকিলেও নানান সাংসাৰিক অভিজ্ঞতাৰে তেওঁৰ মন পুৰঠ হৈছিল। মনত আছিল বহুতো ঘটনাৰ মচিব নোৱৰা স্মৃতি। গ্রেপ্তাৰ, অন্তত্র-

পুলিচৰ দ্বাৰা ঘৰ খানাতালাচ, জৰিমনাৰ বাবদ ঘৰৰ বয়বস্তু বাজেয়াপ্ত ইত্যাদি প্ৰকাৰৰ ঘটনা প্ৰবাহৰ মাজেদিয়েই তেওঁৰ ল'ৰালি কাল অতিবাহিত হৈছিল। পুলিচে ঘৰৰ পৰা চকী মেজ আদি শিশু স্মৃতি বিজড়িত বস্তুবিলাক লৈ যাওঁতে তেওঁৰ কুমলীয়া মনে দুখ পাইছিল।

কবলৈ দুখ আৰু লাজ লাগে যে ১৯৪৫ চনতহে মোৰ গালৈ চেতনা আহিল; মোৰ ঘৰুৱা দায়িত্বৰ প্ৰতি ইমানদিনে যে কিমান অৱহেলা কৰি আহিছো তেতিয়াহে মই উপলব্ধি কৰিলো। এই উপলব্ধি পলমকৈ আহিল। স্বাধীনতাৰ হকে সংগ্ৰাম কৰা অনেকৰে হয়তো মোৰ দৰেই অৱস্থা হৈছিল— কিছুমানৰ অৱস্থা হয়তো মোতকৈয়ো অধিক শোচনীয় আছিল। স্বাধীনতাৰ দুৱাৰ-দলিত ভৰি দি মই এক অভাৱনীয় সমস্যাৰ সন্মুখীন হলো— সেই সমস্যা বোধহয় বহুতৰে জীৱনলৈ আহিছিল। সেই কাৰণে পলমকৈ হলেও আজি সেই বিষয়ে জনাবলৈ ওলালো — যাতে আমাৰ অভিজ্ঞতাৰ পৰা আনবো শিক্ষা হয়।

স্বাধীনতাৰ লগে লগে প্ৰধান মন্ত্ৰীৰ আমন্ত্ৰণক্ৰমে মই নৱগঠিত ৰাষ্ট্ৰ পাকিস্তানৰ হাই কমিচনাৰ হলো। মোৰ দৰে ৰাজহুৱা জীৱনত থকা আন বহুতে ৰাজ্যপাল, মন্ত্ৰী আদিৰ পদ লাভ কৰিলে। তেতিয়া সুমলীয়া ল'ৰাটোৰ পৰা মই যিবোৰ প্ৰশ্নৰ সন্মুখীন হৈছিলো সেইবোৰৰ উত্তৰ মই আজিও দিব পৰা নাই।

এই খিনিতে সোঁৱৰা উচিত হব যে মোৰ দৰে চৰকাৰী পদ গ্ৰহণ কৰা প্ৰায় সৰহভাগ মানুহেই প্ৰাকগান্ধী যুগৰ অনুষ্ঠানিক শিক্ষা লাভ কৰা লোক। মোৰ দৰে অনেকৰ আকৌ বিদেশত শিক্ষা লাভ কৰাৰ সুযোগো ঘটিছিল। আৰু এটা কথা পাহৰিলেও নচলিব। ৰাষ্ট্ৰীয় আন্দোলনৰ বতাহ অনেক ছাত্ৰৰ গাত লগা নাছিল। তেওঁলোকে শান্তিৰে পঢ়াশুনা কৰিছিল, ডিগ্ৰী লাভ কৰি চিভিল চাৰ্ভিচৰ পৰীক্ষাতো উত্তীৰ্ণ হৈছিল আৰু চৰকাৰী উচ্চ পদবী লাভ কৰিছিল। স্বৰাজৰ ফলত তেওঁলোকৰ জীৱনত একো বিপৰ্য্যয় নহ'ল— বৰং চাকৰি সকল শুচি যোৱাত পদোন্নতিৰ সুবিধাহে হ'ল। আনকি, বৃটিছৰ

আৰোলৰ অত্যাচাৰী বিষয়াবিলাকেও খেলা নাথালে বা প্ৰয়োজন আদিত একো বাধা নাপালে। চৰকাৰী উচ্চ পদসমূহত কংগ্ৰেচীলোকৰ অঙহি-বঙহি বহুতো আছিল।

মোৰ ল'ৰাটিৰ প্ৰশ্ন আছিল এনেকুৱা: 'নিজৰ লৰাছোৱালীৰ শিক্ষালৈ আওকাণ কৰি মহাত্মাগান্ধী আৰু কংগ্ৰেচৰ নিৰ্দেশ মতে কাম কৰি নিজকে সাধুপুৰুষ যেন দেখুৱাবলৈ আপোনাক কিহে পাইছিল? নিজৰ খিনি ঠিকে ৰাখি আপুনি আমাক দলনিত পোণা যেলা অৱস্থা কৰিলে। কংগ্ৰেচৰ কথা উলাই কৰি যিসকলে বৃটিছৰ তলত চাকৰিত সোমাইছিল সিহঁতৰ কি শাস্তি হ'ল; সিহঁত য'ত যি আছিল তাতেই থাকিল, বহুতৰ অৱস্থা দেখোন আগতকৈ ভালহে হ'ল? সিহঁতৰ মাজত অমুক অমুকৰ অঙহি-বঙহি বিলাক দেখা নাইনে?' তেওঁ আৰু কৈছিল: 'এইসিলাক মানুহে য়ুৰোপিনৰ পৰা লাভ কৰিলে। তেওঁলোকে স্বাধীনতা যুদ্ধৰ নেতৃত্বও বহন কৰিছিল আৰু লৰাছোৱালীকো দেশৰ আৰু বাহিৰৰ শিক্ষানুষ্ঠানত পঢ়ুৱাইছিল। আপুনিহে আমাক দপদুৱালে। সেইবিলাক মানুহে এতিয়া ডাঙৰ ডাঙৰ পদ পাইছে—লৰাছোৱালীয়েও ভাল ভাল কাম যোগাৰ কৰিছে। আৰু মই...?'

তেতিয়া মোৰ ল'ৰাক কৈ লাভ নাছিল যে কোনো ডাঙৰ আদৰ্শৰ কাৰণে কিছুমানে কষ্ট ভোগ কৰিবই লাগিব। স্বাধীনতাৰ পূৰ্বে যিবোৰ সুবিধাৰ পৰা তেওঁ নিজে বঞ্চিত হৈছিল, স্বাধীনতাৰ পিচত এতিয়া তেওঁৰ লৰাছোৱালীয়ে সেইবোৰ ভোগ কৰিব পাৰিব। মই যেতিয়া কওঁ যে আমাৰ স্বাধীনতা সংগ্ৰাম এক অহিংস আন্দোলন আৰু ইয়াত কৰ্ত্তব্যবিমুখ হোৱা সকলক আমি শাস্তি দিয়া অনুচিত—তেতিয়া তেওঁ আৰু বেছিকৈহে দুখ পাইছিল। পুৰণা চাকৰিয়ালসকলক হঠাতে বৰ্খাস্ত কৰিলে দেশত বিশৃঙ্খলাৰ সৃষ্টি হয়—এনেবোৰ কথা কৈয়ো লাভ নাছিল। বিশেষকৈ কুৰিবছৰ পাৰ হৈয়ো নিজে কাম-কাজ একো যোগাৰ কৰিব নোৱাৰি, নিজৰ পিতাক আৰু তেওঁৰ বয়সৰ বন্ধুসকলক ডাঙৰ ডাঙৰ পদ শুৱনি কৰা দেখিবলৈ পাই

মোৰ ল'ৰাই মনত সন্তোষ নাপাবৰে কথা।

এই অন্নস্থাটোৰ হেঁচা মই বিশেষ ভাবে অনুভৱ কৰিছিলো আৰু সেই দেখি ইটো পদৰ পৰা সিটোলৈ যাবলৈ মোৰ পৰম অনিচ্ছা হৈছিল। প্ৰধান মন্ত্ৰীয়ে যেতিয়াই মোক কিবা পদ যাচিছিল তেতিয়াই মোৰ অক্ষমতা প্ৰকাশ কৰি অব্যা-হতি বিচাৰিছিলো। মোৰ পুৰণি আৰু ইমান মৰমিয়াল বন্ধু এজনক মই প্ৰত্যাখ্যান কৰিবলৈকো টান পাইছিলো। সেয়েহে ১৯৪৭ চনৰ পৰা সাউ সিদিনালৈকে চৰকাৰী বিষয় লৈ থাকিলো; কিন্তু এই গোটেই কাল ছোৱাতে মই শান্তি পোৱা নাছিলো— ল'ৰাটিৰ প্ৰশ্ন বিলাকে মোক সদায় খুচি আছিল। উত্তৰতো মোৰ নাছিল! তপোবৰ্দ্ধন আজি নাই, কিন্তু তেওঁৰ প্ৰশ্ন-বিলাকে এতিয়াও মোৰ মনত জুমুৰি দি ধৰি আছে।

## এজন পৰম বন্ধু

অৱশেষত মোৰ অন্যতম পৰম বন্ধু ৰফি আহমদ কিদৱায়ে মোক উদ্ধাৰ কৰিলেহি। বন্ধু কি শত্ৰু কোনো কিডৱাইৰ সাহায্যৰ পৰা বঞ্চিত হোৱা নাছিল। ল'ৰাটিৰ সৈতে কথা বতৰা হৈ মই গম পাইছিলো যে তেওঁৰ পাইলট হবলৈ প্ৰবল ইচ্ছা, কিন্তু স্বাধীনতাৰ পূৰ্ব্বে মই মোৰ ল'ৰাই তেনে কামত সোমোৱাৰ কথা ভাবিবই নোৱাৰিছিলো। মোৰ নিজৰ লগতে মোৰ পুত্ৰৰ ভবিষ্যতকো বলিদান দিবলৈ মই সাজু আছিলো। স্বাধীনতাৰ পাচত আৰু আগৰ সঙ্কোচ নাথাকিল। ৰফি আহমদে খবৰ কৰি গম পালে মোৰ ল'ৰাৰ বিমান বাহিনীত সোমোৱাৰ বয়স কেতিয়াবাই পাৰ হৈ গৈছে। ৰফি আহমদ কিন্তু সুদায়ে এৰা লোক নহয়; তেওঁ অশেষ চেষ্টা কৰি কেনেবাকৈ তপোবৰ্দ্ধনক এটা বিমান প্ৰশিক্ষণ স্কুলত সুমুৱাই দিলে। সচৰাচৰ লব লগা প্ৰশিক্ষণ লৈ তপোবৰ্দ্ধন প্ৰথমে এটা বিমান পৰিবহন কোম্পানীত সোমায়; তাৰ পিচত এয়াৰ ইণ্ডিয়া ইণ্টাৰ-নেশনেললৈ যায়।

তপোবৰ্দ্ধনে পিচত প্ৰায়ে দিল্লী-বোম্বাইৰ মাজত ডাকোটা চলাইছিল আৰু মাজে-সময়ে আন আন ঠাই-

লৈকো গৈছিল। বিশ্লীত মই মন্ত্ৰী হৈ থাকোতে তেওঁ মোৰ লগতে থাকে আৰু পুনাই কামলৈ যাত্ৰা কৰে।

এবাৰ তেনেকৈ তেওঁ দিল্লীত আছে। মই তেতিয়া নতুনকৈ প্ৰাকৃতিক গেচ আৰু বৈজ্ঞানিক অনুসন্ধান দপ্তৰৰ মন্ত্ৰীপদ লৈছোহে। দপ্তৰৰ বিষয়ে মোৰ জ্ঞান অকনো নাছিল। লোক সভাত মই উত্তৰ দিব লগীয়া প্ৰথম প্ৰশ্নটো আছিল উচ্চ নভোমণ্ডলৰ বিষয়ে। লিখিত উত্তৰ মোলৈ দপ্তৰৰ পৰা পঠাই দিছিল, পিচ দিনা মই পঢ়ি দিব লাগে। উত্তৰটো পঢ়ি মই বুজিবলৈ চেষ্টা কৰিছিলো, কিন্তু আতিগুৰি একো বুজিব নোৱাৰিলো।

বৃটিছ বিত্তমন্ত্ৰী ৰোডলফ্ চাৰ্চিলৰ দৰে মোৰো অৱস্থা। বাজেট ভাষণ পাঠ কৰিবৰ সময়ত তেওঁ দেখিলে সংখ্যাবিলাকৰ মাজত ফুট (দশমিক বিন্দু) আছে। সেইবিলাকৰ অৰ্থ বুজিব নোৱাৰি ওচৰৰ এজন সভ্যক সুধিলে—সেইবোৰনো কি? মই বুজিবলৈ চেষ্টা কৰা বিষয়টোৰ বিষয়ে তপোবৰ্দ্ধনে যে জানিছিল মই কব নোৱাৰিছিলো। মোৰ সমস্যাৰ কথা গম পাই তেওঁ কিতাপ এখন লৈ আহিল আৰু উচ্চ নভোমণ্ডলৰ বিষয়ে জানিবলগীয়া সকলো কথা বুজাই কলে। মোৰ উত্তৰটোৰ বিষয়ে এটা ভাল ধাৰণা হ'ল। পিচদিনা প্ৰশ্নোত্তৰৰ অগ্নি পৰীক্ষাত উত্তীৰ্ণ হলো। মোৰ ল'ৰাই এইবোৰ কথা শিকিবলৈ সুবিধা কৰি দিয়াৰ কাৰণে ৰফি আহমদক লগ ধৰি মই কৃতজ্ঞতা প্ৰকাশ কৰিলো।

## এজন সাহসী ল'ৰা

তপোবৰ্দ্ধনে যেতিয়া আকাশী-পথৰ বিপদ বিঘিনি আৰু দুঃসাহসিক কামৰ বিষয়ে কৈছিল, তেতিয়া মই স্বাভাৱিকতে আশঙ্কিত হৈছিলো। তেওঁ কিন্তু নিজে বৰ সাহসী ল'ৰা আছিল। সকতে এদিন পুনা ঘৰৰ বাগিছাত দাঁত মাজি থাকোতে তেওঁৰ ভৰিৰ ওপৰেদি সাপ এটা বগাই গৈছিল। সাপটো দেখিও তেওঁ চক খোৱা নাছিল। বৰং লৰচৰ নকৰাকৈ সাপটো আঁতৰি যোৱালৈ বাট চাই আছিল।

আনুষ্ঠানিক ডিগ্ৰী তেওঁৰ নাছিল যদিও তেওঁ শৰীৰ মন উভয়ে

সত্তেও আছিল আৰু যি কোনো বিষয়ৰ জ্ঞান তত্তালিকে আহৰণ কৰিব পাৰিছিল।

বোম্বাইৰ এৰোড্ৰোমত কাম কৰি থাকোতে দুৰ্ঘটনাত তেওঁৰ হাত এখন ভাগে। ভগা হাতেৰে তেওঁ ৰাতিৰ প্লেনত উঠি মাদ্ৰাজলৈ আহে। ডাঃ ঠাৱামন স্বামীৰ চিকিৎসাত তেওঁ আৰোগ্য লভে, কিন্তু দিঘলীয়া চুটি লব লগা হয়। চুটিৰ কেইদিন তেওঁ মোৰ লগত মাদ্ৰাজৰ ৰাজ-ভৱনতে আছিল। আজৰি পৰত আমি দুয়ো ৰাজভৱনৰ উদ্যানত ঘোঁৰাত উঠি ফুৰিছিলো।

এদিন পুৱা তেওঁ মোতকৈয়ো বেছি পৰ ঘোঁৰাৰ ওপৰত আছিল। হঠাতে তেওঁৰ ঘোঁৰাটোৱে জপিয়াই দিয়াত তেওঁ পৰি যায়। কিন্তু ৰেকাপিত ভৰি এখন লাগি ধৰাত সেই অৱস্থাতে ঘোঁৰাটোৱে তেওঁক কেবাখোজো টানি লৈ যায়। এই দুৰ্ঘটনাত তেওঁৰ কেবাডালো হাড় ভাগে আৰু বহুত দিন হস্পিতালত থাকিব লগা হয়। ভাল হৈ আকৌ তেওঁ আগৰ কামলৈ ঘূৰি নগল। বাৰাণসীলৈ গৈ ব্যৱসায় আৰম্ভ কৰিলে আৰু অতি সোনকালে স্যাত বেছ প্ৰতিষ্ঠা লাভ কৰিলে। তেওঁৰ দৰে অখ্যাত বীৰ জোৱান আমাৰ দেশত কিমান আছে!

১৯৫৪ চনৰ আগ ভাগতে হোৱা এই দুৰ্ঘটনা বিলাকক তেওঁৰ জীৱন আলেখ্যৰ শেষ দোখৰহে সূচাইছিল। হয়তো তেৰোঁ নিজে গম পাইছিল আৰু সেই দেখি তেওঁৰ বিয়াৰ কথা ওলালেই ঘোৰ প্ৰতিবাদ কৰিছিল। ১৯৫৬ চনত কাণপুৰলৈ যাওঁতে তেওঁৰ হাৰ্ণিয়া হয়। তাৰেই চেলুলৈ তেওঁ চকু মুদিলে। এই সময়ত ডাক্তৰৰ ভুল পৰামৰ্শয়ো তেওঁৰ কাল চপাই আনিলে। মুঠতে যি হব লগা আছিল হ'ল—এজন ডেকা মানুহৰ জীৱনৰ অন্ত পৰিল। আজি ছয় বছৰ পাৰ হ'ল যদিও পুত্ৰশোকৰ দাগ আজিও মচ যোৱা নাই।

বোম্বাইত হোৱা দুৰ্ঘটনাৰ পৰা একেৰাহে কেবামাহো তেওঁ মোৰ লগতে আছিল। কবলৈ লাজ লাগিলেও সঁচা যে ল'ৰালিকালৰে পৰা এনে ধৰে ইমান দিন মোৰ লগত থকা এয়ে প্ৰথম। আমি দুয়ো একেলগে বহুত বিষয়ে অলোচনা কৰিছিলো। মোতকৈ

বেছি কাম অনেে বুলি তেওঁ দাবী কৰিছিল আৰু প্ৰকৃততে জানিছিলো। তেওঁৰ অধ্যয়নৰ পৰিধি আৰু বৈদেশিক বিষয়ৰ জ্ঞানৰ গভীৰতা দেখি মই তবধ মানিছিলো। তেওঁৰ ওচৰত হাৰ মানিবলৈ পাই মোৰ পিতৃ হৃদয়ে গৌৰৱ বোধ কৰিছিল!

তপোবৰ্দ্ধন গ'ল। তেওঁৰ ক্ষুব্ধ মনৰ প্ৰশ্নবিলাকৰ উত্তৰ এতিয়াও দিয়া হোৱা নাই। স্বাধীনতাৰ দিৱসত আজি আকৌ সেই প্ৰশ্ন বিলাকে আমাৰ দৃষ্টি আকৰ্ষণ কৰিব:

"ৰাজনৈতিক নেতৃবৰ্গই ছাত্ৰ সকলক লৈ আন্দোলন চলোৱা উচিত আছিল নে? সিহঁতৰ পঢ়া-শুনাৰ ক্ষতি কৰা উচিত আছিলনে? শিক্ষায়তন বিলাকৰ প্ৰবাহ ৰুদ্ধ কৰাটো ঠিক কাম হৈছিলনে? যিসকলে নেতাসকলৰ কথামতে কাম কৰি ত্যাগ স্বীকাৰ কৰিছিল, স্বাধীনতাৰ পিচত তেওঁলোকৰ অৱস্থা দুখ লগা হৈ থাকিব আৰু নেতৃত্বৰ বিৰোধিতা কৰি থকা সকলে এতিয়া স্বাধীনতাৰ ছত্ৰ-ছায়াত নিৰঙ্কুশ ভাবে থাকিবনে? কোনো কোনো নেতাই নিজৰ ল'ৰাছোৱালীক বিদেশত পঢ়ুওৱা উচিত আছিলনে? বৃটিছৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানত পঢ়ুৱা বুলি অজুহাত দেখুৱালেও হবনে? নিজৰ মাউৰা ল'ৰাছোৱালীক অৱহেলা কৰি কংগ্ৰেছৰ কাম কৰা নীতিগত ভাবে উচিত আছিলনে?"

এইবিলাক প্ৰশ্নই মোৰ ল'ৰাকো ভুমুকি দি ধৰিছিল। কষ্ট ভোগ তেওঁহে কৰিছিল—মইতো ডাঙৰ পদবী লৈয়ে আছিলো। কোনোবাই যদি এইবোৰৰ উত্তৰ দিব পাৰে, মই সুখী হম। মোৰ ল'ৰাতকৈয়ো বেছি কষ্ট ভোগ কৰা অনামী অনেক ডেকাৰ করুণ ইতিহাস মই জানো। মোতকৈয়ো ক্ষতিগ্ৰস্ত পিতৃ আমাৰ দেশত বহুতো আছে।

স্বাধীনতা দিৱসৰ পুণ্য মুহূৰ্ত্তত মই পুত্ৰৰ স্মৃতিৰ উদ্দেশ্য তৰ্পণ কৰিছো, লগতে যিসকল ডেকাই পিতৃসকলৰ ভুল আৰু সময়ৰ পৰিস্থিতিৰ হেঁচাত ক্ষতিগ্ৰস্ত হৈছে, তেওঁলোকলৈকো মূৰ দোঁৱাইছো। আমাৰ দুৰ্দ্দিন আগলৈকো আহিব পাৰে। আমি যাতে পূৰ্ব্বৰ ভুলৰ পুনৰাবৃত্তি নকৰো। *

* ["Illustrated Weekl of India"ৰ পৰা]

শ্ৰীগগৈৰ সাৰলীল
ৰচনাত অম্ল-মধুৰ ৰসৰ
আস্বদনে মহৌষধিৰ
কাম কৰিব পাৰে ।

# মই কবি হলোঁ কেনেকৈ ?

: লীলা গগৈ

কবি হোৱাৰ হেপাহটো মোৰ জন্মগত। উপজি কলাপাতত পৰিয়েই মই কবি হোৱাৰ মনোভাৱ ব্যক্ত কৰিছিলোঁ।— জীৱনত একো নহলেও মই যেন কবি হওঁ। কবিতা যদি কবি-মনৰ স্বতস্ফূৰ্ত্ত অভিব্যক্তি হয়, তেনেহলে মই উপজিয়েই এটা কবিতা লিখিছিলোঁ। টেঁৱা টেঁৱাকৈ করুণ ৰস মিশ্ৰিত অনুপ্ৰাস ব্যঞ্জিত যিটো কবিতা মই ব্যক্ত কৰিছিলোঁ, সেই-টোৱেই মোৰ জীৱনৰ প্ৰথম কবিতা। কলেৰিজৰ মতে যদি 'বাছকবনীয়া শব্দৰ চমৎকাৰ সংযোজনাই' কবিতা হয়, তেনেহলে 'টেঁৱা টেঁৱা,' এই বাছকবনীয়া শব্দ-সংযোজিত সেই কবিতাটোও মোৰ শ্ৰেষ্ঠ কবিতা। আইৰ গৰ্ভৰ পৰা আহি সৃষ্টিৰ গভীৰ ৰহস্যৰ পাৰ নেপাই অনুভূতি জাগিছিল আৰু মহাকবি বাল্মিকীৰ মুখৰ পৰা হঠাত 'মা নিষাদ' শ্লোক প্ৰকাশ হোৱাদি মোৰো কবিতা উফৰি গৈছিল। সেইদিনাৰে পৰা কবি হোৱাৰ হেপাহটো আৰু সজীৱ হৈ উঠিল। এইখিনিতে মোৰ কবি হবৰ বাবে কৰা চেষ্টা, শ্ৰম,

'কুহ-কাৰাজ'ৰ এটা বিবৰণী দিওঁ।

## কবিতাৰ পোক

বয়স বাঢ়ি যোৱাৰ লগে লগে পচোৱা বলিলে লুইতৰ পানী বঢ়াদি মোৰ কবি হোৱাৰ হেপাহটো বাঢ়ি যাবলৈ ধৰিলে। কবিতা লিখিবলৈ ছন্দ মিলিব লাগে। ছন্দ মিলোৱা কামটো মোৰ বাবে জেঠুৱা ব'দত বহি শিল ভঙাতকৈও টান কাম। কিন্তু মই স্বভাৱত বজ্ৰলেপ। সেইকাই এৰি দিয়া ভকত নহও। খাওঁতে-শোওঁতে, উঠোঁতে বহোঁতে কেৱল ছন্দমিলোৱাৰ 'কুহকাৰাজ' চলিবলৈ ধৰিলে। বাটৰে টোকা চৰায়ে গছ খোলাদি কবিতাৰ পোকে মোৰ মূৰত খুলি খুলি সোমাল। তেতিয়া মোৰ বয়সে তেৰ কি চৈধ্যটা ভাদ পাৰ হৈ নৈৰ সোঁত যোৱাদি আগবাঢ়ি গৈছে। কবি হোৱাৰ বায়ু তেতিয়া উনৈশত বলিছে। কেবাদিনো মৰ-ঘাম ওলোৱা পৰিশ্ৰমৰ অন্তত এটা কবিতাৰ লায়েকৰ কবিতা লিখি পেলালোঁ।

আগফালে ফুলবাৰী,  
খিৰিকীত নগাঢাৰী,  
মোৰ ধুনীয়া অসম,  
শত্ৰুৱে কৰিলে জখম।

এই টৈঙাটোকে লিখোঁতাৰা কলি একেবাৰে দীঘল কবিতা এটা লিখি পেলালোঁ। দেশ প্ৰেমৰ কবিতা। মোৰ সেই বহুমূলীয়া কবিতাটো একেলগে পাঁচখন বাতৰি কাকত—আলোচনীলৈ পঠিয়াই বাট চাই থাকিলোঁ। যি দিনাই মোৰ কবিতা প্ৰকাশ হব সেই দিনাই মই কবিৰ চাৰ্টিফিকেট পাম; কাৰণ, আজিকালি কবি হবলৈ এটা কবিতাই যথেষ্ট। প্ৰেমিকাই প্ৰিয়জনলৈ বাট-চাই উচ্‌পিচ্‌ কৰি থকাৰ দৰে মমো লেখি লেখি ছমাহ বাট চালোঁ, কবিতা ছপা হৈ নোলাল। ধানখেৰৰ জুই মুমুৱাদি কবি হোৱাৰ হেপাহটো প্ৰথম বাৰলৈ চেঁচা পৰিল। মাহচেৰেক মুগা-চোকোৰাত লেটা থকাদি নিমাতে থাকিলোঁ; কিন্তু কবিতাৰ পোকটো হলে মূৰৰ পৰা আঁতৰি নগল।

## প্ৰেমিক কবি

মোৰ এইখন অৱস্থা দেখি মোৰ এজন বন্ধুৱে উপদেশ দিলে, কবি হবলৈ হেনো প্ৰেমত পৰিব লাগে। বিখ্যাত কবি ডান্টে হেনো একনম্বৰ প্ৰেমিক আছিল। মোৰ বয়স তেতিয়া সহজতে প্ৰেমত

লিখাৰেই বয়স আছিল ; কিন্তু সেই-বুলি প্ৰেমতো ডাৱৰীয়া বতৰৰ পিছল আলিবাট নহয় যে ভৰিৰ খোপনি টিলা হলেই পিছলি পৰিম। এবাৰ মিহি কোমল মাত, এটা মধুৰ চাৱনি, এচেৰেঙা মিচিকি হাঁহি নেদেখিলেনো প্ৰেমত পৰো কেনেকৈ ? এটা সৰলৰেখাৰেতো সমান্তৰাল ৰেখা আঁকিব নোৱাৰি। লাহে লাহে নিৰাশ হৈ পৰিলোঁ। প্ৰেমত পৰি ককৃনকনি খাই কবিতা লেখাৰ আশাও সিমানতে মৰহি যাবলৈ ধৰিলে। নিৰাশাবাদেৰেও হেনো কবিতা লিখিব পাৰি। নিৰাশাকে গহনা লৈ কেইআঁৰামান কবিতা লেখি মোৰ বন্ধু-বান্ধৱৰ আগত পঢ়ি পঢ়ি তেওঁবিলাকৰ কাণ ঘোলা কৰি দিলোঁ। তেওঁ-বিলাকৰ কথা মতে আঠাইবোৰ কবিতা আলোচনীলৈ পঠিয়াই দিলোঁ। কিন্তু কাঠচিতীয়া সম্পাদক এজনেও মোৰ কবিতা নছপালে। ইফালে মোৰ বন্ধুবোৰে 'প্ৰেমিক কবি' উপাধিৰে ভূষিত কৰিলে।

## দঢ়ীয়া কবি

পৃথিৱীৰ কেইবাজনো বিখ্যাত কবিৰে হেনো দীঘল আৰু সৰতীয়া দাড়ি আছিল। ৰবি ঠাকুৰে কেৱো দাড়ি ৰাখিহে কবি হৈছিল ; বাল্মিকী আৰু হোমাৰৰ কথাই নাই। অথলা কালিদাসৰো একোছা দীঘল দাড়ি আছিল বুলি অনুমান হয়। সাতে-পাঁচে, কড়াই-ক্ৰান্তিয়ে হিচাব কৰি মইয়ো দাড়িয়ে-গোঁফে ভোবোকাৰ হৈ কবিৰ ভাও দিবলৈ সিদ্ধান্ত কৰিলোঁ। দাড়ি খুৰাবলৈ এৰি দিলোঁ। এহাতে খুৰৰ খৰছ ৰাহি, আনপিনে কবিৰ মেলিব পাহি। কেইবামাহো ৰাট চোৱাৰ পাচত দাড়িৰ সংখ্যা লেখি লেখি ছকুৰিডাল মান হ'ল। কিছুমান কবিতা লিখি, কবিৰ ভেশ ধৰি, জেঠমহীয়া গৰমতো ডিঙিত চাদৰ লৈ, কবি হবৰ চেষ্টা কৰিলোঁ। সকলো ফুটুকাৰ ফেন। কবি বুলি স্বীকৃতি দিয়া দূৰৰ কথা ; ফুকলীয়া ল'ৰাবোৰ জোকাবলৈ ধৰিলে। স্কুলীয়া ল'ৰা-বোৰে মই যোৱা বাটত বৈ থাকি হাতত চাইকেলৰ পুৰণি 'নট' এটা লৈ কয় :—"হেৰি কবি ! এইটো পৰি গ'ল, লৈ যাওক।" সিমানতে মুখৰে যে নোৱাৰিলোঁ, গোঁফেৰেও কবি হোৱাৰ আশা ডাৱৰীয়া বতৰত কলাখাৰ সেমেকাদি সেমেকি গ'ল।

## খাগৰি কবিতা

ছক্ৰেটিছে হেনো কৈছিল, কোনো এক দৈৱিক শক্তিৰে অনু-প্ৰাণিত নহ'লে কৱিয়ে ভাল কবিতা ৰচনা কৰিব নোৱাৰে।

মোৰ গাতো দেও লম্ভি দেউ-ধৰ্নি উঠাৰ আশা কৰিছিলোঁ। যাতে মই ডাঙৰ কবি হব পাৰো। কবিতা লিখিবলৈ পোনতে ছন্দ মিলিব লাগিব। মোৰ কিন্তু ছন্দৰ লগত দন্দ্ব কাহানিও নেভাগিল। এপিনে কবি হোৱাৰ প্ৰবল আকাংক্ষা, আনপিনে পদে পদে বিফলতা। এই দুই সংঘাতত মোৰ সাংঘাতিক দুৰৱস্থা। এনেতে দেশত দ্বিতীয় যুদ্ধ লাগিল। যুদ্ধৰ লগে লগে বহুতো গুণ আমাৰ দেশৰ পৰা নাইকিয়া হ'ল। কবিতাৰ ছন্দও নাইকিয়া হ'ল। কাকতে-পত্ৰই ছন্দহীন কবিতা ওলাবলৈ ধৰিলে। বান্দৰ, শগুণ, শিয়াল, শুকান জেওৰা এইবোৰক লৈ কবিতা ওলাল। মোৰো মনটো ফৰকাল লাগিল। এটা নতুন বহী লৈ একডজন মান নতুন কবিতা লিখি পেলালোঁ। মোৰ মতে কবিতাবোৰ অসমীয়া সাহিত্যৰ একো একোটা মুকুতা মণি। এদিন কবিতাবোৰ কাব্যামোদী বন্ধু এজনক দি বন্ধু-মুখনিঃসৃত প্ৰশংসাৰ কলৰৱ শুনিবলৈ বাট চাই থাকিলোঁ। বন্ধুৱে কবিতা কেইটা হাতত লৈ এটা অৰ্থব্যঞ্জক হাঁহি মাৰি সহত ধৈৰ্য্যৰে পঢ়ি গ'ল। মোৰ ধাৰণা হ'ল, মোৰ বন্ধুৱেহে একমাত্ৰ মোৰ কবিতা উপলব্ধি কৰিছে। কবিতা পঢ়ি নীৰৱ হৈ পৰা বন্ধুক প্ৰশংসাৰ আশাত উপযাচি সুধিলো— "বন্ধু, কবিতা পঢ়ি কেনে পালে?" বন্ধুৱে এণ্ডামুখি এটা দি কিবা মুখখন বিকটাই কলে— "ঠিক, কুঁহিয়াৰ বুলি খাগৰি খোৱাৰ সমানে সোৱাদ লাগিল"। কবিতা কেইটা থাপ মাৰি লৈ গুচি আহিলোঁ।

## কবি ঃ কবয়তে কাব্যং

কবি হোৱাৰ তৃষ্ণা মোৰ অসীম। গাই-গৰুৱে লঠিয়ালেও তাইক ধৰি বান্ধি গোটা মাখি গাখীৰ খীৰোৱাৰ দৰে, ঠেকা খুণ্ডা খালেও মই কবি হৈহে এৰিম, এইটো আছিল মোৰ দৃঢ় সঙ্কল্প। মোৰ কোষ্ঠীত লিখা আছে, মই কবি হব লাগে। মোৰ মুকুৰ

মধ্যদেশত এটা তিল আছে, সেই মতেও মই কবি হব লাগে। মোৰ ধাৰণা আচলতে মই কবিয়েই। চকুচৰহা সম্পাদক মখাৰ হিংসাত মাথোন মোৰ কবিতা ছপা হৈ নোলায়, আলোচনী-পুৰণি আটাইবোৰ কবিক মোৰ কবিতাৰ অমাবস্যাৰ আন্ধাৰে ঢাকি পেলায়। ছন্দহীন কবিতাৰ পিচত আহিল অবোধ্য-দুৰ্বোধ্য শব্দৰ কবিতা। ইও এবিধ নতুন কবিতা। এইবোৰ শব্দৰ উচ্চাৰণ কৰোঁতে কেতিয়াবা দাঁত ভগাৰেই ভয়। বহুতেই সন্দেহ কৰে যে আলোচনী বাতৰি কাকতৰ সম্পাদক সকলেও আচলতে এইবোৰ বুজি নেপায়; ফলত নিজৰ নিৰ্বুদ্ধিতা ধৰা পৰাৰ ভয়ত ছপাই দিয়ে। মই কিন্তু এই মন্তব্যৰ পক্ষপাতী নহওঁ। এই নতুন টেকনিক লৈ কিছুমান প্ৰতীক ধৰ্মী কবিতা লিখি পেলালোঁ। অৰণ্যে সক ল'ৰাই হাতী আঁকি তলত এইটো হাতীৰ ছবি বুলি লিখি নিদিলে ধৰিব নোৱাৰাৰ নিচিনাকৈ, মোৰ প্ৰতীকবোৰো ঠিক মোৰ সমান বুদ্ধিৰ মানুহ নহলে বুজিব নোৱাৰিছিল। নতুবা চন্দ্ৰ-দন্ধনীৰ ভিতৰত লিখি দিব লগীয়া হৈছিল। এইচাম্ (কমচাইন-মেণ্ট) কবিতাও বাতৰি কাকত, আলোচনী আটাইবোৰলৈকে পঠিয়ালোঁ; কিন্তু এদিন দেখিলো তাৰে এটা কবিতাত চানাচুৰমালাই চানা বেচিছে। বুজিলো, ই সম্পাদকৰেই কীৰ্ত্তি। ইয়াৰ পিচত কবিতা লিখিবলৈ কঁকালত টঙালি আঁটি লাগি গলো। অসমীয়া আৰু বঙালী অভিধান দুখন উলিয়াই টান টান শব্দ কিছুমানৰ এখন লিষ্টি কৰিলো। তাৰ পিচত লিষ্টিখন চাই চাই ৰাজমিস্ত্ৰীয়ে ইটা গঁথাৰ দৰে শাৰীয়ে প্ৰতি দুটা, তিনটা, চাৰিটা, এনেকৈ গাঁথি গলোঁ। নাই ক্ৰিয়া, নাই অব্যয়, কিছুমান শব্দ আৰু যতিচিন। এইদৰে শব্দ-গাঁথনি হৈ যোৱাৰ পিচত এইবেলি পঢ়ি চাঁলো। চমৎকাৰ শব্দ যোজনা; অৰ্থ বুজিবলৈ স্বয়ং ব্ৰহ্মাৰো সাধ্য নাই। এইবেলি তাক এখন বিখ্যাত আলোচনীলৈ পঠিয়াই দিলো। এমাহৰ ভিতৰতে ছপা হৈ ওলাল। মই গজগজীয়া কবি হৈ পৰিলো। প্ৰকাশিত কবিতাটোৰ অৰ্থ চাগৈ সম্পাদকে বঢ়িয়াকৈ উপলব্ধি

কৰিছিল। মই কিন্তু আজিও নুবুজিলো। সেয়েহে সংস্কৃত শাস্ত্ৰত কৈছে —

"কবিঃ কৰয়তে কাব্যং
ন স জানাতি তদ্ৰসম্।"

## মন্দ কবি যশপ্ৰাৰ্থী

ইংৰাজ সাহিত্যিক গল্ডস্মিথে কৈছিল; "Of all kinds of ambition that which pursues poetical fame is the wildest." ময়ো এইফাঁকি কথাৰ ব্যতিক্ৰম নাছিলো। আলোচনীত মোৰ কবিতা ওলোৱাৰ দিনৰে পৰা মই অপ্ৰতিদ্বন্দ্বী কবি হবলৈ চেষ্টা কৰিলো। কেনেবাকৈ যদি কোনোবা কবিতা সংকলনত মোৰ কবিতাই অলঙ্কৃত কৰে, তেতিয়া হলে মই কবিৰ একচনা-পট্টা খাৰিজ কৰি ম্যাদী পট্টা লব পাৰোঁ। সেইবাবে মোৰ এজন বন্ধুক খাটনি ধৰিলো, যাতে তেওঁৰ বন্ধু-সমালোচক এজনে মোৰ কবিতাৰ প্ৰশংসা কৰে। আজিকালি 'বুদ্ধিঃ যস্য বলং তস্য'। বহুত বুদ্ধি-সন্ধিৰ পিছত মোৰ দেশবিখ্যাত কবিতাটোৱে সঙ্কলন অলঙ্কৃত কৰিলে। মোৰ বুকু তিনিহাত ফুলি গ'ল। কবি হোৱাৰ মোৰ আজন্ম আকাঙ্খা পূৰণ হ'ল। অসমীয়া ভাষাৰ ভেকুৰা লগা, আলাজু-কলীয়া, এলাইবাহু, শব্দৰে আধুনিক কবিতা আৰু চুটি গল্প লিখিব নোৱাৰি। সেইবাবে বঙালী আলোচনীৰ ন-পুৰণি কবিতাৰ মাজত ইতিমধ্যে মেলাচিকাৰ আৰম্ভ কৰিছোঁ। ইংৰাজী আৰু বঙালী কবিতাৰ পৰাও কিছুমান টুকুৰা সংগ্ৰহ কৰিছোঁ। এই কথা মই ঢাকি থৈছো; কাৰণ অসমীয়া মানুহে গম পালেই খৌজাল-বৌজাল ঘটিব। মুঠতে মই এতিয়া কবি হৈ থকা নাই, পৰন্তু কবিবৰ। কবি টিলিকাৰ দৰে মই মন্দকবি যশপ্ৰাৰ্থী নহও। অসমীয়া সাহিত্যৰ চকুচৰহা, হিংসুক, অহঙ্কাৰী, বুৰঞ্জী লিখকে মোৰ নাম নিলিখে, সেই-বাবে ময়েই লিখি পেলালো। মোৰ কবি হোৱাৰ হেপাহ এতিয়াও-'ভীষণ'।

আধুনিক যুগৰ অন্যতম চিন্তানায়ক
বৈজ্ঞানিক আইনষ্টাইনে জীৱনক
কেৱল আৰামপ্ৰদই নহয়,
সুন্দৰ কৰাৰ বাণীও
শুনাইছে।

# মোৰ জীৱন-দৰ্শন


: এলবাৰ্ট আইনষ্টাইন
অনুবাদ—অতুলকৃষ্ণ গোস্বামী


যিয়ে নিজৰ আৰু মানৱ-জাতিৰ জীৱনক তুচ্ছ বুলি ভাবে, সেইজন অকল দুৰ্ভগীয়াই নহয়, জীয়াই থকাৰো অযোগ্য।

আমি অলপ দিনৰ বাবেহে সংসাৰলৈ আহিছোঁ; কিন্তু কিয় আহিছোঁ বা কি উদ্দেশ্য সাধনৰ কাৰণে আহিছোঁ, এইবোৰ প্ৰশ্নৰ উত্তৰ আমি নাজানো। গভীৰ ভাবে এইবোৰৰ বিচাৰ নকৰিলেও ব্যৱহাৰিক দৃষ্টিৰে মই ভাবো যে আমাৰ জীৱন মানৱজাতিৰ সেৱাৰ বাবে। মানুহৰ কাৰণেই আমি জীয়াই আছোঁ,— মানুহৰ হাঁহি আৰু আনন্দতেই আমাৰ শান্তি। আমি সেই হাজাৰ-বিজাৰ নৰ-নাৰীৰ বাবেহে জীয়াই আছোঁ, যাৰ লৈতে ব্যক্তিগত পৰিচয় কিম্বা সম্পৰ্ক নথকা স্বত্বেও, 'জীৱন'ৰ যোগেদি আমাৰ সহানুভূতিৰ দৃঢ় বন্ধন আছে।

'মোৰ বাহ্যিক আৰু আন্তৰিক বিকাশ অগণন জীৱিত আৰু মৃত মানুহৰ পৰিশ্ৰমৰ ফল',—এই ভাবে নিতৌ মোৰ মনত হিল্লোল তুলি থাকে। আনহাতে, যেনেকৈ আমি আনৰ পৰিশ্ৰমৰ পৰা বহু লাভ কৰোঁ। তেনেকৈ আমি নিজ পৰিশ্ৰমৰ দ্বাৰা সমাজকো যথেষ্ট অৱদান যোগাওঁ।

সৰল আৰু নিৰাড়ম্বৰ জীৱনৰ প্ৰতি মোৰ এটা মোহ আছে। নিজৰ স্বাৰ্থৰ কাৰণে আনক অযথা কষ্ট দিয়া কথাটো ভাবিলে মোৰ মন বেদনাৰে ভৰি পৰে। জাতি-ভেদ ব্যৱস্থাক মই সামাজিক অবি-চাৰ বুলি ভাবোঁ; ইয়াৰ শেষ পৰিণাম শাৰীৰিক বল প্ৰয়োগ বুলিয়েই মোৰ বিশ্বাস। সৰল জীৱন সকলোৰে বাবেই আনন্দ-দায়ক বুলি মই ভাবোঁ।

তথাকথিত মানুহৰ ইচ্ছা আৰু কাৰ্য্যৰ স্বাধীনতা মই সম্পূৰ্ণৰূপে বিশ্বাস নকৰোঁ। শ্বপেনহাৱাৰে কৈছে বোলে মানুহে নিজৰ ইচ্ছা অনুযায়ী কাম কৰিব পাৰে; কিন্তু কেতিয়া, কেনেকৈ কোনটো ইচ্ছা ফলৱতী হব তাক জনাটো বহুখিনি মানুহৰ ক্ষমতাৰ বাহিৰত।

সাধাৰণতে নিজৰ বা বিশ্বৰ অস্তিত্বৰ ৰহস্য অথবা জীৱনৰ উদ্দেশ্য অন্বেষণক মই নিৰৰ্থক বুলি ভাবোঁ। তথাপিও প্ৰত্যেকজন মানুহৰে জীৱন যাত্ৰাৰ এনে এটা নহয় এটা আদৰ্শ অৱশ্যেই থাকে, যি আদৰ্শই নিজৰ আচৰণ আৰু বিচাৰ বুদ্ধিত প্ৰভাৱ বিস্তাৰ কৰে। শাৰীৰিক সুখ বা আৰামকেই জীৱনৰ একমাত্ৰ লক্ষ্য বুলি মানিব নোৱাৰি। যি আদৰ্শই মোৰ জীৱনৰ বাট পোহৰাই তুলিছে, যিয়ে সদায় মোৰ জীৱনৰ উন্নতিৰ সহায়ক হৈছে, য'ৰ পৰা মই সাহস আৰু অনুপ্ৰেৰণা পাইছোঁ— সেয়ে হৈছে সত্যতা, সৌন্দৰ্য্য আৰু মহত্ব।

কলা বা বিজ্ঞানৰ ক্ষেত্ৰত 'অদৃশ্য'ৰ প্ৰতি অনুসন্ধান-বিমুখ জীৱন মোৰ মতে নিৰৰ্থক। ধন-সম্পত্তি বস্তুজগতৰ সফলতা আৰু বিলাসিতা সম্বন্ধীয় নিকৃষ্ট উদ্দেশ্য-সমূহৰ প্ৰতি মোৰ ঘৃণা উপজে।

মোৰ নিজৰ ভিতৰতে দুটা পৰস্পৰ বিপৰীত ধৰ্মী ভাবধাৰাৰ অস্তিত্ব সদায়ে অনুভৱ কৰোঁ। প্ৰথমতে সামাজিক ন্যায় বা দায়িত্ব

পালনৰ স্পৃহা; দ্বিতীয়তে মানুহৰ সাহচৰ্য্য প্ৰয়োজনবোধৰ অভাৱ। নানা বন্ধন থকা স্বত্বেও এক বিচ্ছিন্ন আৰু নিসঙ্গ ব্যক্তিত্বৰ অস্তিত্ব মই সদায়ে অনুভৱ কৰোঁ।

গণতন্ত্ৰৰ মূলকথা মই মানো। প্ৰত্যেকজনেই সন্মান পাওক; কিন্তু সেইবুলি কোনোয়ে 'পৰমপূজনীয়' বিশেষণৰ দ্বাৰা যেন বিভূষিত নহয়। বন্ধু-বান্ধৱ আদিৰ পৰা বিশেষ সন্মান পোৱাটো মই বিধিৰ বিড়ম্বনা বুলি ভাবো। মোৰ কৃতিত্বৰ পুৰস্কাৰ স্বৰূপে যে বিশেষ প্ৰশংসা পাব লাগে— তাকো নামানো। হয়তো মোৰ অদম্য পৰিশ্ৰমৰ ফলত যি যুগান্তকাৰী সত্যৰ সন্ধান পালোঁ—তাক বুজিবলৈ আগৰ পৰাই যথেষ্ট মানুহৰ আগ্ৰহ আছিল আৰু বোধহয় সেয়েহে মোৰ প্ৰশংসা বা খ্যাতিৰ কাৰণ।

এইটো মই ভালদৰে বুজোঁ যে কোনো গূঢ় বা জটিল কামৰ সফলতাৰ বাবে চিন্তা আৰু কাম উভয়ৰে পৰিচালনা কোনোবাই নহয় কোনোবাই কৰিবই; কিন্তু সেই ব্যক্তিবিশেষৰ দ্বাৰা যিবোৰ মানুহ পৰিচালিত হব, তেওঁলোকক স্ব-স্ব নেতা নিৰ্ব্বাচনৰ পূৰ্ণ সুবিধা আৰু স্বাধীনতা দিয়া উচিত।

মোৰ দৃঢ় বিশ্বাস একনায়কত্ববাদৰ পতন অবশ্যম্ভাৱী। মই ভাবো যে কোনো স্বেচ্ছাচাৰী বা ক্ষমতাশালী শাসকৰ পিচতেই কঠোৰ শাসকৰ আবিৰ্ভাব হয়; ইয়াক এটা নিয়ম বুলিয়েই ধৰিব পাৰি। এই কাৰণেই মুছোলিনিৰ সময়ৰ ইটালী, আৰু ৰুচিয়াৰ ৰাজনৈতিক দৰ্শনৰ মই বিৰোধী। ইউৰোপৰ গণতন্ত্ৰৰ ওপৰত ৰাইজৰ আস্থা কমহৈ যোৱাৰ কাৰণ,—ইয়াৰ শীৰ্ষস্থ শাসকবৰ্গৰ শিথিল কাৰ্য্যবিধি আৰু নিৰ্ব্বাচকমণ্ডলীৰ স্বতন্ত্ৰ আৰু মৌলিক বিচাৰৰ অভাৱ।

কেৱল গণতন্ত্ৰৰ ওপৰতে দোষ আৰোপ কৰিলে নহব। মানুহৰ জীৱনতৰী চালিত হবলৈ ৰাষ্ট্ৰতকৈ ব্যক্তিবিশেষৰ সৃজনশক্তি, চেতনা আৰু মহত্বকহে মই বেছি উপযোগী বুলি ভাবো।

সামৰিক শক্তিৰ প্ৰতিযোগিতাক মই ঘৃণা কৰো। ৰণবাদ্যৰ কোলাহলেৰে সজ্জবদ্ধহৈ এদল মানুহে যুদ্ধৰ বাবে আগবাঢ়িব লাগিছে,

এইটো কল্পনা কৰিলেই মোৰ সিবিলাকৰ ওপৰত ঘৃণা উপজে।

যিমান সোনকালে পৰা যায়, যুদ্ধ দূৰ কৰা উচিত। যুদ্ধ অতি হীন বস্তু। কোনোবাই মোৰ এই পার্থিৱ দেহা কাটি টুকুৰা টুকুৰ কৰি পেলাব খুজিলেও মই সম্মতি দিম,—কিন্তু যুদ্ধৰ নিচিনা জঘন্য কামত মই লিপ্ত হব নোৱাৰো।

যুদ্ধৰ দৰে নানান অমানৱীয় ঘটনা হৈ থকা স্বত্বেও মানৱজাতিৰ ভৱিষ্যত সম্বন্ধে মই আশাবাদী। মোৰ বিশ্বাস, ৰাজনৈতিক বা ব্যৱসায়িক স্বাৰ্থলোলুপসকলৰ দ্বাৰা যদি সংবাদ পত্ৰ আৰু অনুষ্ঠান-সমূহৰ মাজেদি জনসাধাৰণৰ সৰল, নিৰ্ম্মল বিবেক কলুষিত নহ'লহেঁতেন, তেনেহলে যুদ্ধ নামৰ অভিশাপ বহুআগতেই বিলুপ্ত হৈ গ'লহেতেন।

ঈশ্বৰ বিশ্বাসেই মানৱজাতিৰ শ্ৰেষ্ঠতম অনুভূতি। এই অনুভূতিতেই শিল্পকলা আৰু বিজ্ঞানৰ বীজ নিহিত আছে। যিজনে এই ৰহস্যানুভূতিৰ দ্বাৰা অভিভূত নহয়, তেওঁক মৃতপ্ৰায় বুলি কব পৰা যায়। এই ৰহস্যই ধৰ্ম্মৰ মূল। বিশ্বাস আৰু মানৱৰ অন্তৰতম চেতনা আৰু উজ্জলতম সৌন্দৰ্য্যৰ বিকাশ সম্বন্ধৰ অনুভূতিয়েই প্ৰকৃততে ধাৰ্ম্মিক মনোবৃত্তি। এই অৰ্থত মই নিজকে এজন নিষ্ঠা-পৰায়ণ ধাৰ্ম্মিক বুলি ভাবো। মোৰ কল্পনাৰ ভগৱান, সৃষ্টিক দণ্ড দিয়া আৰু পুৰস্কাৰ দিয়া ভগবান নহয়। মানুহ, দেহাৱসানৰ পিচতো জীৱিত হৈ থকা কথাটো (আত্মাৰ অমৰত্বৰ কথা কোৱা নাই) মই নামানো। এই অবৈজ্ঞানিক বিশ্বাস দুৰ্ব্বলচিত্তৰ মানুহে হে প্ৰচাৰ কৰিছে।

অনন্ত জীৱন-জিজ্ঞাসা, সৃষ্টিৰ মূল প্ৰৱাহ আৰু বিশ্বব্যাপী অখণ্ড চেতনা আদিৰ নিচিনা গুঢ় সত্যৰ সন্ধান যদি মই অলপো উপলব্ধি কৰিব পাৰিলোহেঁতেন, তেনেহলে মই মোৰ এই ক্ষন্তেকীয়া জীৱন সফল হোৱা বুলি মানিলোহেঁতেন। *

* ["নৱনীত"ৰ পৰা]

"ছাত্রসমূহে স্কুল-কলেজৰ বিজ্ঞান শ্ৰেণীত
দলদোপ হেন্দোলদোপ লগাইছে ;
এওঁলোকে কিহৰ প্ৰেৰণাত
এনে কৰিছে ?"

# জিজ্ঞাসু বিজ্ঞানী

: তীৰ্থনাথ শৰ্মা

সিদিনা অলপতে শ্ৰদ্ধেয় অম্বিকাগিৰি ৰায়চৌধুৰীয়ে হঠাতে এটা প্ৰশ্ন কৰিছিল : আজি-কালি অসমীয়া ল'ৰাৰ বিজ্ঞানৰ প্ৰতি খুব ধাউতি হৈছে নহয় নে ? প্ৰশ্নটোৰ পোনপটীয়া উত্তৰ এটা ঘপক কৰে দিবলৈ টান পাই মই কলো—হয়, বিজ্ঞানৰ শ্ৰেণীত ভৰ্ত্তি হব খোজা ছাত্ৰৰ সংখ্যা দিনক দিনে বাঢ়িছে। প্ৰশ্ন-টোৰ এইটো সাক্ষাত উত্তৰ নহ'ল। ধাউতি হোৱা আৰু বিজ্ঞানৰ শ্ৰেণীত নাম ভুক্ত কৰা একে কথা নহয়। বিজ্ঞানৰ শ্ৰেণীত ভৰ্ত্তি হবলৈ জাউৰিয়ে জাউৰিয়ে কৰা আবেদনবোৰেই অসমীয়া ছাত্ৰৰ অন্তৰৰ বিজ্ঞান স্পৃহাৰ বাহ্যিক সূচনি নহয়। তথাপি উত্তৰ এটা দি থৈ তেতিয়ালৈ গা সাৰিলো। কথাটো হলে প্ৰকৃততে ভাবি চাবলগীয়া।

ঈশ্বৰক বোলে চাৰিবিধ মানুহে ভজনা কৰে চাৰি প্ৰকাৰ প্ৰেৰণাৰ হেঁচোকত পৰি। এবিধ আৰ্ত্ত—তেওঁবিলাকে টান পালে ৰাম বোলে। এবিধ অৰ্থাৰ্থী—কিবা এটা

পোৱাৰ আশাত সেই সকলে ভজে। আনবিধ হ'ল জিজ্ঞাসু—জানিবৰ ইচ্ছা বা কৌতুহলেই তেওঁলোকৰ যাই প্ৰেৰণা, তেওঁলোক তত্ত্বান্বেষী। চতুৰ্থবিধ হ'ল জ্ঞানী। ঈশ্বৰত তেওঁলোকৰ অহৈতুকী ভক্তি। তেওঁৰ পাবলগীয়া বা পাব খোজা বস্তু নাই, কিন্তু প্ৰেমত তেওঁলোকে ঈশ্বৰক ভজে। জ্ঞান-বিজ্ঞানৰ ভজনাৰ ক্ষেত্ৰতো এই কথা বঢ়িয়াকৈ খাপ খায়।

দুখত, ভয়ত বা সন্দেহত আৰ্ত্ত হৈ জ্ঞান-বিজ্ঞানৰ চৰ্চ্চাত মনোনিবেশ কৰাৰ দৃষ্টান্ত বহুত আছে। মানুহ নিজৰ দুখতো আৰ্ত্ত হব পাৰে পৰৰ দুখতো হব পাৰে। দুয়োপ্ৰকাৰ আতুৰতাই কোনো এক বিশেষ চৰ্চ্চাৰ ফালে আৰ্ত্তজনক ঠেলি দিয়ে। এজন মানুহৰ কথা জানো যি পিতৃ সম্পত্তি হেৰুৱাই পুনৰুদ্ধাৰৰ বাবে বিচাৰি দায়-বিধিখন তন্ন তন্নকৈ পঢ়ি পেলাইছিল। এজন বিখ্যাত যক্ষ্মাৰোগৰ চিকিৎসকক চিনি পাওঁ। তেওঁ নিজৰ ঘৈণীয়েকৰ যক্ষ্মাৰোগ হোৱাত তাৰ চিকিৎসা কৰোঁতে যি অনুসন্ধিৎসা জাগ্ৰত হ'ল তাৰ ফলত শেহত নিজেই যক্ষ্মাৰোগৰ চিকিৎসাত পাৰংগত ডাক্তৰ হৈ পৰিল। আজি বিজ্ঞানৰ এনে কিছুমান আবিষ্কাৰ আছে যিবোৰৰ মূলতে এটা আৰ্ত্ত জাতিৰ আত্মৰক্ষাৰ প্ৰচেষ্টা। আনৱিক বোমাৰ আবিষ্কাৰৰ মূলত নো কি?

সংসাৰ যাত্ৰাৰ দুৰূহতাৰ কাৰণে উপাৰ্জ্জনৰ বাট মুকলি কৰি লবলৈ, বিদ্যাৰ বিনিময়ত অৰ্থ আহৰণৰ অৰ্থেও মানুহে বিজ্ঞানৰ চৰ্চ্চা কৰে। ইয়াৰো উচ্চ-নীচ ভেদ আছে। আজি গোটেই পৃথিৱীত বিজ্ঞানক নানা ভাবে কামত খটুৱাই মানুহৰ সুখ-শান্তি বঢ়োৱাৰ অহোপুৰুষাৰ্থ চলিছে। আকৌ ব্যৱসায়ীৰ যন্ত্ৰশালাত অবিকল নকল বা ধৰা নপৰা মিশ্ৰণৰ কৌশল বিচাৰি বেতনভোগী বিজ্ঞানীয়ে প্ৰাণপাত কৰিছে। অভিভাৱকসকলেও চাকৰিৰ সহজলভ্যতা, দৰমহাৰ আধিক্য আদিৰ কথা ভাবি ছাত্ৰসকলক বিজ্ঞান শ্ৰেণীত ভৰ্ত্তি কৰিবলৈ উদগোৱা নাই জানো? এইবোৰেই অৰ্থাৰ্থী বিজ্ঞান শিকাৰু।

এদল আছে জিজ্ঞাসু বিজ্ঞান-সেৱক। তেওঁলোকৰ অন্ত

আকাঙ্ক্ষা নাই। কেৱল কিয় বা কেনেকৈ এইবোৰ জানিবৰ কাৰণে যি বৌদ্ধিক ক্ষুধা তাৰ নিবৃত্তিৰ কাৰণে বিজ্ঞানৰ চৰ্চ্চা কৰে। শত শত গৱেষণাগাৰত এনে ধৰণৰ বিজ্ঞানী পুৰুষে জীৱনৰ আপাত ৰমণীয় ভোগবিলাসলৈ ভ্ৰূক্ষেপ নকৰি একোটা সত্যৰ অন্বেষণত জীৱন পাত কৰিছে। কাৰ উপকাৰত আহিব, সংসাৰ যাত্ৰাৰ কোনখিনিত ই প্ৰয়োজন সাধিব, এইবোৰ কথা ভাবিবলৈকো তেওঁলোকৰ অৱসৰ নাই। এই বিধ বিজ্ঞানীৰ গাত জিজ্ঞাসু আৰু জ্ঞানী অৰ্থাৎ অহৈতুকী ভক্তিযুক্ত দুয়োজনৰ লক্ষণ বৰ্ত্তমান। পৃথিবীত বিজ্ঞানৰ প্ৰকৃত উন্নতি হৈছে এই-বিধ বিজ্ঞানীৰ যত্নত। নিউটন বা গালিলিও এজনেও তেওঁলোকৰ আবিষ্কৃত তথ্যৰ পৰা কি হব বা সেইবোৰ কিহত খাটিব তাৰ কথা ভাবি কাল কটোৱা নাছিল। যি জন খগোল পৰ্য্যবেক্ষকে সহস্ৰ সহস্ৰ আলোক বছৰৰ দূৰত থকা নীহাৰিকাৰ পিনে দূৰবীক্ষণ টোঁৱাই ধৰি ভাত-পানী এৰিছে, তেওঁ ভৰা নাই তেওঁৰ সেই নিশাৰ অৱলোকনৰ পৰা কাৰ ভাত-কাপোৰৰ সমস্যা সমাধান হব। এইবিধ বিজ্ঞানীয়েই বসুন্ধৰাক পুণ্যৱতী কৰিছে।

বিজ্ঞানৰ বুৰঞ্জীৰ পম খেদিলে ধৰা পৰিব যে শেষোক্ত দল বিজ্ঞানীৰ যত্নতে মানুহে আজি চন্দ্ৰলোকলৈ যোৱাৰ কথা ভাবিব পাৰিছে। আৰ্ত্ত বা অৰ্থাৰ্থী বিজ্ঞানীও এইবিধ বিজ্ঞানীৰ বহতীয়াহে।

আমাৰ ভাৰতবৰ্ষতো স্বৰাজৰ পিচৰ পৰা বিজ্ঞান চৰ্চ্চাৰ সা-সুবিধা বাঢ়িছে আৰু মানুহৰো এই বিষয়লৈ ধাউতিৰ বৃদ্ধি হৈছে। নেতাসকলো জাতি গঠনৰ এই সম্বলটোৰ প্ৰতি বিশেষ সজাগ। দেশ গঠনৰ কাৰণে আহিলা-পাতিৰ যোগান ধৰাৰ কাৰণে শ শ কল-কাৰখানা লাগে, আৰু সেই কল-কাৰখানা চলাবলৈ হেজাৰ হেজাৰ ডেকা কৰ্ম্মী লাগে এইবোৰ কথা মেলে-সভাতে শুনি আমাৰ ডেকা ছাত্ৰসকলেও সেই আহ্বানত সঁহাৰি দিবলৈ পৰাংমুখ হোৱা নাই। বিজ্ঞান শ্ৰেণীৰ প্ৰয়োগশালাৰ অনুপাতে আবেদনকাৰী

ছাত্ৰৰ সংখ্যা চতুৰ্গুণ। এইবোৰ চকুৰ আগত দেখি শুনিও মাজে মাজে সন্দেহ হয় যে এইযে ছাত্ৰ-সমূহে স্কুল-কলেজৰ বিজ্ঞান শ্ৰেণীত দলদোপ হেন্দোলদোপ লগাইছে এওঁলোকে কিহৰ প্ৰেৰণাত এনে কৰিছে? সহজতে সৰহ দৰমহীয়া চাকৰি পাম বুলি? নে বিজ্ঞানৰ খিৰিকিয়েদি গূঢ় জগতখন চাই লোৱাৰ হেঁপাহত? ইয়াৰ মূলত কিমান খিনি ৰাপ? কিমানখিনি জানিবৰ হেঁপাহ? কিমানখিনি দেশপ্ৰেম? নে কেৱল অৰ্থো-পাৰ্জনৰ ভবিষ্যত সপোন?

এইটো ঠিক যে এই ছাত্ৰ-বিলাকৰ সৰহভাগেই অৰ্থাৰ্থীৰ দলৰ। আকৌ এই কথাও সঁচা যে ইয়াৰ ভিতৰতে কেতিয়াবা দুই এজন জিজ্ঞাসু-বিজ্ঞানীৰো উদয় হব। পিচে এতিয়া সমস্যা হ'ল এই জিজ্ঞাসু দলটোৰ বৃদ্ধি কৰা যায় কেনেকৈ? অৰ্থাৰ্থী বিজ্ঞান-ভিক্ষুৰ পৰা ভাৰতবৰ্ষৰ সাময়িক প্ৰয়োজন সিজিব পাৰে, কিন্তু বিজ্ঞান চৰ্চাত পৃথিৱীৰ আন দেশৰ লগত সমানে আগুৱাবলৈ হলে আৰু নিগূঢ় ৰহস্য ভেদ কৰি পৃথিৱীৰ বিজ্ঞান চৰ্চাক এদোপ আগবঢ়াই দিয়াৰ গৌৰৱ যদি ভাৰতবৰ্ষই অৰ্জন কৰিব খোজে, তেনেহলে জিজ্ঞাসু-বিজ্ঞানসেৱীৰ বেছিকৈ আৱশ্যক। আৰ্ত্ত আৰু অৰ্থাৰ্থী বিজ্ঞান ছাত্ৰই ভবিষ্যতে সেই কামত অৱদান যোগোৱা সম্ভৱ নহয়। জিজ্ঞাসু বিজ্ঞান প্ৰেমী যিমান বাঢ়িব বিজ্ঞান চৰ্চাও সিমানে গভীৰপ্ৰসাৰী আৰু কল্যাণ-কৰ হব। প্ৰকৃত বিজ্ঞান-জিজ্ঞাসা আমাৰ ছাত্ৰবিলাকৰ অন্তৰত কেনেকৈ ওপজাব পাৰি এই বিষয়ে চিন্তা কৰি চাবৰ দিন হৈছে।

স্কুলৰ তলশ্ৰেণীবোৰত আজি-কালি বিজ্ঞান পাঠ্যভুক্ত কৰা হৈছে। ওপৰ শ্ৰেণীতো সেই পাঠ্যক্ৰমৰ ধাৰা ৰক্ষা কৰি বিজ্ঞান শিকোৱাৰ ব্যৱস্থা হৈছে। ইয়াৰ পৰা আমাৰ ছাত্ৰৰ মাজত বিজ্ঞান বিষয়ৰ প্ৰতি প্ৰেম উপজিছে নে নাই?

কটন কলেজৰ বিজ্ঞান বিষয়ৰ এজন প্ৰবীণ অধ্যাপকক সুধিছিলো— আপুনি এযুগতকৈও বেছি কাল অধ্যাপনা কৰিছে। কওকচোন আগেয়ে যেতিয়া স্কুলত বিজ্ঞান পাঠ্য হিচাপে নাছিল তেতিয়া

মেট্ৰিকুলেছন পৰীক্ষাত উত্তীৰ্ণ হৈ অহা ছাত্ৰকো আপুনি পঢ়াইছিল, আৰু তেতিয়া স্কুলত বিজ্ঞান বিষয়টো স্বল্প পঢ়ি অহা ছাত্ৰকো আপুনি পঢ়াইছে। পিচে তেতিয়াৰ ছাত্ৰ আৰু এতিয়াৰ ছাত্ৰৰ মাজত প্ৰভেদ কিবা পাইছেনে? এতিয়াৰ বিজ্ঞান পঢ়ি অহা ছাত্ৰবোৰৰ ধাপ বেচি নে? অথবা পাঠ্য-বিষয়ৰ বোধ সহজতে জন্মে নে? ইয়াৰ উত্তৰত তেখেতে বিশেষ প্ৰভেদ নাই পোৱা বুলি খাটাং ভাবে কলে। এইটো অৱশ্যে এজন অধ্যাপকৰ এখন কলেজৰ সম্ভৱতঃ এটা বিষয়ৰ অভিজ্ঞতা আৰু ইয়াৰ পৰাই এটা ব্যাপক সিদ্ধান্ত কৰি পেলোৱা উচিত নহব; থাপি কটন কলেজতে সৰহ সংখ্যক ছাত্ৰই বিজ্ঞান পঢ়ে। সা-সুবিধাও বেছি। অধ্যাপকসকলৰো অভিজ্ঞতা যথেষ্ট আছে। এনেস্থলত উক্ত অধ্যাপকৰ মতটো উলাই কৰিবলৈকো টান পাইছোঁ। প্ৰাগ-জ্যোতিষ কলেজতো স্কুলত বিজ্ঞান থকা ল'ৰাক ভৰ্ত্তি কৰা হৈছে, কিন্তু একো প্ৰভেদ দেখা নাই। আনকি কলেজৰ ছাত্ৰ—প্ৰবেশ সমিতিয়ে স্কুলত বিজ্ঞান বিষয়টো থকা নথকাটো প্ৰবেশৰ অৰ্হতাৰ ক্ষেত্ৰত বিবেচনাই নকৰে।

এনে অৱস্থা হবলৈ পাইছে কেলৈ? এইটো চিন্তনীয় প্ৰশ্ন।

হব পাৰে বহুত স্কুলত উপযুক্ত শিক্ষক নাই, কিন্তু বহুত স্কুলত উপযুক্ত শিক্ষক আছেও। বিজ্ঞান শিক্ষাৰ আহিলা পাতিৰ অভাবো এটা কাৰণ হব পাৰে। তদুপৰি বিজ্ঞান শিক্ষকজনে আন বিষয়ো পঢ়াব লগা হোৱাত সম্পূৰ্ণ মনো-যোগ আৰু সময় দিব নোৱাৰে ইও এটা কাৰণ হব পাৰে। সবাতোকৈ ডাঙৰ কাৰণ হ'ল পঢ়োৱাৰ প্ৰণালীৰ দোষ।

এজন পঞ্চম কি ষষ্ঠশ্ৰেণীত পঢ়া ল'ৰাই কাষৰ কোঠাত চিঞৰি চিঞৰি ঘনত্ব কাক বোলে তাৰ এটা দুৰ্বোধ্য লক্ষণ মুখস্থ কৰি থকা শুনিছিলো। সেই লক্ষণটো তাৰ মুখস্থ নিশ্চয় হৈছিল, কিন্তু অৰ্থটো চাগৈ সমূলি হৃদয়স্থ হোৱা নাছিল। নুবুজা কথা মুখস্থ কৰি পৰীক্ষা দিব পাৰে, কিন্তু পৰীক্ষা শেষ হৈ যোৱাৰ পিচত সেই নুবুজা বিষয়বোৰলৈ বিতৃষ্ণা এটা স্বাভাবিকতে আহি পৰে। স্কুলতে

টান টান অঙ্ক কৰিবলৈ দি অঙ্কৰ প্ৰতি সৰহভাগ ছাত্ৰৰ মনত যেনেকৈ বিভীষিকাৰ উৎপাদন কৰা হৈছে আৰু যেনেকৈ তেনে ছাত্ৰই পিচলৈ অঙ্ক টান বা নীৰস বুলি এটা অযথা ধাৰণা কৰি অঙ্কলৈ পিঠি দিয়ে, বিজ্ঞানৰ বেলিকাও আৰু কিছুদিনৰ পিচত যে তেনে দশা নহ'ব তাক ন দি কোৱা টান। এই বিষয়ে এতিয়াৰ পৰা শিক্ষা-ধিকাৰীসকল অৱহিত হোৱা উচিত। বিজ্ঞান সৰস কৰি ল'ৰাৰ মনত কেনে ভাবে দঙি ধৰিব পাৰি, সাধুকথাৰ নিচিনাকৈ কেনেকৈ তাক আকৰ্ষণীয় কৰি তুলিব পাৰি তাৰ বিষয়ে চিন্তা কৰাৰ সময় আহিছে। পাঠ্য পুথিবিলাকো তত্ত্ব-ব্যাখ্যামূলক নহৈ সদায় চকুৰে দেখা বস্তুৰ ৰহস্য জানিবলৈ আগ্ৰহ ওপজোৱা বিধৰ হোৱা উচিত। মোৰ ল'ৰাটোৰ বিজ্ঞানৰ উত্তৰ পত্ৰ এখন মই চাইছিলো। তাত শিক্ষক জনে মন্তব্য এটা লিখি থোৱা পঢ়িবলৈ পালো। তাত লিখিছিল যে বিজ্ঞানৰ প্ৰশ্নৰ উত্তৰ দিওঁতে কিতাপত থকা ভাষাকে লিখিব লাগে; নিজৰ ভাষাৰে লিখিব নালাগে। এই উপদেশটো মোৰ মনত অদ্ভুত যেন লাগিছিল। ল'ৰাই যদি কথাটো বুজে তাক নিজৰ ভাষাত প্ৰকাশ কৰাটোহে উদগনি দিয়া উচিত। কিতাপৰ ভাষাকে মুখস্থ কৰি বাকি দিয়া বিদ্যাই কোনো ল'ৰাকে কস্মিন কালেও বিজ্ঞান-জিজ্ঞাসু কৰি গঢ়িব নোৱাৰে।

সবাতোকৈ ভাল হয়' যদি চৰকাৰে সাধাৰণ শিক্ষা বিভাগৰ পৰাই হওক বা সামাজিক শিক্ষা বিভাগৰ পৰাই হওক সৰু ল'ৰাৰ উপযোগী কেইখনমান কৌতূহলো-দ্দীপক ভ্ৰাম্যমান বিজ্ঞান প্ৰদৰ্শনীৰ ব্যৱস্থা কৰে। ভ্ৰাম্যমান গ্ৰন্থালয়ৰ দৰে ভ্ৰাম্যমান বিজ্ঞান প্ৰদৰ্শনী গঠন কৰিব নোৱাৰাৰ কোনো কাৰণ দেখা নেপাওঁ। কেইখনমান 'ভান' আৰু কেইজনমান অৰ্হতা-সম্পন্ন প্ৰদৰ্শনকাৰীৰ প্ৰয়োজন হব। শিশুৰ মনোগ্ৰাহী কি কি বিষয়ে বিজ্ঞান প্ৰদৰ্শন হব পাৰে সেইটো অৱশ্যে বিজ্ঞান আৰু শিশুমনো-বিজ্ঞানত পাৰংগতসকলে স্থিৰ কৰিব। এনেকুৱা প্ৰদৰ্শনী ল'ৰা-ছোৱালীয়ে আগ্ৰহৰে চাব আৰু চালে সিহঁতৰ জানিবৰ কাৰণে কুতূহল বাঢ়িব।

এই কুতূহল উদ্দীপিত কৰি ৰাখিব পাৰিলে আগলৈ জিজ্ঞাসু বিজ্ঞান-প্ৰেমী ছাত্ৰৰ সংখ্যা নিশ্চয় বাঢ়িব। এইটো কৰিব নোৱাৰা কাম মুঠেই নহয়।

আজি কিছুদিনৰ পৰা ল'ৰাৰ মাজত উদ্ভাৱনী প্ৰবৃত্তি জাগ্ৰত কৰিবলৈ আহি আদি তৈয়াৰ কৰাৰ কাৰণে পুৰস্কাৰ ঘোষণা কৰা হৈছে। সেই প্ৰতিযোগিতা এতিয়াও সৰ-ৰৰহী হৈ উঠা নাই। কিন্তু ওপৰত উল্লেখ কৰা ধৰণৰ প্ৰদৰ্শনী দেখিবলৈ পালে ল'ৰাইতৰ মাজত এই প্ৰতি-যোগিতা কিজানি সৰৰৰহী আৰু বহুপৰিমাণে সফল হ'ব।

অসম বিজ্ঞান সমিতিয়ে আজি কিছুদিনৰ পৰা অসমত বিজ্ঞানৰ প্ৰসাৰৰ অৰ্থে চিন্তা কৰিছে। সমি-তিয়ে কেইটামান প্ৰশংসনীয় কাম হাতত লৈছে আৰু কৃতকাৰ্য্যতাৰে সমাধানো কৰিছে। এই সমিতিৰ কৃত-বিদ্য সদস্যসকলে নিশ্চয় এই বিষয়ে চিন্তা কৰিছে। ওপৰত কোৱা কথাকিটাও এজন বিজ্ঞানৰ বাহিৰ চ'ৰাত বহা শিক্ষা-সেৱীৰ উদুক বুলি আৰু প্ৰয়োজন বুলি ভাবিলে এই সমিতিয়ে বিচাৰ কৰি চাব পাৰে।

["বিজ্ঞান জেউতি"ৰ পৰা]

গ্ৰীক দাৰ্শনিক চক্ৰেটিছক অন্যায়ভাবে মৃত্যুদণ্ড দিয়া হয়। সেই আদেশ শুনাই শত্ৰুসকলে তেওঁক মৰিবলৈ সাজু হবলৈ কলে। তাকে শুনি চক্ৰেটিছে স্মিতহাস্য কৰি কলে—"মৰিবলৈ মই সদায়েই সাজু হৈ আছোঁ।"

বিস্মিত প্ৰতিপক্ষই সুধিলে—"কেনেকৈ ?

"কাৰণ জীৱনত সজ্ঞানে কাৰো অন্যায় কৰা নাই"—দাৰ্শনিকে ধীৰ মাতেৰে কলে।

অষ্টাদশ শতিকাৰ এজন ভাৰতীয়
যোগীৰ দুঃসাহসিক ভ্ৰমণ-কাহিনী

# এজন আচৰিত ভ্ৰমণকাৰী

আজি প্ৰায় ১৭০ মান বছৰৰ আগৰ কথা—বাৰাণসীত সেই সময়ত পৰমহংস প্ৰাণপুৰী নামে এজন ডাঙৰ সাধক আছিল। অকল সাধনাৰ বাবেই নহয়, তেওঁৰ মৰমিয়াল ব্যৱহাৰৰ কাৰণেও তেওঁক চাবলৈ দেশ-বিদেশৰ অলেখ লোকৰ সমাগম হৈছিল। সাধাৰণ মাইতে তেওঁক উৰ্দ্ধবাহু তপস্বী বুলিয়েই জানিছিল। সেই কালৰ ভাৰতবৰ্ষ আৰু বিদেশৰ বহুতো বিখ্যাত লোকৰ লগতে তেওঁৰ পৰিচয় আৰু বন্ধুত্বও আছিল। ভাৰতৰ গৱৰ্ণৰ জেনাৰেল ৱাৰেণ হেষ্টিংছ, তিব্বতৰ টাচি লামা, নেপালৰ মহাৰাজা, বাৰাণসীৰ আলি ইব্ৰাহীম খান, ৰাজনীতিজ্ঞ জনাথন ডান্‌কান আৰু পৰ্য্যটক-আবিষ্কাৰক চেমুৱেল টাৰ্ণাৰ এওঁলোক আটায়ে প্ৰাণপুৰীৰ সঙ্গলাভ কৰি আনন্দ পাইছিল।

যি সময়ত বিদেশ যাত্ৰা কৰিলেই ভাৰতীয় মানুহৰ জাত যায়, সেই সময়ত খোজ কাঢ়িয়েই প্ৰাণপুৰীয়ে পৃথিৱীৰ নানা দেশ ভ্ৰমণ কৰিছিল। এচিয়া মহাদেশৰ সৰহভাগ দেশ আৰু পূব ইউৰোপৰ ভালেমান ঠাইলৈ তেওঁ গৈছিল। তেওঁৰ অলৌকিক মহিমা চাবলৈকে নহয়, বিদেশ ভ্ৰমণৰ লোমহৰ্ষক ঘটনাবিলাক শুনিবলৈকো তেওঁৰ কাষলৈ অলেখ মানুহ গৈছিল।

মুখ্য বিষয় যে প্ৰাণপুৰীৰ জীৱনীৰ সমল তেনেই তাকৰ। তেওঁৰ বৈচিত্ৰময় ভ্ৰমণৰ বিষয়ে যি অলপ কথা' পোৱা যায় তাৰ কাৰণে আমি জনাথন ডানকানৰ ওচৰত ঋণী। ডানকানৰ অনুৰোধ মতে ১৭৯২ চনতে প্ৰাণপুৰীয়ে তেওঁৰ জীৱনৰ এটি চমু বিৱৰণ হিন্দীতে কৈ গৈছিল আৰু বাৰানসীৰ ইংৰাজ ৰেচিডেন্সিৰ কেৰাণী এজনে টুকি থৈছিল। চেমুৱেল টাৰ্ণাৰৰ ভ্ৰমণ প্ৰসঙ্গ 'তিব্বত' আৰু ভাৰত চৰকাৰৰ নথিপত্ৰৰ সংগ্ৰহালয়ৰ পৰা পোৱা দুই চাৰিখন ফাৰ্চী ভাষাৰ চিঠিৰ পৰাও তেওঁৰ বিষয়ে কিছু কথা জানিবলৈ পোৱা যায়।

১৭৪৩ চনত কনৌজৰ ৰাজপুত পৰিয়াল এটাত প্ৰাণপুৰীৰ জন্ম হয়। আঠ বছৰ বয়সতে তেওঁ ঘৰৰ পৰা পলাই বিঠুৰ পালেগৈ। বিঠুৰৰ সাধক এজনে তেওঁক তুলি লয় আৰু সন্ন্যাসী জীৱনৰ পতি লগাই দিয়ে। দহ বছৰ বয়সতে তেওঁ সন্ন্যাস গ্ৰহণ কৰিবলৈ স্থিৰ কৰে আৰু কঠোৰ তপস্যাৰ বলেৰে ভগবানক পাবলৈ ব্যাকুল হৈ পৰে। তেওঁৰ জীৱনৰ প্ৰথম ডাঙৰ ব্ৰত আছিল বাৰ বছৰ কাল থিয় হৈ কটোৱা। প্ৰাণপুৰীৰ কৌতূহলী মন একে ঠাইতে সৰহ দিন স্থিৰে থাকিব নোৱাৰে। এই কঠোৰ ব্ৰতৰ মাজতো তেওঁ অনাই বনাই ঘুৰি ফুৰিছিল। নতুন ঠাইৰ নতুন দৃশ্য, মানুহ, অভিজ্ঞতাৰ সোৱাদ লৈ তেওঁ অনবৰত ভ্ৰমণেই কৰি ফুৰিছিল। ভাগৰ লাগিলে গছৰ গাত আঁউজি থিয়ে থিয়ে টোপনি গৈছিল। টোপনিৰ সময়ত কেনেবাকৈ পৰি যায় বুলি প্ৰথমতে তেওঁ ভয়তে নিজৰ গাটোকে গছৰ সৈতে বান্ধি লৈছিল। শেষলৈ তাকো কৰিব নলগা হ'ল—একোৰে ভেজা নোলোৱাকৈ থিয়ে থিয়ে শুব পৰা হ'ল।

## কঠোৰতৰ ব্ৰত

ইয়াৰ পাচত প্ৰাণপুৰীয়ে আৰু এটা কঠোৰতৰ ব্ৰতৰ সংকল্প কৰিলে। এলাহাবাদৰ এখন সাধু মেলাত কেইজনমান উৰ্দ্ধবাহু সন্ন্যাসী দেখা পাই তেওঁ নিজেও উৰ্দ্ধবাহু হবলৈ ব্ৰত ললে। আগৰটো ব্ৰত ভঙাৰ পিচতে এই নতুন

ব্ৰত। হাত দুখন সদায় ওপৰলৈ তুলি ৰাখিব লগীয়া হোৱাত তেওঁৰ অসুবিধা হৈছিল যদিও প্ৰাণপুৰীয়ে পৰ্য্যটন কৰিবলৈ এৰা নাছিল।

ঊৰ্দ্ধবাহু অৱস্থাতে ১৭৫৫ চনত জীৱনৰ প্ৰথম ঘাই ভ্ৰমণ আৰম্ভ হয়। কাশ্মীৰ পৰা আৰম্ভ কৰি তেওঁ উজ্জয়িনী, বুৰহানপুৰ, আৰু আউৰঙ্গবাদৰ মাজেদি গৈ গোদাৱৰী পাৰ হয় আৰু পুৰীত উপস্থিত হয়। পুৰীৰ পৰা তেওঁ দক্ষিণমুৱা হৈ ৰামেশ্বৰ সেতুবন্ধইদি সাগৰ পাৰ হয় আৰু সিংহলৰ তেতিয়াৰ ৰাজধানী কান্দীত উপস্থিত হয়।

সিংহলৰ পৰা তেওঁ জাহাজেৰে মালয়লৈ যাত্ৰা কৰে। মালয়ৰ পৰা আকৌ নৌপথেৰে কোচিনত উঠে আৰু তাৰ পৰা দ্বাৰকা, কট্টা, মুলতান আদি ঠাইত ভ্ৰমণ কৰি কাবুলত সোমায়।

আফগানিস্তান ভ্ৰমণ কালত প্ৰাণপুৰী এবাৰ গজনীৰ ওচৰত কাবুলৰ ৰজা আহমদ শ্বাহ আব-দালিৰ চিপাহীৰ হাতত পৰে। সেই সময়ত নাকৰ ওপৰত ফোঁহা এটা উঠাত বৰ কষ্ট পাইছিল। হিন্দু সাধকৰ অলৌকিক মহিমাৰ কথা ৰজাই আগৰে পৰা শুনিছিল। প্ৰাণপুৰীক তেওঁ নাকৰ ফোঁহাটো ভাল কৰিবলৈ আদেশ দিলে। প্ৰাণপুৰীয়েতো তন্ত্ৰ-মন্ত্ৰ একো নাজানে। তেওঁ পলকতে বুদ্ধি এটা উলিয়াই কলে বোলে জ্যোতিষ গণনা কৰি তেওঁ গম পাইছে, ৰজাৰ হেনো নাকৰ ফোঁহা আৰু পৰাক্ৰমৰ মাজত সম্পৰ্ক আছে। ফোঁহাটো ভাল হলে বোলে ৰজাৰ ক্ষমতাও লোপ পাব। অগত্যা মন্ত্ৰীৰে সৈতে পৰামৰ্শ কৰি ৰজাই ফোঁহাৰ বিষয়ে সহি থাকিবলৈ স্থিৰ কৰিলে। প্ৰাণপুৰী ৰক্ষা পৰিল সেই যাত্ৰাত।

কাবুলৰ পৰা খোজকাঢ়ি প্ৰাণ পুৰী এইবাৰ কাস্পিয়ান হ্ৰদৰ পাৰৰ অষ্ট্ৰাবাদ চহৰত ওলালগৈ। তাৰ পৰা হ্ৰদৰ পাৰে পাৰে খোজ-কাঢ়ি তেওঁ বাকু চহৰৰ কাষৰ ডাগেস্তান নামৰ ঠাইখনলৈ গল। বাকুৰ হিন্দু অধিবাসীসকলে ঠাই খনক মহাজ্বালামুখী বুলিছিল। সেই ঠাইৰ মাটিৰ ওপৰত অনবৰত জুই জ্বলি থাকে বুলিয়েই সেই নাম। হিন্দু বাসিন্দাসকলে কিনা অলৌ কিক কথা বুলি সেই ঠাইত পূজা-

সেয়া কৰি ছিল। প্ৰাণপুৰীৰ চকুত পিছে জুইৰ আচল কাৰণ ধৰা পৰিল। সেই ঠাইত খনিজ তেলৰ পুং আছিল আৰু মাটিৰ তলৰ পৰা ওলোৱা গেচ বিলাকহে জ্বলিছিল। প্ৰাণপুৰীয়ে সংস্কৃত মতে ঠাইৰ নতুন নামকৰণ কৰিলে 'দাহস্থান'।

ডাগেস্তানত প্ৰাণপুৰীয়ে এমাহ থাকিল। তাৰ পিচত কাস্পিয়ান হ্ৰদ পাৰহৈ চেৰৱান, তাব্ৰিজ আৰু হামডোনৰ পথেৰে গতি কৰি চিৰাজ পালেগৈ। পাৰস্যৰ ৰজা কৰিম খাঁহে তেওঁক প্ৰাসাদত আলহী ৰাখিলে। কৰিম খাঁৰ প্ৰাসাদত তেওঁ কেবাজনো ইউৰোপীয় লোকৰ সৈতে চা-চিনাকি হৈ আলাপ কৰি কিছুকাল কটালে।

পাৰস্যৰ পৰা প্ৰাণপুৰী বাহৰিন দ্বীপলৈ জাহাজেৰে গ'ল। বাহৰিন মুক্তাৰ বাবে বিখ্যাত আছিল। বাহৰিনৰ পৰা নাৰেৰ আৰব অভিমুখে যাত্ৰা কৰোঁতে বাটতে বোম্বাইৰ জলদস্যু কিছুমানৰ কবলত পৰিল। এই দস্যুবিলাকৰ সৈতে বাহৰিনৰ শেখৰ যুদ্ধ হৈছিল। সিহঁতৰ হাতৰ পৰা মুকলি হৈ প্ৰাণপুৰী বছোৰা চহৰত ওলালগৈ। বছোৰা সেই সময়ত এটা ডাঙৰ বন্দৰ আৰু বেপেকৰা চহৰ আছিল। তাত থকা হিন্দু সদাগৰবিলাকে দুটা বিষ্ণু মন্দিৰো সজাইছিল। ভাৰতলৈ উলটাৰ আগতে তেওঁ মস্কোটৰ পৰাও এপাক মাৰি আহিলগৈ।

ভাৰতত অলপদিন থাকি তেওঁ জাহাজেৰে আকৌ বছোৰালৈ গ'ল। বছোৰাৰ পৰা পদব্ৰজে এইবাৰ ইউৰোপ গোমাল আৰু কনষ্টান্টি-নোপোল চহৰত উপস্থিত হ'ল। তাৰ পৰা তেওঁ ইস্পাহানলৈ গ'ল আৰু তাত অনেক দিন থাকি দাঁতি-কাষৰীয়া কেবাটাও ভাষা শিকিলে। পাৰস্যৰ পৰা ওলাই কাস্পিয়ানৰ পিনে যাওঁতে বাটতে এইবাৰ কোছাক কিছুমানৰ হাতত পৰিল। সিহঁতে তেওঁক দাস কৰি বেচিব খুজিছিল—কথমপিহে তেওঁ পলাই সাৰিল। অষ্ট্ৰাখানত তেওঁ আচৰিত নদী (ভলগা) দেখিবলৈ পালে। বছৰৰ চাৰিমাহ নদীৰ পানী গোটমাৰি থাকে আৰু ওপৰেদি মানুহ অহাযোৱা কৰে। অষ্ট্ৰাখানৰ পৰা ওঠৰদিনৰ মূৰত তেওঁ মস্কোত

উপস্থিত হয়। প্ৰাণপুৰীৰ তাদাত সেইসময়ত মস্কোত এগৰাকী বিবিয়ে (তিবোতা মানুহ) ৰাজত্ব কৰিছিল। এই বিবিগৰাকী বিখ্যাত ৰুছ সাম্ৰাজ্ঞী 'কেথেৰিন দি গ্ৰেট'। মস্কোত থকা পাঁচ দিন তেওঁ এটা আৰ্মে-নিয়ান চৰাইখানত আছিল।

মস্কোৰ পৰা প্ৰাণপুৰী উত্তৰ মুৱা হ'ল। ৰুচ সাম্ৰাজ্যৰ উত্তৰ সীমাইদি গৈ তেওঁ চাইবেৰিয়াত ভ্ৰমণ কৰিলে আৰু চীনৰ ৰাজধানী পিকিঙত উপনীত হ'ল। পিকিঙৰ পৰা তেওঁ তিব্বতলৈ গ'ল। তিব্বতত থকা কালত তেওঁ চাই-বেৰিয়াৰ কথা কৈ মানুহবিলাকক আচৰিত কৰি দিছিল। ছমাহ দিন ছমাহ ৰাতি হৈ থকা দেশ এখনৰ পৰা অহা বুলি তেওঁক চাবলৈ মানুহৰ লানি লাগিছিল।

## কৈলাস যাত্ৰা

দ্বিতীয়বাৰ পৰ্য্যটনৰ কালত প্ৰাণপুৰীয়ে আকৌ মধ্য এচিয়াৰ বহুতো ঠাইত ফুৰিলে। বাল্খ, বোখ্‌ৰা, চমৰখণ্ড আৰু বাদকছান প্ৰভৃতি ঠাইত ভ্ৰমণ কৰি তেওঁ কাশ্মীৰৰ মাজেদি হিমালয়ত প্ৰৱেশ কৰিলে। হিমালয়ত তেওঁ গঙ্গা নদীৰ উৎপত্তি স্থল দৰ্শন কৰি অযোধ্যাত সোমায় আৰু তাৰ পৰা নেপাললৈ যাত্ৰা কৰে। নেপালৰ ৰাজধানী কাটামুণ্ডুৰ পৰা তেওঁ তিব্বতত সোমায়। লাচাত তেওঁ দালাই লামাক পাতালা প্ৰাসাদত দেখা কৰে আৰু টাচি লামাৰ প্ৰাসাদলৈকো যায়। তাৰ পৰা আশী দিনৰ মূৰত তেওঁ মানস সৰোবৰত ওলায়হি। পদব্ৰজে তেওঁ সৰোবৰৰ পৰিধি পৰ্য্যটন কৰি তাৰ বেৰৰ জোখ উলিয়ায়—ছয় দিনৰ বাট! ঘগ্ৰা, শতদ্ৰু আৰু ব্ৰহ্মপুত্ৰৰ উৎপত্তি স্থল দৰ্শন কৰি তেওঁ লাডাখৰ পিনে যায় আৰু সাত দিনৰ মূৰত কৈলাস পায়। কৈলাস পৰ্ব্বতৰ শিখৰত থকা সৰল গছ এজোপাৰ তলৰ পৰা ওলোৱা জুৰি এটাক বহুতে গঙ্গাৰ উৎপত্তি স্থল বুলি বিশ্বাস কৰিছিল।

ভাৰতলৈ ঘূৰি অহাৰ সময়ত তিব্বত চৰকাৰে তেওঁৰ হাতত চৰকাৰী কাগজ দি ভাৰতৰ গৱৰ্ণৰ জেনাৰেলৰ ওচৰলৈ পঠায়। ডাম্-কানৰ টোকাৰ পৰা গম পোৱা যায় যে বাৰয়েল, বগল আৰু ইলিয়টৰ সাক্ষাতত এই কাগজ-পত্ৰ

প্ৰাণপুৰীয়ে হেষ্টিংচৰ হাতত দিয়ে। এওঁলোক কেউজনে তিব্বতৰ সৈতে মিত্ৰতা ৰক্ষা কৰাৰ চেষ্টাত আছিল। সেই সময়ৰ ফাৰ্চীভাষাৰ ৰেকৰ্ডৰ পৰা গম পোৱা যায় যে ৱাৰেন হেষ্টিচে প্ৰাণপুৰীৰ প্ৰশংসা কৰি বাৰাণসীৰ ৰাজা চৈতসিংহলৈ চিঠি দিছিল আৰু বাৰাণসীৰ ৰাজা মহীপ সিঙে প্ৰাণপুৰীৰ প্ৰৱৰ্ত্তনৰ কাৰণে নিষ্কৰ ভূমি দান কৰিছিল।

১৭৮৩ চনত প্ৰাণপুৰী কলি-কতাত থকা সময়তে তেওঁৰ সৈতে চেমুৱেল টাৰ্নাৰৰ পৰিচয় হয়। টাৰ্নাৰৰ টোকাৰ পৰা গম পোৱা যায় যে তেওঁৰ বৰণ গৌৰ আৰু চেহেৰা স্বাস্থ্যৱন্ত আছিল। উৰ্দ্ধবাহু তপস্বীযে সততে দুজন পৰিচাৰক লগত ৰাখিব লগাত পৰিছিল। তেওঁলোকৰ সেৱাৰ কাৰণে প্ৰাণপুৰী সদায় কৃতজ্ঞ আছিল। ব্যৱহাৰৰ অভাৱত তেওঁৰ হাত দুখন অকা-মিলা হৈ পৰিছিল, কিন্তু ব্ৰত শেষ হলে আকৌ ভাল কৰিব পাৰিব বুলি প্ৰাণপুৰীৰ দৃঢ় বিশ্বাস আছিল। তেতিয়া ব্ৰত শেষ হবলৈ আৰু এবছৰহে বাকী আছিল; কিন্তু ইয়াৰ দহবছৰৰ পাচত যেতিয়া টাৰ্নাৰে তেওঁক আকৌ লগ পায় তেতিয়াও তেওঁৰ হাত দুখন ওপৰতে আছিল আৰু একেবাৰে লৰাব নোৱাৰা আৰু অসাৰ হৈ পৰিছিল।

সাধুৰ পৰা টাৰ্নাৰে গম পালে বোলে তেওঁৰ তপস্যাত সিদ্ধি লাভ কৰিবলৈ আৰু দুটা ডাঙৰ ব্ৰত আছে। প্ৰথমটো হৈছে একুৰা দপদপীয়া জুইৰ ওপৰত চাৰিঘণ্টা তলমূৰকৈ ওলমি থকা আৰু ইটো হৈছে পোনে চাৰি ঘণ্টা মাটিৰ তলত সমাধিৰত অৱস্থাত থকা। এই দুটা ব্ৰত পালন হ'লনে নহ'ল জনা নাযায়।

ইয়াৰ পিচৰ পাঁচ বছৰ কাল আমি প্ৰাণপুৰীৰ একো খবৰ নাপাওঁ; কিন্তু ১৭৮৮ চনত তেওঁ সেই সময়ৰ ভাৰত চৰকাৰৰ এটা কূটনৈতিক সন্ধি দলৰ নেতৃত্ব বহন কৰি নেপাললৈ গৈছিল। ১৭৯২ চনতে ডানকানৰ অনুৰোধ ক্ৰমে তেওঁ জীৱনৰ ভ্ৰমণ কাহিনী বিলাকৰ বিৱৰণ এটা দিবলৈ মান্তি হয়। তাৰ পিচত আৰু তেওঁৰ খবৰ পোৱা নাযায়। কিন্তু মজনা কথা জানিবলৈ, নেদেখা ঠাই দেখিবলৈ যি কৌতুহলী মনে তেওঁক আঠ বছৰ বয়সতে পিতৃ গৃহৰ পৰা আঁতৰাই নিছিল, সেই মনেই নিশ্চয় পৃথিবীৰ বুকুত আৰু দেশ-বিদেশ পৰ্য্যটন কৰিবলৈ লৈ গৈছিল।

[ সংগ্ৰহ]

জ্যোতিপ্ৰসাদৰ
নাট্য প্ৰতিভাৰ আভাস
পাব এই প্ৰবন্ধটোত।

* * *

# জ্যোতিপ্ৰসাদৰ "শোণিত কুঁৱৰী"

: অনিমা ভৰালী

অসমীয়া সাহিত্যৰ ৰোমান্টিক ধৰ্মী নাটকসমূহৰ মাজত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ শোণিত কুঁৱৰীৰ স্থান অনন্য। শোণিতপুৰৰ বাণ ৰজাৰ লাৱণ্যময়ী জীয়াৰী উষা আৰু দ্বাৰকাৰ যদুবংশীয় কুমাৰ অনিৰুদ্ধৰ মিলনৰ কাহিনী নাটকখনত ৰূপায়িত হৈছে। অনন্ত কন্দলীৰ কুমৰহৰণ কাব্যৰ আলমত নাটকৰ আখ্যান ভাগ লৈ নাট্যকাৰে পৌৰাণিক আখ্যানৰ অলৌকিক ঘটনাবোৰ বাদ দি নাটকখনক এটা বাস্তৱ আৰু মনোৰম ৰূপ দিছে। অসামান্য প্ৰতিভা সম্পন্ন জ্যোতিপ্ৰসাদৰ কবি-প্ৰতিভা আৰু সৌন্দৰ্য্যবোধে নাটকখনৰ পৌৰাণিক কাহিনীত নতুনৰ জেউতি সানিদিছে। কুমৰহৰণৰ মতে চিত্ৰলেখাই অনিৰুদ্ধ কোঁৱৰক দ্বাৰকাৰ পৰা হৰণ কৰিবলৈ যোৱাৰ বাটত নাৰদ মুনিক লগ পাই তেওঁৰ হৰণলুকী মায়া বিদ্যা শিকি নিজে ভোমোৰাৰ ৰূপ লৈ কুমাৰৰ কাষেওত সোমাই কুমাৰকো

ভোমোৰাৰ ৰূপ দি শোণিতপুৰলৈ লৈ আহিছিল এই অলৌকিক ঘটনাটো। অৱশ্যে ধুনীয়া হলেও ৰঙ্গমঞ্চত দেখুওৱা সম্ভৱপৰ নহয়। গতিকেই জ্যোতিপ্ৰসাদে এই ঘটনাৰ ৰূপ সলনি কৰিছে। চিত্ৰলেখাই পুৰুষৰ বেশেৰে দ্বাৰকালৈ গৈ সম্মোহিত কৰি কুমাৰক হৰণ কৰি আনিছে। সম্মোহনৰ (mes-merism) বৰ্ণনা নিৰূপম। বিবিধ ধৰণেৰে প্ৰকৃতিৰ অনুপম সৌন্দৰ্য্যৰ লগত ঊষাৰ সৌন্দৰ্য্যৰ তুলনামূলক বৰ্ণনা দি দি কুমাৰৰ মন্ত্ৰমুগ্ধ কৰি চিত্ৰলেখাই কাৰেঙৰ পৰা উলিয়াই লৈ গৈছে। ঊষাৰ ৰূপৰ এনেকুৱা মাধুৰ্য্য-ময় বৰ্ণনা শুনি কুমাৰ মন্ত্ৰমুগ্ধ জ্ঞানশূন্য হৈ পৰিছে। পুৱা যেতিয়া হেঙুলী ঊষাৰ কিৰণ গোলাপৰ পাহিত ওলমি থকা নিয়ৰৰ মুকুতাবোৰত পৰি জিলিঙনি তোলে, আকাশত যেতিয়া এটা ৰঙচুৱা দিগন্ত বিয়পা সৌন্দ-ৰ্য্যৰ সৃষ্টি কৰি গোটেই বিশ্বসংসাৰ সেই সৌন্দৰ্য্যত অভিভূত কৰি এক মহান মোহিনী সৌন্দৰ্য্যৰ সৃষ্টি কৰে সিও চেৰ পৰা।" চিত্ৰলেখাই এইদৰে হাজাৰ ধৰণেৰে ঊষাৰ ৰূপৰ কথা কোঁৱৰক বাটে বাটে সোঁৱৰাই দি গৈছে। অৱশেষত আকুল হৈ কোঁৱৰে চিঞৰি উঠিছে "মোৰ আৰু কল্পনাৰে সেই সৌন্দৰ্য্য ভাবিব পৰা নাই— মোৰ চকুৰ আগত সৌন্দৰ্য্য আহি মোৰ দৃষ্টি ধূঁৱলি কুঁৱলী কৰি দিছে— মোক লৈ বলা— লৈ বলা— মই চাওঁগৈ।"

চৰিত্ৰ সৃষ্টিৰ ফালৰ পৰাও জ্যোতিপ্ৰসাদে নতুনৰ বোল সানি পৌৰাণিক চৰিত্ৰবাজিত অভিনৱত্ব প্ৰদান কৰিছে। চিত্ৰলেখা নাট্যকাৰৰ সাৰ্থক সৃষ্টি। পিতৃয়ে নজনাকৈ উত্তৰ হোৱা সন্তানৰ জীৱনৰ কঠিন সমস্যা সমাধান কৰি ঊষাৰ জীৱনৰ আকাশ পোহৰ কৰি তোলা হৰিবংশৰ চিত্ৰলেখা ৰূপকোঁৱৰৰ হাতত পৰি আৰু বেছি প্ৰাণৱন্ত হৈ উঠিছে। চকুৱে নেদেখা বস্তুকো তুলিকাৰে প্ৰাণ দিব পৰা সুন্দৰৰ পূজাৰিণী চিত্ৰলেখাই মৰমৰ ঊষা-সখীৰ কাৰণে অকাতৰে সকলো স্বাৰ্থ বিসৰ্জ্জন দিব পাৰে— নিজৰ জীৱন পৰ্য্যন্ত। চিত্ৰলেখা চৰিত্ৰৰ এইটোৱেই ঘাই আকৰ্ষণ। এই আকৰ্ষনীয় চৰিত্ৰ জ্যোতিপ্ৰসাদৰ লিখনীত আৰু বেছি জীৱন্ত হৈ পৰিছে। ঊষা আৰু চিত্ৰলেখা দুটা

বিভিন্নমুখী চৰিত্ৰ। উষা উদয়াচলৰ হেঙুলী ৰহণেৰে ৰঞ্জিত প্ৰভাতী উষাৰ দৰেই অসীম সৌন্দৰ্য্যশালিনী অনিন্দিতা, মাধুৰ্য্যময়ী, অথচ শৰতৰ ৰজনিৰ নিয়ৰ সেমেকা শেৱালী এপাহিৰ দৰেই কোমল, লেহুকা, দুৰ্ব্বল আৰু আবেগপ্ৰৱণ। সপোনৰ কোঁৱৰক দিঠকত কেকুৱাই কান্দি-কাতি বাউলী হৈছে। সখি চিত্ৰলেখাই উপায় কৰি নিদিলে উষাৰ কোনো সহায় নাই। উষা মৰি যাব, কিন্তু কোঁৱৰক কোনোমতেই সূৰ্য্যাস্তৰ দেশৰ পৰা আনিব নোৱাৰে। চিত্ৰলেখা সম্পূৰ্ণ বিপৰীত। চিত্ৰলেখা অলোকসামান্যা, অপৰূপা, নৃত্য-বিশাৰদা। আনহাতে চিৰসুন্দৰৰ আৰাধনাত ব্যাকুলা গৰীয়সী চিত্ৰশিল্পী। তেওঁৰ চিত্ৰত ত্ৰৈলোক্যৰ প্ৰতিটো বস্তুৱেই প্ৰাণ পায়। হাতত তুলিকা তুলি ললে চিত্ৰলেখাই তলসৰা ফুল এপাহৰ পৰা স্বৰ্গৰ অধিপতি ইন্দ্ৰদেৱতালৈকে সকলোৰে ছবি নিমিষতে অঙ্কন কৰি পেলাব পাৰে। এইয়া চিত্ৰলেখা ধৈৰ্য্যশীলা, বুদ্ধিমতী আৰু সখীপ্ৰাণা। সখীৰ-কাৰণে নিজৰ প্ৰাণ বিসৰ্জ্জন দিবলৈও সাজু। নিজে একো নাপায়, এজো শিশিচন্দ্ৰখণ্ড। প্ৰেমময়ী গাভৰু হৈয়ো অন্তৰৰ কামনা বাসি, কেতিয়াও প্ৰকাশ নকৰে। সম্পূৰ্ণ এক নিৰ্ব্বিকাৰ মহত্বোপৰি মহীয়ান্ হিয়া। এই অসম্ভৱ ধুনীয়া চৰিত্ৰটো জ্যোতিপ্ৰসাদৰ হাতত পৰি আৰু মোহলগা হৈ উঠিছে।

অনন্তকন্দলীৰ নিচিনাকৈ জ্যোতি-প্ৰসাদে চিত্ৰলেখাৰ কাৰো লগত বিয়া পতা নাই। চিত্ৰলেখা উষা অনিৰুদ্ধৰ মিলনৰ দূতী। গতিকেই চিত্ৰলেখাৰ বিয়া কাৰ লগত হ'ল সেইকথা জানিবলৈ দৰ্শকে হয়তো বিশেষ ইচ্ছা নকৰে। কুমৰহৰণৰ আখ্যানমতে উষাৰ সৈতে একেলগেই যাদৱকোঁৱৰ গদৰ লগত চিত্ৰলেখাৰ বিয়া হৈছিল। এইকথা জ্যোতি-প্ৰসাদে নাটকত যোগ নিদিয়াত কৰুণ কোমল সৌন্দৰ্য্যপূৰ্ণ পৰিস্থিতি এটা সৃষ্টি হৈছে। উষাৰ বিদায় মুহূৰ্ত্তত চিত্ৰলেখাৰ প্ৰাণত যি বিষাদৰ ৰিণিণি উঠিছে সি অতি মৰ্ম্মস্পৰ্শী। চিত্ৰলেখাৰ অন্তৰৰ বেদনা ৰাশি দৰ্শকে প্ৰাণৰ গভীৰ প্ৰদেশত উপলব্ধি কৰিছে। "সখী উষা! আজি তোমাৰ সৈতে মোৰ বিচ্ছেদ নেকি? ইমান দিনৰ

মৰম চেনেহ আজি—নহয়, নহয় তোমাৰে সৈতে মোৰ কোনে বিচ্ছেদ ঘটাব পাৰিব? তোমাৰ লগে লগে সাতবৰণৰ তুলি লৈ মই আছিলো আৰু থাকিমেই। তোমাৰ মিলন নিশা পোহৰাবলৈ জোনবাইৰ ওঁঠৰ পৰা ৰূপালী ৰহন-খিনি আনি বনে বনে সানি দিম। সন্ধিয়াৰ সমীৰণ হৈ মই সেই ৰূপিংফুটা জোনাকত গছৰ ডালে পাতে, কাৰেঙে কাৰেঙে, কুঞ্জই কুঞ্জই, ফুলৰ পাহিত মৃদু মৃদু চৰণক্ষেপেৰে হালিজালি লয়লাসে নাচি ফুৰিম, আৰু হাতত থকা সুগন্ধিবোৰ তোমাৰ চৌফালে বিলাই দিম। তেন্তে তেওঁৰ সৈতে মোৰতো আৰু বিচ্ছেদ নহয়—সদায়ে মই তোমাৰ লগৰীয়া নহয়নে বাৰু সখী?" এই কথাখিনি ইমান কৰুণ ইমান অন্তৰস্পৰ্শী। চিত্ৰলেখাৰ অন্তৰৰ উচুপনিয়ে দৰ্শকৰ অন্তৰ পৰিপূৰ্ণ কৰি তোলে। চিত্ৰলেখাই বিয়া ঘৰাই আনন্দ মনেৰে ঘাৰ-ফালৈ গুচি যোৱা হলে এই কৰুণ শোকময় দৃশ্যটো অঙ্কন নহ'লহেঁতেন। প্ৰেক্ষাগৃহ এৰি থৈ অহাৰ পিচত দৰ্শকৰ প্ৰাণত একো প্ৰতিধ্বনিও বাজি থাকিলহেঁতেন।

'শোণিত কুঁৱৰী' গীতিমধুৰ নাটক। নাটকৰ আঙ্গিক গীতবিলাকৰ উপৰিও মধুৰ পটভূমি আৰু পৰিবেশেও শোণিত কুঁৱৰীক গীতি-নাট্যৰ ৰূপ দিছে। যি পটভূমিত উষা অনিৰুদ্ধৰ প্ৰেমৰ সপোনৰ ফুলপাহে পাহি মেলি ছিল, সেই পটভূমি কামৰূপৰ—পূৱ-ভাৰতৰ সোণালীধাম কামৰূপৰ। যি ৰাজ্যৰ বুকুমেদি মহাবাহু ব্ৰহ্মপুত্ৰই উচ্ছল তৰঙ্গেৰে সাগৰলৈ ধাৱমান হৈছিল, যি ৰাজ্যৰ গছলতাৰ শ্যামল শোভা, প্ৰস্ফুটিত কুসুমৰ ন ন ৰহন, আকাশৰ নীলা বৰণ আৰু বনশ্ৰীৰ স্নিগ্ধ কান্তিয়ে যদুবীৰসকলবো মনত মচিব নোৱাৰা চাপ বহুৱাইছিল, সেই সৌন্দৰ্য্যৰ লীলা নিকেতন কামৰূপৰ জীয়াৰী উষাৰ কাৰণে সূৰ্যাস্ত দেশৰ সাগৰৰ পাৰৰ কোঁৱৰ আকুল হৈছিল। চিত্ৰলেখাই উষাৰ ৰূপৰ বৰ্ণনাত কোঁৱৰৰ চকুলৈ প্ৰকৃতিৰ যি অনুপম সৌন্দৰ্য্যৰ ছবি আনি দিছিল সেই ছবি, সেই মনোলোভা শোভা আন ক'তো হব নোৱাৰে। হব পাৰে কেৱল উদয়াচলৰ এই ধুনীয়া দেশখনত। জোনালী নিশাৰ শুভ্ৰ পোহৰেৰে উজলি থুয়োপাৰ ধুমাই

বাগৰি যোৱা জুপিটি, দিগবলয়ৰ মুহূৰ্ত, খড়চুৱা যোল শাৰি গোলাপৰ পাহিত ওলমা নিয়ৰৰ মুকুতাবোৰত জিলিকনি তোলা হেঙুলী উষাৰ কিৰণ, মধুৰ বসন্তৰ নৱযৌৱনৰ লাজুকী আভা, নীলিম আকাশৰ সৈতে লীন যাব খোজা হিমালয়ৰ টিঙত পৰা অস্তগামী তপনৰ স্বৰ্ণালী শোভা—সেই আটাইবোৰ এই দেশৰ সৌন্দৰ্য্য। চকুৰে, মনেৰে, প্ৰাণেৰে, উপভোগ কৰিবলৈ নোপোৱা হলে অসম জীয়ৰী চিত্ৰলেখাই বাণৰাজ বাহৰ কোঁৱৰ অনিৰুদ্ধৰ আগত সেই সৌন্দৰ্য্যৰ বৰ্ণনা দিয়াৰ প্ৰাণ-স্পৰ্শীকৈ দিব নোৱাৰিলেহেঁতেন।

• ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ যাদু-কৰী লিখনীত গঢ়ি উঠা কল্লোলময় পৰিবেশটোৱে শোণিত কুঁৱৰীৰ ৰূপ-টোক অপূৰ্ব্বৰূপে আবেদনশীল আৰু অনুভূতিপূৰ্ণ কৰি তুলিছে। সৌন্দৰ্য্য সাধক সৌন্দৰ্য্যৰসিয়া মনটোৱে তাৰ মাজে মাজে লুকাভাকু খেলিছে।

---

## মানৱ দেহৰ মুল্য ?

একোজন মানুহৰ দেহত কি পৰিমাণৰ ৰাসায়নিক দ্ৰব্য থাকে তাৰ এটা হিচাপ বৈজ্ঞানিকে দিছে :

যিমানখিনি চৰ্বি থাকে তাৰে সাঁতভোখৰ চাবোন তৈয়াৰ হব পাৰে।

যিখিনি অঙ্গাৰ থাকে তাৰপৰা ন হেজাৰ কাঠপেঞ্চিল পোৱা যাব।

ফচ্ফৰাচখিনিৰে বাইশশৰো অধিক জুইশলা তৈয়াৰ কৰিব পাৰি।

যিমানখিনি চূণ থাকে তাৰে সৰুসুৰা পাৰৰাঁহ এটাত চুণকাম কৰিব পৰা যাব।

শৰীৰত থকা লোহাখিনিৰে ছুটা মজলীয়া নিধৰ গজাল তৈয়াৰ হব পাৰে।

# বিচিত্ৰ জগত

## শ্যাম দেশৰ যমজ

পৃথিবী বিখ্যাত শ্যাম দেশৰ যমজ (Siamese Twins) দুজনৰ কথা বহুতেই নিশ্চয় শুনিছে। এই যমজৰ জন্ম হয় ১৮১১ চনত। তেওঁলোকৰ নাম আছিল চেং আৰু য়েং। আচলতে পিচে তেওঁলোক চীনাহে আছিল। কামিহাড়ৰ তলত কোমল হাড় আৰু তন্তুৰ দ্বাৰা দুয়োজন লগ লগা আছিল। সেই বাবে অৱশ্যে তেওঁলোকৰ খোজ কঢ়া, শোৱা আদিত অসুবিধা হোৱা নাছিল। ৩২ বছৰ বয়সত দুয়োজনে দুজনী বাই-ভনীক বিয়া কৰায়। চেং দহোটি আৰু য়েং বাৰটি সন্তানৰ বাপেক হয়। জোৰা লগা হলেও দুজনৰ স্বভাৱ চৰিত্ৰৰ বিশেষ কোনো মিল দেখা নগৈছিল। এজনৰ অসুখ হলেও আনজন ভালে আছিল। দুজনৰ ভিতৰত চেঙে বেচি পৰিমাণে মদ খাইছিল। ১৮৭২ চনত চেং আংশিক পক্ষাঘাত ৰোগত আক্ৰান্ত হয়। দুবছৰ পিচত বুকুৰ বিষ হবলৈ আৰম্ভ কৰে; য়েং পিচে ভালেই আছিল। এদিন ৰাতি য়েঙৰ হঠাতে টোপনি ভাগিল। দেউতাকৰ মাত শুনি পুতেক ওচৰলৈ গৈ দেখে যে ইতিমধ্যে খুৰাক চেঙৰ মৃত্যু হৈছে। তিনি ঘণ্টাৰ পাচতে কোনো ডাক্তৰী চিকিৎসা নোপোৱাকৈ য়েঙৰো মৃত্যু হল।

সেই সময়ত বহুতৰ মনত ধাৰণা আছিল যে যিহেতু চেং আৰু য়েং জোৰা লগা, এজন মৰিলে ইজনো

ৰাখিব পাৰিলিম। পাছতকৈ চেং আৰু এং একে সময়তে মৰা অনিবাৰ্য্য কথা। কিন্তু আচল কথা সেইটো নহয়। মেডিকেল জাৰ্নেলত এই বিষয়ে বিৱৰণ আছে; কিন্তু প্ৰায় এশ বছৰে কোনেও জাৰ্নেলৰ পাত লুটিয়াই চোৱা নাছিল। অলপতে আমেৰিকাৰ জৰ্জ্জ টাউন বিশ্ববিদ্যালয়ৰ ডাঃ ডেনিয়েলসে কিতাপৰ দোকানত পুৰণা বিৱৰণটো বিচাৰি পায়। তেওঁৰ মতে এং হেনো ভয়তহে মৰিল।

পৃথিৱী বিখ্যাত অস্ত্ৰ চিকিৎসক সকলেও এই জোৰা পৃথক কৰিবলৈ সাহ কৰা নাছিল। অৱশ্যে তেনেকুৱা এটা কঠিন অস্ত্ৰোপচাৰ কৰিবলৈ আজিকালিৰ দৰে উন্নত ধৰণৰ অস্ত্ৰপাতি তেতিয়া নাছিল। ৰঞ্জন ৰশ্মিৰ প্ৰয়োগো তেতিয়া হোৱা নাছিল।

মৃত্যুৰ পিচত পৰীক্ষা কৰি দেখা গ'ল যেওৰ লিভাৰৰ এটা অংশ চেঙৰ দেহৰ সৈতে জড়িত আছিল। চেঙৰ মৃত্যুৰ লগে লগে কোনো সাহসী অস্ত্ৰোপচাৰক উপস্থিত হোৱা হলে এং হয়তো জীৱিত থাকিলহেঁতেন। বিজন ডাক্তৰে চেং আৰু চেঙৰ দেহৰ [illegible] পৰীক্ষা কৰিছিল তেওঁৰ মতে মস্তিষ্কৰ ৰক্তক্ষৰণ চেঙৰ মৃত্যুৰ কাৰণ। এঙৰ বোধহয় ভয়তে মৃত্যু হয়।

[ বি. চ. ]

## অদ্ভুত বিচাৰ

আজি কেইবছৰ মানৰ আগতে কাগজত খবৰ আহিছিল যোলে ভাৰতৰ কোনো এখন গাঁৱত আন এজনী গৰুক খুচি হত্যা কৰাৰ অপৰাধত গৰু এজনীক গাঁৱৰ পঞ্চায়তে বিচাৰ কৰি যাৱজ্জীৱন কাৰাদণ্ড দিছে। পশুপক্ষীৰ এনে ধৰণৰ বিচাৰ বৰ আচৰিত যেন লাগিলেও মধ্যযুগৰ ইউৰোপত ই বিশেষ একো আচৰিত কথা নাছিল। দুষ্ট, অবাধ্য পোহনীয়া জন্তু বা চৰাই আনকি বনৰীয়া জন্তুবো নিয়ম মতে বিচাৰ হৈছিল। বিপক্ষৰ উকীলে অভিযোগ আনিছিল, ফৰিয়াদী উকীলে পক্ষ সমৰ্থন কৰিছিল আৰু বিচাৰক জুৰীয়ে লগ লাগি ৰায় দিছিল।

পাঁচ বছৰমানৰ আগতে বোর্ণিও দ্বীপৰ ডাজাক সম্প্ৰদায়ৰ মাজতো এনে এখন বিচাৰ হৈছিল। বিচাৰৰ আচামী আছিল এটা বঁৰিয়াল।

গাহঁৰ এক সুন্দৰীয়ে নদীত সাঁতুৰিবলৈ গৈ আৰু ঘিৰি নাহিল। তেওঁক বিচাৰি গোটেইখনতে হৈ চৈ লাগিল। নদীৰ পাৰত পিন্ধা কাপোৰ আৰু এটা ইয়াৰিং দেখি গাঞা বাইজে ঠিক কৰিলে যে ছোৱালীজনীক ঘঁৰিয়ালে নিলে। বুঢ়া-মেঠাই বহুত পৰ আলোচনা কৰি সাব্যস্ত কৰিলে যে ঘঁৰিয়ালক ধৰি এসেকা ভালকৈ দিব লাগিব। কথা মতে কাম হ'ল। নদীৰ বুকুত খুটা এটা পুতি তাৰ পৰা চৰাই এটা বৰশীৰে ওলমাই থোৱা হ'ল।

বেলি বহাৰ পিচত সেই বৰশীত ঘঁৰিয়াল এটা লাগি থকা দেখা গ'ল। বাইজে তাক টানি বামলৈ তুলিলে। তাৰ গাত জীৱ আছিল যদিও সি পলাবলৈ বা বাধা দিবলৈ অকণো চেষ্টাও কৰা নাছিল।

গাহঁৰ মানুহবিলাকে তাক বেৰি লৈ নৃত্য আৰম্ভ কৰি দিলে। এজন এজনকৈ প্ৰত্যেকে তাক যাঠিৰে একোটা খোঁচ মাৰি কলে, "তয়েই আচামী— তই শাস্তি পাবই লাগিব।" তাৰ পিচত আৰম্ভ হ'ল এক অদ্ভুত বিচাৰ অনুষ্ঠান— ঘঁৰিযাল বনাম ডাজাক উপজাতি।

এটা পিঞ্জৰাৰ ভিতৰত ভৰাই তাক মুকলি বিচাৰলৈ লৈ অহা হ'ল। বিচাৰক হ'ল এজন গাওঁবুঢ়া। বয়োজ্যেষ্ঠসকল জুৰী হ'ল। এজন বেজ হ'ল ফৰিয়াদী পক্ষৰ উকীল, আন এজন আচামী পক্ষৰ।

বাহিৰৰ দৰ্শক হিচাপে উপস্থিত আছিল এজন ৰোমান কেথলিক পাদুৰী চাহাব আৰু এজন মাৰ্কিন সাংবাদিক। দুয়ো বোৰ্ণিওৰ আভ্য-ন্তৰীণ অঞ্চলত দুসপ্তাহ ধৰি পৰিভ্ৰমণ কৰি ঘটনাস্থলত উপস্থিত হৈছিলহি। তেতিয়া যে মাত্ৰ আছিল।

ফৰিয়াদী পক্ষৰ উকীলৰ যুক্তি, "ঘঁৰিয়ালটোৱে ছোৱালীজনীক খালে গতিকে তাৰ মৃত্যু দণ্ড হোৱা উচিত।" আচামী পক্ষৰ পৰা কোৱা হ'ল, "ছোৱালীজনীয়ে সেই নদীত সাঁতুৰিবলৈ যোৱাই উচিত নাছিল। বিশেষকৈ, মোৰ মক্কেলৰ ভোক লাগিছিল যেতিয়া।"

ইয়াৰ পিচত গোটেই বিষয়টো জুৰীসকলৰ হাতত তুলি দিয়া হ'ল। তেওঁলোকে তৰ্কাতৰ্কি কৰাৰ সময়ত ঘঁৰিয়ালটো একেবাৰে নিদ্ৰামগ্ন। ৰায় দিয়াৰ সময়ত তাৰ টোপনি ভাগিল! "শাস্তি— মৃত্যু"।

মুঠেত্তে তাকো টুকুৰা টুকুৰ কৰি খোৱা হয়। দৰ্শক দুজনে বিচাৰকক সুধিলে: "নদীত ইমান ঘঁৰিয়াল আছে— সিহঁতৰ ভিতৰত এইটোৱেই যে দোষী তাৰ কি প্ৰমাণ আছে?"

বিচাৰকে সহজ ভাবে উত্তৰ দিলে: "কাৰণ ঘঁৰিয়ালে তাৰ আত্ম-পক্ষ সমৰ্থন কৰা নাই। তাক পানীৰ পৰা তুলিবৰ সময়তে সি পলাব পাৰিলেহেঁতেন। সি পলাবলৈ চেষ্টা কৰা নাই যেতিয়া সি দোষী।" ইয়াৰ পিচত চুৰিৰে ঘঁৰিয়ালক বধ কৰা হ'ল। সেই সময়তো তাৰ ফালৰ পৰা কোনো বাধা অহা নাছিল। তাৰ পাকস্থলীত ছোৱালী-জনীৰ কাণৰ আনটো ইয়াৰিং পোৱা গ'ল।

বিচাৰকে দৰ্শক দুজনক কলে: "দেখিলেনে তাৰ আচৰণ। অপৰাধী কাৰণেই সি প্ৰতিবাদ কৰা নাছিল।" শুনিলে আচৰিত যেন লাগিলেও বহুতো জন্তুৱেও আৱেগৰ ক্ষেত্ৰত মানুহৰ দৰেই আচৰণ কৰা দেখা যায়।

## অবিশ্বাস্য

বহুতে নিজে গৈ চাই আহিছে, পিচে নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান পাইছে। কাৰণ যি দেখিছে সেইটো সঁচা হলে মধ্যাকৰ্ষণ শক্তি, ওলট পালট হ'ল যেন লাগিব।

কানাডাৰ নিউ ব্ৰান্সউইকত (New Brunswick) এখন চুম্বক শক্তি সম্পন্ন পাহাৰ (Magnetic hill) আছে। পাহাৰখনৰ পৰা উঠা নমা কৰিবৰ কাৰণে মটৰ গাড়ী যাব পৰা ৰাস্তা আছে। পাহাৰৰ ওপৰতে এখন জাননী দিয়া আছে। পাহাৰৰ পৰা তললৈ নামি যাওঁতে নিৰ্দিষ্ট ঠাই এটুকুৰাৰ পৰা মটৰ চালক সকলক ইঞ্জিন বন্ধ কৰি ব্ৰেক নধৰি-বলৈ নিৰ্দ্দেশ দিয়া হৈছে। গাড়ীৰ ইঞ্জিন বন্ধ কৰি দিয়াৰ লগে লগে অবাক হব লাগে। কাৰণ গাড়ী-খন তেতিয়া পাহাৰৰ ওপৰৰ ফালে চলি যাবলৈ ধৰে, ওপৰলৈ উঠাৰ লগে লগে বেগো বাঢ়ি যায়।

তাতোকৈ আচৰিত হব লগীয়া কথা— ৰাস্তাৰ কাষত থকা খালৰ পানীৰ সোঁত পাহাৰৰ ওপৰৰ ফালে বৈ যোৱা দেখা যায়। বহুত যাত্ৰীয়ে নিজৰ গাড়ীবোৰ পাহাৰৰ ওপৰৰ পৰা অলপ এচলীয়া ঠাইলৈ নি এৰি দি চাইছে। পিচে গাড়ীবিলাক তললৈ গুচি নাযায়গৈ। বহুতে ৰাস্তাৰ সমতা (level) নিৰ্ণয় কৰিবলৈ

মাটিত পেট পেলাই পৰিও চাইছে। তথাপি সেই একে দৃশ্য—ৰাস্তাটো তললৈ নামি গৈছে আৰু পানীৰ সোঁত ওপৰলৈ বৈ গৈছে।

বহুতো সন্দেহবাদীয়ে (sceptics) আকৌ ৰাস্তাইদি খোজ কাঢ়ি পাহাৰৰ তললৈকে নামি চাইছে। পিচে তল পাইগৈ মানে কোঁপাব লগা হয় আৰু ভৰিবোৰ টনটনায়। ওপৰলৈ উঠি আহোঁতে সেই হিচাপে সিমান কষ্ট নহয়।

তেওঁলোকৰ ভৰিৰ টনটননিয়ে বুজাইছে, গাড়ীবোৰৰ গতিয়ে বুজাইছে কোন ফালে ওখ আৰু কোন ফালে চাপৰ, কিন্তু তেওঁলোকৰ চকুয়ে 'ওপৰ' যে 'তল' আৰু 'তল' যে 'ওপৰ' তাক ধৰিব নোৱাৰে। কানাডাৰ নিউ ব্ৰাঞ্চ উইকৰ চুম্বক পাহাৰ পৃথিৱীৰ এটা শ্ৰেষ্ঠ দৃষ্টি-বিভ্ৰম।

( বি. চ. )

## সৌজন্যৰ প্ৰতিক্ৰিয়া

আমাৰ বিয়াৰ কিছুদিনৰ পাচতে পৰিবাৰৰ এগৰাকী বান্ধৱী ফুৰিবলৈ আহিল তেওঁৰ স্বামীৰে সৈতে। চা-চিনাকি, কথা-বতৰা হলোঁ।

..... চাহ খাবলৈ লওঁতে কেনেবাকৈ বান্ধৱীৰ হাতৰ পৰা পৰি টি-পট্ ( tea-pot ) এটা ভাগিল। ভদ্ৰমহিলাক যথেষ্ট অপ্ৰস্তুত হোৱা দেখি মই কলোঁ,—"নাই—নাই আপুনি একো নেভাবিব। সেই টি-পট্‌টো একেবাৰে সস্তীয়া আৰু সেইটো আমাৰ মুঠেই ভাল লগা নাছিল।"

মোৰ সান্ত্বনা শুনি ভদ্ৰমহিলা বেচিকৈহে অপ্ৰতিভ হ'ল আৰু দেখিলোঁ মোৰ পৰিবাৰৰো মুখৰ বৰণ সলনি হৈছে। বান্ধৱীৰ বুদ্ধিমান স্বামীজনে আন কথা উলিয়াই অস্বস্তিকৰ প্ৰসঙ্গটো তল পেলালে।

অভ্যাগত দম্পতিয়ে বিদায় লৈ যোৱাৰ পাচত পৰিবাৰে মোক কলে,—"তুমিনো বাৰু তেনেকৈ কব পোৱানে! সেই টি-পট্‌টো বান্ধৱীয়ে বিয়াত উপহাৰ দিয়া টি-চে'টটোৰে আছিল। তেওঁ ভাল পাওক বুলিহে মই উলিয়াই দিছিলোঁ।"

এইবাৰ মোৰ কাণ-মুখ গৰম হোৱা মই নিজেই গম পালোঁ।

"1987," "Animal Farm" আদি বিখ্যাত গ্ৰন্থৰ ৰচয়িতা জৰ্জ্জ অৰৱেলৰ এই ৰচনাখনত ব্যক্তিত্বৰ স্পৰ্শই সাধাৰণ বিষয়বস্তুক অসাধাৰণ কৰি তুলিছে

# এটা হাতী মাৰিলো

জৰ্জ্জ অৰৱেল

এদিন ৰাতিপুৱাই চহৰৰ সিমূৰৰ থানাৰ পৰা পুলিচ চাব ইন্সপেক্টৰ এজনে ফোনেৰে মোক কলে বোলে গুণ্ডা হাতী এটা ওলাই বজাৰখন লণ্ডভণ্ড কৰিব ধৰিছে। তালৈ গৈ তাৰ কিবা এটা ব্যৱস্থা কৰিব পাৰিম নেকি সুধিলে। গৈনো কি কৰিম মই কব নোৱাৰো, তথাপি কিনো হৈছে চাবলৈ মোৰো মন গ'ল আৰু ঘোঁৰাত উঠি ঘটনা স্থলীলৈ যাত্ৰা কৰিলো। হাতত এটা '৪৪ উইনচেষ্টাৰ ৰাইফল— যাৰে হাতী মাৰিব নোৱাৰি। কিন্তু তাৰ গুলীৰ আৱাজে কাম দিব বুলি ভাবি ললো। বাটতে কেবাটাও বাৰ্মিজ মানুহে মোক ৰখাই হাতীটোৰ কীৰ্ত্তিৰ বিষয়ে বিৱৰি কলে। হাতীটো বোলে বনৰীয়া নহয়, ঘৰচীয়া হাতীৰেহে ভাতি খুলিছে। গতিকে মতলীয়া হোৱাত মাউতে তাক বান্ধা মাৰি থৈছিল, পিচে যোৱা ৰাতি কেনেবাকৈ বান্ধা চিঙি পলাল। এনে অৱস্থাত তাক চম্ভালিবলৈ মাউতৰ বাহিৰে অন্য কাৰো সাধ্য নাই। ইপিনে মাউতো ওচৰত নাই। হেৰোৱা হাতীৰ পম খেদি সি অন্য

কোনোবা পিনেহে গ'ল। এনেতে হঠাতে ক'ৰবাৰ পৰা বাতিপুৱাই হাতীটো আহি চহৰত ওলালহি। বাৰ্মিজবিলাকৰ হাতত অস্ত্ৰ-শস্ত্ৰ একো নাছিল দেখি আটায়ে দিকপায়। ইতিমধ্যে হাতীয়ে কিছুমান বাঁহৰ ঘৰ ভাঙিলে, গৰু এজনী গচকি মাৰিলে আৰু বজাৰৰ কেবাখনো দোকানৰ ফলমূল খাই টহলং কৰিলে। বাটতে পাই মিউনিচিপেলিটিৰ ময়লা কঢ়িওৱা গাড়ী এখন বগৰাই থৈ গ'ল। ড্ৰাইভাৰে কথমপিহে প্ৰাণ লৈ দৌৰি সাৰিল।

হাতীটো প্ৰথমে ওলোৱা ঠাই ডোখৰলৈ গৈ মোলৈ ফোন কৰা বাৰ্মিজ চাব ইন্সপেক্টৰ আৰু কেবাজনো ভাৰতীয় কনষ্টেবলক মই লগ পালো। বস্তিখন তেনেই দুখীয়া আৰু লেতেৰা, পাহাৰৰ গাতে লাগি থকা কেতবোৰ খেৰ-বাঁহৰ জুপুৰি ঘৰৰ সমষ্টি। মোৰ ভালকৈয়ে মনত আছে সেইদিনা বাতিপুৱা বতৰটো গোমোঠা হৈ আছিল—বৰষুণৰ আগজাননী। হাতী ক'লৈ গ'ল ওচৰৰ মানুহবিলাকক সুধিলোহে হয়, কিন্তু সচৰাচৰ হোৱাৰ দৰে কাৰো পৰা বিতং বাতৰি একো নাপালো। প্ৰাচ্যৰ পিনে সদায়ে এনে হয়। কিবা এটা ঘটনাৰ কথা শুনিব, কওঁতায়ো আঁৰ নলগাকৈ কৈ যাব; কিন্তু যিমানেই আপুনি ঘটনা স্থলৰ কাষ চাপিব সিমানেই আঁতৰৰ পৰা শুনি অহা কথাবোৰ কিবা উৰহী গছৰ ওৰ বিচৰাৰ দৰে জটিল হৈ পৰিব। কিছুমান মানুহে কলে বোলে হাতী এইপিনে গ'ল, কিছুমানে বোলে সিপিনহে গ'ল—কিছুমানে আকৌ হাতীৰ নাম শুনি আচৰিতহে হ'ল। সিহঁতে বোলে হাতী নমাৰ কথা শুনাই নাই। গোটেই ঘটনাটোকে মিছা-জনৰৱ বুলি ভাবি ফিৰিবলৈ মই সন্মত হওঁ হওঁ, এনেতে দূৰৰ পৰা কিবা এটা কৰ্কশ চিঞৰ আহি কাণত পৰাত থমকি ৰলোঁ। দেখিলো বুঢ়ী এজনীয়ে এছাৰি এদাল লৈ ঘৰ এটাৰ ওচৰৰ পৰা সৰু ল'ৰা-ছোৱালীবোৰক গালি পাৰি খেদি পঠাইছে। কিছুমান তিৰোতা মানুহেও ওচৰলৈ গৈ চিঞৰ-বাখৰ লগাইছে। নিশ্চয় সেইপিনে কিবা অঘটন ঘটিছে আৰু সেইদেখি

তাৰ্লৈ লক লৰাহোৱালী যোৱাটো বুঢ়ীয়ে ভাল পোৱা নাই। মই খৰটোৰ কাষলৈ গৈ দেখিলো মাদ্ৰাজী কুলী এটা মৰি বোকাত লুতুৰি পুতুৰি হৈ পৰি আছে। সি মৰা বেছি পৰ হোৱা যেন নালাগিল। মানুহৰ পৰা গম পালো যোলে হাতীটোৱে হঠাতে আহি তাক আক্ৰমণ কৰিলে আৰু খিতাতে মাটিত পেলাই লৈ ভৰিৰে গছকি মাৰিলে। মৰাশটোৰ কি বিকট চেহেৰা! এক ভযানক যন্ত্ৰণাত যে মৰিছে তাৰ চিন মুখত স্পষ্টকৈ ওলাই পৰিছে। মানুহে কয় মৰিলে বোলে মুখৰ চেহেৰা প্ৰশান্ত, সৌম্য হয়। পিচে মই যিমান মৰা মানুহ দেখিছো প্ৰায় ভাগেই ভুতৰ দৰে বিভৎস।...... মৰাশটো দেখিয়েই মই অৰ্ডালিটোক ওচৰতে থকা বন্ধু এজনৰ পৰা এটা ডাঙৰ ৰাইফল আনিবলৈ পঠিলো। হাতীৰ গোন্ধ পালে দিগদাৰ কৰে বুলি ভয় কৰি ঘোঁৰাটোকো পঠিয়াই দিলো।

এটা ৰাইফল আৰু পাঁচটা কাৰ্টিজ লৈ অৰ্ডালিটো ঘুৰি আহিল। তেনে সময়তে বাৰ্মিজ এটা আহি আমাক কলেহি হাতীটোৱে হেনো কেইশমান গজ নিলগতে পাহাৰৰ নামনিৰ পথাৰত চৰি আছে। তাৰ্লৈ বুলি মই খোজ লৈছোহে মোৰ পিচে পিচে বস্তিৰ গোটেইজাক মানুহে হিলদল ভাঙি যাবলৈ ধৰিলে। মোৰ হাতত বন্দুক দেখি আটাইজাকৰে মাজত উচপিচনি লাগিল আৰু সিহঁতে কোৱাকুৱি কৰিবলৈ ধৰিলে— চাহাবে হাতী মাৰিব।

হাতীয়ে সিহঁতৰ ঘৰ—দুৱাৰ ভাঙোতেও সিহঁতে সিমান মন কৰা নাছিল, কিন্তু মই হাতী মাৰিম বুলি ভবাত এতিয়া কথা-টোৱে বেলেগ ৰূপ ললে। সিহঁতৰ 'তামাচাৰ' বিষয় এটা ওলাল, তদুপৰি হাতীটো পৰিলে মাংস পোৱাৰ আশাও আছে। গোটেই কথাটো তং কৰি মোৰ নিজৰে কেনেবা কেনেবা লাগিল। আচলতে হাতীটো মৰা মোৰ উদ্দেশ্য নাছিল—আত্মৰক্ষাৰ কাৰণেহে ৰাইফলটো অনাইছিলো; তদুপৰি এজাক মানুহে পিচে পিচে আহিলে এনেয়ে অশান্তি বোধ কৰা হয়। মই পাহাৰৰ তললৈ নামি আহিলো

আৰু মোৰো পাচত ৰং চাবলৈ অহা মানুহৰ ক্ৰমবৰ্দ্ধমান জাকটোও আছিল। কান্ধত ৰাইফল লৈ এই মানুহ জাকৰ আগেদি আহি থাকোতে মোৰ নিজকে কিবা মূৰ্খ মূৰ্খ যেন বোধ হ'ল। পাহাৰৰ দাঁতিত য'ত বস্তিবোৰ শেষ হৈছে তেনেকুৱাতে এটা পকী ৰাস্তা আৰু তাৰ নামনিত এহেজাৰ গজমান দিলগত এখন ধানৰ পথাৰ। পথাৰত নাঙল লগা নাই যদিও বৰষুণ জাকত সেমেকি কোমল হৈ আছে আৰু দাঁহেৰে ঢাক খোৱা। ৰাস্তাৰ পৰা আশী গজমান দূৰত আমাৰ পিনে বাওঁ কাষ দি হাতীটোৱে আপোন মনেৰে চৰি আছে। মানুহবিলাক যে তাৰ পিনে অগ্ৰসৰ হৈছে তালৈ তাৰ ভ্ৰূক্ষেপেই নাই। সি একোছা ঘাঁহ উভালি আঠুত এছাৰ মাৰি চাফা কৰি লৈ মুখত ভৰাইছে।

ৰাস্তাৰ মাজত মই ৰলো। হাতীটোক দেখিয়েই মই বুজিলো যে তাক মৰা উচিত নহব। প্ৰকাণ্ড আৰু দামী যন্ত্ৰ এটা নষ্ট কৰি পেলোৱাৰ দৰেই কামিনা হাতী এটাক মাৰি পেলোৱাও এক অনিষ্টকৰ আৰু বিপদজনক কাম হব। গতিকে পৰাপক্ষত তাক মৰা উচিত নহব। আৰু আমাৰ পৰা অলপ আঁতৰত্তে মাথো চৰি থকা হাতীটোক গৰু এজনীৰ দৰেই অতি নিৰীহ যেন লাগিল। মোৰ তেতিয়া ভাব হ'ল, এতিয়াও ভাবো যে হাতীটো আৰু মতলীয়া হৈ থকা নাই আৰু এতিয়া মাউতে আহি তাক লৈ নাযায় মানে সি একো নকৰাকৈ পথাৰতে চৰি থাকিব। তদুপৰি ইমান ধুনীয়া জন্তু এটাক গুলীয়াই মাৰিবলৈকো মোৰ মন যোৱা নাছিল। মই ঠিক কৰিলো যে কিছুপৰ তাৰ গতিবিধি লক্ষ্য কৰি মই ঘৰলৈ উলটিম।

মনলৈ এই ভাব অহাৰ লগে লগে মই মোৰ পিচ পিনে জুম বান্ধি থকা জনসমুদ্ৰলৈ চকু ফুৰালো। বিৰাট জনতা—দুহেজাৰৰ অধিক হব—মিনিটে মিনিটে দল বৃদ্ধি হ'ব ধৰিছে। দুয়োপিনে ৰাস্তা বন্ধ কৰি পেলাইছে। ৰংবিৰঙৰ সাজপাৰ পিন্ধা এই পীতবৰ্ণৰ মানুহবিলাকলৈ আকৌ চালো;

সকলোৰে মনত আনন্দৰ উচ্‌পিচনি —মই হাতী মাৰিম। সিহঁতৰো দৃষ্টি মোতে নিবদ্ধ—মই যেন বাজী-কৰ, কিবা খেলাহে দেখুৱাম। মোক যে সিহঁতে ভাল পায়, সিও সহয়, কিন্তু মোৰ হাতত থকা ৰাইফলটোৱেই মোকো এটা কৌতু-হলৰ বস্তু কৰি তুলিলে। হঠাতে মোৰ উপলব্ধি হ'ল যে যিয়েই নহওক মই হাতীটো মাৰিবই লাগিব। মই তাকে কথাটোকে মানুহবিলাকে আশা কৰিছে আৰু তাকে কৰাৰ বাহিৰে গত্যন্তৰ নাই। মই অনুভৱ কৰিলো যেন দুহেজাৰ মনৰ হেঁচাই মোক হাতীটো মাৰিবলৈ ঠেলি পঠিয়াইছে। এই মুহূৰ্ত্ত মই বুজি পালো প্ৰাচ্য দেশত শ্বেতকায় লোকৰ তথাকথিত ৰাজত্ব কিমান অন্তঃসাৰশূন্য আৰু মূৰ্খামিৰে ভৰপূৰ। এজন শ্বেতকায় লোক আজি এজাক নিৰস্ত্ৰ দেশীয় লোকৰ আগত বন্দুক হাতত লৈ থুকু ফিন্দুৰাই ঠিয় দি আছো—যেন এখন নাটকৰ নায়কহে; ওপৰে ওপৰে চালে আজি এই মানুহবিলাকৰ আগত এয়ে মোৰ ভূমিকা। কিন্তু আচলতে মই কৰিছো কি? এই পীতবৰ্ণৰ মানুহ-জাকৰ ইচ্ছাশক্তিয়ে পুতলা এটাৰ দৰে মোক নচুৱাই ফুৰিছে। কোনো শ্বেতকায় লোকে দেশীয় লোকৰ মাজত একছত্ৰী শাসকৰ ভূমিকা লবলৈ গলে দশা এনেকুৱাই হয় নিজৰ স্বাধীনতাৰ ওপৰত নিজে কুঠাৰ মাৰে। লাভৰ মূৰত সি হৈ পৰে খেৰৰ জুমুঠিৰ দৰে নিষ্প্ৰাণ স্বাধীনতাহীন—তথাকথিত 'চাহাব লোক।' শ্বেতকায়ৰ ৰাজত্বৰেই এইটো নিয়ম যে সদায় দেশীয় লোকৰ আগত ভাও দি জীৱন কটাব লাগে—নাও বুজিলেও টিঙৰ পৰা নামিব নোৱাৰে। সেইদেখি কিবা সংকট উপস্থিত হলে চাহাব চাহাব হৈয়ে থাকিব লাগিব—দেশী লোকে সেই মুহূৰ্ত্তত চাহাবে যি কথাটো বিচাৰিব তাকে কৰি নিজৰ ব্যক্তি স্বাধীনতাহীন, অন্তঃ-সাৰশূন্য অস্তিত্ব ৰক্ষা কৰিব লাগিব। চাহাবে চাহাবৰ দৰে কাম কৰিব লাগিব, কি কৰিব লাগিব তাকো তত্তালিকে ঠিক কৰি, দুনাই নাভাবি সকলোকে-চমক লগাই কাম সমাধা কৰিব লাগিব। মুঠতে সি মুখা পিন্ধি

ছুৰিৰ লগা হয় আৰু সদায় দুখা পিদ্ধি থকাৰ ফলত শেষত দুখাই দুখ হৈ পৰে। হাতীটোক মই যেনেতেনে হলেও মাৰিবই লাগিব। দুহেজাৰ মানুহৰ আগে আগে কান্ধত ৰাইফল লৈ ইমান দূৰ আহি এক্ষো নকৰাকৈ ফিৰি যাম নে? উঁহো, সেইটো হবই নোৱাৰে— অসম্ভব। গোটেই জাক মানুহে মোক কাপুৰুষ বুলি হাঁহিব। সেইটো মই হবলৈ নিদিওঁ। মোৰ গোটেই জীৱন,—প্ৰাচ্যদেশত থকা প্ৰত্যেকজন চাহাবৰ জীৱন-দেশীয় লোকৰ হাঁহিয়াতৰ পাত্ৰ নোহোৱাকৈ থাকিবলৈ কৰা একোটা দীঘলীয়া আৰু দুৰূহ প্ৰচেষ্টা।

হাতীতো মাৰিবলৈ কিন্তু মোৰ অকণো মন নাছিল। ঘাঁহকোচা উভালি আঁঠুত জোকাৰি মুখত ভোৱা দৃশ্যটোলৈকে মই একেৰাহে চাই আছিলো। হাতীবিলাকৰ চাল-চলনত কি এক 'বুঢ়ী আই বুঢ়ী আই ভাব' আছে। এই হাতীটোক মাৰিলে এটা নৃশংস হত্যা কৰাৰ দৰে হব। মোৰ সেই বয়সত জন্তু জানোৱাৰ মাৰিবলৈ আৰু আগৰ দৰে সঙ্কোচ নাছিল; কিন্তু মই হাতী কাহানিও মৰা নাছিলো-আৰু মাৰিবলৈ কেতিয়াও ইচ্ছাও কৰা নাছিল। তাৎৰ জন্তু মৰাটোক মই সদায় অন্যায় বুলি ভাবিছিলো তদুপৰি হাতীৰ মালিকৰ কথাও মনলৈ আহিল। জীৱন্ত হাতী এটাৰ দাম এহেজাৰ টকাতকৈয়ো বেছি কিন্তু মৰিলে দাঁত যোৰৰ বাহিৰে আন একোৰে দাম নাই আৰু সিও খুব বেছি ষাঠী টকা হব। কিন্তু কথা এটা হ'ল কিবা এটা মই ততালিকে কৰি পেলাব লাগিব। কেজনমান অভিজ্ঞ যেন লগা বাৰ্মিজক হাতীটোৰ চাল-চলনৰ বিষয়ে সুধিলো। সিহঁত আটায়ে সেই একেটা কথাকে কলে— আঁতৰত সি ঠিকেই থাকে, কিন্তু ওচৰ চাপি আহিলে আকৌ মতলীয়া হব পাৰে।

এইবাৰ মই কি কৰিব লাগিব স্পষ্ট হৈ গ'ল। মই তাৰ ওচৰলৈ—মানে তাৰ পৰা সত্তৰগজমান ওচৰলৈ গৈ চাব লাগিব সি কি কৰে। যদি চোঁচা লয় তেনেহলে গুলিয়াম, যদি একো নকৰে তেনেহলে মাউত অহালৈ বাট চাব লাগিব। মনটোৱে মোক এইদৰে

কৈছিল যদিও মই ভালকৈ জানিছিলো যে মই তাক এনেকৈ এৰি দিব নোৱাৰো। মোৰ ৰাই-ফল মৰাত বৰ হাত নাছিল, তদুপৰি পথাৰখনো জলাহ—খোজ দিলে ভৰি সোমাই যায়। হাতীয়ে চোঁচা লগুঁতে যদি কেনেবাকৈ মোৰ গুলি তাৰ গাত নালাগে তেনেহলে মোৰ অৱস্থা ষ্ট্ৰীমৰ'লাৰৰ তলত পৰা ভেকুলীৰ দৰেই হব। তেতিয়াও মোৰ শাৰীৰিক নিৰা-পত্তাতকৈ পীতবৰ্ণৰ মানুহবিলাকৰ কথাহে মনলৈ বেছিকৈ আহিছিল। ইমান জাক মানুহ পিচত লৈ মোৰ অৱশ্যে ভয় লগা নাছিল যদিও অকলে পৰা হলে বেছি ভয় খালোহেঁতেন। দেশী মানুহৰ আগত চাহাবে ভয় খোৱা অকল অনুচিতেই নহয়, এক প্ৰকাৰ অসম্ভৱ কথাই। গতিকে সাধাৰণতে চাহাবে ভয় নাখায়. কিন্তু মোৰ চিন্তা হৈছিল কেনেবাকৈ কিবা এটা দুৰ্ঘটনা ঘটিবলৈ হলে এই দুহেজাৰ মানুহৰ আগত হাতীটোৱে সেই ভাৰতীয় কুলীটোৰ দৰে মোকো খেদি গৈ ধৰি গছকি মাৰিব। সেয়ে হলে অন্ততঃ সিহঁতৰ কিছু-মানেতো হাঁহিব! সেইটো হবলৈ দিব নোৱাৰো। গতিকে বিকল্প মাথোন এটাই। ৰাইফলটোত কাৰ্টিজবিলাক ভৰাই ৰাস্তাত পেট পেলাই মই লক্ষ্য স্থিৰ কৰিলো।

গোটেইজাক মানুহ এইবাৰ শান্ত হ'ল—কোলাহল বন্ধ। কেৱল উশাহ-নিশাহ আৰু দুই চাৰিটা হাঁচিহে কাণত পৰিল। ৰঙ্গমঞ্চৰ যৱনিকা উঠিবৰ সময়ত দৰ্শকৰ মাজত যি এক স্বস্তিৰ নিশ্বাস পৰে ঠিক তেনেকুৱাই। মুঠতে সিহঁতে তামাচা চাইহে যাব। তেতিয়া মই জনা নাছিলো যে হাতী মাৰিবলৈ হলে কাণৰ কাষেদি গুলিয়াব লাগে। আচলতে মই কাণৰ কিছু আগপিনে দিহে টোঁৱালো। হাতীৰ মগজ মুখৰ আগফালে থাকে বুলিহে মোৰ তেতিয়া ধাৰণা আছিল।

গুলীটো মাৰি কিন্তু মই ৰাইফলৰ জোকাৰ অনুভৱ নকৰিলো—মাথোন মানুহজাকৰ হৰ্ষধ্বনিহে মোৰ কাণত পৰিল। তত্‌তালিকে যেন হাতীটোৰ কিবা এটা হৈ গ'ল—কিবা যেন এক ৰহস্যময় সাংঘাতিক পৰিৱৰ্ত্তন!

সি লৰচৰ চট্‌ফট একো নকৰিলে নাইবা পৰিও নগ'ল; কিন্তু হঠাতে যেন তাৰ শাৰীৰৰ কিবা এটা নাইকীয়া হৈ গ'ল। তৎক্ষনাতে সি জঠৰ হৈ কিবা বুঢ়া এটাৰ দৰে হ'ল। পাঁচ চেকেণ্ডমান পিচত (সেইখিনি সময়কে মোৰ এযুগ যেন লাগিছিল) তাৰ আঠু থৰকবৰক হৈ ঠাইতে সি বহো বহো হ'ল। তাৰ মুখখন ওলমি পৰিল—যেন হেজাৰ বছৰৰ বাৰ্দ্ধক্য তাৰ শৰীৰলৈ নামি আহিল। মই একেডোখৰ ঠাইলৈকে চাই আকৌ গুলী মাৰিলো। এইবাৰ গুলী খায়ো সি পৰি নগ'ল-থৰকবৰককৈ মৰজোৰ দি ঠিয় হৈ থাকিল। মূৰটো মাথোন তললৈ দোঁ খাই গ'ল। মই আকৌ গুলিয়ালো। এইটো গুলীয়ে কাম দিলে তাৰ গোটেই শৰীৰ জোকাৰি যিবা অকণ শক্তি আছিল তাকো শেষ কৰি দিলে। পৰিবৰ সময়তো সি উঠিবলৈ শেষ চেষ্টা এটা দি চালে, কিন্তু নোৱাৰিলে। পাচ ভৰি দুখন ভাঁজ খাই পৰাৰ আগতে তাৰ গোটেই গাটো এবাৰ ওপৰলৈ উঠা যেন লাগিছিল, শুৰ ডালো ওপৰমুৱা কৰি দিছিল। তাৰ পিচত এচপৰা শিল বাগৰি পৰাৰ দৰে সিও ঢাচ্‌ কৈ বাগৰি পৰিল। এবাৰেই মাথোন চিঞৰিলে আৰু লগে লগে ঢলি পৰিল, যিটো জোৰত পৰিল তাৰ ফলত মই বৈ থকা ঠাই খিনিলৈকে গোটেই ডোখৰ মাটি কঁপি উঠিল।

মই ঠিয় দিলো-বাৰ্মিজবিলাকে ইতিমধ্যে বোকাৰ ওপৰেদি হাতীটোৰ পিনে লৰ ধৰিছে। এইটো ঠিক যে হাতীটো আৰু ঠিয় হব নোৱাৰে; কিন্তু সেইবুলি সি মৰাও নাছিল। এক ক্ষিপ্ৰ ছন্দময় গতিত তাৰ উশাহ-নিশাহ চলি আছিল। উশাহৰ লগে লগে তাৰ বিৰাট গাটো উঠা নমা কৰিবলৈ ধৰিলে। মেলখাই থকা তাৰ মুখখনেদি মই ডিঙিৰ ভিতৰৰ ৰঙচুৱা ভাগ দেখিবলৈ পালো। বহুতপৰ বাট চোৱাৰ পিচতো সি নমৰাত এইবাৰ তাৰ কলিজালৈ লক্ষ্য কৰি মোৰ বাকী থকা গুলী দুটাও এৰিলো। তাৰ গাৰ পৰা ঘন ৰঙা তেজ ওলাই আহিল। গুলী লগাতো তাৰ গা নলৰিল, উশাহ-নিশাহো বন্ধ নহ'ল। সি মুঠতে বৰ কষ্টেৰে লাহে লাহে মৰিব ধৰিছিল—কিন্তু

এনে এখন ৰাজ্যত ম'ত মোৰ গুলীয়েও আৰু তাৰ বিশেষ অনিষ্ট কৰিব নোৱাৰে। মোৰ মনটো এনে লাগিল যে তাৰ যন্ত্ৰণা বন্ধ কৰিবই লাগিব। প্ৰকাণ্ড জন্তু এটা মাটিত পৰি আছে—লৰচৰ কৰিবৰ শক্তি যে নাযেই মৰিবলৈকো শক্তি নোহোৱাৰ দৰেই। এই দৃশ্য চাই থকাটোও ভয়ানক টান কাম। মোৰ সৰু ৰাইফলটো আনিবলৈ মানুহ পঠিয়ালো আৰু আনিলত তাৰে হাতীটোৰ কলিজালৈ জাউ-ৰিয়ে জাউৰিযে গুলী গাৰি পঠিয়ালো। অৱস্থাৰ বিশেষ তাৰতম্য নঘটিল। ঘড়ীৰ টিক্‌টিক্ শব্দৰ দৰে তাৰ যন্ত্ৰণাৰ শব্দও অবিৰাম-ভাবে ওলাই থাকিবলৈ ধৰিলে।

শেষত আৰু মই সহ্য কৰিব নোৱাৰা হৈ ঘৰলৈ উভতিলো। আধা ঘণ্টামানৰ মূৰতহে সি মৰিল বুলি মই পিচত শুনিলো। মই তাৰ পৰা গুচি অহাৰ আগতেই বাৰ্মিজবিলাকে দা আৰু পাচি লৈ তাত উপস্থিত হৈছিল। পিচত জানিলো সিহঁতে জঁকাটোলৈকে অকণো মাংস নেৰিলে।

হাতীটোক মৰাৰ বিষয়ে অৱশ্যে অনেক জল্পনাকল্পনা হ'ল। হাতীৰ মালিক বোলে খঙত বলিয়া হৈছিল। পিচে হলে হব কি? সি ভাৰতীয় মানুহ, গতিকে মোক একো কৰিব নোৱাৰে। তদুপৰি আইনৰ দৃষ্টিত মই ন্যায়সঙ্গত কামেই কৰিছিলো। গৰাকীয়ে চম্ভালিব নোৱাৰা বলিয়া হাতীক বলিয়া কুকুৰৰ দৰেই গুলিয়াই মাৰিব পাৰি। ইউৰোপীয় বাসিন্দাসকলৰ মাজত পিচে এই বিষযে মতদ্বৈধ হৈছিল। বুঢ়াচামৰ মতে মই ঠিক কামেই কৰিছিলো। ডেকা চামৰ মতে এটা তুচ্ছ কুলীক মৰাৰ কাৰণেই হাতী এটাক মাৰা অতি লজ্জাৰ বিষয়। কুলী এটাতকৈ হাতী এটাৰ মূল্য বহুত বেছি। হাতীটোৱে কুলীটোক মৰাৰ বাবে হলে মই নিজকে বৰ নিৰাপদ বোধ কৰিলো; কিয়নো তাৰ ফলত হাতীটোক মৰাৰ এটা আইনসঙ্গত কাৰণ পালো।

নিজকে মূৰ্খ যেন লগাৰ পৰা বচাবলৈ এনে এটা কাম কৰিবলৈ মই বাধ্য হৈছিলো। কোনোবাই এই কথা গম পাইছিল নেকি বাৰু?

[ "Shooting an Elephant" ৰচনাৰ পৰা সংক্ষিপ্ত অনুবাদ ]

****

বিজ্ঞানৰ ক্ৰমোন্নতিৰ ফলত মানৱজাতি নিতেনৱ বিস্ময়ৰ সম্মুখীন হৈছে। মাৰ্কিণ লিখক ছেগমেন তাৰে ৰোমাঞ্চকৰ কাহিনী লিখিছে।

# বহু আশ্চৰ্য্যৰ সন্ধান

**ৰালফ্ ছেগমেন**

দ্বিতীয় মহাসমৰৰ পাচৰ পৰা বিজ্ঞান জগতত যি এক অভূতপূৰ্ব্ব অগ্ৰগতিৰে দেখা দিছে, সিয়েই আজি অদূৰ ভবিষ্যতৰ যান্ত্ৰিক বিজ্ঞানৰ বুনিয়াদ ৰচনা কৰিছে। যোৱা দহ বছৰৰ নিচিনাকৈ অহা দহবছৰতো বিভিন্ন প্ৰকাৰৰ নতুন আৱিষ্কাৰৰ প্ৰয়াস অব্যাহত থাকিব, সেইবিলাকৰ কিছুমানৰ বিষয়ে এতিয়াই ভবিষ্যদ্বাণী কৰিব পাৰা যায়,— কিছুমান এতিয়াও অভাৱনীয় হৈয়ে আছে।

আগন্তুক যুগ হব মানৱ জাতিৰ এক বিৰাট অগ্ৰগতিৰ যুগ। নতুনকৈ স্বাধীনতা লাভ কৰা বহুতো জাতিয়ে এতিয়া কাৰিকৰী শিক্ষাৰ প্ৰতি মনোনিৱেশ কৰিছে। ব্যক্তিগত অৱস্থাৰ উন্নতিৰ কাৰণেও পৃথিৱীৰ নৰনাৰীয়ে চেষ্টা চলাইছে। পেটে-ভাতে প্ৰবৰ্ত্তি থকা যুগৰ পৰা আমি আজি এক প্ৰাচুৰ্য্যৰ যুগত পদাৰ্পণ কৰিছোহঁক। আৱিষ্কাৰৰ এক নৱযুগত মানৱজাতিয়ে আজি বহু আশ্চৰ্য্যৰ এক সন্ধানত নিজকে

নিয়োগ কৰিছে।

মানুহে চন্দ্ৰলোকত পদাৰ্পণ কৰাটোৱে বোধহয় বৰ্ত্তমান দশকৰ আটাইতকৈ নাটকীয় ঘটনা হব। কিন্তু তাৰ সমান,—হয়তো তাতোকৈ বেছি গুৰুত্বপূৰ্ণ ঘটনা হব জিন-সমষ্টি বিভক্ত কৰা আৰু কৃত্ৰিম, উপায়েৰে জীৱন সৃষ্টি কৰা। সমুদ্ৰৰ পানী পৰিশোধন কৰা ব্যৱস্থাৰো প্ৰভূত উন্নতি অশা কৰা যায়। বতৰৰ আগজাননী এতিয়াতকৈ অধিক নিৰ্ভৰযোগ্য হব। ৰান্ধনি শালৰ পৰা আৰম্ভ কৰি কল কাৰখানা, যানবাহন, আনকি মানুহৰ শৰীৰ পৰ্য্যন্ত দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য্য আহিলাসমূহতো ইলেকট্ৰনিকচ্ সোমাই পৰিব। কোনো ৰোগবিশেষ মানুহৰ সম্পূৰ্ণ আয়ত্বলৈ আহিব বুলি এতিয়াই কোৱা দুৰূহ, কিন্তু ১৯৬৯ চনৰ আগতে বিভিন্ন জাতৰ কেন্সাৰ ৰোগ চাৰ্জ্জনৰ হাতৰ মুঠিলৈ অহাটো একো আচৰিত কথা নহয়।

বিভিন্ন উপায়েৰে শক্তি সংগ্ৰহ আৰু তাৰ ব্যৱহাৰৰ প্ৰতি বৈজ্ঞানিক সকল ক্ৰমে সচেষ্ট হৈছে। আনৱিক শক্তিয়ে এদিন ভূগৰ্ভৰ পৰা ওলোৱা কয়লা, পেট্ৰল আদিৰ শক্তিকো চেৰ পেলাব। আমেৰিকাৰ বৰ্ত্তমান পাঁচখন ডাঙৰ মহানগৰীত আণৱিক শক্তি উৎপাদন কেন্দ্ৰ বহুওৱা হৈছে। সাতোটা বৰ্ত্তমান তৈয়াৰ কৰি আছে আৰু চাৰিটা বহুৱাৰ কথা আছে। সৰু সৰু নিউক্লিয়াৰ ৰিয়েক্টৰবিলাকে বহু দূৰৈত থকা গ্ৰীণলেণ্ড, এন্টাৰ্কটিকা আদি দ্বীপলৈ বিজুলীশক্তিৰ যোগান ধৰিছে আৰু দেখা গৈছে যে ডিজেল ইঞ্জিনৰ বিজুলীতকৈ এই বিজুলী শক্তিৰ খৰচ বহুতো কম। নিউক্লিয়াৰ শক্তিৰ সাহায্যত জাহাজো চলোৱা হৈছে।

একেটা পদাৰ্থ বহুতো অণুৰ সমষ্টি আৰু একোটা অণু বহুতো পৰমাণুৰ সমষ্টি। কিছুমানৰ মতে একোটা পৰমাণু ভাঙি যি আণৱিক শক্তি পোৱা যায়, হাইড্ৰোজেন পৰমাণুৰ সংযোগত হোৱা থাৰ্মনিউক্লিয়াৰ শক্তি তাতোকৈ বহুত শক্তিশালী। সাগৰৰ পানীৰ পৰা যিকোনো পৰিমাণৰ হাইড্ৰোজেন পৰমাণু উদ্ধাৰ কৰিব পাৰি। গতিকে ইয়াৰ পৰা মানুহৰ দৰকাৰী পৰিমাণৰ শক্তিৰ যোগান ধৰিব পৰা হব।

তাপৰ পৰা বিজুলী শক্তি উৎপাদন কৰা প্ৰণালীবো দিনক-দিনে উন্নতি হ'বলৈ ধৰিছে। কিছুমান বিশেষ ধাতুৰ সহায়ত এই উৎপাদন বৃদ্ধি কৰিব পৰা গৈছে। কিছুমান সৌৰকোষৰ (solar cell) সহায়ত সূৰ্য্যৰ পৰা পোৱা শক্তি বৈদ্যুতিক শক্তিলৈ ৰূপান্তৰিত কৰা হৈছে। ৰাতি বা ডাৱৰীয়া দিনত ব্যৱহাৰ কৰিবলৈ এই সৌৰ-বিদ্যুতাক বেটেৰীত ভৰাই থোৱাৰ ব্যৱস্থাও আছে। দক্ষিণ আফ্ৰিকাৰ টেলিফোন ব্যৱস্থাত, কালিফোৰ্ণিয়াৰ ৰেডিঅ' বিলে ষ্টেচনবিলাকত আৰু পৃথিৱীৰ কৃত্ৰিম উপগ্ৰহবিলাকত এই শক্তি ব্যৱহাৰ কৰা হৈছে। আশা কৰা হয় যে অহা দহবছৰৰ ভিতৰত এই শক্তিৰ দ্বাৰা [illegible] তাপ নিয়ন্ত্ৰণ কৰি আৰু বিজুলী-বাতিৰ যোগান ধৰিব পৰা হব। হাইড্ৰোজেন ইন্ধনকোষ (Hydrogen Fuel cell) [illegible] ও এবিধ অতি উন্নত। [illegible] ব্যৱহাৰ কৰিব পাৰি আৰু সেই শক্তিৰে যান-বাহন [illegible] বছি দিন [illegible]।

সাগৰৰ লুণীয়া পানীক নিৰ্ম্মল পানীলৈ ৰূপান্তৰিত কৰিবলৈ ইতি-মধ্যে বহুতো জল্পনা-কল্পনা চলিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰ এই কামত ইতি-মধ্যে বহুদূৰ আগবাঢ়ি গৈছে। ইয়াৰ ফলত খোৱা পানীৰ পৰা আৰম্ভ কৰি বিভিন্ন কল-কাৰখানাৰ বাবে লাগতিয়াল নিৰ্ম্মল পানীৰ যোগান ধৰিব পৰা হব।

অৱশ্যে প্ৰয়োজন অনুসৰি ইলেকট্ৰনিক নোপোৱাৰ কাৰণে আৱিষ্কাৰৰ অগ্ৰগতিত যে কিছু বাধা নপৰিব এনেও নহয়। বহুতো অনুষ্ঠানে ইতিমধ্যে ইলেকট্ৰনিক (electronic circuit) তৈয়াৰ কৰিছে। মগজৰ কাম যন্ত্ৰৰ দ্বাৰা কৰা সম্ভৱ হৈছে। এটা ভাষাৰ পৰা আন এটা ভাষালৈ যন্ত্ৰেৰে অনুবাদ কৰিব পৰা হৈছে।

এতিয়া প্ৰজনন কেন্দ্ৰৰ গুৰিতে থকা মানুহৰ বিভিন্ন চৰিত্ৰৰ ঘাই কাৰণ জিন (Gene) বিলাকৰ ওপৰতো বৈজ্ঞানিকসকলৰ চকু পৰিছে। জীৱকোষবিলাকৰ নিউ-ক্লিয়াচৰ ভিতৰত এবিধ খালি চকুৰে মনিব নোৱাৰা তেনেই ক্ষুদ্ৰ সূতা বা আঁহ আছে যাক

ক্ৰম'জম (cromosome) বুলি কোৱা হয়। আকৌ এই ক্ৰম'জম-বিলাকো বহুতো সৰু সৰু জিনৰ (Gene) সমষ্টি। মানুহৰ জীৱকোষ বিলাকত সাধাৰণতে এনে ধৰণৰ তেইশযোৰ ক্ৰম'জম থাকে (আজি কিছুদিনৰ আগলৈকে চব্বিশযোৰ থাকে বুলি মানুহে বিশ্বাস কৰিছিল)। এই যুগীয়া ক্ৰম'জম-বিলাকৰ এডাল পৈতৃক আৰু আনডাল মাকৰ ফালৰ পৰা অহা।

জীৱ ৰসায়নবিদ (Bio-chemist) সকলৰ মতে এই গোটেই জিন সমষ্টি খিনি ডি. এন. এ. (D. N. A.) অৰ্থাৎ ডিঅক্সিৰাবিৰ নিউক্লিক এচিড (Deoxriboy-nucleic acid) মাথোন। এই ডি. এন. এ. খিনিয়েই জীৱৰ শ্ৰেণী ঠিক কৰে—জীৱটো মানুহেই হব নে গছ-গছনি নাইবা আন কোনো জন্তু হ'ব। বেলেগ বেলেগ জীৱৰ কাৰণে এই ডি. এন. এ. বিলাকো বেলেগ বেলেগ।

মানুহে খোৱা আহাৰ বিলাক ৰাসায়নিক প্ৰক্ৰিয়াৰ ফলত বিভিন্ন ৰাসায়নিক ৰসলৈ ৰূপান্তৰিত হয়। এই বিলাকক জীৱকোষে সুহি লয়। নিউক্লিয়াচৰ ভিতৰত থকা জিনবিলাকে নিজৰ আৱশ্যকীয় ভাগ লৈ বাকী খিনি এৰি দিয়ে। এই আৱশ্যকীয় খাদ্য ভাগ পাচলৈ জীৱকোষত থাকে আৰু জীৱৰ গঠন প্ৰনালীত সহায় কৰে। ঠিক সেইদৰেই বিভিন্ন ধৰণৰ এন্‌জাইম (Engyme), হৰমোন (Hormone) ইত্যাদিও গঠিত হয়।

আমি আন নহলেও অহা কেইবছৰমানৰ ভিতৰতে কেইটামান কথা আশা কৰিব পাৰো। ভাইৰাচৰ পৰা হোৱা বেমাৰ যেনে বসন্ত আদিৰ ভাৰতে ডি. এন. এ। গতিকে এই ডি. এন. এ. বিলাকৰ ৰাসায়নিক পৰিবৰ্ত্তন ঘটাই এই বেমাৰৰ পৰা হাত সাৰিব পৰা ব্যৱস্থা হয়তো অদূৰ ভৱিষ্যতে বৈজ্ঞানিকসকলে কৰিব পাৰিব। তদুপৰি এইবিলাকৰ লগত খাপ খুৱাই বিভিন্ন ধৰণৰ উন্নত খাদ্যৰ যোগানো অদূৰ ভৱিষ্যতে ধৰিব পৰা হব।

এই দশক নহলেও পিচৰ দশকত হয়তো বৈজ্ঞানিকসকলে

উদ্ভিদ আৰু প্ৰাণীবিলাকৰ বংশ-গতি নিয়ন্ত্ৰন কৰিবলৈ সমৰ্থ হব। কৃত্ৰিম ডি. এন. এ.ৰ সহায়েৰে তেওঁলোকে শস্য আৰু পোহনীয়া জন্তু আদিৰ প্ৰজননো উন্নত ধৰণৰ কৰি তুলিব পাৰিব।

শতিকাই অষ্টম দশকত পদাৰ্পণ কৰাৰ আগতেই লেবৰেটৰীত সবল ধৰণৰ জীৱন সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ফলত মানুহৰ ভবিষ্যতে কি গতি লব সেই সকলোবোৰ কথাই এতিয়া-লৈকে ইমান কল্পনা বিজড়িত হৈ আছে যে খাতাংকৈ একো কব নোৱাৰি।

ইলেক্ট্ৰনিকচৰ যোগেৰে চিকিৎসা বিদ্যাত প্ৰভূত উন্নতিৰ সম্ভাৱনা দেখা যায়। ইতিমধ্যে কেবাশও আমেৰিকান লোকক ইলেকট্ৰনিকচ্ যন্ত্ৰ বিলাকে হৃৎকম্পন বন্ধ হৈ হ'ব পৰা নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা কৰিছে। দেহৰ হৃৎকম্পন বন্ধ হৈ গলেও এই বাকচবিলাকৰ পৰা হোৱা বিদ্যুৎ আঘাতৰ ফলত হৃৎপিণ্ডৰ ৰক্ত সঞ্চালনৰ কাম চলি থাকে। তদুপৰি ৰোগীয়ে ডায়েল এখন চাই এই কৃত্ৰিম হৃৎকম্পনৰ গতি নিয়ন্ত্ৰণ কৰি থাকিব পাৰে। সেইদৰে শৰীৰৰ অকামিলা হৈ যোৱা মাংশপেশীবিলাককো ইলেক-ট্ৰনিক আহিলাৰে সবল কৰি লব পৰা হৈছে।

ইলেকট্ৰনিকচ্ৰ জ্ঞান অন্য বহুতো ক্ষেত্ৰত ব্যৱহাৰ হব। ইলেকৃট্ৰ অলোকন ( Electro illumination ) পদ্ধতিৰ ফলত বিশেষ পদাৰ্থৰে নিৰ্মিত ঘৰৰ খোটালিৰ বেৰৰ পৰা খোটালিৰ বাবে আবশ্যকীয় পোহৰ পোৱা যাব। অষ্টম দশকৰ মাজ ভাগতেই এই পদ্ধতিৰে খোটালিৰ তাপ নিয়ন্ত্ৰণো সম্ভৱ হব।

আলট্ৰচনিকচ্ৰ ( Ultrosouics মানুহৰ কাণেৰে সুশুনা এবিধ শব্দ উৎপাদন কৰিবৰ ইলেট্ৰনিক পদ্ধতি ) ফলত ঔদ্যোগিক আৰু অন্যান্য আৱৰ্জ্জনাবোৰ পৰিষ্কাৰ কৰাত সুবিধা হব। দন্ত চিকিৎসকসকলেও দুখ নোপোৱাকৈ ৰোগীৰ দাঁত চাফা কৰাত ইয়াক ব্যৱহাৰ কৰিব পাৰিব। কাপোৰ ধোৱা, বাচন মাজা আদি কামতো ইয়াক লগাব পৰা যাব।

ইলেকট্ৰনিক নিৰাপত্তাৰ প্ৰয়োগ কৰি হয়তো ৰাস্তাত মটৰ গাড়ীৰ দুৰ্ঘটনা কমাব পৰা যাব। দুই চাৰিখন চালকবিহীন গাড়ীও বোধ-হয় ৰাস্তাত ঘূৰি ফুৰিব পাৰিব।

পৃথিৱীৰ চাৰিও পিনে পৰিভ্ৰমণ কৰি ফুৰা দুই চাৰিটামান যান্ত্ৰিক উপগ্ৰহৰ পৰা ভাল কাম হৈছে। এই কেইটাই বতৰৰ আগজাননী দিয়া আৰু যোগাযোগত সুবিধা কৰাত যথেষ্ট সহায় কৰিছে। বতৰৰ আগজাননী দিয়া কৃত্ৰিম উপগ্ৰহৰ পৰা বতৰৰ অধিকতৰ সঠিক বতৰা পোৱা সম্ভৱ হৈছে। অনতিপলমে হয়তো এনে উপগ্ৰহৰ পৰা খেতিয়ক, নাৱিক আৰু ব্যৱসায়ীসকলে তিনিমাহৰ আগতে বতৰৰ আগ বতৰা পাই নিজ নিজ কামৰ আঁচনি সুবিধা মতে প্ৰস্তুত কৰি লব পাৰিব।

কৃত্ৰিম উপগ্ৰহৰ সহায়ত আন্তঃ যোগাযোগ আগতকৈয়ো উন্নত হব। টেলিভিচন, ৰেডিঅ' সঙ্কেত আদিয়ে এতিয়া পৃথিৱীৰ যিবিলাক নৈসৰ্গিক অন্তৰায়ৰ সন্মুখীন হৈছে, সেইবোৰ বহুত খিনি নোহোৱা হব। তদুপৰি এলানি উপগ্ৰহৰ সাহায্যত সূৰ্য্য বা নক্ষত্ৰৰ সহায় নোলোৱাকৈ জাহাজ আদি চলোৱাত সুবিধা হব।

নতুন ধৰণৰ মহাকাশযানে বিশ্বৰ নিগূঢ় ৰহস্যবিলাকৰ উদ্-ঘাটনত সহায় কৰিব। এনে এবিধ যানত সংযোগ কৰা ৩৬ ইঞ্চিৰ দূৰবীনৰ দ্বাৰা তৰাবিলাকৰ বায়ুমণ্ডলেদি প্ৰতিস্থত নোহোৱা স্পষ্ট ছবি লব পৰা হব।

এতিয়ালৈকে হোৱা মহাকাশ ভ্ৰমণৰ কাৰ্য্যাৱলীলৈ চাই কব পাৰি যে ১৯৭০ চনৰ আগতেই হয়তো মানুহে চন্দ্ৰত পদাৰ্পণ কৰিব পাৰিব। অৱশ্যে মহাকাশ ভ্ৰমণৰ কেবাটাও স্তৰ অতিক্ৰম কৰাৰ পাচতহে সি সম্ভৱ হব।

Span (আগষ্ট, ১৯৬২)ৰ পৰা সংক্ষিপ্ত।

# এখন অখ্যাত উপন্যাস

: যতীন্দ্ৰনাথ গোস্বামী

৺হিতেশ্বৰ বৰবৰুৱা কবি হিচাপেহে অধিক জনাজাত। তেওঁ ইংৰাজী সাহিত্যৰ অনুকৰণত কাব্য আৰু চতুৰ্দ্দশপদী কবিতা ৰচনা কৰিছিল। জাতীয় ভাব আৰু করুণ ৰস তেওঁৰ কাব্যৰ মূল অনুপ্ৰেৰণা। ভাবঘন চতুৰ্দ্দশপদী কবিতা [ছনেট] আৰু বিবৰণমূলক কাব্য ৰচক স্বৰূপে তেওঁৰ স্বকীয়া আসন আছে। ১৯১৪ চনত প্ৰকাশিত "মালিতা" এখন বুৰঞ্জীমূলক উপন্যাস আৰু বৰবৰুৱাৰ ৰচনাৱলীৰ মাজত তুলনামূলকভাবে অখ্যাত।

আহোম আৰু কছাৰীৰ যুদ্ধৰ পটভূমিত লিখা "মালিতা" এখন বিয়োগান্ত উপন্যাস। আহোম আৰু কোচৰ সংঘৰ্ষত কছাৰী কোঁৱৰ ভীমবলে অন্যায়কৈ লেছাইডাঙ্গ সনাল গোহাঁইক বধ কৰে। সেই কাৰণে আহোম ৰজা বুদ্ধিস্বৰ্গনাৰায়ণ বা চুচেঙ্গফা স্বৰ্গদেৱে কছাৰীৰ সৈতে যুদ্ধ কৰিবৰ কাৰণে অভয় গোহাঁইৰ অধীনত এটা বাহিনী পঠিয়ায়। সাতগাৱত কোঠ মাৰি থাকোতে হঠাতে তেওঁ ডকাইতৰ দলত যোগ দিয়া ৰূপ সন্দিকৈক [যি লেচাইডাঙ্গ গোহাঁইৰ লগত কোচৰ বিৰুদ্ধে যুদ্ধ কৰিছিল] মৃত্যুৰ আগমুহূৰ্ত্তত লগ পায়। ৰূপ সন্দিকৈয়ে কছাৰী কন্যা মালিতাৰ ভাৰ অভয় গোহাঁইক অৰ্পণ কৰে।

মালিতাৰ পৰা অভয়ে জানিলে যে মালিতা কছাৰী ৰজা শত্রুদমন আৰু আৰু কছাৰী সেনাপতি ভীমবলৰ ভনীয়েক। এই ভীমবল কোঁৱৰ অভয়ৰ পিতৃহন্তা। মালিতাই অভয়ক স্বামী স্বৰূপে পাবলৈ ইচ্ছা কৰিছিল, কিন্তু ভীমবল আৰু অভয়ৰ শত্রুতাৰ কাৰণে প্ৰথম সাক্ষাততেই উপজা প্ৰেমৰ অন্তৰায় হ'ল। অভয়ে মালিতাক কছাৰী ৰাজ্যৰ ওচৰত থৈ আহিলগৈ। গালিতাই ককায়েক আৰু অভয় সলাল গোঁহাইক যুদ্ধৰ পৰা বিৰত কৰিব নোৱাৰিলে। এফালে ভাতৃ আন ফালে স্বামী। তেওঁ উন্মাদিনী হ'ল। গালিতাই আত্মহত্যা কৰিব খোজোতে অভয়ে তেওঁৰ হাতৰ ডাবকটাৰীখন কাঢ়ি লয়। ভীমবল কোঁৱৰে সন্ধিৰ প্ৰস্তাৱ কৰে, কিন্তু অভয়ে ৰজালৈ পগলা হাতীটো দিবলৈ কয়। ভীমবলে শ্ৰীপঞ্চমীৰ ৰাতি হাতীটো দিবলৈ গাত লয়। শ্ৰীপঞ্চমীৰ দিনা বিশ্বাসঘাটকতা কৰি ভীমবলে আহোমৰ কোঁঠ আক্ৰমণ কৰে। আহোমৰ সৈন্য যুদ্ধৰ কাৰণে সাজু নাছিল। ভীমবলৰ ইঙ্গিতত এটা কছাৰী সৈন্যই অভয় গোঁহাইক পিঠিত ঘপিয়াই মাৰিলে। অভয় গোঁহাইৰ মৃত্যুত মালিতা ব্যাকুল হৈ পৰিল। সাতগাঁৱৰ কোঁঠৰ ওচৰত অভয় গোঁহাইৰ মৰাশ পৰি থকা ঠাইত মালিতাই আত্ম-হত্যা কৰিলে। প্ৰেমিক-প্ৰেমিকাৰ অন্তিমত মিলন হ'ল। শত্রুদমন আৰু ভীমবলে একেলগে দুটা শ দাহ কৰালে। এয়ে উপন্যাসৰ কাহিনী।

এই ৮৬ পৃষ্ঠাৰ উপন্যাসখনিত বুৰঞ্জীবিদ হিতেশ্বৰ বৰবৰুৱাই বুৰঞ্জী-মূলক ঘটনা বৰ্ণনাত বিশেষ মন দিছে। তেওঁ পাতনিত কৈছে, "প্ৰকৃতিৰ লীলাভূমি আমালোকৰ আসাম জননী অসংখ্য ঐতিহাসিক উপাদানেৰে পৰিপূৰ্ণ। তাৰে এটি সামান্য ঘটনাৰ ছাঁয়া লৈ এই ক্ষুদ্ৰ উপন্যাসখনি লিখা হ'ল।" উপন্যাসৰ কাহিনীৰ ওপৰত ৰোমিয়-জুলিয়েটৰ কাহিনীৰ প্ৰভাৱ পৰা যেন লাগে। অভয় আৰু মালিতাৰ প্ৰণয়ত শত্রু-তাই বাধাৰ সৃষ্টি কৰিলে। অভয় গোঁহায়ে পিতৃহন্তা ভীমবলৰ ওপৰত প্ৰতিশোধ লবলৈ যি সঙ্কল্প কৰিলে সেই সঙ্কল্পই দুয়ো ঘৰৰ ভিতৰত শত্রুতাৰ কথা সোঁৱৰাই দিয়ে। মণ্টেগু আৰু কেপুলেট পৰিয়ালৰ বিবাদে ৰোমিয় আৰু জুলিয়েটৰ

মিলনত অন্তৰায় সৃষ্টি কৰিছিল। জুলিয়েটৰ দেহত চুমা খাই ৰোমিয়ই বিহ খাই মৰিল। যথা সময়ত জুলিয়েটে চেতনা লাভ কৰি ৰোমিয়ৰ মৃতদেহ দেখি চুৰীৰে আত্মহত্যা কৰিলে। অভয় গোহাঁইৰ মৃতদেহ দেখি মালিতাই ডাবকটাৰীৰে ৰেপ দি আত্মহত্যা কৰিলে।

মালিতা এখন কাহিনী প্ৰধান উপন্যাস। বুৰঞ্জীমূলক ঘটনাৰ যথা-যথ বিবৰণ দিছে যদিও এক্কে কথাকে দোহৰা হৈছে। ৰোমিয় আৰু জুলি-য়েটৰ দৰে অভয় আৰু মালিতাৰ প্ৰথম দৃষ্টিত উপজা প্ৰেমেই শাশ্বত প্ৰেমত পৰিণত হয়। মালিতাৰ উন্মাদিনী অৱস্থাই হেমলেট নাটকৰ অফেলিয়াৰ কথা মনলৈ আনে। মালিতা উপন্যাসত বাহ্যিক সংঘাতৰ যোগেদি মানসিক সংঘাত আৰু অন্তৰ্দ্বন্দ্বৰ চিত্ৰ আঁকা হৈছে। চৰিত্ৰৰ মনো-বিশ্লেষণৰ অৱকাশ নাই। চৰিত্ৰাঙ্কন লিখকৰ উদ্দেশ্য নহয় যেন লাগে। মালিতা বা অভয় সন্দাল গোহাঁইৰ কাৰো চৰিত্ৰ অঙ্কণত লিখকে মন দিয়া নাই। সন্দাল গোহাঁয়ে মালিতাৰ আগত আত্মপ্ৰকাশ কৰাটো সেনাপতিৰ পক্ষে উচিত নহয় যেন লাগে। মানসিক সংঘাতৰ সময়ত তেওঁ কৈছিল "ককাইদেউ যদি মৰে মই ভাতৃহীনা হম আৰু যদিহে সন্দাল গোহাঁই মৰে তেনেহলে বিধৱা হম।" তেওঁৰ পাৰ্থিব প্ৰেমৰ মাধুৰ্য্য তেওঁৰ উক্তিতে প্ৰকাশ পাইছে: মালিতাৰ হৃদয়ৰ দেৱতা! আমাৰ ভয় কি? আমিতো স্বৰ্গত মিলিম গৈ!

"লিখোতাৰ কিন্তু উপন্যাস লিখা ইয়াকে প্ৰথম বুলিব লাগে"— এই বুলি ৰৱনকুমাৰই পাতনিত উল্লেখ কৰিছে। যি সময়ত অসমীয়া সামা-জিক বা বুৰঞ্জীমূলক উপন্যাস আঙুলিৰ মূৰত লেখিব পৰা আছিল সেই সময়ত ৰবনকুমাৰই মালিতা উপন্যাস ৰচনা কৰি বিদেশী উপন্যাস সাহিত্য জনপ্ৰিয় কৰাত সহায় কৰিলে। সেই কালৰ পৰাহে এই উপন্যাসখন বিচাৰ কৰিব লাগিব।

এই প্ৰবন্ধটোত শ্ৰীভূঞাই আমাৰ সাহিত্যৰ এটা ক্ৰমবৰ্দ্ধমান ধাৰাৰ বিষয়ে সময়োপযোগী আলোচনা কৰিছে।

# সংবাদ-সাহিত্য

## বিলাতী হেঙুল-হাইতাল আৰু অসমীয়া খনিকৰ ।।

ঃ ৰাজেন্দ্ৰনাথ ভূঞা

পৃথিৱীৰ সকলো সাহিত্যৰ গতিপ্ৰবাহ আজি সংবাদবিদ্যা বা বাতৰিবিজ্ঞানে (Journalism) নিয়ন্ত্ৰিত কৰিছে। বাতৰি কাকত বিলাকো যে সাহিত্যৰ অবিচ্ছেদ্য অঙ্গ তাক সকলো সংস্কৃত দেশেই স্বীকাৰ কৰে। পচিমীয়া দেশবিলাকত, ঘাইকৈ ইউৰোপত বাতৰি কাকতে সাহিত্যৰ গুৰিবঠা ধৰি অহা আজি প্ৰায় তিনিশ বছৰ হ'ল। বিলাতৰ একাধিক সংবাদ সেৱীয়ে কালক্ৰমত একোজন প্ৰখ্যাত লিখক হিচাপে পৰিগণিত হৈছে। আধুনিক মাৰ্কিণ সাহিত্যই বাতৰিবিজ্ঞান আৰু সাহিত্যক এনে সুন্দৰ ভাবে মিলাই পেলাইছে যে এতিয়া দুয়োটাৰে মাজত স্থূল প্ৰভেদ চকুতেই নপৰে। দুয়ো যেন একেপাহি ফুলৰে দুখন সমান সমান ছবি।

সোঁতৰ শতিকাৰ শেষভাগ আৰু ওঠৰ শতিকাৰ আৰম্ভণীতে পৰা

ইউৰোপীয় সাহিত্যত বাতৰিকাকত আৰু আলোচনী (Periodicals) কাকতে এক নতুন গদ্য সাহিত্যৰ সৃষ্টি কৰে। বিশ্ব সাহিত্যত গদ্য সাহিত্যৰ প্ৰয়োজন আৰু চাহিদাৰ মূলতে অসংখ্য বাতৰি কাকত আৰু আলোচনী কাকত। পুৰণি সাহিত্যত ছন্দ আৰু কবিতাই চলাই অহা অবাধ অখণ্ড ৰাজত্বৰ ভাগ বাতৰি কাকত আৰু আলোচনী কাকতে সৃষ্টি কৰা নতুন গদ্য সাহিত্যয়ো দাবী কৰিলে। হাজাৰ হাজাৰ কাকত তৈয়াৰী কাৰখানা আৰু ছপা যন্ত্ৰৰ তাড়ণাত, শিল্পবিপ্লৱে অনা সামাজিক পৰিবৰ্ত্তনৰ ধুমুহাত ফুলাম দলিচাত বহি হীৰা খটোৱা কণৰ চিকমিকাই থকা পাত্ৰত আতৰ সিঁচলি দেৱদাৰু মূলৰ নিৰ্য্যাসেৰে তৈয়াৰী মচীত সোণ-খটোৱা ম'ৰাপাখিৰ কাপ জুবুৰিয়াই কোনোবা স্বপ্নপুৰীৰ মুকুতাৰ কাৰেঙত পদুমৰ পাপৰিত শুই থকা প্ৰেয়সীলৈ প্ৰণয়সিক্ত চনেট লিখাৰ আহৰি নোহোৱাতো হ'লেই, তদুপৰি কবিতাৰ সেই সপোনপুৰীক বাস্তৱবাদৰ (Realism) চোৱে পাই কাগজৰ নাৱৰ দৰে উটুৱাই লৈ গ'ল। ইতিমধ্যে সাহিত্যৰ বাহন স্বৰূপে আলোচনী কাকতবিলাকে এচাম এচামকৈ ন ন সাহিত্যিকক ৰাইজৰ লগত চা-চিনাকি কৰি দিয়াৰ বাহিৰেও পুথি-সমালোচনা, কবিতা বিভাগ, ৰচনা, ধাৰাবাহিক প্ৰবন্ধ, উপন্যাস আদিৰ প্ৰকাশ আৰু বিকাশ হবলৈ ধৰিলে। এইদৰে এদেও দুদেওকৈ সাহিত্যই লোটা নিয়াৰ ছেওতে সংবাদ বিস্তাৰ সাজপোছাক জোৰকে পিন্ধি পাঠক-পাঠিকাসকলৰ মাজত ওলাই সোমাই ফুৰিবলৈ ধৰিলে। লাহে লাহে দুয়োৰে মাজত প্ৰভেদ প্ৰায় নোহোৱা হৈ আহিল। সাহিত্যৰ বিশ্বজনীনতাই সংবাদ বিদ্যাক এদিন থিতাতে বুকুত সুমুৱাই আপোন কৰি পেলালে। বৰ্ত্তমান যুগত এনে কোনো লিখক-লিখিকা নাই যিয়ে কোনো বাতৰি কাকত বা আলোচনীৰ সান্নিধ্যলৈ অহা নাই।

এতিয়াৰ পৰা কিছুযুগ উজাই গৈ চালে আমি দেখা পাওঁ যে 'অগষ্টান' যুগতে বিলাতত সংবাদ আৰু আলোচনী সাহিত্যই (Periodical Literature) গা কৰি

উঠে। এই যুগৰ সাহিত্যিক সকলৰ ভিতৰত চুইফ্‌ট, ষ্টীল, এডিচন, ডিফ', ৰিচাৰ্ডচন আদি প্ৰত্যেকৰে আলোচনী সাহিত্যৰ লগত ঘণিষ্ঠ সম্বন্ধ আছিল। এই সময়ৰ কেইখনমান আলোচনীৰ বুকুত (Tatler, Spectator, Growler, Guardian, Englishman, The Lover, The Reader, Town Talk, The Tea-Table, Chit-Chat, The Plebeian, The Theatre ইত্যাদি) কেইবাজনো শক্তিশালী গদ্য লিখকৰ জন্ম হয়। যদিও ৰাজনৈতিক, সামাজিক, সাহিত্যিক মতবাদলৈ এই কাকতবিলাকৰ মাজত অবিৰাম অৰি চলিছিল, পৰোক্ষভাবে সি ইংৰাজী সাহিত্যৰ উদ্যানত একো-জোপা সুন্দৰ বৃক্ষহে ৰোপন কৰিছিল। বাতৰি কাকত আৰু আলোচনীয়ে ইংলণ্ডৰ গাওঁ-ভূঁই, নগৰ-চহৰ ছাটি পেলোৱাৰ লগে লগে বিলাতী সাহিত্যই ক্ষিপ্ৰ গতিত ৰূপ সলাবলৈ ধৰিলে। অৱশ্যে এই পৰিবৰ্ত্তনৰ মূলতে এদল শক্তিশালী পাঠকগোষ্ঠীয়ে ধনে প্ৰাণে অবিহণা যোগাইছিল। এই কাল ছোৱাত অলেখ কাকতে (Daily Courant ১৭০২, Worcester Postman ১৬৯০, The Lincoln, Rutland and Stamford Mercury ১৬৯৫, The Edinburgh Gazette ১৬৯৯, Evening Post ১৭০৫, The Nottinghum Journal ১৭১১, The Bristol Times ১৭১৩, The Kentish Gazette ১৭১৭, The Leads Mercury ১৭১৮ ইত্যাদি ইত্যাদি) সাহিত্য ৰসিক আৰু পঢ়ুৱৈ শ্ৰেণীৰ ৰুচি অভিৰুচিৰ বিচাৰৰ যোগেদি যুগৰ লগত সমন্বয় ৰক্ষা কৰি যুগমীয়া ৰচনাৰ বৃহৎ সুতিকাগাৰ তৈয়াৰ কৰিলে। একালত সাহিত্যৰ উপবনত গোজ-মাৰি যোৱা সংবাদ বিদ্যাৰ পুলিটি গোজেই গছ হৈ ঠন ধৰি লহপহকৈ বাঢি আহি ফল ফুলেৰে জাতিষ্কাৰ হৈ সাহিত্য-কাননৰ অন্যান্য বৃক্ষৰ শাৰীত ঠাই পালে। পাচলৈ সংবাদ বিদ্যাই জনছনৰ দৰে যুগান্তকাৰী কথা-সাহিত্যিক সমালোচকৰ জন্ম দিলে। বিলাতী সাহিত্যত সংবাদ বিদ্যাৰ সংস্পৰ্শত লেঠাৰি নিছিগাকৈ চা মে চা মে লিখক - লিখিকাই জৰ্জ্জিয়ান, ৰোমাণ্টিক, ভিক্টোৰিয়ান

আদি যুগৰ সৃষ্টি কৰি নন পুষ্প-বৃক্ষৰে উদ্যানৰ কলেবৰ আৰু শোভা বৰ্দ্ধন কৰিবলৈ ধৰিলে।

ৰোমান্তিক আৰু ভিক্টোৰিয়ান যুগত খ্যাতি লাভ কৰা অগণন সাহিত্যিকৰ বিষয়ে বৰ্ণাবলৈ যোৱাটো বৰ ডুৰুৰ আৰু ধৃষ্টতাপূৰ্ণ কথা হৈ পৰিব। প্ৰকৃততে তেনে মৰসাহ মোৰ নাই। তেওঁলোকক এৰি থৈ আহিলে সাহিত্যক প্ৰকৃত সংবাদ বিদ্যাৰ সাঁচত গঢ় দিয়া ডুজনা প্ৰখ্যাত লিখক সাউতকৰে চকুত পৰে। এজনা হ'ল খ্যাতনামা ৰচনা লিখক আৰু সমালোচক চেষ্টাৰটন আৰু আনজন বিশ্ববিশ্ৰুত বাৰ্ণাড শ্ব। উলফ্, জইছ, ইলিয়ট আদিয়ে ইংৰাজী গদ্য সাহিত্যত নতুনত্বৰ সৃষ্টি কৰিলেও আজিলৈকে এই দুগৰাকী কথা সাহিত্যিকৰ প্ৰভাৱ কোনেও সতকাই এৰাব নোৱাৰে।

সংবাদ-সাহিত্যৰ কেইটামান স্বকীয়া বৈশিষ্ট্য আছে। সংক্ষিপ্ততা, আধুনিক জগতৰ নানা বৈচিত্ৰময় বাতৰিৰে মনক সজীৱতা দান কৰা, বুদ্ধি-ব্যঞ্জনা, কৌশলৰীতিৰ অভি-নৱত্ব, সমসাময়িক সমস্যাৰ প্ৰতি গুৰুত্ব আৰোপ আৰু প্ৰত্যেকটি ৰচনাৰ গুৰিতে লুকাই থকা সামা-জিক ব্যাধি নিৰাময় কৰিবৰ অৰ্থে এখনি—'প্ৰেছক্ৰিপছন' বা চিকিৎসা পত্ৰ এই লেখীয়া সাহিত্যৰ মৌলিক উপাদান। বাতৰিকাকতৰ বিক্ষিপ্ত সংবাদ, প্ৰবন্ধ, মতামত সমূহৰ পৰিপ্ৰেক্ষিত চমু, ৰসাল,

---

* তাহানিখন বিলাতত ৰাজনৈতিক বা সামাজিক পৰিস্থিতিৰ আলমত ব্যক্তিগত মতামত ব্যক্ত কৰি পৰস্পৰে পৰস্পৰক আক্ৰমণাত্মক, আক্ৰোশমূলক বা প্ৰশংসাপূৰ্ণ ৰচনা প্ৰবন্ধ আদি পুস্তিকাৰ আকাৰত লিখিছিল। ইংৰাজীত ইয়াক prmphlateering, পুস্তিকা সাহিত্য বোলা হয়। আনকি ভাবপ্ৰৱণ ইংৰাজ কবি শ্যেলীয়েও এনে ৰচনাত হাত দিছিল। উচ্চশ্ৰেণীৰ সাহিত্যিকসকলে ইয়াক কোনো সাহিত্যৰ মৰ্য্যাদা দান নকৰিলে। গতিকে এই পুস্তিকা সাহিত্য সেই ভাগেই মৰহি গ'ল। আলোচনী সাহিত্যৰ দৰে ই ডুনাই কলাসুলভ স্বাস্থ্য লাভ কৰিব নোৱাৰিলে।

বুদ্ধি ব্যঞ্জনাদীপ্ত, শব্দ চাতুৰ্য্যযুক্ত, সমসাময়িক উন্মাৰে উত্তপ্ত, প্ৰত্যক্ষ বা পৰোক্ষ সংস্কাৰ ধৰ্ম্মী ৰঙেৰে ৰঙীন কথা সাহিত্যকে সংবাদ সাহিত্য বুলি কব পৰা যায়। স্থায়িত্ব বা কলাসুলভ মৰ্য্যাদাৰ অঁাত বিচাৰি সংবাদ সাহিত্যৰ দৰভাও চলি আছে যদিও ই নিৰ্ব্বিবাদ সমগ্ৰ পৃথিৱীৰ সাহিত্য বননিক দুবৰিৰ দৰে ছাটি ধৰিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰত ট্ৰামে-মটৰে, ৰেলে জাহাজে, স্কুল-কাচাৰীয়ে, ঘাটে বাটে ব্যস্ত জীৱনৰ সুকণ্ডাত দাঁতিৰ কাকত আৰু আলোচনী পঢ়াৰ ধুম চলিছে কেৱল সংবাদ-সাহিত্যৰ লোক প্ৰিয়তাৰ কাৰণে। সমসাময়িক জগতৰ খবৰা বিচিত্ৰ লাগতিয়াল খা খবৰ পোনাৰ ওপৰিও মৌলিক পুথিৰ তৰ্জ্জমা, কাহিনীৰ সাৰাংশ, বিদেশী সাহিত্যৰ অনুবাদ বিভিন্ন সাহিত্যিক মতবাদৰ ৰূপৰেখা, শ্ৰেষ্ঠ আলোচনা সমালোচনা আদি নিচেই কম সময়তে আমনি নলগাকৈ পঢ়িবৰ সুবিধা এই নতুন সাহিত্যই সৃষ্টি কৰিছে।

ইংৰাজী সাহিত্যত শ্বই সাহিত্যিক জীৱনৰ পাতনি মেলিছিল সংবাদ পত্ৰৰ সঙ্গীত বিভাগৰ সমালোচক হিচাপে। চেষ্টাৰটনো সেইদৰে ফ্লীট ষ্ট্ৰীটৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত আছিল। এই লিখকদ্বয়ে সমগ্ৰ ইংৰাজী সাহিত্যৰ দাৰ্শনিকে এক বৈপ্লবিক নতুনত্ব দান কৰে। সংবাদ সাহিত্য প্ৰায় ৰাজনৈতিক মতবাদৰ সমৰ্থক হলেও সাহিত্যসুলভ সৃষ্টিমুখী দৃষ্টিভঙ্গীৰ জগনাখন সহজে দেই যাব নোৱাৰে। সেয়েহে শ্বৰ একাধিক নাটক সমাজবাদৰ আৰ্হিৰ পৃষ্ঠপোষকতাৰ গহনাৰে ৰচিত হলেও সি উৎকট প্ৰচাৰধৰ্মী সাহিত্যৰ শ্ৰেণীত নপৰে। তেওঁলোকে "কলা সৃষ্টিৰ মূল উৎস জীৱন (Art for life's sake)" বুলি কয়। "কলাৰ সৃষ্টি কেৱল কলাৰ কাৰণে" (Art for art's sake) এই মতাৱলম্বী সাহিত্যিক সকলতকৈ তেওঁলোকে সমীচীন কথাৰ যথেষ্ট উদাহৰণ আছে। সংবাদ-সাহিত্যৰ বাস্তৱপ্ৰেমী ৰূপটোৰ কাৰণে তাক বেৰত লগাই থোৱা বিজ্ঞাপন চিত্ৰৰ দৰে সাময়িক বুলি কোৱা হয়।

সংবাদ সাহিত্যৰ বানপানীয়ে যেতিয়া ইউৰোপ মহাদেশ প্লাবিত কৰে, তেতিয়া ইউৰোপত সমাজবাদী আদৰ্শই মুৰ ডাঙি উঠে। ৰাজনীতি আৰু সমাজনীতিৰ পোণ পটীয়া প্ৰভাৱ সংবাদ সাহিত্যই সহজেই স্বীকাৰ কৰে। গতিকে আগৰ অভিজাত সম্প্ৰদায়ৰ পৰা মধ্যবিত্ত শ্ৰেণীলৈ সাহিত্য চৰ্চা হস্তান্তৰিত হয়। ফৰাচী সাহিত্যই এই যুগৰে পৰা বিশ্বসাহিত্যত এটা বৃহৎ অঞ্চল অধিকাৰ কৰে। বালজাক, জ'লা, ফ্লবেয়াৰ, বোডেলেয়াৰ, চাৰ্টাৰ, কামু, চাগা আদি অনেক লিখক লিখিকাই এই সাহিত্যৰ ইন্ধন যোগায়। ইয়াৰ পাচত ৰুচ দেশ, পোলেণ্ড, চীন আদি সাম্যবাদী দেশত সাহিত্যক বস্তুৱা শ্ৰেণীৰ একচেটীয়া সম্পত্তিলৈ ৰূপান্তৰ কৰা হয়। বহুতৰ মতে ই সাহিত্যৰ এক ভয়াবহ স্খলন। কাৰণ এই দেশৰ সাহিত্যত বস্তুৱা জীৱনৰ অতি বাস্তৱ নীৰস কাহিনীৰ ওপৰতে সকলো লিখনী বন্দী আৰু অৱৰুদ্ধ হৈ পৰাত সাহিত্যৰ কলাসুলভ সৃজনী শক্তিবো উশাহ নিশাহ বন্ধ হৈ পৰিছে। ফলস্বৰূপে সাহিত্যৰ ৰঙীন চিত্ৰখনি উদং ফটোগ্ৰাফত পৰিণত হৈ পৰে। ইয়াত শিল্পীৰ মাহাত্ম্য প্ৰকাশ হোৱাৰ তিলমানো সুবিধা নাথাকে। অৱশ্যে লৰেঞ্চ যদিও ইংলণ্ডৰ কয়লাখনিৰ বস্তুৱা সন্তান আছিল তথাপি এইজন লিখকৰ বাস্তৱবাদী লিখনীত একে সময়তে লিপিবদ্ধ ৰোমান্তিক বা অন্যান্য কল্পনাপ্ৰৱন ৰচনাৰ প্ৰভাৱ জীৱন দীক্ষাৰ বৰ্ণনাত প্ৰচুৰ নহলেও অনেক ঠাইত সিচৰিত হৈ আছে। এইজন লিখকো সংবাদ বিদ্যাৰ নাগপাশৰ পৰা মুক্ত নহয়।

মাৰ্কিণ সাহিত্যত হৰ্থৰ্ণ এমাৰ্চনৰ পৰা ষ্টেইনবেকলৈকে প্ৰত্যেকজন প্ৰসিদ্ধ লিখক লিখিকাই বাতৰি কাকত আলোচনীৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আৰু সংস্পৰ্শ ৰক্ষা কৰি আহিছে। বঙালী সাহিত্যতো সংবাদ বিদ্যাই এক বিৰাট অঞ্চল অধিকাৰ কৰি পেলাইছে। যাযাবৰৰ "দৃষ্টিপাত" "জনান্তিক" আৰু "ঝীলম নদীৰ তীৰ." চৈয়দ মুজতবা আলিৰ "দেশে বিদেশে", "জলে ডাঙায়", "চাচা কাহিনী" "ময়ুৰকণ্ঠী", "পঞ্চতন্ত্ৰ,"

শংকবৰ "কত অজানাবে", "চৌৰঙ্গী" এনে সংবাদ—সাহিত্যৰ সুন্দৰ উদাহৰণ।

সংবাদ সাহিত্যিকসকলে সাধাৰণতে নানা দেশ ভ্ৰমণ কৰাৰ অভিজ্ঞতাৰে অনেক ভাষা ভাষীৰ সংস্পৰ্শত আন্তৰ্জাতিকতা আৰু বিস্তৰ মননশীলতাৰ ওপৰত প্ৰচুৰ পৰিমানে নিৰ্ভৰ কৰিব লগা হয়। এনে সাহিত্যই বোধকৰো সেইকাৰণেই প্ৰেমৰ লাহি গল্প আৰু অলৌকিক কাহিনীৰ লঘু উপন্যাস পঢ়িবলৈ বিচাৰি ফুৰা পাঠকক আমোদ দিব নোৱাৰে। অত্যন্ত প্ৰাকৃতিক বৰ্ণনা, অপ্লাবিত কল্পনাবিলাস, অতীতৰ বিস্তৰ প্ৰসঙ্গ-সঙ্গতি, পৌৰাণিক উপকথাৰ যন ৰহণ সংবাদ-সাহিত্যত পোৱা নযায়। সংবাদ - সাহিত্যৰ নমুনা হিচাপে বঙালী লিখক যাযাবৰৰ "ঝীলম নদীৰ তীৰ"ৰ পৰা কেইটামান শাৰী উদ্ধৃত কৰা হ'ল :

"গঞ্চৰ উপৰে শুভ্ৰ খদ্দৰৰ টুপি মাথায় বক্তা। নাতিদীৰ্ঘ ঋজু-দেহ, উন্নতনাস' গৌৰকান্তি পুৰুষ। ললাটে বুদ্ধিৰ দীপ্তি, চক্ষে সাহসেৰ বহ্নি, চিবুকে কাঠিন্যেৰ ইঙ্গিত কণ্ঠে তীব্ৰতা নেই অথচ দৃঢ়তা আছে। যেন ঝকঝকে ইস্পাতেৰ তলোয়াৰ। ব্যক্তিটি কে?

বক্তা আৰ কেউ নন—কংগ্ৰেছ-নেতা পণ্ডিত জওহৰলাল নেহৰু।"

এই কিতাপখন কাশ্মীৰ সংকটৰ বিষয়ে বৰ্ণোৱা এটি ৰসাল দীঘলীয়া বাতৰি যেন লাগে। সেই একেখন কিতাপৰে নিম্নোক্ত শাৰী কেইটা যথেষ্ট মনোগ্ৰাহী :

"সাম্প্ৰদায়িকতাবাদী এক মুসলমান নেতা বিলাতে এক ভোজ সভায় বসেছিলেন ওসমানেৰ ঠিক ডাইনে। নাম শুনে অত্যন্ত অন্তৰঙ্গতাৰ সুৰে বললেন, "ও, আপনি জাতিতে মুসলমান? আমিও তাই। বড়েই সুখেৰ ......

বাধা দিয়ে ওসমান বললেন, "আমি জাতিতে ভাৰতীয়। হ্যাঁ, ধৰ্মেৰ কথা যদি জিজ্ঞাসা কৰেন তো বলবো— ইসলাম।"

নেতা সাহাবেৰ মুখেৰ আধখানা কথা ৰইল মুখে। সমুখেৰ প্লেটে খাবাৰও আৰ তেমন ৰুচিকৰ বোধ হলো না।"

বঙ্গ সাহিত্যত "কল্লোল" নামৰ আলোচনী এখনৰ গাতে আঁউজি ৰবীন্দ্ৰোত্তৰ কল্লোল যুগৰ সূচনা হয়। অসমীয়া সাহিত্যত আলোচনীৰ নামেৰে "জোনাকী যুগ" "আৱাহন যুগ", "ৰামধেনু যুগ" নামাকৰণ কৰা হৈছে। ভাৰতীয় প্ৰাদেশিক সাহিত্যত কোনো শক্তিশালী সাহিত্যিক বা দাৰ্শনিক ভাৱধাৰাৰ নামেৰে সাহিত্যৰ বুৰঞ্জীত কোনো এটা নতুন যুগ বা দশকৰ নামাকৰণ কৰা দেখা নাযায়।* দৰাচলতে তাহানি কলিকতীয়া ছাত্ৰসকলে কলিকতাৰ পৰা কেইবাখনো বাতৰি আৰু আলোচনী কাকতৰ যোগেদি অসমীয়া সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা কৰে। খ্ৰীষ্টান মিচেনেৰীসকলে

---

* বৰ্ত্তমান অসমীয়া সাহিত্যত প্ৰবাহিত যুগটিৰ যদি নামাকৰণ কোনো এক মতবাদৰ নামেৰে ভূষিত কৰিব লগা হয় সেই ক্ষেত্ৰত মই এই যুগটিক ভগ্নব্যক্তিত্ববাদী যুগ বুলিহে কম। বৰ্ত্তমান যুগৰ অসমীয়া লিখক-লিখিকাসকলৰ মানসিক ব্যক্তিত্ব বিভিন্ন বৰ্ণালীৰ দৰে শতধা বিচ্ছুৰিত। বহুমুখী আৰু বিভিন্ন ভাৱধাৰাৰে ক্ষণে ক্ষণে ভগা-ছিগা হৈ থকা মনৰ টুকুৰা টুকুৰ ব্যক্তিত্বৰ সমষ্টিক বিচিত্ৰ অসংখ্য ভাৱত একত্ৰিত কৰি অভিজ্ঞতা সঞ্চিত ৰচনাৰ যোগেদি অস্পষ্ট আত্ম-প্ৰকাশেই এই চাম সাহিত্যিকৰ মৌলিক দৰ্শন। ইংৰাজীত ইয়াক এক প্ৰকাৰ মানসিক ব্যাধি বুলিও কব পাৰি। ইয়াৰ নাম Schizophrenia—mental disorder with split personality. প্ৰাদেশিক, দেশীয়, আন্তৰ্জাতিক মানৱতাবাদী বিভিন্ন সমস্যা আৰু ভাৱধাৰাৰ সংমিশ্ৰণত বৰ্ত্তমান অসমীয়া সাহিত্যৰ দৰা বন্ধা নিৰ্দ্ধাৰিত মনৰ জীৱন প্ৰৱাহ [illegible] বিপুল উৎকৰ্ষই [illegible] দিয়াটোৱেই [illegible] লগে লগে কলিকতাৰ [illegible] স্থানান্তৰিত হোৱাত এই যুগ আৰম্ভ হয়।

শিৱসাগৰৰ পৰা কেৱল ধৰ্ম্মপ্ৰচাৰৰ একচেটীয়া বাহনৰূপে 'অৰুণোদই' কাকত প্ৰকাশ কৰিছিল যদিও এই কাকত খনেই প্ৰথমে অসমীয়া গদ্য সাহিত্যৰ প্ৰতি আমাৰ ৰাইজক সজাগ কৰি দিলে।

অসমীয়া সাহিত্যত বস্তুত ধনি-কৰে সংবাদ বিদ্যাৰ ভুমিকাবে পৰ্য্যাপ্ত নহলেও কেইবাখনো পুথি, অনেক ৰচনা আৰু প্ৰবন্ধৰ গঢ় দিছে। বেজবৰুৱাৰ বিদ্ৰূপাত্মক হাস্যৰস প্ৰধান ৰচনাখিনিক বাদ দিলে ঘাইকৈ মহীচন্দ্ৰ বৰা, লক্ষ্মীনাথ ফুকন, হেম বৰুৱা, কীৰ্ত্তিনাথ হাজৰিকা, আৰু তিলক হাজৰিকাৰ গদ্যৰীতিত সংবাদ সাহিত্যৰ বিশেষ প্ৰভাৱ পৰিলক্ষিত হয়। মহীচন্দ্ৰ বৰাৰ বহুদিনৰ আগতে কিছুমান আলোচনীত প্ৰকাশিত 'নিৰীক্ষণ' নামৰ এলানি 'স্কেচ' বা আভাস চিত্ৰৰ অংকনে এক নতুন গদ্যৰীতিৰ জন্ম দিলে। লক্ষ্মীনাথ ফুকনৰ "ওফাইদাং" নামৰ কিতাপখনত সামাজিক দিশ কেইটামানৰ প্ৰাঞ্জল বৰ্ণনা থাকিলেও হাস্যৰসৰ মাধুৰ্য্যই তাক বাচকবৰণীয়া ৰূপ দিয়াত বহু পৰিমাণে অসমৰ্থ। ইয়াৰ পাচতে হেম বৰুৱাৰ 'সাগৰ দেখিছা' আৰু 'ৰঙা কৰবীৰ ফুল' নামৰ কিতাপ দুখনে বহু জাক-জমকীয়া সংবাদবিদ্যাৰ চিনাকি দিয়ে। সংবাদ সাহিত্যই সমাজলৈ পৰোক্ষভাবে অপগচোৱা 'প্ৰেছক্ৰিপছন' বা চিকিৎসাপত্ৰৰ উদাহৰণ পোৱা যায় হেমবৰুৱাৰ লিখনীত :

"আমাৰ কাৰণে কথাষাৰ আচৰিত যেন লাগিলেও ইয়াৰদৰে যন্ত্ৰচালিত সমাজ এখনৰ ক্ষেত্ৰত ই আচৰিত হবলগা একো কথা নহয়। এই ব্যৱস্থাই মানুহক পঙ্গু কৰিছে। মানুহৰ সম্বন্ধও ইয়াৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছে। চৰকাৰী সংখ্যা বিভাগৰ মতে দেখিছো বিবাহৰ কিছুদিনৰ পিচৰ পৰাই ইয়াৰ শতকৰা এসত্তৰ গৰাকী পত্নীয়ে স্বামীক দেখিব নোৱাৰা হয়। সেইদৰে শতকৰা চৌৰান্ন গৰাকী স্বামীয়ে পত্নীক দেখিব নোৱাৰা হয়। ইয়াৰ পৰিণতি বিবাহবিচ্ছেদ। গতিকেই ইয়াৰ সৰহ সংখ্যক মানুহৰ টোপনি কম। ইয়াৰে দহ ভাগৰ এভাগে টোপনি অহা নানা ঔষধ-পানী (Sedative) ব্যৱহাৰ কৰে।"

(সাগৰ দেখিছা)

পৃথিবীৰ অন্যান্য দেশৰ পৰা ভ্ৰমণ কৰা অভিজ্ঞতাৰে ঘৰুৱা নীতিৰ সংস্কাৰকামী মনেৰে ডাঙি ধৰা নিজা ঠাইৰ বহু তুলনামূলক সমীক্ষা বকুৱাৰ দুয়োখন পুথিতে ঠাহ খাই আছে।

"এনেতে কলেজৰ এটা বিল্ডিঙৰ পৰা আন এটালৈ যাওঁতে, এজাক ছাত্ৰ-ছাত্ৰীৰ মাজত, এগৰাকী ছাত্ৰীক ছাত্ৰ এজনৰ পিঠিত বোকোচা উঠি, আনবোৰৰ লগত হাঁহি-ধেমালি কৰি, কথা পাতি থকা দেখিছিলো। অধ্যক্ষ গৰাকীয়ে মোক সুধিছিল: 'আপোনা-লোকৰ কলেজত ছোৱালী এনেকৈ ল'ৰাৰ পিঠিত উঠেনে?' এনে এটা গাৰামূৰক প্ৰশ্নৰ উত্তৰ মই দিওঁ কেনেকৈ? লাহেকৈ 'নুঠে' বুলিকৈ আন কথালৈ উলটি আহিছিলো। এয়া হেনো ৰমৰম বোকোচা। আমাৰ ৰৰলৈ টান।" (সাগৰ দেখিছা)

কীৰ্ত্তিনাথ হাজৰিকাৰ ৰচনা বৰ সীমিত। তথাপি যি দুই চাৰিটা প্ৰবন্ধ লিপিবদ্ধ হৈ প্ৰকাশ লাভ কৰিছে সেইবিলাকত সংবাদ বিদ্যাৰ যথেষ্ট ৰক্ষণ সানি মননশীলতাৰ পৰিচয় দিয়াত সমৰ্থ হৈছে।

"প্ৰেমৰ পদাৰ্থ বিজ্ঞানতো হেনো আছে যে গাভৰুৰ দুটা প্ৰত্যাখ্যান আকৰ্ষণৰহে ছদ্মৰূপ। ইয়াতো কথা সেয়ে। বুজিছে—ভাগ্য কোনে মনা নাই—সকলোৱে মানিছে, লুকাই চুৰকৈ হওক বা দেখাদেখিকৈয়ে হওক। হিটলাৰে হেনো জ্যোতিষীৰ হতুৱাই ভাগ্য গণনা কৰিহে কামত হাত দিছিল। কেলেই সিদিনা হলেণ্ডৰ ৰাণী জুলিয়ানাই ভূত-ভবিষ্যত গণনাকাৰী এগৰাকীৰ ওচৰত শৰণ লোৱা নাছিল জানো? জাৰ সকলৰ আমোলত কছিয়াতো জাৰিণাৰ ভিতৰ চ'ৰাত ভাগ্য গণনাকাৰী সকলৰ অখণ্ড প্ৰতাপ আছিল...... জাৰ ২য় আলেকজেন্দাৰে হেনো ভাগ্যক আহুদি খুৱাই থব পৰা আঙঠি এটা মুহূৰ্ত্তৰ বাবেও আঙুলিৰ পৰা বাদ দিয়া নাছিল—পিচে কি হ'লগৈ জানে? এদিন কেওঁ পাহৰি ৰাজপ্ৰসাদত আঙঠিটো থৈ গ'ল, আৰু সেইদিনাই তেওঁ নিহত হয়।"

("ইয়াৰো মূল্য আছে")

ইয়াৰ পাচতে তিলক হাজৰিকাৰ 'আড্ডা'কে আদি কৰি অন্যান্য লঘু ৰচনাবিলাকত থকা সংবাদ বিদ্যাৰ তীব্ৰ আৰু আকৰ্ষণীয় পদ্ধতি অসমীয়া গদ্য সাহিত্যৰ এক বিস্ময় বুলি কব পাৰি। উইভেনদী বুদ্ধি-ব্যঞ্জনা আৰু মনোহৰ শব্দসজ্জাৰ চাকনৈয়াত উটাই বুৰাই পাঠকক ৰসাপ্লুত কৰিব পৰা তিলক হাজৰিকাৰ ৰচনাই অসমীয়া সাহিত্যত নতুন ইন্দ্ৰজালৰ সম্মোহন সৃষ্টি কৰিছে। হাজৰিকাৰ 'আড্ডা' নামৰ ৰচনাৱলীত থকা এই শাৰীকেইটা তাৰে এটা উদাহৰণ :

"ভীষণ ধুনীয়া চকুৰ দৃষ্টিত জৰ্জ্জৰিত হোৱা কবিয়ে চাৰি দিস্তা কবিতা লিখাৰ পিচত বিয়া কৰাই যেতিয়া 'কমিনিটী প্ৰজেক্ট'ৰ আঁচনিৰে কেৰাণী জীৱনৰ ভাৰসাত সংসাৰ চলাই দিয়ে, তেতিয়া চাকৰিৰ পৰা আবেলি পাঁচবজাত ঘৰলৈ উভতি আহি দুৱাৰ মুখৰ পৰা প্ৰিয়াৰ সেই চকুত কি দেখিব? শ্ৰেলীৰ এমিলিৰ জেউতি? গনেশ গগৈৰ চকুৰ ক্ষুধা 'অপৰূপ ৰূপ ৰেখা'?? ৰবীন্দ্ৰ নাথ ঠাকুৰে নিজৰ হিয়া দেখা 'লেবৰেটৰীটো'??? একো নেদেখে, চব উধাও। তাৰ ঠাইত প্ৰিয়াৰ 'ভীষণ ধুনীয়া চকু'ত দেখিব সাত নম্বৰ কেচুৱাটোৰ কাৰণে এটা হৰলিক্সৰ টেমা, আধাকৰা স্কাৰ্ফখনৰ কাৰণে আধা পাউণ্ড উল আৰু অক্ষম সংসাৰৰ বহুতো হিচাপৰ লিষ্ট। যি চকুয়ে চকুৱে চাওঁতে হেমকান্ত বৰুৱাৰ "সাগৰৰ এচামুচ নীলা"ই এদিন থৌকি বাথৌ কৰি উঠিছিল— আৰু য'ত দেৱকান্ত বৰুৱাৰ "প্ৰিয়াৰ হৰিণ চকুত কঁপিছিল বন্ধুৰ মৰম" আজি সেই চকুত নৱকান্ত বৰুৱাৰ "চাৰ্কাছৰ বাঘিনীৰ অক্ষম জ্বালা"ই চিগাৰেট জ্বলাদি জ্বলি উঠে। মধ্যবিত্ত সংসাৰত ঘাটি ।।ৰা বাজেটৰ বিত্তমন্ত্ৰী হৱলৈ অহা কামিনীৰ চকুৰ পৰা "কামনাৰ অঞ্জন" নিখোজ হৈ যায়।"

( চকুয়ে চকুৱে চাই )

শব্দৰ ওপৰত থকা অসাধাৰণ আধিপত্যই এই সাহিত্যক অতিপাত আকৰ্ষণীয় কৰি তোলে।— তিলক হাজৰিকাৰ শব্দসজ্জাৰ ব্যুৎপত্তি আৰু আভিজাত্য আছে। ধাৰাসাৰে বিভিন্ন ভাবত নিখুঁত পদ্ধতিৰে শব্দ প্ৰয়োগৰ কৌশল তেওঁৰ সম্পূৰ্ণ আয়ত্তাধীন ;

— "আড্ডা স্বয়ম্ভু, আড্ডা ভূমা, 'একোহয়মনান্যথাঃ', আড্ডা মধ্যবিত্তৰ সাৰ্ব্বজনীন আকাঙ্ক্ষাৰ এটা আনুষ্ঠানিক অনুষ্ঠান। আড্ডা বুদ্ধিজীবীৰ অসংগত আৰু অসংযত চিন্তাধাৰাৰ অসংবদ্ধ সঙ্ঘ। আড্ডা জীৱনৰ কেন্দ্ৰহীন মানুহৰ বিকেন্দ্ৰীকৃত উপকেন্দ্ৰ। আড্ডা প্ৰতিষ্ঠাহীন ভাগ্য-ফেৰাৰৰ লব্ধ-প্ৰতিষ্ঠাৰ প্ৰতিষ্ঠান। আড্ডা সমাজভুক্ত উদাসীন মানুহৰ সমাজ-চেতনাহীন তাৰ অসামাজিক সমাজ।……… আড্ডা কেনেকুৱা? আড্ডা মেলা নহয়, মন্ত্ৰণা সভা নহয়— পাঠ্যক্ৰমৰ পাঠশালাও নহয় আৰু চিন্তা চক্ৰও (thought Symposium) নহয়, আড্ডা 'এজেণ্ডা'হীন মেলা, 'কোৰিকুলাম'হীন স্কুল, সংবিধানহীন গণপৰিষদ আৰু লক্ষ্য-বিষয় সিদ্ধান্তহীন তৰ্কসভা। আড্ডা এটা গোলমাল। মধ্যবিত্তৰ উপনিবেশ চহৰৰ চাহখোলা (coffee House) ইয়াৰ জন্মভূমি। ঊঠৰ —উনৈশ শতিকাৰ ইউৰোপৰ যিবিলাক লোকে পৃথিবীৰ চিন্তা ধাৰাক ওলট পালট লগাই দিছিল, যিবিলাক লোকে স্বপ্নবিলাসী আকাঙ্ক্ষাৰে পৃথিবীৰ বুদ্ধি সজ্জক আতুৰ কৰি তুলিছিল, যিবিলাকে পৃথিবীৰ দৃষ্টি কবিতাময় কৰি তুলিছিল, সেইবিলাক মানুহ এই 'গোলমাল'ৰ পৰা ওলোৱা।

(আড্ডা: তিঃ হাঃ)

উপৰোক্ত লিখক কেইজনৰ ভিতৰত লক্ষ্মীনাথ ফুকন, কীৰ্ত্তিনাথ হাজৰিকা আৰু তিলক হাজৰিকাৰেই বাতৰি কাকত আলোচনী আদিৰ লগত খুব ঘনিষ্ঠ সম্বন্ধ থকা দেখা যায়। এওঁলোকৰ বাহিৰেও বাতৰিকাকত বা আলোচনীৰ লগত বিশেষ সম্বন্ধ থকা বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্যিক কেইজনমানৰ ভিতৰত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, কেশৱ মহন্ত, মহেন্দ্ৰ বৰা, যোগেশ দাস, চন্দ্ৰপ্ৰসাদ শইকীয়া আদিৰ নাম লেখত লবলীয়া। এই কেইগৰাকী লিখকৰ গল্প, উপন্যাস আৰু প্ৰবন্ধ বিলাকত সংবাদ বিদ্যাৰ বহণ বৰ প্ৰকট নহয়। উচিত কথা কবলৈ গলে ই একেবাৰে নিস্তেজ বুলি বুলি কলেহে ভাল হব। ইংৰাজ কবি ইলিয়ট, অডেন, চি. দি. লিউইছ আদিৰ দৰে এদল নতুন কবিৰ কবিতাত সংবাদ বিদ্যাৰ বৰণ

লাগি থকা দেখা যায়। * এই সকলৰ ভিতৰত হৰি বৰকাকতি, হেম বৰুৱা, বীৰেন ভট্টাচাৰ্য্য, ৰাম গগৈ, মহেন্দ্ৰ বৰা, কেশৱ মহন্ত, নলিনীধৰ ভট্টাচাৰ্য্যৰ নাম উল্লেখযোগ্য।

সৌৰভকুমাৰ চলিহাৰ 'অশান্ত-ইলেক্ট্ৰন', 'জ্যামিতি', 'উপপাদ্য' আদি চুটিগল্প আৰু 'হেমন্তৰ শেষ' নামৰ নামৰ প্ৰবন্ধুৱা কাহিনী কেইটাত সংবাদ বিদ্যাৰ পৰশ বৰ গভীৰ, গাঢ় আৰু অভিনৱ। অসমীয়া গদ্য সাহিত্যত এইজন এজন শক্তিশালী লিখক। প্ৰচুৰ অধ্যয়নশীলতা আৰু নিত্যনতুন কৌশলৰীতি এই লিখকজনৰ নিজা বৈশিষ্ট্য। শেহতীয়াকৈ "মণিদীপ"ত প্ৰকাশিত 'ঘৰুৱা ঘটনা' নামৰ একক চৰিত্ৰৰ নিচেই সংক্ষিপ্ত একাংকিকা এখনিও বেছ চমকপ্ৰদ পৰীক্ষা হিচাপে হৈছে। গদ্য সাহিত্যৰ বাটিকা অসমীয়া নাট্য সাহিত্যৰ গতি বৰ লেহেম যেন লাগে। সৌৰভ চলিহাৰ নাটিকা খনিৰ দৰে দুই চাৰিখন [খুব সম্ভৱ ভালদৰে বিচাৰ কৰিলে মাত্ৰ চাৰি-খন মানহে ওলাব] নাটৰ বাহিৰে বাকীবোৰ নাটকে নানা লাপিলুপা পালি নাট্যকাৰৰ হাতত পৰি শ্ব-ইবছেনৰ নামত কিম্ভুতকিমাকাৰ ৰূপ লৈ অসমৰ ৰঙ্গমঞ্চ আৰু অনাতাঁৰ কেন্দ্ৰক অতিষ্ঠ কৰি তুলিছে।

সংবাদ-সাহিত্যৰ প্ৰধান আসোঁ-আহবোৰৰ ভিতৰত হ'ল — ই সকলো পাঠকৰে বোধগম্য নহয়, নানা বিদেশী শব্দ অলপো হাত নধৰাকৈ এই সাহিত্যই ব্যৱহাৰ কৰে। বিজ্ঞান জগতৰ বৈচিত্ৰ্যই ইয়াক সদায় নতুন গঢ় দি থাকে। প্ৰাচীন সাহিত্যৰ মৌলিক বিচাৰত ইয়াৰ কলাসুলভ গুণ তেনেই কম সাময়িক স্থায়িত্বৰ কাৰণে সন্দেহৰ অৱকাশ যথেষ্ট ইত্যাদি। এনেবিলাক বিৰোধী যুক্তিৰ উৰ্দ্ধত সংবাদ সাহিত্যৰ ওজনৰ তাৰতম্য চলি থাকিলেও শ্ব-ইবছেনৰ নাটক আৰু ইলিয়ট অডেনৰ কবিতাত যুগ পৰিবৰ্ত্তনৰ ঘূণে ধৰিব নোৱাৰে। সেইদৰে অসমীয়া সংবাদ-সাহিত্যৰ ক্ষেত্ৰতো শক্তিশালী আৰু সৃষ্টিমূলক লিখনীৰ সকলো যুগতে সমাদৰ কৰাৰ স্বীকৃতি থাকিব।

---

* এই সন্দৰ্ভত উল্লেখ কৰিব পাৰি যে দেৱকান্ত বৰুৱাৰ একালত সংবাদবিদ্যাৰ লগত ঘনিষ্ঠ সম্বন্ধ আছিল। যদিও তেওঁ কীটছ, টেনিছনৰ দৰে মাত্ৰ সেই যুগৰ কবিতাৰ বুকুতে সীমাবদ্ধ হৈ থকাৰ হেতু তেওঁৰ লিখনী সংবাদ বিদ্যাৰ বিশেষ প্ৰভাৱেৰে প্ৰভাৱান্বিত নহয়।

চাইকেলৰ টিলিঙা বজোৱা
গজৰাজৰ কাহিনী।

# বুৰৈত এৰাতি

ঃ ভৱকান্ত বৰা

উত্তৰ পাৰৰ অশান্ত নৈ [illegible]াকৰ ভিতৰত বুৰৈ এখন। দৰং জিলাৰ পূব অঞ্চলত থকা এই নৈখন পাহাৰৰ পৰা ওলাই মাত্ৰ ১০ মাইল মান সমথলেদি গৈয়েই ব্ৰহ্মপুত্ৰৰ লগত মিলিছে। এই কাৰণে সমথলৰ ওপৰতো নৈ খনৰ সোঁত কোবাল। বাৰিষা পানী বাঢ়িলে বুৰৈয়ে হিল-দল ভঙি আহে। নামি পাৰহৈ যাব পৰা বুৰৈখনত খন্তেকৰ পিচতে হাতীকো উটাই নিব খোজা সোঁত বয়। এনেকুৱা কোবাল সোঁতত নাৱেৰে পাৰ হোৱা বিপদজনক।

ঋতু পৰিৱৰ্ত্তনৰ লগে লগে বুৰৈয়ে ৰূপ সলায়। বাৰিষা ঘোলা পানীৰে আউলী-বাউলী হৈ বোৱা বুৰৈখন শৰত কালত ফটিকৰ ধাৰ যেন হৈ বৰলৈ ধৰে। বালিয়া মাটিৰ গৰা খহাই খহাই বিশাল হৈ পৰা খৰাং নৈখনৰ বুকুত ঠেক পানীৰ ধাৰটোক দূৰৈৰ পৰা এটা নীলা সাপ পৰি থকা যেনহে লাগে।

খৰালিৰ লগে লগে বুৰৈৰ কাষে কাষে বাটকুৰাৰ সঘনে হোৱা ভৰিৰ চাপত এটা সুৰসুৰীয়া বাটে ৰূপলৈ পৰ্ব্বত আৰু ভৈয়ামক সংযোগ কৰে। এই বাট কোনো কোনো ঠাইত

মৈত পৰি থকা ডাঙৰ ডাঙৰ শিল বিলাকৰ ওপৰেদি ইপাৰৰ পৰা সিপাৰলৈ যায়। কোনো ঠাইত হাবিৰ মাজেদি কিছুদূৰ সোমাই গৈ আকৌ পানী-খুৰুলীয়েদি নাইবা গৰাৰ ওপৰেদি যায়। এনেকুৱা বাটবিলাক হয় বাৰিষা বুৰৈয়ে খহাই নিয়ে, নহয় গছ-গছনি পৰি অগম্য হৈ পৰে। খৰালি আকৌ নতুন বাট ওলায়। এইবিলাক বাট প্ৰধানকৈ ভৈয়ামত হাট বেহাৰলৈ অহা দফলাবিলাকৰ পৰাই হয়। এই সুৰসুৰীয়া বাটবিলাকেই কোনোবা কাহানিবাৰে পৰা পৰ্ব্বত-ভৈয়ামৰ মাজত সংযোগ ঘটাই আহিছে।

বুৰৈৰ কাষৰ এই সুৰসুৰীয়া বাটটোৱেদি মাঘ মহীয়া আবেলি এটাত বাইচাইকেল ঠেলি ঠেলি চেঙ্গেলীজান বোলা হাবিখনৰ উত্তৰ সীমাতো চাবলৈ গৈছিলো। এই সীমাটোৱেই আকৌ নেফা আৰু দৰং জিলাৰো উমৈহতীয়া সীমা। বুৰৈখন পাহাৰৰ পৰা ওলায়েই বিহালী সংৰক্ষিত বন আৰু চেঙ্গেলীজান হাবিৰ (এতিয়া সংৰক্ষিত বন হব পায়) মাজেদি পাঁচ মাইলমান গৈহে পাণ্ড-ভুই সোমাইছে। জান এটাৰ নামেৰেই তাৰ আশে পাশে থকা হাবিখনক চেঙ্গেলীজান হাবি বোলা হয়। কেইবছৰমান আগৰ পৰাই এই হাবিখন সংৰক্ষিতবনলৈ পৰিবৰ্ত্তন কৰিবলৈ যো জা কৰাৰ কাৰণেই তাত জন-বসতি নাছিল। মোৰ লগত বিভাগীয় কৰ্ম্মচাৰী দুজন আৰু তিনিজন হাবিৰ ওচৰত বাস কৰা গাঁৱৰ মানুহ। বাহিৰা মানুহ কেইজনৰ চাইকেল নাছিল। বাটটোত মুঢাবিলাক থকাৰ উপৰিও পথালিহৈ পৰি থকা গছ বিলাকে চাইকেলকিখন ঠেলি নিয়াত বৰ অসুবিধা দিছিল। শুকান খেৰবিলাক হাবিৰ তলত থকাৰ কাৰণে হাবিত সুমুৱাই থৈ যাবলৈকো বনজুইলৈ ভয়। বাতি বনজুইয়ে পালে পিচদিনা চাইকেলৰ পোৰা লোহা কেইডালৰ বাহিৰে একো পোৱা নাযাব। কেইবাজনো বিভাগীয় বন্ধুৱে হাবিত চাইকেল থৈ ঘূৰি আহি পোৰা লোহা আৰু পোৰা ৰবৰৰ গোন্ধ পোৱা কব পাৰো।

কামিমুনি বেলিকা আমাৰ

গন্তব্য স্থান পালোগৈ। জিৰাবলৈ সময় নাই। আমাৰ লগত তম্বু বা তিৰ্পাল আদি নাছিল। লম্বা লৰিকৈ ছয় ফুট দীঘল ছয় ফুট বহল এখন এচলীয়া চালি বুৰৈৰ তল গছাত গছডালৰ [illegible] কৈ সজা হ'ল। গছডালৰ [illegible] চালিখন চাপৰ কৰি সন্মুখৰ ফালে মানে পানীৰ ফালে ওখ কৰা হ'ল। সন্মুখৰ ফালটো খোলাখাটি থকা তিনিফালে কৰা গছৰ বেৰ। তেনেকৈ চালিখন চাৰা হ'ল যদিও ওপৰলৈ চালে খেৰৰ ফাঁকেদি তৰা দেখিব পাৰি। চালিৰ ওচৰতে শুকান কাঠেৰে ডাঙৰকৈ জুই একুৰা ধৰি তাৰ পোহৰতে খোৱা-লোৱা সমাপন কৰিলোঁ।

খাই বৈ চালিৰ তলত সেই পেলাই [illegible] মাংৰ কুণ্ডলী [illegible] জোনাক ৰাতিৰ উপভোগ কৰিবলৈ চেষ্টা কৰিলোঁ। ৰাত বেছি হৈ অহাৰ লগে লগে এই নির্জ্জন [illegible] যাবলৈ ধৰিলে। [illegible] নৈখনৰ সিপাৰে [illegible] খনৰ ছাঁ [illegible] আধা [illegible] ধাৰ [illegible] আছে।

অলপ তললৈ সোঁৱতী পানীখিনি অসংখ্য সৰু বৰ শিলত ঠেকা খাই তিৰ্‌বিৰাবলৈ ধৰিছিল। পানীৰ তিৰবিৰণি খিনিলৈ একেথৰে চাই থাকিলে অন্য কোনোবা এখন পৃথিৱীত থকা যেন লাগে। গধূলি ৰাতিৰ তোৰা নিশাচৰ চৰাইবিলাকৰ মাতবোৰ ক্রমান্বয়ে সৰেঙা হৈছে। চালিৰ তলত এজনে নাকেৰে ঘোট ঘোট শব্দ আৰম্ভ কৰি দিলে। নাকৰ ঘোৰণিৰ সিপাৰে এটা সুগৰী পহুৰ বেৰেৰে মাত একোটাইতে মাজে নির্জ্জনতা ভালেখিনি কমাইছিল। সি মতা চেওটোৰ পৰা লগৰীয়া বিচাৰি ফুৰা যেন লাগিল। বাঘ নাইবা অন্য কোনো শত্রু দেখিলে উধাতু খাই ঘোঁৱাই চিঞৰ [illegible] মাৰি লৰ মাৰি আনফালে আৰু লগে লগে মাতটোও হেৰুৱাই পেলায়।

শোৱাৰ আগতেই খোৱাৰ বাচন বৰ্ত্তনবোৰ সাৰি সুতৰি চালিৰ তলত থোৱা হৈছিল। [illegible] তিনিফালৰ বেৰ [illegible] আটকাই থকা। বস্তু-[illegible] এই নির্জ্জন ঠাইৰ মাজত [illegible] খোৱাৰ কাৰণ আছে।

আমাৰ চালিখন আছিল বাটটোৰ কাষতে। সেইদিনা তলত এখন সাপ্তাহিক হাট বহিছিল। হাটৰ পৰা দফলাবিলাক কেতিয়াবা কেতিয়াবা ৰাতি ও পাহাৰলৈ উভটে। এনেকৈ ৰাতি যোৱা দফলাবিলাকৰ মাজত দুই এটা হাত লৰ বিধৰ থাকিলে উভতি যাওঁতে গাওঁৰ পৰা বাহিৰত থকা কোৰ-কটাৰী আনকি গৰু-ম'হো লৈ যায়। আমি থকা ঠাইৰ পৰা বাচন-বৰ্ত্তন আদি লৈ পলোৱা আৰু সহজ। এই বিষয়ে আমি সতৰ্ক হব লগাত পৰিছিলো।

চকুলৈ কেতিয়া টোপনি নামি আহিল কব নোৱাৰো। চাইকেলৰ বেলৰ মাতত চকুমকৈ সাৰ পালো। মোৰ দৰে বাকী কেইজনেও সাৰ পালে। সাৰ পায়েই দফলাই চাইকেল নিব খুজিছে বুলি শোৱাৰ পৰা উঠাৰ লগে লগে 'ধৰ ধৰ' বুলি চিঞৰিবলৈ ধৰিলো। ময়েই নহয় আৰু কেইজন মানে 'ধৰ ধৰ' বুলি চিঞৰিলে। কিন্তু চাকি-খনৰ বাহিৰ ওলাই দেখো দফলা নহয়, এটা ৰবাটিকাসৰ মতনা হাতী। চাইকেলখন এৰি পাচফালে থকা গৰাটো উঠিছেগৈহে। গৰাটো উঠিয়েই হাতীটোৱে ভৰিৰে মাটি খুৰিয়াই খুৰিয়াই মানুহে মৰা সুহুৰিটোৰে নিচিনাকৈ এটা শব্দ কৰিবলৈ ধৰিলে। ভৰিৰে মাটি খুৰিওৱা হাতীৰ খং উঠাৰ লক্ষণ। আৰু খেদিবৰ সময়ত মুখত শুৰদালৰ আগটো সুমুৱাই এটা সুহুৰি মৰাৰ নিচিনা শব্দ কৰে। গৰাৰ ওপৰত থকা হাতীটোৰ গোটেই অংশটো দেখা পোৱা নাই যদিও মূৰ আৰু পিঠিৰ একো অংশ দেখা পাইছিলো। ভয় খাই পলাওক বুলি বন্দুকটো লৈ আকাশৰ ফালে টোৱাই গুলি এজাই মাৰিলো। হঠাৎ গজৰাজৰ শব্দ নাইকিয়া হ'ল। বন্দুকৰ মাতত হুৰ হুৰাই হাৰিখন ভুফাল কৰি যোৱা যেন কৰি পলাব বুলি আশা কৰিছিলো যদিও, গজৰাজে সেইটো নকৰিলে। সাৰ শব্দ নোহোৱাকৈ হাতীটো কবৈ গছৰ ছাঁত বিলীন হৈ গ'ল। বহুতো সময় নিতাল মাৰি আকৌ অহাৰ কিবা শব্দ পাও বুলি কাণ ঠিয় কৰি ৰলো। ভালেখিনি সময় বৈ থকাৰ পিচতো সি পুনৰ অহা নেদেখি চালিৰ তললৈ শুবলৈ

পলো। চালিৰ ওচৰলৈ বৈ দেখো চাইকেলখনৰ নিচেই ওচৰত দুই থকাজন অচেতন প্ৰায়। যেচেৰাই বেলৰ মাতত আমাৰ দৰেই সাৰ পাই চালৰ ফাকেদি গোটেই হাতীটো গাৰ ওচৰতে দেখি কৰ মোৱাৰা হ'ল। তেনেকুৱা অৱস্থাত কেইজনৰ ভু নেহেৰাব।

হাতীটোৰ যে মতলব ভাল নাছিল সেইটো ঠিক। চোকা ঘ্ৰাণ শক্তি থকা হাতীটোৱে ইমান ওচৰৰ পৰা চালিৰ তলত মানুহ থকা বুলি নজনা নহয়। কিন্তু চালিখনৰ ওচৰলৈ আহি জোনাকত তিৰবিৰাই থকা চাইকেলৰ বেলটোৰ উজ্জ্বল বাকলিটো দেখা পালে। অল. জোকাৰ খালেই বজা টিলা বেলটোৱেই যথাস্থানত গজৰাজৰ শুৰৰ আগত থকা আঙুলিৰ বুলনি পাই বাজি উঠিছিল। বেলটো বাজি উঠাত গজৰাজ নিশ্চয় সচকিত হৈছিল। তাতে আমি দগলা বুলি কৰা সমস্বৰটোত ভয়পাই গজৰাজ পৰাইদি উভতিছিল। পৰাৰ ওপৰৰ পৰা সাহসিক গাটোই পুণৰ চোঁচা এটা লৰ বুলি পাব-ছিল যদিও গুলিৰ আৱাজটোৱে সেইকণ সাহৰ ওপৰত চেঁচা পানী ঢালি দিলে। এইবাৰ গজৰাজে আঁতৰি যোৱাটোকে উচিত বিবেচনা কৰিলে।

হাতীটো চালিত অদৃশ্য হোৱাৰ পাচত মোৰ ঘড়ীটোলৈ চাই ৰাতি এক বজা দেখিলো। ইয়াৰ পিচৰ কেইঘণ্টাত শুবলৈ চেষ্টা কৰাতকৈয়ো জুইকুৰাৰ ওচৰত বহি থকাহে বেচি শান্তি পালোহেতেন। কিবা এটাই চালিখনত খিৰিক কৰিলেই আটাইকেইজন উঠি বহো। ৰাতি পুৱালত লৰা লৰিকৈ এমুঠি খাই চাবলগীয়া সীমাটো চাই বিহালী মুৱা হলো।

এই ঘটনাৰ প্ৰায় তিনি মাহ মানৰ পাচত হাতীটোৱে চিকাৰীৰ গুলীত প্ৰাণ এৰিলে। অকলশৰীয়া গজৰাজৰ চালিৰ ওচৰৰ গাওঁ বিলাকত উৎপাত দিনক দিনে বাঢ়ি গৈছিল। চাইকেলৰ বেল বজাই "মই আহিছো" বুলি সতর্ক কৰি দিয়া গজৰাজৰ মৃত্যুৰ বাতৰিটো পাই মনটোৰ কোনোবা নিনিত অলপ আঘাত নলগাকৈ নাছিল।

# ব্যক্তিত্বৰ জিলিঙনি

বিখ্যাত মাৰ্কিন আবিষ্কাৰক টমাচ আলভা এডিচনে বিজুলী ঘণ্টা (electric bell) আবিষ্কাৰ কৰাৰ পাচত তেওঁৰ চুবুৰীটোত বিপদ সংকেত স্বৰূপে তাকেই ব্যৱহাৰ কৰিছিল।

এদিনাখন আবেলি সেই বিপদ সংকেত শুনি চুবুৰীয়া সকলো মানুহ নিজ নিজ ঘৰৰ পৰা ওলাই সন্ত্ৰস্তভাৱে এডিচনৰ গৱেষণাগাৰৰ পিনে গ'ল। গৈ দেখে এডিচনে গৱেষণাগাৰৰ সন্মুখত থিয় হৈ আকাশলৈ চাই আছে। হতবাক মানুহজাকলৈ চাই ধুনীয়াকৈ হাঁহি এটা মাৰি তেওঁ কলে,—"নাই নাই, আপোনালোকে ভয় খাব নালাগে, একো বিপদ হোৱা নাই। সৌ আকাশখনলৈ চাওকচোন, তাকে চাবলৈহে আপোনালোকক মাতিছো।"

বিস্মিত মানুহজাকে আকাশলৈ চাই দেখিলে অস্তগামী সূৰ্য্যৰ বিচিত্ৰ বৰ্ণই আবেলিৰ আকাশখন মায়াময় কৰি তুলিছে।

* * *

বাৰ্ণাৰ্ড শ্ব এবাৰ আমেৰিকাৰ এভাৰশাৰ্প কোম্পানীৰ কাৰ্য্যাধ্যক্ষ টমাচ এল, কেনেডীৰ পৰা এখন চিঠি পালে। চিঠিখনত লিখা আছিল: "কথাটো সঠিক হয়নে নহয় নাজানো, মই জানিব পাৰিছো যে আজি ইমান বছৰৰ মূৰত আপুনি হেনো দাড়ি খুৰাবলৈ ইচ্ছা প্ৰকাশ কৰিছে। মই নকৈ নোৱাৰো যে এনে এটা বাতৰি শুনি আমি অপ্ৰত্যাশিত আঘাত পাইছো। যি কি নহওক, আপুনি যদি অগত্যা ৰেজৰ ব্যৱহাৰ কৰেই তেনেহলে আমাৰ কোম্পানীৰ বাহিৰে আন কাৰো

নকৰিব বুলিয়েই মোৰ বিশ্বাস। সেই উদ্দেশ্যে আমি আপোনালৈ এটা চেফ্‌টিৰেজৰ চে'ট পঠাইছো।"

এই চিঠিখনৰ উত্তৰ দিলে এনেদৰে: "মই কেতিয়াও দাড়ি খুৰুৱা নাই, কেতিয়াও ৰেজৰৰো গ্ৰাহকী হোৱা নাই (আপোনাৰটোও এতিয়াও পোৱাহি নাই), আৰু মাজে সময়ে কেঁচি লগাই সংযত কৰি ৰাখো যদিও দাড়ি খুৰোৱাৰ কোনো ভাবিয়াস মোৰ নাই। ৰেজৰটোৰ কাৰণে আপোনাক আগতীয়াকৈ ধন্যবাদ জনাইছো। সেইটো মোৰ সহকাৰী ফ্ৰুৱেনষ্টাইনৰ কাষত আহিব, কিয়নো তেওঁ ক্ষৌৰকৰ্ম্মত যথেষ্ট সময় অপব্যয় কৰে।"

* * *

পণ্ডিত মদনমোহন মালব্যই দেশে-বিদেশে ধন-সোণ মাগি আনি কাশী হিন্দু বিশ্ববিদ্যালয় স্থাপন কৰিছিল। কোটিপতিৰে পৰা দাল-দৰিদ্ৰলৈকে যিয়ে যি পাৰে বৰঙণি যোগাইছিল। অমায়িক মালব্যজীয়ে য'লৈকে গৈছিল মানুহ মাতি আহিছিল তেওঁলোকৰ ধনেৰেই সজোৱা বিশ্ববিদ্যালয়খন চাবলৈ।

এবাৰ এজন গাৱঁলীয়া মানুহ বিশ্ববিদ্যালয় চাবলৈ আহি যেতিয়া ৰসায়ন বিভাগটো চাবলৈ গ'ল, সেই বিভাগৰ অধ্যাপকজনে মানুহজনক লেবৰেটৰীত সোমাবলৈ অনুমতি নিদিলে। বহুতো কাকুতি মিনতি কৰাতো ফল নধৰিলে। মানুহজনে মালব্যজীৰ ওচৰ পালেগৈ আৰু তেওঁৰ দুখৰ কথা বিৱৰি কলে। মালব্যজীয়ে বৰ দুখ পালে আৰু মানুহজনক লগত লৈ নিজেই ৰসায়ন বিভাগলৈ আহিল। মালব্যজীক দূৰতে দেখিয়েই অধ্যাপক ডাঙৰীয়াই বাহিৰলৈ আহি আথে-বেথে অভ্যৰ্থনা জনালে। এইবাৰ তেওঁ মানুহজনকো সাদৰেৰে ভিতৰলৈ মাতিলে। এনেতে মালব্যই মাত লগালে,—"নাই, তেওঁ ভিতৰলৈ যাব নোৱাৰে। অলপ আগতে এইজন মানুহেই আপোনাৰ ওচৰৰ পৰা উভতি গৈছে। এতিয়া মোৰ লগত অহা কাৰণেই জানো তেওঁৰ কিবা সলনি হ'ল? তেওঁ সাধাৰণ মানুহ, আপোনাৰ লেবৰেটৰীত সোমাব কেনেকৈ?"

অধ্যাপকে লাজতে তলমূৰ কৰিলে আৰু নিজৰ ভুলৰ কাৰণে তৎক্ষনাত ক্ষমা প্ৰাৰ্থনা কৰিলে।

* * *

আজি কিছু দিনৰ আগতে কুলু উপত্যকাৰ এখন বিৰাট সভাত পাঞ্জাৱৰ মুখ্যমন্ত্ৰী চৰ্দ্দাৰ প্ৰতাপ সিং কাইৰণে উপস্থিত গঞা ৰাইজক সুধিলে তেওঁলোকৰ কিহৰ দৰকাৰ বেছি। তেওঁলোকে কলে বোলে তেওঁলোকে ইলেকট্ৰিক লাইটৰ মুখ দেখা নাই। তেওঁ-লোকৰ উপত্যকালৈ বিজুলী অনাই দিলে অতি সুখী হব। চৰ্দ্দাৰে উত্তৰ দিলে, "অহা দেৱালীত আপোনালোকে ইলেকটিক লাইট জ্বলাব পাৰিব।"

ৰাজধানীলৈ আহি চৰ্দ্দাৰে তেওঁৰ ইঞ্জিনিয়াৰ আৰু টেক-নিচিয়ানসকলক মাতাই আনি ছয় মাহৰ ভিতৰতে কুলু উপত্যকালৈ বিজুলী নিবলৈ আদেশ দিলে। তেওঁ কুলুৰ ৰাইজক প্ৰতিশ্ৰুতি দিছে, গতিকে কিবা এটা কৰিবই লাগিব।

চীফ ইঞ্জিনিয়াৰে তেওঁৰ খচৰা-সমূহ দেখুৱাই কলে যে ছয় মাহৰ ভিতৰতে তালৈ বিজুলী নিয়া অসম্ভৱ কথা।

চৰ্দ্দাৰে গহীনাই কলে, "বিজুলী যাবই লাগিব। আপুনি যদি নোৱাৰে অন্য কোনোবাই পাৰিব।"

কথাৰ গতি দেখি চীফ ইঞ্জি-নিয়াৰৰ গাৰ কঁপনি উঠিল। কোৱা অনাৱশ্যক, ইঞ্জিনিয়াৰে ছয় মাহৰ আগতেই কুলু উপত্যকালৈ বিজুলী নিলে আৰু ৰাইজেও দেৱালীৰ ৰাতি বিজুলী বস্তি জ্বলালে।

* * *

প্ৰাক্তন বৃটিছ প্ৰধান মন্ত্ৰী উইন-ষ্টন চাৰ্চিলৰ পত্নী ছয়সত্তৰ বছৰীয়া লেডী চাৰ্চিলৰ চকুৰ অসুখ দেখি বান্ধৱী এগৰাকীয়ে কলে,– "আপুনি এই বয়সত চচ্‌মা ব্যৱহাৰ কৰা উচিত"।

লেডী চাৰ্চিলে লাজকুৰীয়া হাঁহি এটা মাৰি উত্তৰ দিলে,—"মইতো সুবিধা পালেই চচ্‌মা পিন্ধো, পিচে উইনষ্টনে কম চচ্‌মা পিন্ধিলে হেনো মোক বুঢ়ী বুঢ়ী যেন দেখে।"

* * *

পক্ষীকুলৰ পৃথিবী পৰিভ্ৰমণৰ
চিত্তাকৰ্ষক বৰ্ণনা।

# ঘূৰণীয়া পৃথিবীত উৰণীয়া পক্ষী

: ডিম্বেশ্বৰ চলিহা

যান্ত্রিক সভ্যতাই আমাক উৰিবলৈ শিকালে সৌ সিদিনাহে! তাৰ আগলৈকে আকাশখনত চৰাইৰ এদনীয়া আধিপত্য আছিল। তাতে উৰিছিল আৰু দেশ-বিদেশ ভ্ৰমণ কৰিছিল। চৰাইক পাছপোৰ্ট নালাগে এক্‌-চেঞ্জৰো দৰকাৰ নহয়। আকাশত সিঁহতৰ এই উন্মুক্ত গতিক কোনেও বাধা দিব নোৱাৰে।

বহুতো একেজাতীয় চৰাই দল বান্ধি এখন দেশৰ পৰা আন এখন দেশলৈ যায়। সাধাৰণতে উত্তৰ আৰু দক্ষিণ শীতমণ্ডলত বাস কৰা চৰাইবোৰে বছৰৰ কোনোবা এছোৱা সময় মাজৰ সমমণ্ডল বা গ্ৰীষ্মমণ্ডলত কটায়হি। এই ভ্ৰমণৰ মূল কাৰণ তিনিটা হব পাৰে। প্ৰজননৰ কাৰণে কিছু উত্তাপৰ প্ৰয়োজন আৰু সেই উত্তাপ বিচাৰি গৰম ঠাই-বিলাকলৈ আহে। দ্বিতীয়তে বছৰৰ কোনোবা এটা সময়ত কোনো ঠাইৰ জলবায়ু সিঁহতৰ কাৰণে অসহ্য হৈ পৰিব পাৰে আৰু তৃতীয়তে সংখ্যাবৃদ্ধিৰ হেঁচাইও আহাৰ আৰু আশ্ৰয়ৰ সন্ধানত সিঁহতক আন দেশলৈ আনিব

পাৰে। যুঠতে নিজৰ জীৱনেই হওক বা জাতিটোৰ জীৱনেই হওক ৰক্ষা পৰাৰ উদ্দেশ্যেই সিহঁতে ঠাই সলাই বিভিন্ন দেশৰ প্রাকৃতিক সৌন্দর্য্য উপভোগ কৰিবলৈ সুবিধা পায়।

এই চৰাইবিলাকে ভ্ৰমণ কৰি ভাল পালেও নিজৰ ঘৰখন নাপাহৰে। এই ক্ষেত্ৰত ইহঁতৰ স্মৰণ শক্তি অতি অদ্ভুত। দিনটো অনাই বনাই দূৰদূৰণিত আহাৰ গোটাই মেলি সন্ধ্যা আকৌ নিজ ঘৰত সোমায়। নিচেই পুৰাতে আৰু সন্ধ্যা আমাৰ চকুৰ আগেদিয়েই জাকপাতি যোৱা বগলী, শৰালি, ভাটৌ ইত্যাদিয়ে তাৰ দৃষ্টান্ত। পাচে দূৰ ভ্ৰমনকাৰী চৰাইবোৰে দূৰলৈ গলে সদায় আহি নোৱাৰে। সিহঁতে বিভিন্ন দেশত মিতিৰ খাই ফুৰে। ফাগুন-চ'ত মাহত কুলি আমাৰ দেশলৈ আহে দুটি এটি গীত গাই মনটো ভাল লগায়। ভাল লগা বস্তু সদায় নাপায়—আকৌ শাওণ-ভাদ মাহত নিজৰ ঘৰৰ কথা মনত পৰে—হঠাতে গুচি যায়গৈ। কুলিৰ লগে লগে কেতেকীও আহে আৰু সিও নির্দ্দিষ্ট সময়ৰ পাচত গুচি যায়গৈ। বগ জাতীয় এবিধ চৰাই চাইবেৰীয়া, ইৰান, মধ্য-এচিয়া, এচিয়া মাইনৰ উত্তৰ আফ্ৰিকা, আৰু পূব ইউৰোপৰ পৰা আহিন-কাতি মাহত আমাৰ দেশলৈ আহে। ইহঁত কুলি-কেতেকীৰ সম্পূৰ্ণ বিপৰীত। কুলি-কেতেকীয়ে ঠাণ্ডা সহিব নোৱাৰে কাৰণে গৰমকালি আহে, অথচ ইহঁতে ঠাণ্ডা ভাল পায়। বালি-মাহী, চাতক, টুনি ইত্যাদি চৰাইও জাৰকালিহে আমাৰ ইয়াত দেখা যায়। উত্তৰ ইউৰোপৰ এবিধ বৰটোকোলা ( Stork ) আৰু চাতক ( Swallow ) চৰাইয়ে প্ৰায় ছহেজাৰ মাইল পৰিভ্ৰমণ কৰি দক্ষিণ আফ্ৰিকালৈ যায়। ইজৰাইলী সকলক ভোকৰ পৰা বচোৱা হাজাৰ হাজাৰ কোৱেইল ( Quail ) নামৰ চৰাই বোৰ ইজৰাইলৰ মাজেৰে ভ্ৰমণ কৰি খন্তেক জিৰনি লোৱা আলচীৰ দলহে, ইজৰাইলৰ বাসীন্দা নহয়। জাৰ্ম্মানীৰ ওৱাৰ্বলাৰ ( Warbler ) নামৰ চৰাইটো ভ্ৰমণ কৰি গৈ জাৰকালি মধ্য-

আফ্রিকা পায়গৈ। সুমেৰুত জন্ম গ্ৰহণ কৰা টার্ন (Tern) নামৰ চৰাইটো গৰম ঠাই বিচাৰি কুমেৰু পায়গৈ। পিচত উত্তৰ গোলার্দ্ধত গৰম হলে পুনৰ সুমেৰুলৈ উভটি আহে। জাৰকালি বিভিন্ন ধৰণৰ ৰাজহাঁহ আৰু হাঁহজাতীয় চৰাই হিমালয়ৰ উত্তৰ ফালৰ পৰা আমাৰ দেশলৈ আহে। গৰম আহিলে পুনৰ ঘূৰি যায়গৈ।

এই চৰাইবোৰৰ বহুতে তেনেই চাপৰতে উৰে আৰু কিছুমানে তিনিহাজাৰৰ পৰা পাঁচ হাজাৰ ফুট ওপৰেৰে যায়। সিহঁতে যাওঁ বুলিলে ঘণ্টাত ৩০ৰ পৰা ৫০ মাইললৈকে যাব পাৰে; কিন্তু দূৰ ভ্ৰমণত জিৰাই শতাই খাই বৈ যাওঁতে সিহঁতে ছিচাপতকৈ বহুত বেচি সময় লব লগাত পৰে। একোটা পাৰই ঘণ্টাত ৫৫ মাইললৈকে যায়। স্নাইব (Snibe) নামৰ চৰাইটোক বতাহে অলপ সহায় কৰিলে ঘণ্টাত ৪০০ৰ পৰা ৫০০ কিলোমিটাৰলৈকে যাব পাৰে।

বসন্তত অহা চৰাইবিলাকৰ গতি শীতকালত অহা চৰাই বিলাকতকৈ খৰ। বসন্ত কালত অহা কুলি-কেতেকীবোৰৰ প্ৰথমতে ডাঙৰ মতাখিনি, পাচত মাইকীবোৰ আৰু শেষত পোৱালীবিলাক আহে। প্ৰথমতে এই ডাঙৰ চৰাইবিলাকে বাকীবিলাকক বাট দেখুৱাই আনে বুলি ভৰা হৈছিল। পাচে আচলতে প্ৰজননৰ সময় চপাতহে উপযুক্ত ঠাই বিচাৰি ইহঁত খৰখেদাকৈ আহে; কিন্তু উভটি যাওঁতে প্ৰথমতে পোৱালি-বিলাক আৰু পাচত ডাঙৰ বিলাক যায়। প্ৰচুৰ খাদ্য, ধুমুহা বতাহ ইত্যাদিয়ে এই ভ্ৰমণকাৰীদল বিলাকৰ আগমন বা প্ৰত্যাগমনত কিছু বাধা দিলেও নির্দ্দিষ্ট সময়ৰ ভিতৰত গন্তব্যস্থানত উপনীত হয়।

এই চৰাইবিলাকে সদায় এটা নির্দ্দিষ্ট দিকেদি পৰিভ্ৰমণ কৰে। এই বিষয়ে আলোক গৃহ (Light House) আলোক জাহাজ (Light Ship) আৰু সাগৰৰ মাজত থকা অসংখ্য দ্বীপবোৰত অনেক ষ্টেচন পাতি সিহঁতৰ দিক অনুসৰণ কৰা হৈছে। নাম আৰু ঠিকনা লিখা সৰু সৰু এলুমিনিয়ামৰ কিছুমান আঙঠি এই ভ্ৰমণকাৰী

চৰাইবিলাকৰ ঠেঙত বান্ধি দিয়া হয়। ইহঁতে ভ্ৰমণকালত বহুতো ঠাইত বৈ যাব লগা হয় আৰু তেতিয়াই ঠেঙত বান্ধি থোৱা আঙঠিৰ পৰা ইহঁতৰ গতিপথ নিৰ্দ্ধাৰণ কৰা সহজ হৈ পৰে।

মানুহেও অতি প্ৰাচীন কালৰে পৰা ভ্ৰমণ কৰি আহিছে। এই ভ্ৰমণৰ বাবে কালক্ৰমে সঞ্চিত ভূগোলৰ জ্ঞানতো আছেই, তাৰোপৰি দিক নিৰ্ণয় কৰিবলৈ বৰ্ত্তমান কালত নানা যন্ত্ৰ-পাতিও ওলাইছে। অথচ এই চৰাইবিলাকে মানুহৰ বহুত আগৰে পৰাই এখন দেশৰ পৰা আন এখন দেশলৈ এটা নিৰ্দ্দিষ্ট পথেৰে অকণো ভুল নলগাকৈ ভ্ৰমিব লাগিছে। ইহঁতক ভূগোল শিকালে কোনে বা ইহঁতে কম্পাচ যন্ত্ৰৰ জ্ঞানেই বা পালে ক'ত—সেয়েহে আচৰিত কথা। চৰায়ে আন কথা মনত ৰাখক নাৰাখক বাট চিনাত কিন্তু পাকৈত। ইহঁতে বাটত পোৱা পাহাৰ-পৰ্ব্বত নৈ-বিল, বিভিন্ন দ্বীপ আদি সকলো মনত ৰাখে। বছৰত দুবাৰকৈ অহা-যোৱা কৰা অভিজ্ঞতাযো ইহঁতৰ পথ চিনাত সুবিধা কৰে। কেইবা বছৰো অহা যোৱা কৰাৰ পাচত পথৰ ন-চিনাকিসকলো অভিজ্ঞ হয় আৰু সিহঁতেই পাচৰ পো-পোৱালীবোৰক বাট দেখুৱাই দিয়ে। তাৰোপৰি সকলো জন্তুৰে মগজত দিক নিৰ্ণয় কৰাৰ এটা ব্যৱস্থা আছে; চৰাইবিলাকৰ ক্ষেত্ৰত হয়তো এই ব্যৱস্থা অতি নিখুঁট।

চৰায়ে যে দিক ভুল নকৰে তাক ওপৰত কোৱা আঙঠি পিন্ধোৱা প্ৰমাণৰ পৰাই বুজা গৈছে। বছৰৰ কেটামান মাহ দূৰ দেশত কটাই পুনৰ আগৰ ঠাইতে ওভতি। মাংক্স চিয়েৰ ৱাটাৰ (Manx Shear Water) নামৰ চৰাইটো উত্তৰ আমেৰিকাৰ পৰা আটলান্টিক মহাসাগৰ পাৰ হৈ তিনিহাজাৰ পঞ্চাশ মাইল দূৰত থকা নিজ ঘৰ ষ্টক্‌হলমলৈ উভটি যোৱাৰ প্ৰমাণ ওৱেলচৰ পৰীক্ষা-কেন্দ্ৰ এটাৰ পৰা পোৱা হৈছিল। পোহনীয়া পাৰ চৰাই কিছুমানক পাঁচশ মাইল দূৰত এৰি দি দেখা গৈছে যে সিহঁতে নিজ নিজ ঘৰলৈ ঘুৰি আহিছে। ইহঁতৰ এই দিক নিৰ্ণয় জ্ঞান কেনেকৈ হ'ল—এই সম্বন্ধে বিভিন্ন গৱেষণা চলিছে।

কিছুমানৰ মতে চৰাইৰ অন্তঃ-কৰ্ণত (Internal ear) এনে এটা ব্যৱস্থা আছে যে যেতিয়াই ই যৰৰ পৰা বাহিৰ ওলায়—ই কিমান বেগত আৰু কোনটো দিশলৈ গৈছে—এই সকলো অন্তঃ-কৰ্ণই ধৰি ৰাখে। ৰেকৰ্ড এখন বাৰে বাৰে বজালেও যেনেকৈ একেটা গানকে ওলায়—তেনেকৈ এই চৰাইবোৰেও ধৰি ৰখা অনুভূতিসমূহ ঘূৰি আঁতোতে ওলোটাকৈ ব্যৱহাৰ কৰি নিজৰ নিজৰ দিক নিৰ্ণয় কৰে।

দ্বিতীয় সূত্ৰটো হল কেৰিয়লিচ (Cariolis Force) ফৰ্চৰ দ্বাৰা চৰায়ে অক্ষ ৰেখা সলনি হলে চৰাইৰ কাণত থকা অৰ্দ্ধ গোলাকাৰ নলীৰ জুলীয়া পদাৰ্থৰ দ্বাৰা ধৰিব পাৰে। পৃথিবীৰ আৱৰ্ত্তনৰ ফলত সকলো বস্তুকে পৃথিবীৰ কেন্দ্ৰৰ ফালে টানিব লাগিছে। পৃথিবীৰ উত্তৰ আৰু দক্ষিণ মেৰুৰ ফালে এই শক্তি বিষুব অঞ্চলতকৈ বেচি আৰু এই পাৰ্থক্য চৰায়ে কাণৰ অৰ্দ্ধ গোলা-কাৰ নলীত থকা জুলীয়া পদাৰ্থৰ দ্বাৰা ধৰিব পাৰে। এই একে অনুভূতিয়েই চৰাইক ঘৰমুৱা হবলৈ বাট দেখুৱায়।

আমি সকলোৱে জানো যে পৃথিবীখন এখন বিৰাট চুম্বক ক্ষেত্ৰ [ Magnetic field ]। এই চুম্বক ক্ষেত্ৰৰ মূল কেন্দ্ৰ হল উত্তৰ আৰু দক্ষিণ মেৰু। যদিও চৰাইৰ দেহত এতিয়ালৈকে কোনো চুম্বকযুক্ত অঙ্গ পোৱা হোৱা নাই, তথাপি বহুতৰ মতে এই চুম্বক ক্ষেত্ৰয়ো চৰাইৰ গতিপথ নিৰ্ণয়ত বহুত সহায় কৰে।

সূৰ্য্য এক চৰাইবোৰৰ কাৰণে এটা ভাল পথ প্ৰদৰ্শক। জাৰ্ম্মানিত এজন পক্ষীবিদে ষ্টাৰ্লিং [Sterling] নামৰ এবিধ চৰাই দূৰ ভ্ৰমণৰ ঠিক আগ মুহূৰ্ত্তত সজাত ভৰাই ৰাখিছিল। চৰাইবিলাকে দিনত যান বছৰ যি ফালে যায় সেই ফাললৈকে মুখ কৰি আছিল। মাজে সময়ে সজা কেইটা আন্ধাৰ কৰি দিয়াত চৰাইবিলাকে যেনি তেনি মুখ ঘুৰাবলৈ আৰম্ভ কৰিলে। পাচত কৃত্ৰিম সূৰ্য্য এটা তৈয়াৰ কৰি ভুল ঠাইত সূৰ্য্য উদয় আৰু অস্ত যোৱা দেখুৱাত চৰাইবিলাকে এই কৃত্ৰিম সূৰ্য্যক লক্ষ্য কৰিয়েই

নিজৰ দিশ নিৰ্ণয় কৰিবলৈ সমৰ্থবান হল। গতিকে বুজা গ'ল যে সূৰ্য্যই দিনৰ ছোৱাত এই চৰাই বিলাকৰ দিক নিৰ্ণয় কৰাত যথেষ্ট সহায় কৰে। পৃথিৱীৰ আৱৰ্ত্তন আৰু সূৰ্য্যৰ নিজৰ আৱৰ্ত্তনৰ ফলতো সূৰ্য্যৰ অৱস্থান সদায় একে ঠাইত নহয়, তথাপি চৰাইযে অঙ্ক-নিপুণ মগজৰ দ্বাৰা ইয়াৰ সহায়তেই যে নিজৰ দিক ঠিক কৰি লয় সেইটোতে সহজে বুজিব নোৱৰা কথা।

ৰাতিৰ দিক্ নিৰ্ণয় সম্বন্ধে আন এজন জাৰ্ম্মান বৈজ্ঞানিকে পৰীক্ষা চলাইছিল। এইবাৰো ওৱাৰ্ব্লাৰ (Warbler) নামৰ সৰু চৰাই কিছুমান এটি সজাত আকাশ দেখাকৈ ৰখা হ'ল। সিহঁতে ৰাতি আকাশত থকা নক্ষত্ৰবোৰলৈ চাই নিজৰ দিক ঠিক কৰি ললে। সজাবোৰ ঘূৰাই পকাই দিয়া হ'ল—কিন্তু সিহঁতৰ দিকৰ কোনো পৰিৱৰ্ত্তন নহল। পাচলৈ সিহঁতক এটা অৰ্দ্ধগোলাকাৰ গৃহত (Dome) এটা প্লেনেটেৰিযামত ৰখা হ'ল। এই অৰ্দ্ধগোলাকাৰ গৃহত অসংখ্য কৃত্ৰিম নক্ষত্ৰৰ সৃষ্টি কৰি আকাশৰ এটা সম্পুৰ্ণ ৰূপ দিয়া হ'ল। দেখা গ'ল যে চৰাইবোৰে এইবাৰো এই কৃত্ৰিম নক্ষত্ৰখিনিকে লক্ষ্য কৰি নিজৰ পুৰণা দিশ ঠিক কৰি লৈছে। কেইদিনমানৰ পাচত এই কৃত্ৰিম নক্ষত্ৰখিনিকে বেলেগ বেলেগ ঠাইত পেলাই এখন ভুল আকাশৰ সৃষ্টি কৰা হ'ল। এইবাৰ চৰাইয়ে ভুল আকাশত নিজৰ দিকো ভুল কৰিলে। যেনি তেনি মুখ ঘুৰাবলৈ ধৰিলে। চুম্বক আৱিষ্কাৰ হোৱাৰ আগতে মানুহে ও এই নক্ষত্ৰবিলাকৰ সহায়ত পৃথিৱীৰ বিভিন্ন দিশৰ জ্ঞান পাইছিল আৰু আজিলৈকে চৰায়ে সেই একে প্ৰথাকে অনুসৰণ কৰি আহিছে।

পক্ষীৰ এই দেশ ভ্ৰমণ জীৱ জগতৰ এক ৰহস্যময় ঘটনা হলেও ই নৱ আচৰিত কথাও নহয়—কিয়নো স্তন্যপায়ী জীৱ (Mammal) আৰু পক্ষী (Aves) এই দুয়োটা শ্ৰেণীয়েই সৰীসৃপ (Reptiles) নামৰ ঠালটোৰ দুটা বেলেগ বেলেগ ঠেঙুলীহে। পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতাৰ চাপত পৰি পক্ষীবিলাকৰ দেহৰ গঠন আৰু মগজ এটা বিশেষ ফালে বিকশিত হৈছে আৰু আমাৰ দৰে স্তন্যপায়ী বিলাকৰো এটা স্বকীয় ফালে বিকশিত হৈছে। বহুতো ক্ষেত্ৰত সিহঁতৰ বিকাশো আমাতকৈ কোনোগুণে কম নহয় আৰু সিহঁতৰ বিদেশযাত্ৰা ইয়াৰে এটা দৃষ্টান্ত।

References: The life of Vertibrates by Z. Young Migration of Birds by C.J. Dominic, Bird Migration by M. Das.

# ৰূপহ স্বামীৰ ইতিকথা

ঃ সুকুমাৰ বৰপূজাৰী

এগৰাকী পাশ্চাত্য বিবাহ বিশেষজ্ঞৰ মতে অতি সুদৰ্শন পুৰুষ বিয়া কৰোৱা একো লাভৰ কথা নহয়, বৰঞ্চ তেনে বিয়াৰ পৰা নানান বিষয়ত পত্নীৰ লোকচানহে হোৱাৰ সম্ভাৱনা থাকে। ৰূপহ স্বামী এহাতে স্ত্ৰীৰ গৌৰৱৰ কাৰণ হলেও আনহাতে আকৌ অনৰ্থৰো কাৰণ হব পাৰে। অনেক ক্ষেত্ৰত সুদৰ্শন স্বামীযে স্ত্ৰীৰ জীৱনো দুৰ্বহ কৰি তোলা দেখা যায়।

তেওঁৰ মতে এনে বিবাহৰ পৰা হব পৰা বিপদবিলাক এনে ধৰণৰ:

**অহঙ্কাৰী স্বামী:** আমাৰ সৰ্ব্বসাধাৰণৰ ধাৰণা, অঙ্গসজ্জাৰ প্ৰতি নাৰীৰ দুৰ্ব্বলতা বেছি। আচলতে পিচে কথাটো ওলোটাহে, নাৰীতকৈ পুৰুষেহে নিজৰ সৌন্দৰ্য্যৰ বেছি যতন লয়। নাৰীৰ অঙ্গসজ্জাৰ অভ্যাস এটা বয়সত কমি যায়, কিন্তু পুৰুষৰ সেই অভ্যাস প্ৰায় গোটেই জীৱন থাকে। পুৰুষ ধুনীয়া হব লাগিলেতো কথাই নাই— কেৱল পোচাক—পৰিচ্ছদ, প্ৰসাধন আৰু বাহ্যিক চালচলনতে তেনেলোকৰ বহুতো ধন ভাগে। ইয়াৰ ফলত ঘৰৰ বাজেটৰ ওপৰত অনাহকতে হেঁচা পৰে আৰু সেই হেঁচা বহন কৰিব লাগে স্ত্ৰীয়ে। তদুপৰি ধুনীয়া স্বামীয়ে নিজৰ ৰূপ লৈ প্ৰকাশ্য ভাবে নহলেও অহঙ্কাৰ কৰা সম্ভাৱনা বেছি যদিহে তেওঁৰ স্ত্ৰী ৰূপত তেওঁৰ সমকক্ষ হব নোৱাৰে।

**পত্নীৰ নিৰাপত্তাৰ অভাব:** পুৰুষ সুদৰ্শন হলে স্ত্ৰীৰ এটা চিন্তা অযথা বাঢে। নিজৰ স্বাৰ্থৰক্ষাৰ

কাৰণে তেওঁ স্বামীৰ চালচলনৰ ওপৰত চোকা নজৰ ৰাখিব লগাত পৰে। সুপুৰুষৰ প্ৰতি নাৰী সহজে আকৃষ্ট হোৱা অতি সাধাৰণ কথা। গতিকে ৰূপহ স্বামীক চকুৰ আঁতৰ হবলৈ দিবই নোৱাৰি। পত্নীৰ প্ৰতি স্বামীৰ বিশ্বাস আৰু আনুগত্যৰ অভাৱ নহব পাৰে। তথাপি কোনো নাৰীয়ে অন্য তিৰোতা মানুহে তেওঁৰ স্বামীৰ সৌন্দৰ্য্যৰ বেছি প্ৰশংসা কৰা নাইবা স্বামীয়ে অন্য নাৰীৰ তেনে প্ৰশংসালৈ বৰ বেছি মন কৰাটো অকল সহিব নোৱাৰা কথাই নহয়, বিপদজনকো। সততে আনে প্ৰশংসা কৰি থকা স্বামীক হাত মুঠিত ৰখাটোও সময়ত টান হৈ পৰে। তেনে অৱস্থাত স্ত্ৰীৰ মানসিক অশান্তি হয়। যদিও অনেক সময়ত তেনে অশান্তি মনে পচা-বিধৰহে।

**স্বামীৰ পুৰুষাৰ্থৰ অভাৱ:** সুদৰ্শন মানুহৰ পুৰুষাৰ্থ কম হয়। কাৰণ তেওঁক অভ্যাসে সৰুৰে পৰা এলেহুৱা আৰু আলসুৱা কৰি তুলিছে। তেওঁ সৰুৰে পৰা ৰূপৰ বলতে সকলো কাম কৰি আহিছে দেখি পৰিণত বয়সতো এতিয়া ৰূপৰেই জগত জিনিব বিচৰা হয়। কিন্তু ৰূপৰ মোহো খন্তেকীয়া। আনহাতে যি সকলৰ ৰূপ বা তদ্ৰূপ সুবিধা নাথাকে তেওঁলোকে সংসাৰত নিজকে প্ৰতিষ্ঠা কৰিবলৈ নিজৰ প্ৰয়োজনীয় গুণবিলাকৰ বিকাশ কৰিবলৈ অশেষ যত্ন কৰে। পৰিশ্ৰম আৰু অধ্যৱসায়ৰ গুণত তেনেকুৱা মানুহে সংসাৰত আগবাঢ়ি যায়। ইপিনে 'সকলো কাম আনেই আহি কৰি দিব' এনেকুৱা মনোভাৱ পোষণ কৰি থকাৰ ফলত ৰূপহ মানুহ কাৰ্য্যক্ষেত্ৰত পিচ পৰি যায়।

**ৰূপৰো শত্ৰু আছে:** হৰিণৰ মাংসই বৈৰী হোৱাৰ দৰে ৰূপহ মানুহৰ কেতিয়াবা ৰূপেই কাল হয়। ৰূপহ মানুহে সমাজত সহজে যি স্বীকৃতি লাভ কৰে ৰূপহীন মানুহে তাক ঈৰ্ষাৰ চকুৰে চায়। সেইকাৰণে দেখা যায়, অনেক সময়ত কুৰূপ মানুহে সুবিধা পালেই ৰূপহ মানুহক হেঁচা দি ৰাখিবলৈ বিচাৰে। এনে মানুহ ৰৰমুৰীয়া হলে চাকৰি-ক্ষেত্ৰত ৰূপহ মানুহৰ পদোন্নতি আদিত মস্কিলেই হয়।

**স্ত্ৰীৰ প্ৰাধান্য হ্ৰাস:** বাটে-পথে, মেলে-মিটিঙে স্বামী-স্ত্ৰী একে-

লগে ফুৰিলে সাধাৰণতে আশে পাশে থকা থকা মানুহৰ চকু প্ৰথমতে ঘৈণীয়েকৰ ওপৰত পৰে। তেওঁ যদি সুন্দৰী হয় তেনেহলে কথাই নুঠে। সকলো ঠাইতে তেওঁ অযাচিতে আদৰ আপ্যায়ন পাব। 'মহিলাৰ আগঠাই' (Ladies first) বোলা কথাষাৰৰ যেন তেৱেঁই জ্বলন্ত উদাহৰণ। সুভগীয়া (?) স্বামীজনেও হয়তো সুন্দৰী পত্নীৰ বাবে একঠাই খাবলৈ পায়। কিন্তু স্বামী তেওঁতকৈ ধুনীয়া হলে, স্বামীৰ লগত ফুৰোতে তেওঁৰ প্ৰাধান্য একেবাৰে কমি যায়। বাটৰ মানুহে চাই কব, "মানুহ গৰাকীৰ কি কপাল, ইমান দেখনিয়াৰ মানুহ এজন পালে"। মুঠতে সেই তিৰোতাক কোনেও স্বীকৃতি নিদিয়া হয়, আৰু স্বামীৰ ৰূপৰ প্ৰতিফলিত ৰশ্মিৰ জোৰত সমাজত কোনোমতে স্বামীৰ পিছ শাৰীত ঠাই পায়।

**স্ত্ৰীৰ প্ৰতি স্বামীৰ অনুৰাগ হ্ৰাস:** বিয়া কৰোৱাৰ আগলৈকে ৰূপহ স্বামী মহিলা সমাজত জনপ্ৰিয় হৈ আছিল, বহুতৰে হিয়া নচুৱাইছে। অনায়াসে তেওঁ আটাইতকৈ ধুনীয়া নাৰীৰ সঙ্গ লাভ কৰি আহিছে তেওঁৰ ৰূপৰ বলেৰে। তেনে এজন লোকে বিয়াৰ পাছতো স্ত্ৰীতকৈয়ো ৰূপহী কোনোবা নাৰীৰ প্ৰতি আকৌ আকৃষ্ট হোৱাটো নাইবা নতুন নতুন ধুনীয়া নাৰীৰ সঙ্গ কামনা কৰাটো একো আচৰিত হব লগীয়া কথা নহয়। স্বামীৰ এই মনোবৃত্তিয়ে বিবাহিতা পত্নীৰ প্ৰতি তেওঁৰ আনুগত্য আৰু অনুৰাগ যে কিছু পৰিমাণে কমায় তাত সন্দেহ নাই। সচা কথা, আধুনিক সমাজত বহুবিবাহ নোহোৱা হৈ আহিছে। কিন্তু পুৰুষসকলৰ মনৰ বৃত্তিৰ ফলত নহলেও দুৰ্ভাগ্যা তিৰোতাই জীয়াতু ভুগিব লগীয়া হয়।

**অৱহেলিতা স্ত্ৰী:** সুদৰ্শন স্বামীয়ে নিজৰ সাজপাৰ ৰক্ষা, সুখ-সুবিধাৰ প্ৰতি বেছি চকু দিয়াৰ ফলত স্ত্ৰী অৱহেলিতা হোৱাৰ সম্ভাৱনা থাকে। সময়ত তেওঁৰ যত্ন লওক, [illegible] কৰক, ৰূপহ স্বামীৰ মনোবৃত্তি এনে হোৱাটো অস্বাভাৱিক নহয়।

দোষ গুণ লৈয়ে মানুহ। এই চিৰন্তন নাৰীৰ ৰূপ। সেয়েৰ জানো কোনোবা দিনা নাইকিয়া হব!

তথাপি অলপ সাৱধান হলে ধুনীয়া পুৰুষক বিয়া কৰায়ো স্ত্ৰী সুখী হব পাৰিছে। সকলো সুদৰ্শন পুৰুষেই যে বেয়া স্বামী, তেনে নহয়। অলপ যত্নপৰ হলেই নাৰীয়ে সুদৰ্শন অথচ ভাল এনে একজন লোক বাচি লব পাৰিব। এই প্ৰসঙ্গত বিবাহ বিশেষজ্ঞাই কি কৈছে শুনক।

পুৰুষৰ আচৰণৰ [illegible] মূলকথা [illegible] কৈ মন [illegible] সাৱধান হব [illegible] কৰিব [illegible] সম্পৰ্কে [illegible] কইটা [illegible] চকু দিব পাৰে।

(১) তেওঁ নিজৰ ভৱিষ্যত আকাংক্ষা, পৰিকল্পনা আদিৰ কথা একেবাৰে নাপাতে নেকি? চিৰিয়াচ মানুহে [illegible] নিজৰ উচ্চাভিলাষ [illegible] অভ্যাস-সাৰে পাতে। কিন্তু উদ্ধত মানুহে সেইবোৰ কথা ওলাবলৈকে নিদিয়ে, কাৰণ তেওঁৰ উচ্চাভিলাষ নাথাকেই আৰু থাকিলেও তাক পূৰণ কৰিবলৈ চেষ্টা কৰা দেখা নেযায়।

(২) তেওঁৰ লগত ফুৰিলে অকলসৰে ফুৰিব লাগে নেকি? যদি তেওঁ আপোনাক তেওঁৰ বন্ধু-সকলৰ লগত চিনাকি কৰি দিবলৈ বা মেলে মিটিঙত নিবলৈ ইচ্ছা নকৰে তেনেহলে অলপ সাৱধান হোৱা উচিত বিয়াৰ পাচত এই অভ্যাস আৰু প্ৰকট হৈ উঠাৰ ভয় আছে।

[৩] বাকিবোৰৰ ভাজ ভাঙি দিলে তেওঁ বেয়া পায় নেকি? তেওঁ ভাল [illegible] পোচাক পৰিচ্ছদ [illegible] ছোৱালী [illegible] বিৰক্তি বোধ কৰে নেকি? তেওঁৰ টাই দালত [illegible] টাকা দিয়ক নাইবা [illegible] চুলি [illegible] দিয়ক। তেওঁ [illegible] কাপোৰ [illegible] ঠিক কাৰ লয় [illegible] তেওঁ ভালানাথ [illegible] মানুহ নহয়। তেওঁ অহংকাৰী মানুহ [illegible] আগতো অহংকাৰ [illegible] মানুহ [illegible] কৰালে অসুবিধা আছে।

[৪] আঘাত পোৱাৰ ভয়ত তেওঁ খেল ধেমালি আদিৰ পৰা বিৰত থাকে নেকি? নিজৰ মুখশ্ৰীৰ প্ৰতি বেছি দুৰ্বলতা থকা

মতা মানুহে খেলা-ধূলা বা তেনে-ধৰণৰ শাৰীৰিক কাৰ্য্যাৱলীৰ পৰা নিজকে আঁতৰাই ৰাখে।

**[৫] ছোৱালীৰ কথা বেছিকৈ পাতে নেকি?** নাৰী সঙ্গ অভ্যাসিক ভাল পোৱা বা নাৰীৰ হৃদয় জয় কৰি গৌৰৱবোধ কৰা মানুহে নাৰী সম্পৰ্কে গল্প-গুজৱ কৈ বৰ সোৱাদ পায়।

এইকেইটা বিষয়লৈ চকু দি স্বামী নিৰ্ব্বাচনত সাৱধান হব পাৰে।

---

## খেয়ালী প্ৰকৃতি

ডেনমাৰ্কৰ ৰাজধানী কোপেনহেগেনৰ এটা হস্পিতেলৰ ঘটনা। এগৰাকী মহিলাই দুটি সন্তান জন্ম দিয়ে। দুয়োটি সন্তান একেলগে জন্ম হোৱা হলে কথাটো বিশেষ একো নতুন নহ'লহেঁতেন। পিচে এই ক্ষেত্ৰত প্ৰথম সন্তানৰ জন্মৰ এমাহ পাচতহে দ্বিতীয়টিৰ জন্ম হয়।

ডেনমাৰ্কৰ ডাক্তৰসকলৰ মতে চিকিৎসা বিজ্ঞানৰ ইতিহাসত এনে ঘটনা বোধকৰো এয়ে প্ৰথম। তেওঁলোকৰ মতে দুবাৰ পৃথককৈ গৰ্ভ সঞ্চাৰ হোৱাৰ বাবেই এনে হ'ল। প্ৰথম সন্তানটি পিচে জীয়াই নাথাকিল। [বি. চ.]

# নৱজাতকৰ অৱতাৰণিকা

মাহেন্দ্ৰ পাতুল

মৃত্যুও ইমান গভীৰ নীল আৰু অসীম
কোনে জানে তাত যে নাই
জীয়াই থকাৰ অবিৰাম ৰিহাৰ্চেল ।

জীৱনক মাযাৰ বজাৰে আৱৰি আছে
আৰু আছে অনেক দুখৰ তিলকদাতা
স্বাগতম্ চিহ্নিত তোৰণ তলত ।
পাহৰি নেযাবা হে নৱজাতক
তোমাৰ প্ৰতিজ্ঞা ।

ইমান বেদনা, ইমান যন্ত্ৰণা
অদ্ভুত এক জাতকৰ পদযাত্ৰা
ক্লান্তিৰ অৱকাশ নাই । যন্ত্ৰণা মাথো,
মৃত্যুৰ আথৰা ।

এইবাৰ চাই যোৱা প্ৰাণ বন্দৰৰ বালিতোজ
সাগৰক তুমি চিনাকি কৰি দিবা
চকুৰ লোৰে
তোমাৰো অপাৰ সাগৰ আছে ।

এই প্ৰভাতৰ ৰঙে তোমাক কৰিছে আহ্বান
হে নৱজাতক— তোমাক স্বাগতম্
আমাকো এবাৰ মুকুতি দিবা
তোমাৰ আগমণেৰে ।

# ইয়াত আকাশ আছে

ৰবীন্দ্ৰ বৰা

কোনোবা নদীৰ সোঁতত আঁকা হ'ল আমাৰ চেতনাৰ ছবি,
অমিত ৰং সানি সাঁতুৰি আছিলো, অনেক পুতলা সাজিলো
অভীষ্ট মনেৰে। এতিয়া ইয়াত উপকূল পূৰ্ণ হ'ল উৰ্বৰা উৎকণ্ঠাৰে।
অনেক প্ৰব্ৰজ্যা আত্মাৰ নিৰুদ্দেশ দৃষ্টি গভীৰ হ'ল সমুদ্ৰ-বুকুত,
ক'ৰবাৰ অনেক অগ্নিদগ্ধ হৃদয়ৰ তপস্যা আহি বৈ গ'ল স্বপ্নৰ দুৱাৰত।
ঘোলা হ'ল অলেখ অচিনাকি ৰূপ, জীৱন উপচি পৰিল উৎকট প্ৰত্যয়েৰে।

ইয়াত আবেলি বৈ গ'লো ক্ষন্তেকপৰ, সময়ৰ সন্ধিত চেতনাৰ প্ৰলাপেৰে
আঁকিব পাৰিম বুলি জীৱনৰ বিৰাম, দেখিছো অনেক নদীৰ মোহনাত
দৰ্শনৰ অলপ আশ্ৰয় আছে। শীতৰ উচুপনি শেষ কৰি নামি আহা
বসন্তৰ এজাক ৰংঘুণৰ দৰে মন হয়তো হব পাৰে
নীল স্বপ্ন দুচকুৰ নীল অংগীকাৰ।
হৃদয়ৰ অশান্ত অৰণ্যত যদি নিশাৰ গভীৰ ছায়াই আনে ক্লান্তি নিৰৱতা,
তথাপিতো আকাশে আনিছে যে জোনাক,
মচি দিছে গভীৰ অন্ধকাৰ জোনাকীৰে।

জীৱনৰ দীৰ্ঘ-পথৰ-প্ৰতীক্ষাৰ দুৱাৰে দুৱাৰে
প্ৰাত্যাহিক প্ৰস্তুতিৰে উভতি আহোঁতে
মনে মনে দেখা পালো ইয়াত আকাশ আছে আমাৰ আত্মাৰ কাৰণে।

'শ্ৰীসুতুলি এছাৰিশিঙীয়া'
অসমীয়া সাহিত্য-ক্ষেত্ৰত অপৰিচিত নৱাগত নহয়। অসমীয়া গাৱঁলীয়া জীৱনৰ এই করুণ-কোমল কাহিনীটোৰ প্ৰতিশাৰীতে বিদগ্ধ লিখকজনাৰ স্বকীয় বৈশিষ্ট্য জিলিকি আছে। * *

# "আজিহে মোৰ বিয়া"

**শ্ৰীসুতুলি এছাৰিশিঙীয়া**

কলী-গলী ছোৱালী জনী; কলী হলেও গোটেইজনী তেলটুপী চপাই। গাৰ বৰণটো হে ক'লা—নাক মুখ চকু হলে সোণাৰি-গঢ়ী। হৰিণাৰ চকু যেন চেলাউৰি যোৰ—চকুপতাৰ ওপৰত ধেনু-ভিৰীয়াকৈ বৈ পৰিছে। চকুমণিযোৰো জোনাকী পৰুৱা যেন—চকু নহয় এমন হে জানিবা—জিকমিকাই থাকে, চাৱনিটোৱে পতি পুষ্পশৰৰ চান মাৰে। চুলিটাৰি ভোগোৰা কলীয়া—সাপৰ নেগুৰ যেন দীঘল—কলাফুল-লৈকে পৰে। কপালত কাম-সেন্দুৰৰ ফোঁট— কাকৈছিৰা সেওঁতাতো সেন্দুৰৰ বোল।' ধাপেক-মাকৰ তাই একেটি ছোৱালী। বিধাতাই যদি কেনেবাকৈ তাইক হালধি-গাঁঠিযেনকৈ চজিলেহেঁতেন, সোণতে সুৱগা চৰিলহেঁতেন। নচজিলে যদিও, বেজাৰ কৰিবলগীয়া একো নাই। কিয়নো, তাইৰ ঘৰখন চহকী; ভায়েক ককায়েক তিনিটা

এগোহালি গৰু, এপাল মহ, ছাগলিও এজাক। দুটা মহ গুৱাল, দুটা গৰখীয়া আৰু তিনিটামান লগুৱা লিকচৌৰে সৈতে ঘৰখন জয়-জয়-ময়-ময়। ধনৰ নামত শব্দতে মৌ পিয়ে। চহকী ঘৰৰ পিতলো সোণ হয়, পানীও গাখীৰ হয়। তথাপি, ওপৰচকুৱা মানুহে তাইৰ ৰূপটো দেখিলে অলপ এঙ্গায় যায়। সংসাৰীৰ মনেই এনেকুৱা।

বৰণটো ক'লা দেখি ছোৱালী-জনীক আটায়ে মাতে কলিয়তী বুলি। চহকী ঘৰৰ ছোৱালী— সোঁৱৰণী এখন লাগেই। জ্যোতিষীয়ে গণনা কৰাত, সোঁৱৰণীত তাইৰ নাম বহিল কালিন্দ্ৰী— নামে-গাৱেঁ মিলি গ'ল। যুৱত কাল পাই সেই কলিয়তীয়েই, ওপৰত কোৱা ৰূপটো ধৰি, পাতালফুটা ধনী ভেকোলা মেধিৰ ঘৰ শুৱনি কৰি আছে।

কালিন্দ্ৰীহঁতৰ ঘৰৰ ওচৰতে কানুৰামৰ ঘৰ। কানুৰাম দুখীয়া —ছাল-ছিগা ভিকহু, 'ভাই-ককাই' বুলিবলৈ বিশেষ নাই। সম্পত্তিৰ ভিতৰত ৰূপিত মাটি দুভৰা মান আৰু মতা মহ এটা। সঁচাকৈ কৰবলৈ হলে, তাৰ গা আৰু মন-টোৱেই ডাঙৰ সম্পত্তি। কানুৰামৰ গাটো তিঁয়হৰ জালি যেন, বুকুখন বহল, কঁকালটো চিঞা, মুখখন দীঘলীয়া, কিন্তু পুৰ, বৰণটো অলপ মটীয়া যদিও ধৰিব লগীয়া নহয়। পিচে, বিধাতাই সকলোকে ষোল অনা পূৰকৈ নিদিয়ে নহয়। এনে-কুৱা এটা ধুনীয়া মানুহৰ গাতো সেইজন কণাবিধতায়েই খুঁত এটাৰ ছাপ মাৰি থৈ গ'ল। ছাপটো আন একো নহয়—কনুৰামৰ নাক-ডেওনাটো মাজতে চেপেটা কৰিলে আৰু নাকৰ আগটো ভাটৌ ঠোঁটৰ দৰে অকনমান উঠঙা আৰু বিদ্ধাকিটা অলপ বহল কৈ থলে। বাপেক মাকে মৰমতে কানুৰাম বুলি মাতে যদিও, গাৱঁৰ সমনীয়াই তাক নাকচেপেটা বুলি হে মাতে আৰু তেলগজ বুলি জোকায়।

সিহঁতৰ যিটো হে গলধন ধৰা অসমীয়া মহ মাকী মধৰাকৈ এৰি দিব লাগিলে, কাৰ ঘৰৰ মহ বান্ধতে মাৰিবলৈ ঠিক নাই। সেইদেখি কানুৱে দোকমোকালিতে মহটো নি পথাৰত চৰাই আনেগৈ। আবেলিও তেনেকৈ চৰায়গৈ।

পিচৰ বাৰ যাওঁতে সি মুখত তেল-কুৰ সানি, মূৰত ফুলাম গামোচা এখনি মাৰি, হাতত মহৰ শিঙৰ পেপাঁটি লৈ, মহৰ ওপৰত উঠি গোটেইটি টাউনত ঘূৰাব লৈ যায়। কালিন্দ্ৰীহঁতৰ পদূলিটোৰ আগে-দিয়েই পথাৰলৈ যাব লাগে। সেই পিনে যাওঁতে আহোঁতে মানুহবোৰে, সিহঁতৰ ঘৰত সোমাই তামোল এখন, পানী এগিলাচ খুজি নোখো-ৱাকৈ নেযায়েই। কেতিয়াবা-কেতিয়াবা, বাটৰপৰাই কালিন্দ্ৰীক খুজি খেনাৰ টেঙ্গা এটোকাটাও লৈ যায়। গধূলি হলে ঢেকডুলাইহঁতৰ খিকন্দালত কালিন্দ্ৰীহঁতৰ ঘৰখন উৰিযাওঁ-পুৰিযাও হৈ থাকে। ঢেকাহঁতৰ একো কাম নাই— কেৱল পদূলিশুঙা। সিহঁতৰ লগতে নাক-চেপেটা তেলগজ গুৱালে সালৰ মাজত শিঙা হৈ বহেগৈ।

আলহী সুধিবলৈ তামোল নাই-কিয়া হলেই, কানুৰামেহে লাফ্ মাৰি তামোল গছত উঠি তামোল পাৰি আনিবগৈ; পাণ এবিধা নহলেও, মেৰাদি সিয়েই পাণ পাৰি আনিব। পানী তপতাবলৈ খৰি নাই, কানুৰামে কুঠাৰখন লৈ লৰ মাৰি খৰি ছুচলামান ফালি আনি-বগৈ। উঁওশালৰ খুঁটি সলাব বা পোনাব লগীয়া হল, কোনেও লোকোৰাকৈয়ে মনে জানিয়েই তেলগজে খুঁটা-টাইত সলাই-পোনাই দিবগৈ। আনকি, বাটেদি মহটো লৈ যাওঁতে তেলগজে যদি দেখে, কালিন্দ্ৰীয়ে চোতালত সকৰাই থোৱা মৰণাৰোৰ খেৰ জোকাৰি মুঠামুঠৈকে বান্ধিব পৰা নাই, তৎক্ষণাৎ সি মহটো তামোল গছতে বান্ধি, খেৰবোৰ জোকাৰি-বান্ধি কালিন্দ্ৰীক সহায় দিবগৈ। কেতিয়াবা তাইৰ হাতৰপৰা পোটাটো থাপ্ মাৰি নি তেলগজে চোতালখনো সাৰি দিয়ে হে। কালিন্দ্ৰীহঁতৰ ঘৰত কানুৰাম যেনিবা নিকিনা গোলামটো; তাৰ সমনীয়াবোৰ কিন্তু তাৰ ওলোটা। সিহঁতে তামোল পাণৰ শৰাধ কৰিব, ধপাতৰ চিলিম ছিঙিব, কথাৰ মহলা মাৰিব আৰু খুজি খুজি জা-জলপান খাব। সিহঁতৰ এই ফেৰা অধিকাৰ কালিন্দ্ৰীৰ ককায়েক-ভায়েকহঁতৰ সমনীয়া লগৰীয়া বুলি; তেলগজ কানুৰামৰ অধিকাৰ— কব নোৱাৰাকৈ কলিমতী কালিন্দ্ৰীক ভাল পায় বুলি। ঘৰত

এলেহুৱা যদিও, ভালপোৱাৰ নাড়ী ভাল থকা বাবে, কালিন্দ্ৰীহঁতৰ ঘৰত তেলগজ গোটেই টো খৰটকীয়া কেৰ্কেটুৱাটো। মহৰ ওপৰত উঠি খিঙা পথাৰৰ মাজত মহৰ শিঙৰ পেঁপাটি বাই কেনেকৈ ডেকাধ্বনি তুলিব—এইটোৱেই তাৰ চিন্তা: মাঘৰ বিহুত যুঁজাবলৈ কেনেকৈ মহটোৰ গলধন ধৰাব এইটোৱেই তাৰ ভাবনা। ৰূপত হে মানুহ বলিয়া। ৰূপ কি বস্তু তেলগজে গম নেপায়। কিন্তু কলিমলী কলি-মতীহঁতৰ নঙলামুখ পালেহিয়েই তাৰ গাত যে বিহু লাগে, সেইটো হলে সিৰায়-সিৰায় গম পায়। গম পায় দেখিয়েই, কালিন্দ্ৰীহঁতৰ ঘৰত কামুৰাম নিকিনা গোলাম।

মাঘৰ বিহু আহিল। তেলগজে চালে, তাৰ মহটো যুঁজাই হৰুৱাই লব পাৰিলে, সি আৰু নিশ্চিন্ত—মহটো এৰি য'লৈকে-ত'লৈকে যাব পাৰে। এই বুলি, ওচৰচুবুৰীয়াৰ এটাইবোৰ মহেৰে যুঁজাই চালে। সেইবোৰ আদৰাঙী মহ, ফোৰো-হনিতে ভাগিল; কালিন্দ্ৰীহঁতৰটোৰে হে কাপৰুজ লাগিল। তথাপি, তেলগজৰটো জিকিল, হৰাটোক খেদি নিওঁতে কাঁচ দুটামান মাৰি তাৰ ভপিনাটো কাটিদবীয়া কৰি পেলালে। যুঁজত জিকা মহে হৰা মহক একাঁচ-দুকাঁচ মাৰে—সকলোৱে জনা কথা। তথাপি তাতে লাগিয়েই যে তেলগজৰ গাত জগৰটো লাগিল! খোৰাৰ খোজেপতি অপৰাধ। দুখীয়া বুলিলেই কুঠীয়া। কালিন্দ্ৰীৰ বাপেক-ককায়েকহঁতে সেই বিহুৰ পৰা তেলগজক নমতা-নোবোলা হ'ল।

মাঘৰ বিহু পাৰ হৈ গ'ল; ফাগুন সোমাল। ফাগুনৰো দিন যাওঁ-যাওঁ হৈছে। এজাৰ নিজাৰ পৰিছে; কপৌফুল ফুলিবলৈ ধৰিছে, বাটে পোৱালি মেলিছে, গৰুছালে হেৰেৰলিয়াইছে—ইফালে ঢোলৰ মাত সিফালে ঢোলৰ মাত। ডেকা-গাভৰুৰ গাত বিহু লাগিছে—'গা নো ৰমেৰমায়, বুকু নো চমেচমায়।" যাৰে ঘৰত জীয়াৰী ছোৱালী আছে, তাৰে ঘৰত খোজা-বঢ়া চলিছে। কালিন্দ্ৰীলৈও বহুতে শৰাই পেলাইছেহি। তাইৰ কলীয়া কায়টো দেখি বহুতেই আকৌ আগবঢ়োৱা শৰায়ো ওলোটাই নিছে। তাৰ ভিতৰতে এখনি আছিল এটি চহকী

ল'খাৰ। ল'ৰাটিয়ে দিয়া লকৰাও খুলি কোৰাত মেধিয়ে শ-চেৰেক টকা দিও তালৈকে কালিন্দ্ৰীক দিবলৈ মন কৰিলে। এদিন কথাই কথাই মাকে শুনাকৈ কালিন্দ্ৰীয়ে মাত এষাৰ মাতিলে, "ধন দি মানুহ কিনিব পাৰি, মন জানো কিনিব পাৰি।"

আৰ-তাৰ হতুৱাই আকৌ কোৱালে, "মোৰ বিয়াখন বাক, লাহে-লাহেও হৰুচোন; মাজু কৰাইদেৱৰ বিয়াখনকে আগেয়ে পাতক।" সেইমতেই বিয়াৰ কাৰবাৰ হল। কিন্তু ঢুলীয়াৰ হে একো বন্দবস্ত কৰিব পৰা নাই। বিয়ানেই হক, ঢোল নহলে বিয়া তেনেই উকা হয়। ঢোলে-দগৰে হে বিয়াখন। পানী তুলিবলৈ লাগে ঢোল, নভাৰ তলত বজাই থাকিবলৈ লাগে ঢোল, দৰাৰ লগত বাই যাবলৈ লাগে ঢোল, সুৱাগুৰি তুলিবলৈ লাগে ঢোল, আৰু কইনা ঘৰত গৈ মালিতা গাই দৰাঘৰবো মান বঢাব লাগে ঢুলীয়ায়েই। ভোকোলা মেধিৰ চুবুৰিত তেলগজৰ মান ঢুলীয়া নাই; তেলগজৰ দৰে ঢোলৰ ছেৱে ছেৱে মালিতা গাব পৰা মানুহো নাই। কালিন্দ্ৰীয়েই হবলা পেহীয়েকক সুচালে, "সাপৰহে ক্ৰোধ থাকে। গৰুও মৰিল পোকো সৰিল। মহৰ ধাও শুকাল, কাজিয়াও ভাগিল। তেলগজকে তামোল পান এটা দি মাতিলেই হয় দেখোন। ঠোঁহ ধৰি থাকিলেই হব নে?" তেলগজক মতা হ'ল। গ'ল কথা গুচিল বুলি ঢুলীয়াজোৰাটো লৈ জোৰোণৰ দিনাই তেলগজ ওলালহি। গাঁৱিয়নৰ দিনা ঢোলৰ হাত কৰি মালিতা জুৰিলে আৰু এই কাঁকি বস্তৰৰ নামো গালে--

"ঢোলৰে বৰতি, আই ঐ জালিজাপি
ঢিলা সমনীয়া আই ঐ জালিজাপি
ঢোলৰে বৰতি ঢিলা,
আই নো জালিজাপি ঐ
আকৌ নো জালিজাপি ঐ
ভাঙো নো শালি কাঠী ঐ
নিয়ৰত নিতিয়াও ভৰি।"

তেলগজৰ ঢোল কোবোৱা ভঙ্গিমা দেখি, গীত-মালিতা-বচনৰ মাত শুনি বিয়াঘৰীয়া মানুহৰ মন উকলিকৃৎ হ'ল। পানী-তু নি-তামোল-ছালি খাই সকলোটি ঘৰাঘৰি যোৱাৰ পিচত, মাৰল ঘৰৰ মৰলৰ মজিয়াতে থূপ থূপকৈ মিতিৰকুটুমৰ জীয়াৰী-

বোৱাৰীবোৰ বহিছে আৰু চুলীয়া-জোৰাই বিয়াখন কেনেকৈ গপগপীয়া কৰি পেলাইছে, তাৰ কথনমথন কৰিছে। কালিন্দ্ৰী তাত নাই। চুক এটাৰপৰা চাই আছে তেলুগজ কেতিয়া উঠে। যাবৰ পৰত তামোল এখন খুজি খাওঁ বুলি তেলগজ ভিতৰলৈ সোমাই গ'ল। মাইকী মেলখনৰ আগ পাই, 'তামোল এখন দিয়কচোন' বুলি কওঁতেই সুৎকৰে কালিন্দ্ৰী ওলাই আহি ঠেকেৰাই মাত লগালে, "চুলীয়াক তামোল কাটি দিওঁতেই হাতৰ জোলা বান্ধলে, এতিয়া আকৌ এওঁক দিয়া তামোলখন! এই পাইক না মাতি-ছিলে কোনে?"

মাজু ককায়েকৰ বিয়া হৈ গ'ল। ন-ছোৱালী চাবলৈ কালিন্দ্ৰীহঁতৰ ঘৰত মানুহ পিচ-পিচ। ইয়ে কোনে, ককায়েকৰ বিয়াখন হ'ল যোৱা, ভনীয়েকৰ খনো সোনকালে পাতিব লাগে; সিয়ে কোনে, "এই বছৰতে কালিন্দ্ৰীৰ বিয়াখনো আমি খাবলৈ পাব লাগে।" বিয়াৰ কথাটো ৰজনজনা হওঁতে, আকৌ এজন আহি কালিন্দ্ৰীক খুজিবলৈ। ছোৱালী চাই, কোনেও পিচত কথা নক'লে। হ'ল। ধনৰ আশাত বিয়া কৰিবলৈ অভাৱোৰবো মন পালতি গ'ল। কাল হ'ল কালিন্দ্ৰীৰ ক'লা কপ-টোৱেই। কাদুৰামৰ ফালৰপৰাও খোজা-চা কৰি চোৱা হৈছিল; নাকচেপেটা ছালছিগা ভিকহু বুলি মাক-বাপেকে তাৰ ছুই নামকে নস'লে।

চ'তৰ বিহু আহিল। বিহুবৰৰ তললৈ গৈ আটাবোৰে গাৰ বিহু মাৰিবলৈ গৈছে। কপালত জোৰ ফোঁট মাৰি, কাণত জাংফাই কেক এজুৰি পিন্ধি, ডিঙিত সোণৰ চিপাটিমণি এধাৰি আঁৰি, হাতৰ ঠাৰিত খাৰুজোৰ সুমুৱাই, তলুৱা-নখত জেতুকাৰ বোল লগাই, মেজাঙ্কৰী বিহা-মেখেলাজোৰ গাত মিৰিপত খুৱাই পিন্ধি, হাতত বাঁহৰ টকাটো লৈ, কালিন্দ্ৰীও গ'ল বিহু মাৰিবলৈ— জকমক হৈ। মাজতে কালিন্দ্ৰীক লৈ লগৰীয়েক-হঁতৰ বহুজোপাৰ গুৰিতে থুপ খাইছেহি। আলপ আঁতৰত, তাতে-পাছে ইফাল সিফালে ঢেকাইতেও জুম পাতিছে। বজাৰ পাচত লৰাহঁতে হাত বাটি দি-দি নাচিছে নাচিছে — পৰ-পথকাবোৰে জাতি-

জাঁত লিহুনাম গাইছে। এটা নাম হলেই, আকৌ এজনী ওলাই আহে, সেইজনীয়েও ঠেও ধৰি-ধৰি নাম একোবাৰ গাই গুচি যায়। এইদৰেই কেইবাজনীয়েও নাম্বাৰগাৰ পিচত ‘কালিন্দ্ৰী কুৱৰী’ৰ পাল পৰিল। হাত-বাউলী দিয়েই তাই নাম জুৰিলে :

“আবৈ ধান লেচিয়া বানিবি কেতিয়া
কুলাতকৈ চালনি ঘন;
চকুৰে চাইছ মুখেৰে নেমাত
কালৈ কৰিছ মন?”

ডেকাহঁতৰ ফালৰপৰা তেলগজে মাতি পঠিয়ালে :

চকুৰে-চকুৰে কি চাব মইনা
মই চালে তলমুখ কৰ,
তই নোমাকোতেই মাতিব পাৰো মই
জানোচা কেনেকৈ যাব।”

দেওহাঁতে মতাদি কালিন্দ্ৰীৰ টকাৰ মাতৰ লগতে আকৌ এষাৰ মাত ফুটিল :

“কোনে আনি দিব লোণে আমেলখি
কোনে আনি দিব জৰা,
কোনে আনি দিব ধনৰে বাতৰি
শদিয়া বাতৰে পৰা?”

তেলগজৰ ওঁপাত তাৰ প্ৰতি-ধ্বনি উঠিল :

“বাৰীৰে চাপতে গছে-আমেলখি
আদি দিম মতঙ্গৰ লোণ
শদিয়া বাজলৈ চিন্তিব নেলাগে
তোকে নো বুলি যাওঁ সোণ।”

ছোৱালীহঁতে দুটামান পাক দিয়াৰ পিচত ডেকাহঁতে আকৌ আৰম্ভ কৰিলে। এই বেলি তেল-গজেই জিলীয়ে মতাদি মাতি গীতটি জুৰিলে :

“পৰ্ব্বতত মাৰিলো লুকমা গাহৰি
ভৈয়ামত মাৰিলো গঁড়
এইবেলি মোলৈকে বিয়া সোমাম বুলি
গালৈ চাই শপতে কৰ।”

ৰ-লাগি থিয় হৈ থকা গাভৰু-ছোৱালীহঁতৰ জুমটোৰ পৰা সাউৎকৰে কালিন্দী ওলাই আহি ফেঁচু-জালি দিলেহি :

“পৰ্ব্বতত মাৰিলা লুকমা গাহৰি
ভৈয়ামত মাৰিলা গঁড়
আমাকে পাবলৈ গঙ্গাচান কৰাঁগৈ
বিধতাক মাগাঁগৈ বৰ।”

কানুৰাম-তেলগজ নৰলেই, পোনেই গাই দিলে :

“যদি হে নমৰি জীয়াই থাকোঁ লাহৰী
তোমাক দেখিবলৈ পাম
যদিহে মোৰ কপালত, তোমাক ঐ
লেখিছে
শৰীৰ জুৰাবলৈ পাম।”

বিহুৱৰৰ বিহুতলীত বিহুমাৰি বিহুৱতীহঁত ধৰাধৰি গ'লগৈ। তেলগজো ঘৰ পালেগৈ। বিহুতলীত তমকাই অলা জুইকুৰা ঘুমুসাল; তেলগজৰ বুকুত তুঁহজুই জলাদি জ্বলি থাকিবলৈ ধৰিলে। ভাৱৰ অহাদি তাৰ মনত কত চিন্তাভাৱনা আহে-যায়, সীমা নাই। এই দৰেই দুদিন মান গ'ল। এনেতে কালিন্দ্ৰীক বিয়া দিবলৈ ঠিক হৈ যোৱা ল'ৰাটিৰ পৰা খাটাং খবৰ আহিল, সি বোলে বিয়া নকৰায়। বিহু মৰাৰ পাচৰ পৰাই তাৰ কাম-বনলৈ উৎসাহটো পাতলি আহিছিল। কলীহঁতৰ ঘৰৰ আগেদি যাওঁতে মনটো মাৰি গৈছিল। আগৰদৰেই মহ চৰাই আহি কালিন্দ্ৰীহঁতৰ চোতালত বহেহি যদিও, গোটেইটো আমন-জিমন। বিয়া নকৰোৱা খবৰটো পোৱাৰ পাচত কালিন্দ্ৰীয়ে উশাহ-নিশাহ পালেনে নেপালে, কব নোৱাৰি, কামুৰামে হলে ভালকৈয়ে উশাহ পালে।

এদিন সি সিফালৰ পৰা মহটো চৰাই, মুখখন গোমাই ঘৰলৈ উলটক; ইফালৰ পৰাও মাক-নবৌয়েক আৰু ছোৱালীজনদিয়েকে সৈতে কালিন্দ্ৰীও বক কাষত কলহ লৈ পানী আনিবলৈ। বাটতে দুই কালৰ ভেটাভেটি হ'ল। মনৰ আবেগ কথাৰ নোৱাৰি তেলগজে সুধি পেলালে, "হেৰ' ক'লী, বিহু মুখুৰা জানো?" কালিন্দ্ৰীয়ে একোকে নেমাতিলে। সেই দিনাৰ মতিগতি দেখি মাকহঁতে বুজিবলৈ বাকী নেথাকিল যে তেলগজে কালিন্দ্ৰীক নিবলৈ মন কৰিছে। চল পালে, কাহানিবা পলুৱাইও নিব পাৰে। সেই দিনাৰ পৰা মাকহঁতে খাওঁতে-শোওঁতে কালিন্দ্ৰীৰ কাণত এনেকুৱাকৈ কথা পিস্কাবলৈ ধৰিলে তেলগজক যেন তাই নেমাতিবই। এইবোৰ ভিতৰুৱা কথা কোনেও নেজানে; তেলগজৰ যে ভূৰ্ভঙেই নাই। সি আকৌ সেই আগৰ দৰেই নিকিনা গোলামটো হৈ কালিন্দ্ৰীহঁতৰ চোঁতালত বহি থাকেহি। কথাৰ চলতে এদিন ককায়েকহঁতক সুধিলে, "হয় নে, কলীৰ বোলে বিয়াখন ভাগিল?" "এৰা, ভাগিল।" এইটি সুকণ্ডাকে পাই, বিপুৰা ধৰি সোধালে কালিন্দ্ৰীৰ তালৈ যাবৰ মন আছেনে নাই। মাক-বাপেকৰ আগতে তাই বিপুৰাক জোকাৰ মাৰি কৈ দিলে,

"নাক চেপেটাটোলৈ নগলে হে পাৰিছে ?"

কালিন্দ্ৰীৰ সমিধান শুনি তিৰুতাৰ মন হুবুজা অজলা তেলগজৰ মূৰত চৰগ ভাগি পৰিল। আমঠু ক'লা পৰি গ'ল। কুলাই-পাচিয়ে মধৰা তাৰ দুখৰ কাৰণ সি বাছি বাছি পালেগৈ চাৰিটা :—প্ৰথমটো হ'ল—বিধতাই তাক নাক চেপেটাকৈ চজিলে; দ্বিতীয়টো হ'ল, তাৰ ধনবিত নাই; তৃতীয়টো কালিন্দ্ৰীক চহকীলৈহে উলিয়াই দিব আৰু চতুৰ্থটো হল—সিদিনা বিহুতলীত কালিন্দ্ৰীয়ে যে তাক গঞ্জাচান কৰিবলৈ কলে।

সিপিনে, বিয়া কৰাম বুলি বহুতে তুতুৱায়হি, পাচত কিন্তু নকৰোৱা হয়। ধন যাচিও দৰাক ভুলাব পৰা নাই। কালিন্দ্ৰী-কামুৰামৰ যোল অনা মনৰ মিল। কিন্তু, কালিন্দ্ৰীৰ বাপেক-মাকৰ তাড়না, সমাজৰ গ্লানি, সাংসাৰিক অৱস্থাৰ হীন-ডেটি—এইবোৰেই হ'ল কালিন্দ্ৰীৰ নিমিত্তে কামুৰামক বিয়া কৰোৱা বাটৰ বগৰী জেং।

বিহুৰ পাচত, মাকে-ককায়েকে সৈতে কালিন্দ্ৰী মোমায়েকৰ ঘৰত বিহু খাবলৈ গৈছে। তাতে ওলাল তাইৰ বিয়াৰ কথা। মোমায়েকে বায়েকক বহুত বুজনি দিলে—ভালেই হক, বেয়াই হক, ঘৰত সৰহ দিন জিয়াৰী ছোৱালী ৰাখি থোৱা ভাল নহয়। বুঢালোকেও কৈ গৈছে—যুৱত কালতে ছোৱালীক বিয়া দিব নোৱাৰিলে বাপেক-মাকক শাপে ছোৱে। তাতে আকৌ ভাবি চাব লাগে—তিৰুতাৰ যৌৱন এই আছে—এই নাই, কুৰি হলেই বুঢ়ী। মোমায়েকৰ কথামতেই মূলাৰাম হাতীগিৰীয়াৰ পুতেক ধনবৰ হাজৰীকালৈ ধৰি বান্ধি কালিন্দ্ৰীক আবিয়ৈকৈয়ে উলিযাই দিয়া হ'ল। বিয়া ৰাক বোলে, সেই বিয়া নহ'ল।

মনত বিচাট লাগি, কামুৰামে ঘৰবাৰী এৰি পথে-প্ৰবাসে ঘূৰি ফুৰিবলৈ ধৰিলে। ভাগৰ লাগিলে কেতিয়াবা পেপাঁটোকে বজাই এইষাৰি নামকে গাই কালিন্দ্ৰীলৈ সুঁৱৰি সন্তাপটো পাতলায় :

"গা ক'লা হলে, ৰ'দে বৰষুণে
কাপোৰ ক'লা হ'লে ঘামে
কলীৰে সন্তাপত শৰীৰ ক'লা হ'ল
মাৰিও নিনিয়ে যমে।"

মৰেগৈ বুলি দুমাহ মানৰ মূৰত কয়লাখাতত সোমালগৈ; তাতো দিনৰ দিনটো কাম কৰি ভাগৰ লাগিলেই পুৰণি কথা সুঁৱৰি এই নামটোকে গাই ভাগৰ পলুৱায়:

"কামে কৰি কৰি আমনি লাগিলে
মনত পৰি পৰি কান্দো
তোমাৰ সন্তাপত থাকিব নোৱাৰি
গোসাঁইলৈ টোপোলা বান্ধো।"

এনেকৈয়ে এদিন সি বিলাপ কৰি আছে, এনেতে ওপৰৰ পৰা কয়লা এচপৰা খহি তাৰ গা গোটে-ইটো পুতি পেলালে। লগৰ হজুৱা-বোৰে টানি-আঁজুৰি উলিয়াই যেনিবা যমৰ ঘৰলৈ নোযোৱাকৈ ৰাখিলে। কিন্তু তাৰ গা খুকুৰা হ'ল, বৰণ বিবৰ্ণ হল, গালে মুখে ঘা লাগি চিনিব নোৱৰা হ'ল। তেলগজ ওৰফে কানুৰাম আৰু সেই দুমাহৰ আগৰ তেল পৰি পিছলা তেলগজ হৈ থকা নাই— কয়লাৰ দৰেই ক'লা কিম্ভুত-কিমাকাৰ মূৰ্ত্তি এটি হ'ল। কয়লা খাতৰ কামো গ'ল। কালিন্দ্ৰীৰ মাক-বাপেকৰ ঘৰত খবৰ ওলালগৈ, কানুৰাম মৰিল বুলি। অহুকাণে-পহুকাণে গৈ সেই খবৰ কালিন্দ্ৰীৰ কাণো পালেগৈ।

তাইৰ গিৰীয়েক হাতীধৰী। হাতীও আছে দুটা। বিজয়া দশমীতে ধনবৰ ওলাল হাতী-চিকাৰলৈ। বহুৱা হাতী ধৰাত ধনবৰৰ কুন্‌কী-কিটাৰ সমান ভাল কুন্‌কী নাই। চিকাৰলৈ নিজে নগলেও, ধনবৰে ঘৰতে হাতীৰ কেৰেয়া বুলি হেজাৰ-দুহেজাৰ টকা পায়। তথাপি সেই টকাই তাক নোজোৰে, "যতেক পায়ে ধন, ততেক বাঢ়ে মন।" সেই কাৰণেই এইবাৰ ধনবৰ নিজে ওলাল হাতী ধৰিবলৈ। তিনি মাহৰ মূৰত, ধুবালৈ (কেম্প,) খবৰ আহিল—টেঙ্গাপানী গড়ত বোলে ধুনীয়া-ধুনীয়া হাতী এচাহন সোমাইছে। কুন্‌কী দুটা লৈ ধনবৰ নিজেই গ'ল গড়ৰ হাতী উলি-য়াবলৈ। বহুৱা হাতীৰ ডিঙিত ফান্দনৰা আৰু দোহৰা ফান্দী-মাউতৰ কাম—হাতীধৰীৰ নহয়। তথাপি ধনবৰে নিজেই সেই কাম কৰি বহুৱা হাতী এটা নিজৰ কুন্‌কীৰেসৈতে জুটি লৈ অহাত, বাটতে কিবা এটা বিজুতি লাগিল; জোঁট পোট লাগি পৰ্ব্বতৰ কুকওত

পৰিলগৈ; হাতী-মানুহ সোপাই চেপেটা মাৰিলে। ধনবৰৰ গাৰ মঙ্গহ ফেৰি-ফেৰি হল! খৰি দিবলৈও বিচাৰি নেপালে। নিল-গীয়া ভায়েক এটাই তাৰ মুখৰ ছাই গুচালে।

কেঁচেলুৱাতে কালিন্দ্ৰী বাঁৰী হ'ল। মাকৰ ঘৰলৈকে গুচি যাবলৈকে তাই মন কৰিছিল; কিন্তু ধনবৰৰ অভ্যুদয় সম্পত্তি এৰি যায় কেনেকৈ? তাতে আকৌ মানুহৰ গাৱলি-সাতসৰাও নিচেই উজু নহয়। মনোচিতে তাই যাক ভাল পাইছিল, তাকেই যেতিয়া নেপালে, মাকৰ ঘৰলৈ গৈ নো কি, অকলৈ-অকলৈ থকা নো কি। এইবোৰকে ভাবি-চিন্তি কালিন্দ্ৰীযে বাঁৰী-ভাত খাই থকাটোকে ভাল পালে।

আকৌ মাঘৰ বিহু পালেহি। আৰু বেলিৰ মাঘৰ বিহুও আছিল এক, এই বেলিৰ মাঘৰ বিহুও হ'ল এক। আৰু বেলি আছিল কালিন্দ্ৰী যৌৱন পয়োভৰত নাচি বাগি থকা জীয়াৰী ছোৱালী; এই বেলি হ'ল যৌৱন লহিৱা কেঁচেলুৱা বিধবা। সেইবোল আছিল মাকৰ ঘৰত—মাক বাপেকৰ তাড়নাৰ তলত; এই বেলি হ'ল গিৰীয়েক মৰা বাঁৰী, অকলশৰীয়া—নিজেই যেই কৰে সেই। কালে কাক, কেতিয়া, কি কৰে, কোনেও কব নোৱাৰে। এই বছৰতে জীৱনৰ ভালেমান কথা লুটি খালে। নেখালে মাথোন এটা,—সেইটোৱেই স্মৃতি। স্মৃতি পুৰণি হলে, সুখৰটিতকৈ দুখৰটিহে সুৱদি হয়।

কামকাজ কৰি এটাই কালিন্দ্ৰীয়ে অলপ জিৰণি ললেই, উমান নিদিয়াকৈ কত স্মৃতিয়ে তাইৰ মনত দেখা দিয়েহি! আৰু বেলি কেনেকৈ তাই তেলগজৰ মেৰা'ৰ এটা ছিঙি দিছিল; ঠাই সাৰি সাৰি তাইৰ ভাগৰ লাগিলে, কেনেকৈ তাইৰ হাতৰ পৰা শোটাটো কাঢ়ি নি তেলগজে নিজেই ঠাই সাৰি দিছিল; তাইঁতৰ ঘৰলৈ তেলগজ নাহিলে কেনেকৈ তাইৰ মনটো উকণ্ডা-উকণ্ডা লাগিছিল; কেতিয়াবা আহি সি চোঁতালৰ পৰা উঠি গলেই কেনেকৈ তাইৰ বুকুখন হমহমাইছিল; তামোল এখন খোজোতেও, দিওঁ-নিদিওঁ বুলি কেনেকৈ তাই তেল-

গজক তামোলখন দিছিল ; পানী অনা বাটত লগ পাই তেলগজক "বিহু খুৱাম হে হয়" বুলি কেনেকৈ তাই গেজেৰা মাৰি পঠিয়াইছিল— এনেবোৰ একুৰি এটা পাই-নোপোৱা, সুৰদি স্মৃতিয়েই নিৰলা-নিপানী কালিন্দ্ৰীক গুৱলা-সৰলা -আপোন-পাহৰা কৰি থৈছে।

মাঘ গ'ল। ফাগুন গ'ল। চ'তৰ বিহুও ওচৰ চাপিলেহি। আজিত বাদে কাইলৈ উৰুকা পালেহিয়েই। কালিন্দ্ৰীৰ মানত আজি বিহু নহয়, বিহ। আজি যে তাই জীয়াৰী হৈ থকা নাই,—হাতত টকা লৈ বিহুবৰৰ তলত নাচিবগৈ, আজি যে তাই গুহৰিখটা নহলেও, গিৰীয়েক মৰা বাঁৰী— কপালত ফোঁট নাই, কাণত কেৰু, ডিঙিত মণি নাই। ক'ত আৰু জাত জাত নাম গাই ফুৰিবগৈ। বছেৰেকৰ বিহুটো আহিছে, তালৈকে তাই ঘৰচোঁতাল সাৰি-মচি ফু মাৰি ভাত খাব পৰা যেনকৈ থৈছে। লগৰী নাই। তথাপি নিজে খাবলৈকে হলেও আধৈ দুটামান, চিৰা দুটামান লাগেহে। তাৰে ধান দুটামান ৰ'দত মেলি শুকাবলৈ দিছিল। চ'তমহীয়া ৰ'দত খৰি যায় বুলি এভিয়া বেলি লহিয়ালতে ধানখিনিত হাত দিছেহি ; এনেতে মুখেচুখে কাপোৰ মেৰিওৱা চকলা চকল ঘাৰে কেটোৰ ক'লা মানুহ এটাই শেহাই-শেহাই মাত লগালেহি, "আই, পানী এটুপি খাবলৈ পাম নে?" "বাক, অলপমান বহঁক, মই ধানকিটা চপাই লওঁ।" ধান-কিটা পাচি এটাতে থৈ কালিন্দ্ৰীয়ে মানুহটোক পানী এবাটি দিলেহি। মানুহটিয়ে হেঁপাহ পলুৱাই পানীটোপা খাই "অলপ ভত পালো" বুলি হুমুনিয়াহ হাৰিলে। তামোল এখন দিবলৈ আহি কালিন্দ্ৰীয়ে সুধিলে, "ইমান দুখে-ভাগৰে মো কোনখিনিৰ পৰা আহিছে?" "কি কম, আই, আজি তিনি দিন লঘোন— পেটত খুদকণ এটাও নাই। পানীটোপা খালত হে জীউটো আহিছে। মোৰ ঘৰবাৰী নাই— কাহানিবাই এৰিলো। মই অঘৰী-- য'তে ৰাতি ত'তে কাতি হৈ পৰি থাকো।" তাৰ দুখ পতিয়াই কালিন্দ্ৰীয়ে অভয় দিলে। "ইয়াতে বাক দুদিন-মান থকচোন। বছেৰেকৰ বিহুটো আহিছে, ক'তনো ঐ দুদেহি-বৈদেহি-কৈ ফুৰিবগৈ! দুখুনীৰ ঘৰত দুখী-

দুখী অৱস্থাৰে যি গোটাইছো, তাৰেই জলপান এটি খাব। মোৰ কিবা এটা ভাইগ হে ভাল, বিহুৰ সময়ত আপোনাৰ নিচিনা আলহী এজনক যে জলপান এটি খুৱাবলৈ পায়।"

সেই দিনা আৰু বিশেষ কথা-বতৰা নহ'ল। পিছদিনা গধূলি খাই-বৈ উঠি জুহালৰ কাষতে আমনজিমকৈ চকা এখনত তেলগজ বহিছে আৰু কালিন্দ্ৰীয়েও তামোলৰ বটাটো ৰতাই লৈ তাৰ আলেখ-লেখ চাই সুধিছে, "কৰুচোন বাৰু, আপুনি নো কেনেকৈ এইখিনি পালেহি?"

তেলগজে আৰম্ভ কৰিলে, "মোৰ দুখৰ কথা কিমান ক'ম, কিমান শুনিব—দিন নেৰায়—ৰাতি নুপুৱাই। মই নিচেই দুখীয়া প্ৰাণী। ধনবিত একো নাই। ঘৰত আই আৰু দোপাই। সম্পত্তি বুলিবলৈ মতামহ এটা। মহটো গলধন ধৰা। অকলৈ এৰি দিব নোৱাৰি। আমাৰ ওচৰতে ডোকোলা মেধি বুলিবৰ এঘৰ বৰ চহকী মানুহ আছিল। সিহঁতৰ ঘৰৰ আগেদিয়েই সদায় মই মহটো চৰাবলৈ নিওঁ। মেধিৰ জীয়েক এজনী আছিল। নাও কলী। মহতকৈ মোহনী নাই। ভাতোকৈও মোৰ মনত মোহনী আছিল সেই কলীমলী কলীজনী। তাইক নেদেখিলেই মোৰ তৰণি নোহোৱা হয়। মহৰ ওপৰত উঠি, মহৰ শিঙৰ পেঁপাটো যেতিয়া বাওঁ, আৰু যেতিয়া মই উভতি-উভতি চাওঁ, তেতিয়া দেখোঁ—কলীজনীয়ে দেখোন নঙলা এডালত ধৰি একে থৰে মোৰ ফালে চাই আছে। ঘৰলৈ উলটোতে তাঁহাতৰ ঘৰত সোমাই তামোলছালি এডোখৰ খুজি খাওঁ। কেতিয়াবা আকৌ এনেয়ে গৈ চোঁতালতে বহি থাকোঁ। তাই ভাল পাওক বুলিয়েই তাঁহাতৰ ঘৰত খৰি ফালোঁ, কাঠ কাটোঁ, কুহিয়াৰ পেৰোঁ, মাছ মাৰিও দিওঁহে। তাইক ভাল পাওঁ দেখিয়েই তাঁহাতৰ ঘৰত পৰা জোনাকৰ পোহৰটোও ভাল পাওঁ। ভাবিছিলোঁ—বিধতাই তাইৰে সৈতে মোৰ যোৰাটো পাতিব। পিচে, তাতে অলপ কিলিখা লাগিল। যোৱা মাঘৰ বিহুত মহ যুজাওঁতে আমাৰ মহটোৱে তাঁহাতৰ মহটো খুচি তপিনাত অলপ ঘা লগালে। তাতে, মোৰে সৈতে মাতবোল বন্ধ হ'ল। দুদিনমান তাঁহাতৰ ঘৰলৈ নোযো-

মাকৈ আছিলে।। এনেতে, মাজু ককায়েকৰ বিয়াত মোক ঢোল বাবলৈ মতাত সেই কিলিখো আগিল। তাৰ পাচত, মাক বাপেকে চহকী ল'ৰা এটালৈ তাইক বিয়া দিবলৈ ঠিক কৰিলে। কিন্তু বিয়াৰ দিন ঠিক হ'ল চত্তৰ বিহুৰ পাচলৈ। মই চালোঁ, চ'তৰ বিহুতে, বিহু-তলীতে বিহুনাম গাই কলীৰ মনটো জুখি চাম। বিহু আহিল। জোৰাই-জোৰাই বিহুৱৰৰ তলত নাম গালোঁইক। ময়ো গালো, কলীয়েও গালে। নাম থৰৰ সময়ত তাই যে এষাৰ কথা ক'লে, কি কম। মনত পৰিলে এতিয়াও বুকু ফাটি যায়। মই যেতিয়া গালো, "এইবেলি মোলৈকে, বিয়া সোমাম বুলি গালৈ চাই শপতে কৰ" বুলি আৰু তাই যেতিয়া "আমাকে পাবলৈ, গঙ্গাচান কৰাগৈ, বিধতাক মাগাগৈ মৰ" বুলি সমিধান দিলে, মোৰ বুকুত যেন কোনোবাই শেল এপাট হে মাৰিলে।"

তাৰ পিচতো বহুত কথা। সেইবোৰ কোৱাৰ সকাম নাই। বিহু পাৰ হৈ গ'ল। কলীক কলী বুলি কোনেও বিয়া নকৰোৱা হ'ল। তাৰ পিচত শুনিলো, মোমায়েকে ক'ৰবাৰ দুৰণিৰটীয়া গাওঁ এখনৰ বৰ চহকী মানুহ এঘৰত তাইক থৈ আহিলগৈ। বিয়া হ'লনে নহ'ল, কব নোৱাৰো। কিন্তু, তাই আৰু চকু-ভৰিৰ পৰা আঁতৰ হ'ল। চকু-ৰেও নেদেখো, খোজ কাঢ়িও নেপাওঁগৈ।

ভাবিলো— ধনহীন প্ৰাণীত একো কাঠা নাই। ধন ধন কৰি যে মানুহ ওফন্দি গঙ্গাটোপটো হৈ থাকে, ধন নো কি, হাতৰ মলিহে! তাকে ঘটি, কলীৰ বাপেক-মাকক দেখুৱাবলৈ শপত খালো। এই বুলিযেই, ঘৰবাৰী এৰি কয়লাখাতত সোমালোগৈ। তাতো কি এটা কথা, কাম কৰিবৰ মন নেযায়— চেবেং-চেবেংকৈ কলীলৈ মনত পৰে! মনত পৰি কেতিয়াবা মূৰ্চ্ছাই যাওঁ। এদিন মনৰ সন্তাপ গুচাওঁ বুলি, পৃথুৰী পাৰৰ কয়লা-দ'ম এটাতে আঁউজি, "তোমাৰে সন্তাপত শৰীৰ ক'লা হলে, যমেও নিনিয়ে মাৰি" বুলি নাম এষাৰ ধৰিছোঁ, এনেতে হুৰুস্ কৰে মোৰ গাতে কয়লা এচপৰা খহি পৰিল। গাৰ ছাল বখলিয়াই নিলে, কেবা ঠাইতো কাটিলেও, গালমুখো

থেঁতেলা খালে। হাততো বৰ দুখ পালো। কাম কৰিব নোৱৰা হলোঁ। অকৰ্ম্মণ্য মানুহৰ ক'তো ঠাই নাই। কপালৰ লিখন বুলি মনো কামৰ পৰা গুচি আহিলো।।

আহিলো। হে। ক'লৈ যাওঁ-কি কৰোঁ। একো ঠিক কৰিব নোৱাৰি অনাই-বনাই ফুৰিছোঁ। আজি আৰু এঘৰত এসাঁজ, কাইলৈ তাৰ এঘৰত এসাঁজকৈ খাই খাই এইখিনি পাইছোঁহি। মোৰ লটি ঘটিৰ সীমা নাই, দুখ-ভাগৰৰ অন্ত নাই। গা ঘূণীয়া হ'ল; মন কিন্তু সেই আগৰ দৰেই আছে। এতিয়াও মনত পৰে কলীইঁতৰ ঘৰৰ আগেদি যোৱা সেই বাটটোৰ কথা; তাইঁতে পানী অনা পুখুৰি আৰু পুখুৰি-পাৰৰ আঁহত জোপাৰ কথা। দেহি ঐ। সেই কলীজনীক আৰু ক'ৰবাত দেখিবলৈ পামনে? তাইক বা কোন সদিয়াবাজত মেলিলেগৈ। ধন এগাল হোৱা হলে, পেঁপাৰ মাতত বলিয়া সেই কলিমতী-কালিন্দ্ৰীজনী আজি মোৰেই হ'লহঁতেন। কণা বিধতাই ইমানৈকে মোক চণ্ডিজনে।” এই খিনিতে তেলগজক শোকে খুন্দা মাৰি ধৰিলে। মাত খোকা খুকি হ'ল। কথা আৰু কব নোৱাৰিলে।

তেলগজৰ 'বিৰহ-বেদনা ভৰা' দুখৰ কাহিনী শুনি, কালিন্দ্ৰীৰ মনত গাভৰু জীৱনৰ স্বপ্নই দেখা দিলেহি, আগঠু ক'লা পৰিল, চকু চলচলীয়া হল। চকু মোহাৰোতে মোহাৰোতে তেলগজৰ নাক-মুখত লগাই থোৱা ঘাৰ ফটাকানি কিডোখৰো এৰাই পৰিল। 'মুখখন ভালকৈ ধুই আহোঁ' বুলি তেলগজ পুখুৰী পালেগৈ আৰু বিহাৰ আঁচলেৰে চকু পানী টুকি টুকি কালিন্দ্ৰীও ভিতৰ সোমাল। তেল-গজ আহি আকৌ সেই জুহালৰ পিৰাখনতে বহিলহি। সেইটোৱেই যে চেপেটানকীয়া তেলগজ বা কানুৰাম, এতিয়া এদিন দেখা মানুহেও ভালকৈ চিনিব পৰা হ'ল।

কালিন্দ্ৰীয়ে ভিতৰলৈ গৈ মজিয়া আঁতালে। আঁতাই তামুলীপিৰা এখন পাৰিলে, তাৰ বাওঁহাতে দাঁতিতে সৰ্থেৰবীয়া লোটা-চৰিয়া এজোৰ থ'লে, চৰিয়াৰ ওপৰত চকলিয়াকৈ কটা কলপাত এডুখৰি আৰু সৰু বটা এটিত খৰিকা দুডাল থালে;

লোটাটোত পানী ও এলোটা। তিতৰৰ পানীচাঙৰ পৰা সাঁচতীয়া আখৈ-চিৰা ছুটামান উলিয়াই আনিলে, গুড় এখামোচা আৰু বকনীয়া গাখীৰৰ মুখৰ দৈ এবাটি উলিয়াই বাটিত বেলেগে বেলেগে সজালে। খোলাচপৰীয়া পিঠা খন-চেৰেক, সুতুলি পিঠাও ছুটামান পাক্কোৱা এখনত থ'লে। দৈ গাখীৰত লোণ সানি খালে, দৈ খিনি বেগেতে জীণ যায়; সেই দেখি পাত এখনিতে লোণো এছিকটা পেলাই থ'লে। আখৈ-চিৰাখিনি বানকাঁহী এখনতে দ'ল যেনকৈ খাপি থুপি কাঁহীখন পিৰাৰ আগতে থলেহি আৰু জলপানৰ ইবোৰ সঁজুলিও সেই বানকাঁহীৰ চাৰিওপিনে ঘূৰণীয়াকৈ সজালে। বৰাহ লৌহাতে পাণৰটা এটাত, ফুলজালি কটা কলাপাত এডুখৰিৰ ওপৰত খনচেৰেক থুৰিয়া তামোল। তামোলৰ বটাটোৰ ওচৰতে পাক্কোৱা শৰাই এখনিও, গুণা ফুলীয়া চেলেং এখনি আৰু ডমকাফুলীয়া গামোচা এখনি। জলপান, মুহদি আৰু ওপৰৰ দ্ৰব্যবস্তুখিনি যতাই লৈ, ঠায়েঠিকে সজাই মেলি, কালিন্দ্ৰীয়ে তেলগজক তিতৰলৈ মাতিলেগৈ, "বিহু খোৱাঁহি।"

তেলগজে জলপান খাই, মুখ ধুই, মুহদি কৰিবলৈ তামোল এখনি মুখত সুমাইছে; এনেতে শৰাই খনি আগবঢ়াই, চকুৰ পানীৰে তেলগজৰ চৰণ তিয়াই কালিন্দ্ৰীয়ে সেৱা কৰিলে, বোলে "আজিহে মোৰ বিয়া"।

---

"ঝাম্পুপেহী সঁচায়ে এটা অদ্ভুত চৰিত্ৰ
আৰু বিজয় পেহাদেউ ?"

• • •

# সৰু সৰু ঢউ

নিবোধ চৌধুৰী

মানুহজনী দেখিলেই গোসাঁনী গোসাঁনী লাগে, চন্দন গছৰ দৰে শুভ্ৰ বৰণৰ মুখত, বৈ পৰা অতি ধুনীয়া এটি জোঙা নাকেৰে, চুটি চুটিকৈ দিয়া খোজেৰে সেই মানুহজনীক দেখি প্ৰথম দৃষ্টিতে মই মুগ্ধ হৈছিলোঁ। বিজয় পেহা-দেউৱে প্ৰথম যেতিয়া মোক তেওঁৰ সমুখত ঠিয় কৰাই দি, ওৰণি লৈ সলজ্জভাৱে দুৱাৰৰ ওচৰত বৈ থকা মানুহগৰাকীক "এইয়া কোন চিনি পাইছা জানো" বুলি সুধিছিল, চকুৰে চকুৰে পৰা মানুহজনীৰ মুখলৈ খন্তেক বোবা হৈ চাই ৰৈছিলোঁ। তেওঁ এহাতেৰে ওৰণিখন আকৌ অলপ মূৰৰ আগলৈ টানি দি মুখ জোকাৰি কলে যে মোক তেওঁ চিনি পোৱা নাই।

মোৰ চিনাকি দিছিল বিজয় পেহাদেউৱে। দেউতাৰ কথা কৈছিল, মাৰ কথা কৈছিল আৰু কৈছিল "ই আজিকালি মস্ত ডাঙৰ লিখক, বৰ ভাল গল্প লিখে।" পিচৰফালে বিজয় পেহাদেউৰ মাতটো প্ৰয়ো-

জনতকৈ অধিক ডাঙৰ হৈ ওলাইছিল আৰু মই লাজতে হাঁহি এটা মাৰি যেন বুজাব বিচাৰিছিলোঁ যে গল্প লিখাটো একো ডাঙৰ কথা নহয়।

তাৰ পিচত আৰু বাহ্যিকতাৰ প্ৰশ্নই নুঠে। ঘৰৰে ল'ৰা বুলি ঝামুপেহী অৰ্থাৎ মানুহগৰাকীয়ে মোক একেবাৰে ভিতৰ বাৰান্দাত বহিবলৈ দিলে। কলে যে পেহাদেউৱে হেনো মাজে মাজে মোৰ কথা প্ৰায়েই কয়, আলোচনী বা কাকতে-পত্ৰই মোৰ গল্প ওলালে উৎসাহেৰে সেইটো তেওঁক পঢ়িবলৈ দি কেতিয়াবা "হেৰা মোকো পঢ়ি শুনোৱাচোন" বুলি বিচনাতে বাগৰি প্ৰথমে খুব আগ্ৰহেৰে শুনিবলৈ লয় আৰু অলপ পিচতে অধৈৰ্য্য হৈ বাকীখিনি পিচত শুনিম বুলি উঠি গুচি যায় গৈ। ঝামুপেহীয়ে আৰু কলে কেনেকৈ তেওঁ মই লিখা প্ৰতিটো গল্প অসীম আগ্ৰহ আৰু আনন্দৰে পঢ়িছে আৰু কেনেকৈ সদায় মনে মনে অভিলাষ কৰিছিল এবাৰ মোক চাবলৈ। আত্মপ্ৰশংসাত মই লাজ পাইছিলোঁ সঁচা, কিন্তু আনন্দও পাইছিলোঁ সন্দেহ নাই।

কথা কৈ থাকোতে ঝামুপেহীয়ে মোৰ খবৰো ললে আৰু কেতিয়াবা সময় পালে মাজে সময়ে আহি থাকিবলৈকো দঢ়াই দঢ়াই কলে। মই কলো, প্ৰেছৰ চাকৰি, সময় নেপাওঁ। মোক বহিবলৈ দি ঝামু-পেহী ভিতৰলৈ উঠি গ'ল, আৰু অকলশৰে মই বাৰান্দাত বহি সৰু ছোৱালী এজনীয়ে দি থৈ যোৱা তজা মচলাৰ গুটিবোৰ এটা-দুটাকৈ মুখত দিছিলো। কেইমিনিটমান পিচত ঝামুপেহী আকৌ আহি মোৰ সমুখতে বহি মাইতৰ খবৰ ললে, ভণ্টি দুজনীক ক'ত বিয়া দিছো, জোঁৱাই দুজনে কি কৰে, গুৱাহাটীত মই ভাড়াঘৰত আছো নে ক'ত আছোঁ ইত্যাদি একালৰ পৰা সুধি গ'ল। ময়ো চমুকৈ আটাইবোৰ প্ৰশ্নৰ উত্তৰ দিছিলো। এদিনৰ চিনাকিতে এনেদৰে আপোন কৰি সহজ স্নেহৰ প্ৰগাঢ় সম্বন্ধ এটা গঢ়ি উঠাত মই অবাক হৈছিলো। কাৰণ বিজয়পেহাদেউৰ লগত মোৰ প্ৰায় আজি ষোলবছৰ দেখা দেখি নাই। নিজৰ পেহাদেউ অৱশ্যে নহয়, মাৰ দূৰ সম্পৰ্কত আমিও পেহাদেউ বুলি মাতিছিলো। বহু আগতে আমি যেতিয়া পাঠশালা-

স্কুলত পঢ়িছিলো৷ বিজয়পেহাদেৱে ডুমডুমা পোষ্ট অফিচত কাম কৰিছিল। তেতিয়াই বিজয় পেহাদেউ আমাৰ ঘৰলৈ নিতৌ আহিছিল, কেতিয়াবা মোক মৌখিক ধৰিছিল যিটো কাৰণত মই বিজয় পেহাদেউক বেয়া পাইছিলো। পোষ্ট অফিচৰ ওচৰতে সক ঘৰ এটাত তেওঁ থাকিছিল। ঘৰৰ ভিতৰ চোতালৰ এটা কোণত এজোপা মধুৰীআমৰ গছ আছিল, পানীখোৱা ছুটিত মোৰ লগৰে নীৰেন, আব্দুল, মাতু, হাচনাইতক লৈ সেই মধুৰীআম ছিঙি আমি মনে মনে পলাইছিলো: কিন্তু কেইদিনমান একেৰাহে তেনেদৰে চুৰ কৰি পলোৱাৰ পিচত এদিন ধৰা পৰিলো। আৰু তাৰ যি শাস্তি বিজয় পেহাদেউৱে আমাক দিলে সেইয়া হ'ল সেইদিনাৰ পৰা আমি কষ্ট কৰি আৰু মধুৰীআম ছিঙাৰ প্ৰয়োজন নপৰিল, কাৰণ পানীখোৱা ছুটিত আহি আমি বিজয় পেহাদেউৰ বাৰান্দাতে সুন্দৰকৈ চিঙি থোৱা মধুৰীআম পোৱা হলো। অকল সেয়ে নহয়, কেতিয়াবা চানাচুৰ খাবলৈ দুই এক অনা পয়চাও দিছিল আমাক।

তাৰ পিচত বিজয় পেহাদেউ ডুমডুমাৰ পৰা বদলি হৈ আকুমলৈ গ'ল, তাৰ পৰা ডিগবই। তাৰ পৰা ডিব্ৰুগড়। ডিব্ৰুগড়ত থাকোঁতে মই গুৱাহাটীলৈ পঢ়িব গুছি আহোঁ গতিকে বিজয় পেহাদেউৰ খবৰ আৰু মই নেজানো। বহুদিনৰ মূৰত ঘৰলৈ গ'লে পোষ্ট অফিচৰ সেই বাটটোৰে কেতিয়াবা পাৰ হৈ আহিলে বিজয় পেহাদেউৰ ঘৰ থকা ঠাইখিনিলৈ চাওঁ, আগৰ ঘৰটোৰ ঠাইত নতুনকৈ ঘৰ সাজিছে, মধুৰীআমজোপা কিন্তু আগৰদৰেই আছে। কলেজৰ তৃতীয় বাৰ্ষিকত পঢ়োঁতে কিবা এটা কামত গোৱালপাৰালৈ যাওঁতে অলপ সময়ৰ বাবে বিজয় পেহাদেউক পাইছিলো, কিন্তু মই বাচত আহিবলগীয়া হোৱাত একো কথাই হ'ব নোৱাৰিলো। মাত্ৰ জানিলো যে তেওঁ বৰ্ত্তমান গোৱালপাৰাত। ষ্টাৰ্ট দি থকা বাচখনৰ ইঞ্জিনৰ শব্দৰ মাজতো এষাৰ কথা কোৱা মোৰ স্পষ্ট মনত আছে, "আজি নহলে থাকি যোৱা, পেহীয়েৰাই বৰ ভাল পাব।" মই নেথাকিলো। পিচত কেতিয়াবা আহিম বুলি বিদায় লৈছিলো।

পিচত আৰু যোৱা হোৱা নাই। আৰু আজি এইয়া যোল বছৰৰ মূৰত আকৌ বিজয় পেহাদেউক লগ পাইছো। সেইয়াও বৰ আকস্মিক ভাৱে। মই আছিছিলো বন্ধু এজনৰ বিয়াত। কালি বিয়াঘৰত হঠাতে বিজয় পেহাদেউৰ লগত দেখা। দেখি মোক দেখা পাইয়ে খাব খোজা তাম্ৰালখনো নোখোৱাকৈ উঠি আহি বিজয় পেহাদেউ মোৰ ওচৰ চাপিলহি। মযো আনন্দত উৎফুল্ল হৈ আগবাঢ়ি গৈছিলো। মই তেওঁক কেনেকৈ আছিলো, ক'ত আছো, কোঁওয়া যাম ইত্যাদি ভালেমান প্ৰশ্ন এক উশাহতে সুধিলে, বিজয় পেহাদেউৱে। মই কলো যে দৰাজন অৰ্থাৎ খাদ্যৰ মোৰ অন্তৰঙ্গ বন্ধু, আজি আহিছো, পৰহিলৈ যাম। বিজয় পেহাদেৱে তৎক্ষণাত কলে যে মই তেওঁৰ তালৈ যাব লাগিব। যোৱাটো নহয় বিয়াঘৰত থকা মেলাতো অসুবিধা হব। গতিকে তেওঁৰ তাতেই বাতি থাকিব লাগিব হ ব ন। লাগে। মই অলপ অপ্ৰস্তুত হৈছিলো। বিয়াঘৰৰ পৰা তেনেদৰে যাবলৈ মনে মনে অলপ বেয়া পাইছিলো। গতিকেই নম্ৰভাবে কলো যে নাই নাই"একো অসুবিধা নহয়। এনেয়ে মই বাক যাম কাইলৈ। মোক প্ৰথম দেখি যিমান উৎসাহ বিজয় পেহাদেউৰ মুখত জিলিকি উঠা দেখিছিলো, এতিয়া মোৰ এই প্ৰাণহীন উত্তৰত সেই উৎসাহ যেন ভালেখিনি কমি গ'ল। মোৰ তেনে অনুমান হ'ল। হাঁহি এটা মাৰি কলে, "কাইলৈ তই যাবি, মই থাকিম।"

যোৱা বাতিৰ টোপনি নোহোৱাৰ বাবে গাটো যথেষ্ট দুৰ্ব্বল যেন লাগি আছিল, তথাপি বিজয়পেহাদেউৰ অসীম আগ্ৰহক উপেক্ষা কৰাৰ সাহস মোৰ নহ'ল। সেয়েহে আজি বিজয়পেহাদেউৰ তালৈ আহিছোঁ। আৰু আহি মই সহজতে অনুমান কৰি লব পাৰিছোঁ যে মই অহাৰ আগজাননী পেহাদেউৱে বহু আগতেই দি থৈছে। কাৰণ অলপ সময়ৰ পিচতে মই ইমান সময় নেদেখা এজনী ছোৱালীয়ে এখন ট্ৰেত এসোপা কিবা কিবি খোৱা বস্তু মোৰ সমুখত থলে। মোৰ মুখৰ পৰা আপত্তিসূচক ভদ্ৰতাৰ খাতিৰত কোৱা কিবা কথা ওলোৱাৰ আগতে ঝাম্পেহীয়ে কৈ উঠিল— "কোনো কথা নৰজে, চব খাব

লাগিব,— খোৱা।”

ট্ৰেৰ পৰা চাহৰ কাপ আৰু জলপানৰ পিৰিচখন নমাই থৈ অলপ আতঁৰত বৈ থকা ছোৱালীজনীলৈ চাই মই যেতিয়া আকৌ টেবুল ভৰি থকা খোৱা বস্তুবোৰলৈ চকু দিছিলো, ঝাহুপেচীয়ে কলে, “তুমি হবলা আমাৰ জনাক চিনিকে নোপোৱা, এই এইনাৰ আঠ এ দিন”।

ট্ৰেখন হাতত লৈ থকা জনা নামৰ ছোৱালীজনীয়ে সামান্য-ভাৱে হাঁ’হলে। ম’যা দুই এটা কথা, যেন কলেজত কি কম্বিনেশ্যন লৈছে, ইংৰাজী কোনে পঢ়ুৱায় আদি অদৰ্কাৰী অথচ সুসুধিলে নচলা কথা সুধি যোৱাত মনোযোগ দিলোঁ। জনা ভিতৰলৈ যোৱা নাছিল। ঝাহুপেচীয়ে “যা তামোলকে আনগৈ” বুলি তাইক পঠিয়াই দিলে। মই খোৱা খুব সাৱধানে নিৰীক্ষণ কৰি ঝাহুপেচীয়ে কলে— “এইক লৈয়ে মোৰ মহাচিন্তা হৈছে।”

মই খাব খোজা চাহৰ কাপটোত মুখ নলগোৱাকৈ বৈ গলোঁ। ঝাহু-পেচীৰ মুখলৈ চাই মই সুধিলোঁ, কিয়?

ৰহি থকা মুঢ়াটো অলপ আগলৈ আনি আনি স্বাভাবিক মাততকৈ ভালেখিনি সৰু মাতেৰে ঝাহুপেহীয়ে কলে, “তোমাৰ আগত আৰু কি কথা লুকুৱাম। তুমি ঘৰৰে ল’ৰা। তাইক বিয়া দিব নোৱাৰিলে মোৰ শান্তি নাই। দেখাত তুমি দেখিলাই তাই একো বেয়া নহয়। হলেও ভাল ল’ৰা পোৱা নাই। পেহা-দেউৱাৰাই দুই এজন ল’ৰাৰ খবৰ দিছে যদিও মোৰ পিছে পছন্দ হোৱা নাই। তাই সুখত উঠা ছোৱালী মই চাই-চিন্তি গোজ মাৰি ক’ৰবাত নথলে মোক পাপে চুব”। ঝাহুপেচীৰ কথাবোৰ মই ভালদৰে সুবুজিলোঁ। জনাৰ দৰে ছোৱালী, এজনীৰ বাবে ভাল ল’ৰা এটা পোৱা বিশেষ একো টান নহ’ব বুলিয়ে মোৰ ধাৰণা অথচ ল’ৰা এটা পাইও ঝাহুপেহীৰ পছন্দ হোৱা নাই, কিয়?

সেই বাবেই মই কলো, সময় হলেই সব ঠিক হৈ যাব, তাইৰ বয়সো হোৱা নাই। এতিয়া পঢ়িয়ে থাককচোন।

মোৰ কথাত ঝাহুপেহী আশ্বস্ত নহ’ল। গভীৰ উৎকণ্ঠাৰে আকৌ

কলে, "সেইটোৱে হৈছে বিপদ, তাইক মই বেছি দিন ৰাখিব নোৱাৰো।, ৰাখিলেই ঘৰখনত এখন অশান্তিহে হ'ব। তুমি জবাৰ তলৰ জনী দেখা নাই। এইবাৰ ক্লাচ টেন পাইছে। মামাকহঁতৰ তাত আজি দেৰ বছৰ হ'ল থৈ দিছোঁ। তাতে পঢ়ি আছে। তাইৰ ডাঙৰ হৈ আহিছে মানে মোৰ বিপদ হৈছে। যোৱা বছৰ উপায় নেপায়হে মই ৰেবাক মামাকহঁতৰ তাত থোৱাইছোঁ।

ৰাহুপেহীৰ প্ৰত্যেকটো কথাৰ পিচত মই যেন এক অজ্ঞাত ৰহস্যৰ মাজতহে সোমাইছোঁ, এনে লাগিল। কিবা এটা কথা কব বিচাৰিছে অথচ একেবাৰে কব পৰা নাই। জবা ডাঙৰ হৈছে। ৰেবা ডাঙৰ হৈছে তাত বিপদটো কি হৈছে। জবাক বিয়া দিয়াৰ পিচত ৰেবাক বিয়া দিব। তাৰোপৰি ৰেবা ক্লাচ টেনত। গতিকে আৰু তিনি চাৰি-বছৰ পিচত তাইক বিয়া দিলেওতো ক্ষতি নাই। তেন্তে কিহৰ এই উৎকণ্ঠা? আৰু কি কাৰণতে বা ৰেবাক মামাকহঁতৰ তাত থবলগীয়া হ'ল। প্ৰায় সমনীয়া বায়েক-ভনীয়েক থকাটো কোনো আচৰিত কথা নহয়। এইবোৰ কথা মনে মনে ভাবিয়ে এক অদ্ভুত অস্বস্তি আৰু অশান্তিত মই চাহ খোৱা শেষ কৰিলোঁ।

ইতিমধ্যে জবাই বটা এখনত তামোল দি থৈ গ'ল। মই আকৌ এবাৰ তাইৰ মুখলৈ চাই কিয় ক'ব নোৱাৰো মনতে সেই মুখৰ ছবি এখন ভাবি থলো। ৰাহুপেহীয়ে বটাখন আগবঢ়াই দি তামোল খাবলৈ কৈ আকৌ কলে, "তুমি গুৱাহাটীত থাকা, কত মানুহৰে লগত তোমাৰ জনা-শুনা আছে। অলপ মন কাণ কৰিবাচোন, কৰবাত মনে খোৱা তোমাৰ চিনাকি ল'ৰা ওলাই নেকি?"

মই সন্মতিসূচকভাবে চাম বুলি ক'লো, যদিও পিচ মুহূৰ্ত্ততে মই ভাবিছিলো যে মই বিচাৰি দিয়া ল'ৰালৈ জবাৰ বিয়া বাট চাব লাগিলে এই জনমত আৰু হয়তো বিয়াই হৈ নুঠিব। কিয় কব নোৱাৰো ৰাহুপেহীৰ প্ৰথম দৃষ্টিত দেখা সেই সুন্দৰ মুখখনৰ মাজত এইবোৰ কথা কৈ অতোৱাৰ পিচত এক অনমনীয় কৰুণ আভাই ম্লান কৰি তোলাৰ দৰে লাগিল। বাহিৰৰত

এন্ধাৰ হৈ আহিছিল। মইও যাবলৈ উঠিলো। এনেতে হৰমুৰকৈ কেইটা-মান লৰা-ছোৱালী সোমাই আহিল। দহ বাৰবছৰীয়া ফ্ৰক পিন্ধা ছোৱালী এজনীয়ে মোক দেখি থত্‌মত্‌ খাই মাকৰ ওচৰ পালে। ঝান্নু পেহীয়ে চিনাকি কৰি দিলে, "এইজনী ৰেবাৰ তলৰ, নাম ৰাণী সৌটো এইৰ তলৰ ঘৰত মাতো বুবুল বুলি, আচল নাম ৰঞ্জিত আৰু সেইজনী একেবাৰে সৰু।" তিনিওটা ল'ৰা-ছোৱালী সোমাই অহাৰ পিচত বিজয় পেহাদেউ সোমাই আহিল। মই ঠিয় হৈ ৰৈ থকা দেখি সুধিলে—"তই যাবলৈ উঠিলিয়েই নে, বহ বহ, মই ইহঁত কেইটাৰ লগত অলপ বাটে বাটে ফুৰি আহিলো। তই তেনে কাইলৈ ৰাতিপুৱাই যাবি?" মই অঁ বুলি কৈ দ্বিতীয়বাৰ বহাৰ পৰা যাবলৈ উঠিলো। বিজয় পেহাদেউ উঠিল, ঝান্নুপেহীও। ঝান্নুপেহীয়েও আকৌ কেতিয়ালৈ সময় কৰি আহিবলৈ কৈ, মাজে সময়ে চিঠিপত্ৰও দি থাকিবলৈ কলে। জবাব মুখলৈ চাই যাওঁ বুলি কওঁতে এইবাৰ ছোৱালীজনীয়ে কলে—"নতুন গল্প পঢ়িবলৈ দৈ থাকিব।"

জবাব কথাত মোৰ হাঁহি উঠিল, ঝান্নুপেহীয়েও কিন্তু জীয়েকৰ কথাতে হয়তৰ দি পুৰ্ণবা কলে—"তোমাৰ গল্প পালে তাইক একোৱে নেলাগে।"

গেটৰ ওচৰলৈ আটাইকেইজন আহিছিল। আলিবাট উঠাৰ লগে লগে বিজয় পেহাদেউ 'মইও যাওঁৰ,' বুলি ওলাই আহিল। দুয়ো আগবাঢ়িলো। এন্ধাৰ তেতিয়া ভালদৰেই হৈছিল। কিছুদূৰ অহাৰ পিচত বিজয় পেহাদেউৰে সুধিলে——"পেহীয়েৰাট কিবা কথা কলে নেকি"? কথাষাৰ সুধি মোৰ পৰা উত্তৰ নেপাই আকৌ কলে—"মানে জবা—ৰেবাৰ কথা"।

মই সহজভাৱে কলো যে, জবাৰ বিয়াৰ কথা কৈছে, ল'ৰা হেনো পোৱা নাই, ৰেবা হেনো মামাকহঁতৰ ভাত থাকি পঢ়ে। এইখিনিয়ে।

মোৰ উত্তৰত বিজয় পেহাদেউৱে অলপ সময় থমকি ৰ'ল। তাৰ পিচত আকৌ কলে, "জবাক লৈয়ে মোৰ মহা চিন্তা। মই দুই এটা ল'ৰা পাইছো, কিন্তু মাকক

পছন্দ হোৱা নাই। অথচ লোক-কালে ত্ৰিয়াখন নিদিলে দেৱাক লৈ আৰু এখন অশান্তি।"

মই অৱাক্ হৈ বিজয় পেহা-দেউৰ কথা শুনিছিলো আৰু ভাবি আচৰিত হৈছিলো ঝানুপেহী আৰু বিজয় পেহাদেউৰ কথাৰ এই অদ্ভুত সাদৃশ্য কেনেকৈ? মাক-বাপেক দুয়ো একেদৰেই কথাটো ভাবিছে নে? মোৰ মনত অলপ সন্দেহ হ'ল"।

বিজয় পেহাদেউয়ে এইবাৰ এন্ধাৰতে মোৰ মুখলৈ কেইবাৰাৰো চোৱা মোৰ চকুত পৰিল। অলপ ৰৈ কলে,—"সেইবোৰ বহু কথা, জবা-দেবা একেলগে থাকিব নোৱাৰে, জবাক দেখিলেই দেবাৰ অশান্তিত ঠাই নোহোৱা হয়। সৰু সৰু কথাকে লৈ তাই এখন বিৰাট অশান্তিৰ সৃষ্টি কৰি পেলায়। বায়েক-ভনীয়েকৰ মাজত যি মৰম স্নেহ থাকিব লাগে সেইয়া তাহাঁত দুয়োৰ মাজত একেবাৰে নাই। অৱশ্যে মই জানো জবা মোৰ লক্ষ্মী ছোৱালী। একেবাৰে মাকৰ দৰে।" পিচৰফালে বিজয় পেহাদেউৰ মাতটো যথেষ্ট করুণ যেন শুনাইছিল।

আৰু পিচত মই আৰু কোনো প্ৰশ্নই সোধা নাছিলো, বিজয় পেহা-দেউয়েও কোৱা নাছিল। মোক চাৰিআলি এটাৰ মূৰত বিদায় দি বিজয় পেহাদেউ গলগৈ।

বিয়াঘৰৰ হুলস্থুল শেষ হোৱা ই নাছিল। মোৰ অনুপস্থিতিয়ে মোৰ বন্ধুক চিন্তান্বিত কৰি তুলিছিল, কাৰণ মই কলৈ গৈছিলো সেই-বিষয়ে একো কথাই কৈ যোৱা নাছিলো। মনটো মোৰ এক অজান ক্লান্তিত গধুৰ হৈ পৰিছিল। ঝানুপেহী আৰু বিজয় পেহাদেউৰ লগত কটোৱা আজিৰ এই অলপ সময়ৰ ব্যৱধানে মোৰ মনৰ ছবি ওলট-পালট কৰি দিলে। কাৰণ বিজয় পেহাদেউক ষোলবছৰৰ মূৰত লগ পোৱাৰ যি আনন্দ আৰু আগ্ৰহৰ আতিশয্যত মই ইয়াৰ পৰা ওলাই গৈছিলো, তেওঁলোকৰ সতে ইমান সময় কটাই এতিয়া উভতি আহি মোৰ ভাব হৈছে, মই বিজয় পেহাদেউ, ঝানুপেহী, জবাহঁতক লগ নোপোৱাহেঁতেনেই ভাল আছিল।

লাইটটো ইচ্ছা কৰিয়ে জ্বলোৱা

লেখিছিলো।? বাহিৰত বিয়াখনৰ স্বাভাৱিক হুলস্থুল আছেই। কাইলৈ ৰাতিপুৱাই ট্ৰেইনখন ধৰিব লাগিব। মনতে ভাবিলোঁ। এনেতে মোক বিচাৰি ৰাজীৱ সোমাই আহিল। আহিয়ে সুধিলে ইমান সময় ক'লৈ গৈছিলে।? হঠাতে এটা কথা মোৰ মগজুত খেলিলে, কিজানি বিজয় পেহাদেউৰ কথা ৰাজীৱে জানেই, কাৰণ ইয়াত থকা বিজয় পেহাদেউৰ কেনো চাৰি-বছৰমান বেছি হ'ল। মই একো ভূমিকা নকৰাকৈয়ে ৰাজীৱক গোটেইখিনি বিবৰি কলো। বিজয়-পেহাদেউক সৰুতে ডুমডুমাত লগ পোৱাৰ পৰা আৰম্ভ কৰি আজিৰ অলপ আগলৈ হোৱা আটাইখিনি কথা। মোৰ কথা শুনি ৰাজীৱে নিৰ্বিকাৰ ভাৱে যি কথা কলে সেইয়া মোৰ কল্পনাৰো বাহিৰত আছিল। ৰাজীৱে কৈছিল যে ঝান্নুপেহী বিজয় পেহাদেউৰ দ্বিতীয় পক্ষৰ ঘৈণীয়েক। আগৰ কথা তেওঁ সিমান নেজানে, কিন্তু যি শুনিছে ঝান্নু পেহীৰ বায়েকক বিয়া কৰাইছিল বিজয় পেহাদেউৱে। গোৱালপাৰাত থাকোতে জবাৰ মাকৰ মৃত্যু হয়। সেইসময়ত ঝান্নুপেহী বায়েকৰ লগতে আছিল। জবা তেতিয়া কেচুৱা। ঝান্নুপেহীয়ে আলফুলে তাইক ডাঙৰ দীঘল কৰে আৰু এদিন বিজয় পেহাদেউৱে ধুমধুমাৰেই খুলশালীয়েক ঝান্নুক জবাৰ মাক কৰি ঘৰলৈ লৈ আহে। ঝান্নুপেহীৰ কোলৰ ল'ৰা ছোৱালী চাৰিটা। ৰেবা, ৰাণী বুবুল আৰু সৰু এজনী। জবা ৰেবা ডাঙৰ হৈ অহাৰ লগে লগে অন্য এক সমস্যাই দেখা দিলে। সেইয়া হ'ল যে ৰেবাই কিবাকৈ জানিলে যে জবা তাইৰ আপোন বায়েক নহয়। তেতিয়াৰে পৰা তাই জবাক বেয়া ব্যৱহাৰ কৰে, সৰু কথাকে ডাঙৰ কৰি হুলস্থুল লগাই দিয়ে, কাজিয়া কৰে, মাৰে ইত্যাদি। অৱস্থাই চৰম ৰূপ লোৱাৰ আগতে ঝান্নুপেহীয়ে ৰেবাক মাকইতৰ ঘৰত থৈ আহে। ঝান্নুপেহীৰ একমাত্ৰ চিন্তা কেনেকৈ এটি ভাল ল'ৰাৰ হাতত জবাক তুলি দিব পাৰে।

কথাখিনি কৈ ৰাজীৱে বৈ গৈছিল। মই মন্ত্ৰমুগ্ধৰ দৰে কথাবোৰ শুনিছিলো। মোৰ পৰা একো উত্তৰ নেপাই ৰাজীৱে শুধিলে— "তুমি

কি ভাবিছা। হেভ ইউ কাইণ্ড চাৰ্মিং ইণ্টাৰেষ্টিং। গল্প লিখিবা নেকি ?” হাঁহি হাঁহি বাজীৰ ওলাই গৈছিল। কৈছিল, “তুমি বহা মই চাহ একাপ পঠিয়াই দিছোঁ”।

বাজীৱ যোৱাৰ পিচত মই ভাবিছিলো অইন এটা কথা। গোসাঁনী গোসাঁনী লগা ঝাম্পেহী সচায়ে এটা অদ্ভুত চৰিত্ৰ। আৰু বিজয় পেহাদেউ ? কিয় কৰ নোৱাৰো সকতে মধুৰীআম খাবলৈ দিয়া, চানাচুৰ খাবলৈ পইচা দিয়া বিজয়-পেহাদেউক আজি মোৰ হঠাতে এই মুহূৰ্ত্তত ভীষণ বেয়া লাগি গ'ল। সকতে মৌখিক সোধা বাবে যিমান বেযা পাইছিলো তাতোকৈ বেছি বেয়া।

---

## অধ্যাপকৰ সপোন

অধ্যাপক এজনে মনস্তত্ত্ববিদ এজনৰ আগত তেওঁ দেখা সপোন এটাৰ এইদৰে বিবৰণ দিছিল “সপোনত দেখিলো, মই শ্ৰেণী এটাত পঢ়াই আছো। সাৰপাই দেখোঁ, মই সচাঁসচিকৈয়ে তাকেই কৰি আছো।”

---

সঙ্গমৰ পাঠক পাঠিকা আৰু পৃষ্ঠপোষক সকললৈ বিহুৰ ওলগ আৰু নৱবৰ্ষৰ শুভেচ্ছা জনাইছো।

**ডিব্ৰুগড় লাইব্ৰেৰী**

নতুন বজাৰ, ডিব্ৰুগড়।

"জীৱনলৈ ছেগ এবাৰহে আহে।
মোৰ দৰে ছেগ হেৰুৱা তিৰোতা
আৰু বা কত আছে!"

# প্ৰেম ডিঙৰাৰে পাল

লক্ষ্মীনন্দন বৰা

মাথোঁ চকুচৰহা তলখুচৰীয়া তিৰোতাই নহয়, গাঁৱৰ মকালোৱেই গম পালে যে অধিকাৰ উত্তম দেৱগোস্বামীৰ বৰ জীয়েক সুজলা বিয়াৰ এমাহৰ পিচত ওপজা ঘৰখনলৈ আহিল যদিও ইয়াত নিশ্চয় কিবা এটা কেলেঙ্কাৰী কথা আছে। নবৈৰণীৰ লগত গিৰীয়েক অহা নাছিল। আৰু এটা নাশ্ৰুত-নাভূত কথা গঞাই লক্ষ্য কৰিলে, —সিহঁত আঠ মঙলা খাবলৈকো অহা নাছিল। এমাহৰ পাছত সুজলা নিজৰ ঘৰলৈ আহিছিল দেওৰেক এটাৰ লগতহে। গিৰীয়েক-জনৰ ইমান কামনে? সিনো কি বজা বন্দী কৰা কাম কৰে? বিয়াৰ দিনাতো বাদে সি শহুৰেকৰ ঘৰ গচকা নাই। শুনা গৈছে, সি পলাশগুৰি সত্ৰৰ ডেকা অধিকাৰৰ পুতেক যদিও তাৰ সত্ৰৰ লগত বিশেষ সম্পৰ্ক নাই। সি চহৰত তৰণী কাম কৰে। ঘৰুৱা লেখাও তাৰ বহুত। বৰ ৰসজীপ থকা মানুহ নহয়।

সুজলা সাত দিন থাকিল। তাইক দুই এজনী তিৰোতাই কেতিয়া

যাৰপৈ বুলি সুধিলেও সঠিক উত্তৰ নিদিয়া হ'ল। এজনীয়ে গিৰীয়েক কেতিয়া আহিব বুলি সোধাত তাই মাথো ক'লে যে তেওঁ সময় পালে আহিব। কিন্তু গিৰীয়েক ঘনকান্তৰ জানো তাইক নিবলৈ আহিবলৈ সময় হ'ল?

চাই থাকোতেই এবছৰ পাৰ হল। সুজলা মাকৰ ঘৰতে এবছৰ ৰ'ল তাই আজি-কালি ওলাই সোমাই ফুৰে। ফোঁট লয়, সেওঁতাত এসেৰা সেন্দুৰ লয়। পিছে আগৰ দৰে ভমকাফুলীয়া ৰিহা আৰু কেঁচপতীয়া পাৰিৰ মেখেলা নিপিন্ধে। ঘৰলৈ আলচী-তুলচী আহিলে সাউৎকৰে শোৱনি-ঘৰ সোমায়। ৺ কৰাৰে নতুন মানুহ আহিলে হয়তো ভু নেপাব যে সুজলা মাকৰ ঘৰত আছে।

এইবাৰতে ওচৰ-চুবুৰীয়াৰ চকু থিৰ হ'ল।—এই কিয় যোৱা যোৱা নাই? প্ৰথমটো কেঁচুৱা পাৰৰ সময়তহে সাধাৰণতে জীয়েক মাকৰ লগত থাকেহি! এই আহিল যে আহিলেই আৰু ঘৰতে টৌ খুটি মাৰি বহিলহি! তলখুচৰীয়া মানুহ-বোৰে, বিশেষকৈ তিৰোতাবোৰে ইমান দিনে গতি-গোত্ৰ চা আছিল। একো অভিমত দিয়া নাছিল সুজলা অধিকাৰৰ জীয়েক কাৰণহে। পিছে সিহঁতে ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে। পৰৰ কথা ক'বলৈ নেপালে এইবোৰ তিৰোতাৰ মুখত তামোলখনে পাগ নলয়। সিহঁতে বহুত কিবাকিবি উলিয়ালে। সুজলা হেনো বিষ বেমাৰী কাৰণে গিৰীয়েকৰ অপছন হ'ল। এজনীয়ে ইমানকো ক'বলৈ সাহ কৰিলে যে ঘনকান্তৰ হেনো গাত পুৰুষৰ লক্ষণ নাই। মহাভাৰতৰ শিখণ্ডী যেনেকুৱা সিও তেনেকুৱা। মুলাই মেধিৰ ঘৈণীয়েক সৈয়াই আৰু এটা নতুন কথা উলিয়ালে। সুজলাৰ শাহুয়েক হেনো সাক্ষাৎ যমডাকিনী তিকতা। তাই বোৱাৰীয়েকক বোলে বান্দীৰ দৰে বোৱালে। অকণ-মান তুৰি-মুৰি কৰিলেই বোলে সাত পুৰুষক ধৰি গালি পাৰে। এদিন বোলে চুলি ঘঁটাও দিলে। অতি আচৰিত কথা যে এইবোৰ দেখি নিজৰ মতাটোৱে ভ-বাম-উত্তম-অধম একো নকলে। এনেবোৰ সন্তাপ পায়েই সুজলা ঘৰ ওলালহি। লগত অৱশ্যে দেওৰেককটো আহিছিল

এই কাৰণেই যাতে আনে একো গম নোপোৱাকৈ…

এই ক্ষাৰণেই যাতে আনে একো গুৰিৰ নোপাৱে।

ছুবছৰ পাৰ হ'ল। ছুবছৰত ছুটা ফাগুণ, ছুটা বাৰিষা, ছুটা শৰত, ছুটা বৃন্ধু চেঁচা কৰা শীত। বহুত দিন। গাভৰু তিৰোতাৰ কাৰণে যে প্ৰতিটো দিনেই যৌৱনৰ স্বৰূপ। সুজলাৰ যৌৱন নহ'ল কিয়? হ'বও পাৰেতো। এনেকুৱা দৃষ্টান্ত আছে। এইখন গাৱঁৰে তৰু-ণাৰ সোণাইত ডুবি মৰিছিল বিয়াৰ এমাহৰ পাচত। কিন্তু সময়ত, তাৰ মৃত্যুৰ ন মাহৰ পাচত বিধৱা বৈষ্ণীয়েকৰ এটা ল'ৰা হ'ল।

সুজলাই আ জি কা লি ফুল দিয়া কানি-কাপোৰ নিপিন্ধে। অ', পাহৰিছোঁৱেই। তাই বিধৱাৰ দৰে ঠান কাপোৰহে পিন্ধে। ফোঁট নলয়। সেওতাত সেন্দুৰ নলয়। অকলে অকলে দিন নিয়ায়। ছুবছৰৰ পাচত মানুহে তাইৰ অস্তিত্ব অনুভৱ নকৰা হয়। কোনেও একো কথা নকটে।

হঠাতে আকৌ সুজলাক লৈ সকলো মুখৰ কৈ পৰে। দখি গাঁৱৰেৰ পুতেক পলাশগুৰি সত্ৰৰ পিনে চিটাদাৰ। সি নতুন খবৰ গাৱঁত দিলেহি। সুজলা যে খুব সুন্দৰী হব তাৰ নিশ্চিত আশা দেখা গ'ল। ঘনকান্তই আৰু এজনী বিয়া কৰালে। উপায় নাই। তেনেহলে সুজলাৰ বাপেক উত্তম অধিকাৰে গোচৰ নকৰে কিয়? গাঁৱৰেৰ পুতেকে কয় যে অধিকাৰে গোচৰ কৰিব নোৱাৰে। ইয়াৰ কাৰণ এয়ে যে নাম থকা সত্ৰৰ গোঁসাইৰ জীয়াৰীয়ে আদালতৰ গঁৰালত উঠিলে সন্মান যাব আৰু ঘৰুৱা কথাবোৰ সকলোৱে জনাজনি হব, সত্ৰৰ সুনামত ছাঁই পৰিব। আঁচলতে গোচৰ কৰিলে অধিকাৰৰ জিকাৰ লেশ মানো আশা নাই। কাৰণ, সকলো দোষৰ আদিমুল হ'ল সুজলা। তাই উলামূলা ছোৱালী নহয়। গোসানী যদিও পূৰ্ব্বতে পৰৰ ঘাটত পানী খোৱা। তাইৰ মন পূৰ্ব্বতেই বেয়াকৈ অশুচি হৈছিল; কিজানি দেহো। ঘনকান্তও তৰুণী মানুহ। গাৱঁ-ভুঁএ অলেখ মানুহৰ লগত চিনাকি। এৰা হ'বই। সকলো গাৱঁৰ মানুহইতো কেছাৰি ঘৰলৈ আছে। সি কথাটো ভু পালে; কিন্তু সাক্ষাৎ প্ৰমাণ নেপালে।

এনে ক্ষেত্ৰত দোষৰ দেখা সাক্ষী নোথাকেই। তথাপি পাপৰ পৰাচিত্ত আছেই। পৰাচিত্তটো হ'ল, তাই-ধঁৰে তিৰোতা তালৈকে গৈ ওৰে জীৱন হামিয়াই চিকটিয়াই থাকক। সাপত বিশ্বাস নাই, সাপিনী আৰু চৰা। যি তিৰোতাৰ এবাৰ পৰ পুৰুষত (যদিও প্ৰথম পুৰুষ) মন বহিল, তাইৰ মন সেই দিনাৰ পৰাই পখিলী হ'ল। এনে মনৰ তিৰোতাক চান্দ সদাগৰৰ মেৰঘৰত ৰখাও লাভ নাই; বাণ ৰজাই অগ্নিগড়ত ৰখাও লাভ নাই। শুনা যায়, ঘনকান্তই তেনে তাইৰ নিৰাভৰণ দেহত প্ৰমাণ পালে। তাৰ চিন আছে স্তনত। ইয়াৰ উপৰিভাগ বেঙুনীয়া হ'ব লাগে। কিন্তু দেখিলে যে গাঢ় ক'লাহে। তিৰোতা সম্পৰ্কে ইমান বেচিকৈ জানে কাৰণেই তাৰ মগজুত কোদো-ৰবলে কামুৰিবলৈ ধৰিলে। এসপ্তাহ সুজলা খুব ভাল গৃহিনীৰেই আছিল। চেহেৰাও লক্ষ্মী গোঁসানী যেন। ডেকা অধিকাৰৰ ঘৰ শুৱাই আছিল। কিন্তু এই চিনটোৱেই কাল হ'ল। (যদিও সি পোৱা লক্ষণৰ যুক্তিগত কাৰণ, বা আজিকালিৰ ভাষাত বিজ্ঞানসন্মত কাৰণ আছে বুলি সি নেজানে।) সি সদায় চাইকেল মাৰি টাউনলৈ আহে যদিও, বহুত টাউ-নীয়া মানুহ তাৰ চিনাকি যদিও, সি পুৰণিকলীয়া দস্তুৰ একো এৰিব পৰা নাই। বিশেষকৈ এনেবোৰ দস্তুৰ এৰিব পৰা নাই, যিবোৰ খুব নিষ্ঠুৰ আৰু আত্মাক্ৰমী। তাৰো জীৱনত সুজনী, অ' নহয় তিনিজনী গাভৰুৰ লগত কিবাকিবি হৈ গ'ল। সি এলাপেচা মানুহ নহয়। ধুনীয়াকৈ কথা কয়। মিঠা কথা পিচে গুড়ৰ দৰে সোৱাদ যেন লাগিলেও আচ-লতে গুড়েৰে তৈয়াৰ কৰা মদৰহে নিচা আছে। বিয়া কৰাই সি কিবাটো হৈ পৰিল; তাৰ মনটোত সত্ৰৰ পুৰণি এলান্ধুৱে বাঁহ ললে; আগতে সি যিমান উদাৰ আছিল, এতিয়া সি সিমান নীচ হ'ল। সি এইখিনি কথা সপোনতো ভাবিব নোৱাৰিলে যে বিয়াৰ পাচৰ জীৱন, খাপ খাই চলিবলগীয়া জীৱন। এই জীৱনত প্ৰেমৰ অঙ্কুৰ গজে পাৰস্প-ৰিক মমত্ব-বোধত। এই জীৱনে এৰি অহা জীৱনক দায়িত্বহীন বুলি ভাবে। সেই কাৰণে, অতৰ্কিতে ক্ষণিক বা ক্ষণপ্ৰভা তাড়নাত যদি কাৰোবাৰ

ৰস পিছলে, য়েনিবা অতি বেয়াকৈয়ে পিছলি একাষ ভুৰে, তাইকো ক্ষমা কৰিব পাৰি। একে জীৱনতে প্ৰেমৰ সুকীয়া সৱকম্ম হয়। এইটো সঁচা কথা। কিন্তু সূৰ্য্যকান্ত মাইৰৰ দৰে তাৰ এই উদাৰতা নাই। সূৰ্য্যকান্তৰ পাৰিবাৰিক জীৱন আনন্দেৰে উখল-মাখল বুলি জানিও সি লক্ষী গোসামী যেন সৰ্ব্বগুণী তিৰোতা সুজলাক ক্ষমা কৰিব নোৱাৰিলে। সকলো কথাতে সন্দেহ কৰা হ'ল। তাই মনে মনে থাকিলেও কাৰোবাৰ কথা ভাবিছে বুলি সি ধৰি লোৱা হ'ল। পিন্ধা আঙঠি চাৰিটাৰ কোনোবা দুটা কোনোবা অনামী প্ৰেমিকে উপহাৰ দিছে বুলি ভাব হ'ল। এপৰৰ পাচত দুয়োৰে কথা কটাকটি হ'ল। তৃতীয় সপ্তাহত মাত-বোল বন্ধ। আৰু এই দৰে এমাহেই নচলিল।

আমি ম'ৰাপুৰ সত্ৰৰ মানুহ। ইয়াৰে সত্ৰাধিকাৰ সুজলাৰ বাপেক। সোণাইপৰীয়া সত্ৰখন প্ৰতাপী বুলি ক'ব নোৱাৰি। কাৰণ, ইয়াৰ ভালে-মানে দক্ষিণপাট-কমলাবাৰী দেখিছে। কিন্তু এই সত্ৰৰ নাম আছে। ইয়াৰ নাম-যাত্ৰাৰ ভাওনা নগাওঁ জিলাত বৈ বৈ যোৱা ধৰণৰ। এই সত্ৰৰ শিচ্-ভকতো ভালেমান যদিও, অধিকাৰক বসজীপ থকা মানুহ বুলি ক'ব পাৰি; ফুলতো চহকী বুলি ক'ব নোৱাৰি। আমাৰ সত্ৰৰ মানুহ-বোৰ সুদা বিধৰ নহয়। অৱশ্যে আমাৰ ঠাইখন একো দেখত ল'ব-লগীয়া দেখনিয়াৰ ঠাই নহয়। ইয়াৰ মানুহে পৰোক্ষভাৱে চিটাদাৰৰ মুখে ইমানবোৰ কথা শুনি হৰি হৰি মাতিলে। আমি ইমান অজ্ঞ! পলাশগুৰিৰ ঘলক-ভৰো জীৱন উচ্ছৃঙ্খল আছিল। আমাৰ ইয়াৰ সুজলায়ো গণ্ডগোল লগা-ইছিল। কিন্তু কাৰ লগত, কেতিয়া আৰু কে নে কৈ,—আমি একো নেজানো। তেনেহলে সুজলা কম শ্ৰেণীৰ ছোৱালী নহয়। ধৰাপৰা-বোৰতকৈ ধৰা নপৰাবোৰহে ওপৰ শ্ৰেণীৰ।

অৱশ্যে ধৰা নপৰিবৰ কাৰণো আছে। ম'ৰাপুৰ সত্ৰৰ অধিকাৰৰ ঘৰটো প্ৰকাণ্ড। অধিকাৰ যি কোঠা-লিত প্ৰসঙ্গ কৰাৰ পাচত বহে, তালৈহে আলচী আৰু আন মানুহ সোমাব পাৰে। মাইকী মানুহ বহে তাৰ কাষৰ কোঠাটোত। বাকীবোৰ কোঠা সাধাৰণ মানুহে খচকিব পৰা

নাই। তদুপৰি চুৱা-ধুতিৰ বাচবিচাৰ ইমান বেচি যে অধিকাৰৰ ঘৰখনত গোপনীয়তা প্ৰচুৰ। এনে ক্ষেত্ৰত জীয়াৰী সুজলাৰ গতি-বিধি লক্ষ্য কৰা কঠিন। সেই কাৰণে তাইৰ বিষয়ে জনাও অসম্ভৱ।

এসময়ত অধিকাৰৰ ঘৰৰ গোপন অৱস্থান হয়তো সুজলাৰ কাৰণে আনন্দৰ বিষয় আছিল। এতিয়া এই ঘৰখনেই তাইৰ কাৰণে পোতাশাল হৈ পৰিছে। তাইৰ ওপৰত ধৰৰ সকলোৰে কাৰা নজৰ। জীয়াৰী কালত তাই গোঁসাই পৰিয়ালৰ ইঘৰ-সিঘৰ ফুৰিছিল, লগৰ ছোৱালীৰ লগত হাঁহি-তামাচা কৰিছিল, নামঘৰত ভাওনা চাইছিল আৰু সিহঁতৰ মিটিৰ কুটুমৰ ঘৰলৈকো গৈছিল। জীৱনত বৈচিত্ৰ আছিল। কল্পনা বিলাসী গাভৰু মনটো কপোৱা তুলাৰ দৰে উৰিছিল। জীৱনত জীয়াই থকাৰ গতি বিচাৰি পাইছিল। কিন্তু মাজতে যে কি হৈ গ'ল! মাকৰ আৰু বাপেকৰ, আনকি সৰু ককায়েকটোৰো তাইলৈ অতিপাত সন্দেহ হ'ল আৰু খৰধৰ কৰি তাইক সোনকালে এঘৰলৈ উলিয়াই দিয়াৰ মূলতে হ'ল এই সন্দেহ। কিন্তু এতিয়া তাই সধবাও নহয় বিধবাও নহয়; বোৱাৰীও নহয় জীয়াৰীও নহয়। তিৰোতাও নহয় ছোৱালীও নহয়। দিন আৰু ৰাতিৰ সংমিশ্ৰণৰ, মানে সন্ধিয়াৰ কোনো এটা মুহূৰ্ত্তৰ, লগত তাইক ৰিজাব পাৰি। তাই ইঘৰে সিঘৰে ফুৰুৰে। কাৰণ তাইক মানুহে আজিকালি অৱজ্ঞাৰ চকুৰে চায়। লগৰ ছোৱালীবোৰে কিজানি আওহেলা নকৰিলেহেঁতেন। কিন্তু সিহঁতো এতিয়া পৰৰ ঘৰত গৃহিনী হ'লগৈ। মিটিৰ-কুটুমৰ ঘৰলৈ যাবলৈকো তাইৰ আগৰ দিন নাই আৰু যোৱাটো লাজৰ কথাও। তদুপৰি তাই ওলাই সোমাই ফুৰাটো, ভাওনা সবাহলৈ যোৱাটো আৰু আলচী আহিলে সিহঁতৰ লগত আলোচনাৰ ভাগ লোৱাটো ও অধিকাৰ, মাক আৰু ককায়েকে পছন্দ নকৰিছিল। গিৰীয়েকক এৰি অহা প্ৰথম অৱস্থাত তাই মাকৰ পৰা টান কথাও শুনিছিল। তেওঁ-লোকে ভাবে, সুজলা সকলোৰে চকুত পৰি থকাকৈ বাস কৰাটো অৰ্থাৎ স্বামীত্যক্ত ছোৱালীজনীয়ে

আপোন অস্তিত্ব বজাই ৰাখ কথাটো অধিকাৰৰ বংশৰ কাৰণে অপযশৰ বিষয়। এই কথা তাই বুজি পালে। এই দুবছৰ তাই যে নিজক কিমান অকলশৰীয়া কৰি ৰাখিছে। কা'কো মনৰ কথা খুলি কব পৰা নাই। নিজে ভৰা কথাবোৰ প্ৰতি দিনে আউল লাগিহে গৈছে। খাইছে বইছে, শুইছে আৰু আছে। ইমানেই। প্ৰকাণ্ড পৃথিৱীখনে তাইক খবৰ কৰা নাই। সজাৰ পখীবো সময়ত আপোন প্ৰাধান্য আছে। সুজলাৰহে নাই। ভাল বংশ, ভাল অধিকাৰৰ জীয়েক, ভাল সত্ৰ—এইবোৰেই তাইৰ কাল হ'ল। তাই ভাবিলে, অতি সাধাৰণ হ'বলৈ। সোণাইত মাছ ধৰা ছোৱালীবোৰ, চেদাৰি পাটি দিন নিওৱা চীৰা মানুহখিনি আৰু জুপুৰী ঘৰত ৰাতি শুই 'চালগান' কৰা পশ্চিমীয়া মাটিকটা কুলিবোৰো তাইৰ তুলনাত কিমান সুখী। এই সাধাৰণ মানুহবোৰ বনৰ পখীৰ দৰেই স্বাভাৱিক আৰু মুক্ত। কিন্তু তাই যে সতিনী পটা সোৱাৰীতকৈও অসুখী। সকলোৰে জীৱনত এটা পৰিণতি আছে, হয়তো সকলোৰে একোটা উদ্দেশ্যও আছে। সেই কাৰণেই সকলোৰে জীৱনত গতি-ছন্দ আছে। কিন্তু তাইহে এটা শুকান গছৰ মূঢ়া। তাই গাভৰু। সেই কাৰণেই তাইৰ এটা নতুন চেতনা হৈছে— যাৰ জীৱনত মৰমৰ লগত কামনা মিহলি ন'হল, যাৰ জীৱনত মনৰ মানুহ বনবাসী হ'ল,—সেইজনী তিৰোতাৰ জীয়াই থকাৰ লাভ কি? তথাপি তাই আত্মহত্যা কৰিব নোৱাৰিলে আৰু নোৱাৰিবও। তাৰ প্ৰথম কাৰণ হ'ল তাই বাপেকৰ ওপৰত প্ৰতিশোধ লব বিচাৰে আৰু দ্বিতীয়তে হল দেহৰখীৰ লগত তাইৰ এই দুমাহ খুব আন্তৰিক সম্বন্ধ হৈছে। এতিয়াহে তাইৰ আগৰ জীৱনটো আকৌ ভাবিবৰ সময় হৈছে।

ঘনকান্তৰ ঘৰৰ পৰা অহা পূৰা চাৰি বছৰ হৈ গ'ল। সুজলাৰ প্ৰতি মানুহৰ সকলো ধাৰণা অস্পষ্ট হৈ পৰিল: আচলতে সুজলা দোষীনে ঘনকান্ত? নিশ্চয় ঘনকান্ত। তাৰ অত্যাচাৰতে সুজলা ভাগ আহিবলৈ বাধ্য হৈ'ছিল। এই চাৰিবছৰ সুজলাক এনে অৱস্থাত দেখি আমাৰ ভাব হৈছিল তাই ভাল তিৰোতা নহ'লে এনেকৈ দিন নিয়ব নোৱাৰে। অধিকাৰৰ ঘৰত শান্ত মেকুৰী

একনীৰো যদি অকণমান আমনি আছে, সুজলাৰ নাই। তাই বাক পচুলি মুখলৈকে তৰি নিদিয়াকৈ কেনেকৈ চাৰি বছৰ কটাই দিলে? কাৰো মুখত তাইৰ বিষয়ে এষাৰ শুনিমিলো। তিৰোতা প্ৰকৃততে ভাল হলেহে এনেকৈ নিয়াৰিত হৈ থাকিব পাৰে। মাকৰ আৰু অধিকাৰৰ তাইলৈ খুব কৰুণা হল। কপালক দোষ দি সকলো সমদুখী হ'ল। আমি মানে, আমাৰ চুবুৰীৰ মানুহখিনিয়ে, সুজলাক চাৰি বছৰৰ মূৰত মাথোঁ এবাৰ দেখিছিলো। অধিকাৰৰ আতাকৰ শ্ৰাদ্ধ পাতিছিল। তালৈ আমি গৈছিলো। সেই দিনা সুজলাক দেখি ভাবিছিলো,— ঈশ্বৰে তাইক ভাল বিড়ম্বনা কৰিলে! তাইৰ হালধীৰ গাঁঠি যেন গাৰ ৰঙত কোনোবাই জুই চাই সানি দিলে। জুলীয়া কপৰ দৰে চকমকীয়া চকুহালি যেন বেথাৰ ধোঁৱাই ঢাকি পেলালে। শিলত কটা মূৰ্তিৰ দৰে সুন্দৰ দেহাটো যেন কোনোবা অপৈণত খনিকৰে হাত দি আপচু কৰি পেলালে। সেই দিনাই শুনিলো যোলে আজি কালি মাক, ককায়েক আৰু অধিকাৰে তাইক খুব মৰমৰ চকুৰে চায়। তাইক ব'লৈকে, ইমান ত'লৈকে চুবিবলৈ যাবলৈ কয়। ৰহাত কেনো এখন সোৱা-কটা শিকোৱা স্কুল হৈছে। অধিকাৰৰ ছোৱালীয়ে তাত পঢ়িবলৈ যোৱাটো পছন্দ নকৰে আৰু আনে পঢ়াটোও এওঁলোকৰ দৰে মানুহে আওঁহেলাৰ চকুৰে চায়। কিন্তু এতিয়া তেনে ধাৰণা ভাগ হৈ গৈছে। ককায়েকে আৰু অধিকাৰে তাইক কেবাবাৰো ৰহাত পঢ়ি আহিবলৈ কলে। কিন্তু সুজলাই এষো শুনিলে। তাই আগৰ দৰেই ঘৰত থাকে। কাৰো লগত কথা নাপাতে। তাইৰ এনেকৈ থাকি অভ্যাস হৈ গৈছে। সহ্য গুণে তাইক সম্ভ্ৰম দিছে। কাম-বাসনাৰ তাড়না আৰু দুখ-নিৰাশ সহি থকাৰ অভ্যাস হৈ গৈছে।

কিন্তু দেহৰখী আহিহে সকলো ওলট-পালট কৰি দিলে। ম'ৰাপুৰৰ পৰা প্ৰায় ডেৰ মাইল নিলগৰ বাইভিত্তীয়াত দেহৰখীৰ ঘৰ। চাৰিটা ল'ৰাছোৱালী মাক। গিৰীয়েকটো বিষালী কাৰণে ঘৰতে পৰি থাকে। ঘৰৰ ভৰণ-পোষণৰ ভাৰ দেহৰখীৰ ওপৰত। পূৰ্বতে তাই পৰৰ ঘৰত ধান-চাউল বানি কাঁহী-বাটি ধুই

যোগকাৰ কৰিছিল। এতিয়া অধিকাৰৰ ঘৰত একে কামেই কৰে। অৱশ্যে ধান-চাউল নেবানে। গাই দুজনী খীৰায়, গোহালি চাফ্ কৰে আৰু কঁাহী-বাটি ধোৱে। বেলিৰ উত্তাপ কোমল হৈ থকাৰ সময়তে তাই ওলায়হি, দুপৰীয়া গোঁসাইৰ ঘৰতে ভাত খায় আৰু বেলি বহাৰ সময়ত বাইডিঙিয়ালৈ যায়গৈ। অধিকাৰৰ ঘৰৰ আটায়ে, আনকি অধিকাৰেও, তাইক ভাল পায়। তাই যি বিচাৰে তাকে পায়। তাই অহাৰ পিচতহে সুজলাৰ মুখত হাঁহি দেখা গ'ল। দেহবৰীয়ে তাইৰ মনৰ বহুত শূন্যতা পূৰণ কৰিলে।

পাচৰ কথাখিনি দেহবৰীৰ মুখে শুনা।

দেহবৰীয়ে সুজলাক তাইৰ নিজৰ গাওঁৰ কথা কয়। দেহবৰীও কম নহয়। অতি সাধাৰণ কথা এটাও তাইৰ মুখত পৰিলে ধুনীয়া আকাৰ লয়। আৰু, তাই যে কিমান কথা কয়! দিনটো এটা নহয় এটা ঘটনা তাইৰ কবলৈ আছেই। পিছে সুজলাৰ প্ৰশ্নবোৰহে আচৰিত ধৰণৰ—"বাৰু দেহবৰী, সোণাইত চাং পাতি মানুহে এতিয়াও বৰশী বায়নে?" "বাৰিয়া আকাশ মেঘে ক'লা কৰিলে সোণাইৰ মাছবোৰে জপিয়াইনে? চলওপণ্ডা হাবিৰ চৰাই-চিৰিকতিয়ে আৰাও কৰেনে?" "বৰ-মুকলি পথাৰত গহ-গুৱালবোৰে আজি-কালিও গৰুৰ পিঠিত উঠি বাওচি জুৰি বনঘোষা গায়নে?"; "কাতি বিহুত শইচ্ চাবলৈ আহোতে বৰমুকলি পথাৰত ছোৱালীক টনা আজোৰা কৰি পলুৱাই নিয়া হয়নে?" ইত্যাদি। দেহবৰীয়ে এইবোৰ কথাৰ আঁহবোৰ ধৰিব নোৱাৰে। এইবোৰতো তাইৰ গাওঁৰ আশে-পাশে ঘটিয়েই থাকে। এইবোৰ সুধিব লগীয়া কথা জানো?

দেহবৰীৰ লগত সুজলাৰ কথা-বতৰা হয় গোহালিঘৰ আৰু খেৰ ঘৰটোৰ মাজৰ মুকলি ঠাইকণত। ব'দ পৰিলেহে এই ব্যৱস্থা। এনেয়ে সিহঁত দুজনীৰ গুপুত আলোচনা হয় এটা আওহতীয়া কুঠৰীত। এইটো কুঠৰীত আগেয়ে [illegible]টোই, চেৰেকী, ঘূণ নাইকীয়া খোল শুকাবলৈ থোৱা ডাঙৰ জাতিলাও আদি থোৱা হৈছিল। এতিয়া সেইবোৰ একো নাই। কেইখনমান নগা ধাৰি আৰু তিনিখন খুৰা

লগোৱা পীৰা আছে। তাতে দুই-জনীয়ে কথা পাতে। পোনতে দুয়োজনী এইটো কোঠালীত সোমা-য়েই বেচি গোপন হৈ পৰিল। ইজনীয়ে সিজনীক যেন খুব ভালকৈ চিনি পালে।

দেহবৰীয়ে কলে "আই, আপোনাক ইচৰে ভাল বনচিতা কৰিলে। আপুনিনো এইদৰে কেনেকৈ থাকে?"

"বাই, সুস্থিৰি। এনেকৈ থাকি থাকি এতিয়া থাকিব পৰা হৈছোঁ। দেহবৰী বাই, তোৰ লগত কথা পাতি খুব ভাল লাগিব যদিহে তই মোক নিজৰ কথা নোসোধ।"

সেই দিনাৰ পৰা দেহবৰীয়ে এনে ধৰণৰ কথা সোধা নাই। তাই সুজলাৰ বিষয়ে লোকে কোৱা কিবা শুনিছে। সুজলাৰ নিজৰ মুখৰ কথা একো শুনিবলৈ নহ'ল। সুজলা খুব জটিল ছোৱালী। অৱশ্যে কোনো-পধ্যে বেয়া ছোৱালী নহয়। তাইৰ ৰুচিবোৰ সুকীয়া ধৰণৰ। এদিন কব "দেহবৰী বাই, কথনা-তলীৰ পৰা শেৱালি ফুল এমুঠি আনিবি-চোন।" দেহবৰীয়ে কিয় বুলি সুধিব। সুজলাই কব, "ৰাতি টোপনি নগলে ইয়াৰে গোন্ধ লৈ উজাগৰে থাকি ভাল লাগিব।" অইন এদিন কব, "দেহবৰী বাই, মনত পৰিছে, সোণাইৰ পাৰত, খুব সম্ভৱ ফুকনৰ ঘাটৰ ওচৰত, এজোপা বিয়াগোম কদম আছে। কিজানি তাৰ তলত বা আশে-পাশে কদমৰ পুলি আছে। তাৰে পুলি এটা আনি আমাৰ পাচ ফালৰ বাৰীত কৰিবিহিচোন।" দেহ-বৰীয়ে 'নিচয় আনিম' বুলি কব আৰু কদম পুলি কৰহি। আন এদিন সুজলাই কব, "দেহবৰী, কালি ৰাতি মনে মনে শোৱাৰ পৰা উঠি খেৰঘৰটোলৈ গৈ খেৰৰ ওপৰত শুই আছিলোঁ। তেনেই ফাৰংফুটা জোনাক। খেৰঘৰটোও যে কেনেকুৱা লাগিছিল!" দেহবৰীও চালাক। তাই এনেকৈ কোৱা শুনি মুখটিপি হাঁহিব আৰু আঁজলীৰ দৰে সুধিব, "খোৱা-খুবুনীৰ ৰাতিৰ শোৱনী ঘৰটোৰ দৰে?" সুজলাই উত্তৰ দিব, "মৰতী, আৰু উপমা তই বিচাৰি নেপালি?"……

শৰত কাল। আহিন মাহ। ম'ৰাপুৰ সত্ৰ উখল-মাখল। ৰাস-যাত্ৰা পাতিবলৈ এতিয়াৰে পৰা আখৰা কৰা হ'ল। সত্ৰিয়া আজি-

কালি অধিকাৰ নামঘৰত থাকে। ককায়েকো। ককায়েকে কিবা ভাও লৈছে। সুজলাৰ ভাব হৈছে, খোল-তাল আৰু গীত-পদে যেন সন্ধিয়াৰ গধূৰ এন্ধাৰবোৰ নাইকিয়া কৰিছে। (নামঘৰৰ ডবা-কাঁহ, খোল-মৃদঙ্গৰ মাত ঘৰৰ পৰাই তাইৰ কাণত পৰে।) আৰু গীতবোৰো যে কি মন উচাতন কথা! সেয়া, সেয়া, তিলক সূত্ৰধাৰীৰ অৰ্থ ভটিমাটোয়েও তাইৰ পৰাণ চাটিফুটি লগাইছে: বিৰিন্দা বিপিন বিহাৰ বিশাৰদ শাৰদ ইন্দু পৰকাশী·········। তাৰ পাচতেই খোলৰ বোল: ধিতা থেই থেইনা খিতি শিতা থেই থেই, থেইনা থেই তাতা খিতি······।

এইটো শৰততে দেহবৰী আৰু সুজলা আৰু আপোন হৈ পৰিল। সুজলাই খুব দুখেৰে কলে, "দেহবৰী, তই যে সন্ধিয়া ভগাৰ পিচত জোনটোৰ লগে লগে বাইডিঙিয়ালৈ গৈ থাক, তেতিয়া তোৰ মনটো বেছি ফৰকাল নেলাগেনে?"

"কিয়? আমাৰ আৰু সেই দিন নাই আইদেউ। চাৰিটাৰ মাইকী হলোঁহি। বাটত বাৰে কুৰি চিন্তা। ল'ৰা-ছোৱালী কেইটাই দিনত খোৱা-বোৱা কৰিলেকে নাই, কলিমনে বিৰটো বাক পাইছেনে নাই,—এইবোৰ বাৰে কুৰি চিন্তা।"

"নহয়, তই মিছায়ে কৈছ। এইটো শৰত কাল। তিতৰত থাকিয়েই গম পাইছোঁ, গছ-গছনি চাগৈ ফলমূলে দোঁ খুৱাইছে। সোণাইৰ চাপৰিত চাগৈ চাকৈ-চকোৱাই চৰিছে! পাৰোতেনো মাধৱদেউ মহাপুৰুষে এই কূট ভণিতা কৰিলেনে?—জলৰ যতেক মল যেহেন শৰত কালে 'চণ্ডায়ন্তে' নিৰ্ম্মল হোৱয়।"

"আমি ইমান 'বিদা'ৰ তিৰোতা নহয় আই।"

সেই দিনা দেহবৰীক সুজলাৰ খুব নীৰস লাগিছিল। কিন্তু পাচ দিনাৰ পৰা হঠাতে তাইক আৰু বেচি ভাল লগা হ'ল। শৰৎ কালত কিজানি সোনাইপৰীয়া গাওঁ শৰতৰ ফলৰ দৰেই বেচি সৰস হৈ পৰিছে। প্ৰতি দিনাই দেহবৰীয়ে সুজলাক মন দিয়া-নিয়াৰ কাহিনী কয়হি: যদু সান্তোলাৰ জীয়েক গোলাপীৰ থাক এপাত সোণাইৰ পাৰত পোৱা গৈছিল।

কাৰণ, তাই হেনো সুধনাৰ লগত গোপনে ৰাতি পাৰত বহিছিলহি। সিইঁত তেনেই মহগুল! থাক সুলকি পৃথাৰ কথা সি ইঁতে কৰই নোৱাৰে।......

:...বাপেক আখৰাত থকা সময়ত মাক থাকে ভাত-চক ঘৰত। এই সময়তে ধৰ্ম্মেশ্বৰ সোমাল। জীয়েক মনোমতীয়ে কাষতে পুৰুষৰ গোন্ধ পালে। কাৰো মুখত কথা নাই। সি কিছু সময়ৰ পাচত ওলাই আহি যেতিয়া ঘৰ পালেহি, ঘৰত সকলোৰে চকু থিয়। তাৰ বুকু চোলাটোৰ কেৰা ঠাইতো কেঁচা সেন্দুৰৰ দাগ।......

:...জুৰণ মেখিৰ বিধৱা বোৱাৰীয়েকজনীয়ে ডুবছৰীয়া কেঁচুৱাটোৰে সৈতে এটালৈ পলায় যাব পাৰনে? যিটোলে গৈছে, সি আকৌ বা কেনেকুৱা?......

: কালি ৰাতি সোন্দৰৰ ঘৰত বোৱাৰীয়েক থকা কোঠাটোত পোলা কাটি চোৰ সোমাইছিল। পুতেক আকৌ আজি-কালি পামত থাকে। চোৰে কিন্তু গহনা-গাঠৰি কানি-কাপোৰ একো নিনিলে। এনেকুৱা কেনে ধৰণৰ চোৰ? আচলতে কথা আক সুকীয়া। বোৱাৰীয়েকে নিজৰ কোঠাৰ ডাঙ নেমাৰে। কোনোবা এটা, কোননো হব,—আমাৰ সেই বৰচাঙ—সি প্ৰায়ে আহে। কালি ঘৰৰ আনে কিবা ঘুটুং ঘাটাং কথা শুনিলে। সেই কাৰণেই সি থিতাতে ঘৰৰ ইকাষৰ বেৰৰ পোলা এটা কাটি দুপ্ দুপ্ কৰে লৰ মাৰিলে।...

এইদৰে একো একোটা সোনাই-পৰীয়া কাহিনীয়ে সুজলাক দিনে নতুন তৃপ্তি দিয়ে। জিলাৰ ফালে গাভৰু ছোৱালীয়ে যি কাৰণে আক যি কথা পাবলৈ গল্প-উপন্যাস পঢ়ে, ভালকৈ আখৰ জোটাব নজনা সুজলাই একে কাৰণতে দেহবৰীৰ কাহিনী শুনে। এই কাহিনীৰ ডেকা-গাভৰুবোৰ তাইৰ অচিনাকি, সম্পৰ্কহীন। উপন্যাসৰ পাতৰ ডেকা গাভৰুৰ নায়কবোৰৰ দৰেই। মই উপন্যাস পঢ়ো। উপ-ন্যাসত ডেকা-গাভৰুৰ চেহেৰা কেনেকুৱা, বয়স কিমান—সকলো লিখা থাকে। কিন্তু দেহবৰীৰ বৰ্ণ-নাত তেনেকুৱা ইঙ্গিত আছেনে নাই মোৰ সন্দেহ।

যিয়ে হওক দেহবৰীয়ে কোৱা

এটা কাহিনীয়েহে মুজলাৰ মনত তেজ-মঙহৰ ৰূপ ল'লে।

ৰাইডিঙীয়াৰ মণ্ড কাননগুৰ ছোৱালী হ'ল কাঁচনমতী। তেনেই সোণত সুৱগা চৰা ৰূপ। এতিয়া তাইক লৈ গোটেই ৰাইডিঙীয়া তল-ওপৰ।

"কেনেকৈ ?"

"ইয়াৰ বহুত কথা, আইদেউ। বতৰৰ আগলী বতৰা ধৰিব পাৰি, সোণাইত টুপাই বুৰ মৰা শিহুক চিনিব পাৰি; কিন্তু এতিয়াৰ ছোৱালী কি বস্তু চিনিব নোৱাৰি।"

"কি হ'লনো ?"

"কাননগুৰ ঘৰত মৰকীয়া হাল বোৱা বাজুক লৈয়ে গোটেই তল-ওপৰ।"

প্ৰথমৰ দিনা দেহৰবীয়ে ইমানকে জনালে যে ঘৰৰ মৰকীয়া বাজু হীৰা মণ্ড কাননগুৰ চকুত ধৰা পৰিল। বাজুৱে যোৱা দুবছৰৰ পৰা তেওঁৰ ঘৰত মৰকীয়া হাল বাইছে। সি ল'ৰাটো দেখাত বৰ চিধা। খুব ভাল খেতিয়ক। অলপ দিনৰ ভিতৰতে সি কাননগুৰ আপোন হৈ পৰিল। সি এতিয়া মণ্ড কাননগুৰ সোঁ হাত। পেঞ্চনভোগী কাননগুৰ আজি-কালি একমাত্ৰ চিন্তা হ'ল খেতি-বাতি। বাজুৰ হাতে ল'ৰা পাই তেওঁ সঁচাকৈয়ে সুখ পালে। বছৰে বছৰে খেতিৰ বস্তু বাঢ়িছে গৈছে। আৰু বেলি গুৰৰ টিং পালে প্ৰায় দুকুৰি। মৰাপাটো পোন্ধৰ মোণ মান বেচিব পাৰিছিল। এতিয়া কাননগুৰ অৱস্থা চাকৰি কৰা দিনতকৈ ভাল। কিন্তু হিতেই বিপৰীত হ'ল। বাজু আৰু কাঁচনমতী বেয়া ধৰণে বান্ধ খালে। এদিন দুপৰীয়া মণ্ড কাননগু দলং ঘাটৰ হাটৰ পৰা আ হি দে খে,— ঘৈণীয়েকে পাগঘৰত ভাত ৰান্ধিছে, সক পুতেক দুটা ঘৰত নাই, বাজুহে মগুল অহাৰ সঁহাৰি পাই কাঁচনমতীৰ কোঠাৰ পৰা ওলাই আহিছে! কাননগুৰ গা শিঁয়ৰি গ'ল। বাজুৱে আজি তেওঁৰ ঘৰত ভাত খোৱাৰ কথা আছিল। সেই কাৰণেই সি দুপৰীয়া আছিল। কিন্তু কাঁচনমতীৰ কোঠালীত তাৰ কি কাম? আৰু হীৰা মানুহ এটাই ভিতৰুৱা কোঠাত সোমাব কিয়? বাজু আঁতৰিলত, কাননগুৱে ঘৈণীয়েকৰ হতুৱাই কাঁচনমতীৰ বিচাৰ ললে। কাঁচনমতী কোঠালীৰ বিচনাত পৰি আছে।

তাই শুইছে। খুব ভাগৰ লাগিছে। মাকে বুজি নেপালে,— এই দুপৰীয়া-খন ভাত নেখাওঁতেই তাইৰ মৰ-টোপনি ধৰিলে কিয় ? কিন্তু কথাটো পলমকৈ বুজি পালে মাক-বাপেকেহে। ইতিমধ্যে গাঁৱৰ আটাইবোৰে এমাহৰ আগৰ পৰাই বু-বু-বা-বা লগাইছে।

দেহবৰীয়ে কলে, "কাচঁনমতীৰ শোৱনি ঘৰটোত, আইদেউ, সোমালেই মনটো কেনেবা কেনেবা লাগি যায়। আপোনাৰ বয়সৰ তিৰোতা সেইটো কোঠাত সোমালে গাটো ৰাঁইজাঁই কৰিব।"

সুজলাই ব্যগ্র হৈ সুধিলে, "তই জানো মণ্ডলৰ ঘৰলৈ যাব ?"

দেহবৰীয়ে উত্তৰ দিলে, "প্রায়ে যাওঁ। একালত সিহঁতৰ ঘৰত ধান বানিছিলো। তাইৰ খোঠালীটো ছলে এক ৰকম কৰি ৰাখিছে। বেৰত কেইখনমান ৰঙবিৰঙ ফটো। দেখিলে লাজ লাগি যোৱা ধৰণৰ ফটো। এইবোৰ ফটো হেনো পেলনীয়া ইংৰাজী কিতাপৰ পৰা ফালি তাই বেৰত লগাই লৈছে। ইংৰাজী কিতাপনো ক'ৰ বুলি কবা ? ভোলা দোকানীয়ে মাল বেছিবলৈ মেৰ হিচাবে কাগজ আনে। তাৰে মাজত মাজে মাজে বহল বহল ইংৰাজী কিতাপ থাকে। এনে ছবিৰ কিতাপ আকৌ তাইক আনি দিয়েহি বাজুৱেহে। তাইৰ খোঠালীটো ভালকৈ সজাইছে। ফাগুনত কপৌ ফুল থাকেই। এতিয়া বকুল আৰু খৰিকাজাঁই গোন্ধে মলেমলায়।"

"বাই, সেইবোৰ বাৰু বাদ দিছোঁ। বাজুক কাননগুৱে কি কলে ?"

"কিনো আৰু কব ? সেইদিনা একো নকলে। পাচদিনা বাজুক সাৱধান কৰিয়েই নিদিলে, খেতিৰ ভাগ নিদি তাক খেদি দিলে।"

সুজলাই এটা হুমুনিয়াহ কাঢিলে।

তাৰ পাচত আৰু পাঁচ দিন দেহবৰীয়ে কাঁচনমতীৰ কথা নকলে। দহ দিনৰ মূৰতহে দেহবৰীয়ে জনালে যে কাঁচনমতীয়ে বাপেকৰ পৰা মাৰ খাইছে, মাকে উশাহ নোলোৱাকৈ বকিছে। এদিন ৰাতি মাকে ভাত ৰান্ধি থকা অৱস্থাত বাপেক ঘৰ ওলালহি আৰু কাঁচনমতীৰ বিচাৰ কৰিলে। তাই থকাৰ সঁহাৰি নেপাই মনে মনে চোৰৰ চাৰিওফালে চালে। এৰেওমান আতৰৰ তেতেলী জোপাৰ তলত কাঁচনমতী থিয় দি আছে। সকলো পাহৰি কিবা এটা ভাবি

আছে। বাপেকৰ মাতটোও তাইৰ কাণত পৰা নাই। কাননগুৱে ভাবিলে, এই আকৌ বাজু আহিব বুলি থাপ পিটি মনে মনে আছে।

তেৰ দিনৰ পাচৰ কথা। দেহবৰীয়ে আক এটা খবৰ দিলেহি। কালি হেনো বাজুৱে সিহঁতৰ পদূলিৰ আগেদি কেবা পাকো মাৰিছিল। এবাৰ বাটত কাননগুৰ লগত ভেটা-ভেটি হওঁতে সি পোন্দোৱাকৈ চাইছিল। ঘৰলৈ আহি কাননগুৱে জীয়েক ক ক এনেযে বকিছিল। কালিৰ পৰা কাঁচনমতীৰ ওপৰত মজৰ বেছি হ'ল। কালি দেহবৰী মগুলৰ ঘৰত লাচনি-পাচনি কৰিবলৈ গৈছিল। তাই কাঁচনমতীৰ লগত গোপনে দুআষাৰ কথা পাতিছিল। কাঁচনে বাইক কৈছিল যে তাইক আজিকালি সুকী যা খোঠালীত শুবলৈ নিদিয়ে। মাকৰ লগতহে শুব লাগে। ৰাতি আকৌ মাকে জীয়েক আছেনে নাই খেপিয়াই চায়।

এইটো কথা শুনিহে আমাৰ সুজলা গোসানীয়ে বৰ দুখ পালে। তাই সুধিলে, "বাক দেহবৰী বাই, বাজু যদি দেখনিয়াৰ ল'ৰা, তাকে কাঁচনমতীক দি নিদিয়ে কিয় ?"

দেহবৰী বাজি উঠিল, "বাক কথা সুধিছে আইদেউ! কাননগু হ'ল শুধ কলিতা মানুহ! তাকো গান্ধাৰ বায়েনৰ নাতিয়েক। আক, বাজু হ'ল হীৰাৰ ল'ৰা। একালত তাৰ মাকে হাতে হাতে মলা চক বেচিছিল। হীৰাৰ ল'ৰাৰ লগত যদি ছোৱালীয়ে ঘৰ পাতে, বায়েন বংশৰ সন্মানটো ৰয় ক'ত? আমাৰ দৰে বোৰ তেওঁ যহ্-তহ্। কোঁচ আৰু কলিতাৰ মাজত তফাতনো কিমান? তদুপৰি বাজুনো কিমানৰ মানুহ? এটা মৰকীয়া ল'ৰাহে। মাটি-বাৰী নাই, মাথোঁ সোণাইৰ পাৰত জুপুৰী ঘৰ এটা আছে।"

সুজলাই দেহবৰীয়ে বাজুৰ বিষয়ে এনেকৈ কোৱাত মনত আঘাত পালে। তাই কলে, "বাক বাই, তই যে এনেকৈ কৈছ, সিহঁত হালিলৈ তোৰ অকণো পুতৌ লগা নাইনে? তই কিমানেই ক লাগে, সিহঁত এদিন নহয় এদিন পলাই যাবই। এইবোৰ ছেগৰ কথা।"

দেহবৰীয়ে কলে, "সিহঁতলৈ মোৰো পুতৌ ওপজে। পিচে, মই এনেকৈ কলো, নিজৰ মনৰ পৰা

নহয় দেই। কাননগুৱে বাজুক যি বুলি গুঁৱাবে, সাইলাখ তেনেকৈয়ে ৰখানিলো।"

এমাহৰ পাচৰ কথা। দেহৰবীয়ে বাজুক এদিন সোণাইৰ পাৰত লগ পাইছিল। সি তেনো এপুৰা মাটি আধিলৈ খেতি কৰিব। তাক তাই একো সুসুধিলে। কিন্তু দুদিনৰ পাচতেই হুৱা-দুৱা লাগিল। কাঁচন-মতীৰ হাতৰ খাক দুপাত এদিন মাকে নেদেখিলে। তাইক সোধাত একো উত্তৰ নিদিলে। তাই বহুত মাৰ-ধৰ খালে। মাক-বাপেক দুৰ্ভাৰ চিন্তাত পৰিল। সেই দিনাৰপৰা তাইৰ অৱস্থা আৰু দুখ লগা হ'ল। দিনতো তাইক বন্দীৰ দৰে ৰখা হ'ল। ৰ'তিৰৰ পৰা দুৱাৰ ডাং মাৰি তাইক ৰখা হ'ল। তাই শুকাই-খীণাই গ'ল। কাৰণ, মাক-বাপেকে ইমানকে বুজিলে যে কাঁচনমতীক ইমান সাৱধানে ৰখা স্বত্বেও তাই দিন বা ৰাতিৰ কোনোবা সময়ত বাজুক লগ পায়। খাক দুপাত তাই নিশ্চয় বাজুকেই দিলে।

"বাজুক খাক দিবলগীয়া হ'ল কিয় ?"

"ইয়াৰ ভালেমান কথা আইদেউ! পৰিস্থিতিৰ ৰীতি বুজা টান। খেতিৰ ভাগ নিদিয়াত বাজুৰ অৱস্থা নাইকিয়া হ'ল। সি খাব কি? এতিয়া আধি-খেতি কৰিব যদিও শইচ্ পাব কাহানিবাকৈ। সেই কাৰণেই তাৰ বিলৈৰ শেষ নাই। সি এইটো মাহত দুবাৰ জিলালৈ গৈছে। এবাৰ তাক লগ পাইছো দলং ঘাটত আৰু এবাৰ হাতীচুঙত। তাৰে পৰা মোৰ বিশ্বাস হৈছে, সি খাক দুপাত জিলাৰ সোণাৰীক বেচিলেগৈ আৰু এতিয়া সেই পইচাৰেই তৰি আছে। সোণাইপৰীয়া মাটিত বছৰি পলস পৰে যদিও যাৰ মাটি-বাৰী নাই, সি জানো ক'ৰবাৰ পৰা এনেয়ে ধান পাব? সোণাইৰ পাৰতো ধানৰ মোণে বাৰ টকা। এই মৈমনচিঙিয়া সোপাই মৰাপাট খেতি কৰি শ শ টকা আৰ্জ্জি চৰা দামত ধান কিনাৰ কাৰণেই কিজানি এই অৱস্থা। তদুপৰি তেল-নিমখৰ খৰচ তো আছেই।"

দেহৰবীৰ সঁচাকৈয়ে দুখ লাগিল। সোণাই পাৰখন যে কি আছিল আৰু এতিয়া কি হৈ পৰিল! এসময়ত গাৰীৰ এনেয়ে পাইছিল, এতিয়া গাখীৰ নেলাগে কেঁকুৰা

ধান এনেছো এনেয়ে সেপায়। সোণাইৰ ওপৰেদি দলং হোৱাত, সোণাইপৰীয়া ঠাইত শিলগুটি দিয়া আলি হোৱাত, দিনৌ বাচ-মটৰ চলাচল কৰাত, সকলো সলনি হ'ল। ইয়াত মানুহবহে সংখ্যা বাঢ়িছে। খেতিৰ মাটি বঢ়া নাই। আগৰ দৰে খেতিয়কে বেপাৰীক ধান বিকিব নোৱাৰে। যি ধান বেচিব পাৰে, সি আন ধৰণৰ যোজকাৰো কৰিব পাৰে। বাপনে বছৰি ডেৰ শ মোণ ধান বেচে। সিফালে তাৰ পুতেকেই আকৌ জিলাত নাজীৰ। এতিয়া সোণাই-পৰীয়া মানুহ আন ঠাইলৈ উঠি যাবলৈ বাধ্য হৈছে। কিছুমানে কাকীত পাম ধৰিছে, কিছুমানে জিলালৈ গৈ পিয়ন-চাপ্ৰাচী হৈছেগৈ।

"তেনেহলে তই কি ভাব? সিইত এনেকৈয়ে থাকিবনে? সিইঁতে ইমান দুখ কেনেকৈ সহিব? বুইছ, দেহবৰী, ছেগ মানুহৰ জীৱনত এবাৰহে আহে। ছেগ মতে কাম নকৰিলে সিইঁতে ওৰে জীৱন পস্তাব।"

আগেয়ে কাঁচনমতীৰ কথা কলে বা শুনিলে সুজলাই হুমুনিয়াহহে পাৰে। আজি এইখিনি কথা কৈ হঁস্ হঁস্ কৰিলে। তাইৰ চকুযুৰি চলচলীয়া পৰি গ'ল। দেহবৰীৰ ভাব হ'ল যেন কাঁচনমতী আৰু বাজুৱে ছেগ বুজি কাম নকৰাৰ কাৰণেহে সুজলাই ওৰে জীৱন এনেকৈ সজাৰ পখীৰ দৰে থাকিব-লগীয়া হ'ল।

"আইদেউ, মই বহুত ভাবিচিন্তি চাইছো; কাঁচনমতীৰ আৰু ইহ জনমত শান্তি নহয়। তাই তাইৰ যমকাল যেন বাপেকী-মাইকীৰ হাতত পৰিছে।"

"মই হলে বিশ্বাস নকৰো দেহবৰী। সিইঁত এদিন নহয় এদিন পলাই যাবই। তোৰ পৰা কথাবোৰ শুনিছোঁ যদিও তোতকৈ মই বেছি বুজিছোঁ।"

এদিন হঠাতে বাজু আহি অধিকাৰৰ ঘৰ ওলালহি। সি ধাৰলৈ অধিকাৰৰ পৰা টকা বিচাৰিছিল। সি কৈছিল যে সি টকা লৈ এবছৰৰ ভিতৰত সুতে-মূলে পৰিশোধ কৰিব। উজনী অসমত হেনো তেল ওলাইছে। তাত হেনো দিনে হাজাৰ হাজাৰ মানুহে হাজিৰা খাটে। সিইঁতে তেলৰ নলা বহুৱায়। ঘৰদুৱাৰ কৰা

কামো বহুত। হাজিৰা খাটিলেও দিনে পাঁচ টকা ছটকা পায়। জিলাত গৈ শুনিছে বোলে সেইবোৰ ঠাইত ওলালেগৈ কাম পাবই। কিন্তু অধিকাৰে পইচা ধাৰে নিদিলে। সি ক'ত গৈ নিখোজ হয় কোনে জানে?

এইখিনি কথা দেহৰখীৰ মুখে সুজলাই শুনিলে। বাজুৱে অধিকাৰৰ লগত কথা কোৱা সময়কণ দেহৰখীয়ে ওচৰতে পিৰালি সুচি আছিল।

সুজলাই কলে, "এতিয়া বুজিলি দেহৰখী? সিহঁত পলাই যাবই। সি উজনী অসমলৈ যোৱাৰ সময়ত তাইকো লৈ যাব। মই বে'চ অনুমান কৰিছোঁ।"

দেহৰখীয়ে অভিমত দিলে, "এইবোৰৰ ওৰ নেপাওঁ দেও। আমিওতো এদিন মৰমৰ বশ হৈয়ে এটালৈ গুচি আহিছিলো। ইমান বেৰপাকতে বুজা নাছিলোঁ। এতিয়াও নুবুজোঁ।"

তাৰ দুদিনৰ পাচত দেহৰখীয়ে খবৰ দিলেহি যে কাঁচনমতীক আঙঠি পিন্ধাবলৈ এদল মানুহ গোমোৱা তাই দেখা পাইছিল। ল'ৰাটো হেনো চাবুকধৰাৰ। বে'চ উপযুক্ত ল'ৰা। আঙঠি পিন্ধাবলৈ সি নিজে অহা নাই। মাক, বাপেক, ভিনিহীয়েক আৰু কেইজনীমান তিৰোতা মানুহ আহিছিল।

আকৌ এদিন দেহৰখীয়ে খবৰ দিলেহি যে বিয়া চাৰি মাহৰ পাচত হ'ব। বহাগত। সুজলা এইবাৰহে হতাশ হৈ পৰিল। তথাপি কলে, "মোৰ কথা তথাপি মনত ৰাখি থ'বি দেহৰখী। সিহঁত পলাবই। সিহঁত উত্তম ছেগটোলৈকে বৈ আছে।"

"কেনেকৈ ধৰিলে আইদেউ?"

"কাঁচনমতীয়ে হাতত এঘৰৰ আঙঠি পিন্ধি যেতিয়া ঘৰত হাঁহি মাতি থকা বাপেক মাকে দেখা পাব, তেতিয়া তেওঁলোকৰ সন্দেহ দূৰ হব। তাইৰ ওপৰত কাৰো নজৰ নিদিয়া হব। উলিয়াই দিব খোজা ছোৱালীজনীলৈ আগতকৈ বেচি মৰম হ'ব। এনে সময়তে তাই পলাব। যদি সিহঁতে এই ছেগ খামুচি নলয়, সিহঁতক দোষে চুব। এনে এটা ছেগ এবাৰ কাৰণেই আজি মই ঘৰতে এইদৰে নিগনিমেকুৰীৰ দৰে আছোঁ।"

এই কথাখিনি সুজলাই ইমান আবেগেৰে কৈছিল যে তাই যেন কোনোবা অচিন প্ৰেমৰ দেৱতাকহে মনৰ কথা কৈছিল। দেহৰবীৰ উপস্থিতি পাহৰি গৈছিল আৰু সেই কাৰণেই নিজৰ বিষয়ে কোনেও নজনা কথা এষাৰ অতৰ্কিতে মুখৰ-পৰা ওলাইছিল। তাই মুহূৰ্ত্ততে উচপ খোৱা মানুহৰ দৰে বৈ গৈছিল। ওঁঠ শুকাই গৈছিল। দেহৰবীক দেখি চকু দুটা মুদি দিছিল। দেহৰবীয়ে তাইৰ এই করুণ অৱস্থা দেখি হতবাক্ হৈছিল আৰু সুজলাৰ এষাৰি কথাতে তাইৰ গোটেই জীৱনৰ আদি-অন্তৰ আভাস পাইছিল। তাইৰ সুধিবৰ ইচ্ছা আছিল,—গোসানী আইদেউ, কোন সেই পুৰুষ? কিন্তু সুধিব নোৱাৰিলে। এনেয়ে গোঁসানীৰ চিয়া-ভগা দুখ, এনে এটা কথা সুধি চিয়া টুকুৰাটুকুৰ কৰিব নোৱাৰি। সুজলা আইদেউ শান্তিত থাকক। দুখ সহি সহি হঠাতে এদিন শান্তিৰ উঁই বিচাৰি পাওক। তাই মাথো। সুজলাৰ ভালৰ কাৰণে পৰম পুৰুষক খাটিলে।

সেই দিনা সিমানতে।

পাচদিনা সুজলাই খুব গহীনাই সুধিলে, "তই অকলে অকলে জিলালৈ যাব পাৰিবি?"

দেহৰবীয়ে সমিধান দিলে, "কিয় নোৱাৰিম? আজিকালি বাচ-মটৰৰ দিনত জিলালৈ যোৱাটো একো টান কথা নহয়। আৰবেলি, মাটি 'মহলিলাম'ত যাওতে অকলে জিলা ওলালোঁহৈগ।"

"ভাল কথা। মই এটা তোক বস্তু দিম। তই জিলাত বেচিব লাগিব। কিন্তু কিয় বেচিছোঁ, এই বিষয়ে যদি তই সোধ, মই বৰ বেজাৰ পাম।"

এই বুলি কৈয়ে হাতৰ গাম খাৰুযোৰ খহালে আৰু দেহৰবীৰ হাতত দিলে। কেনেকৈ বেচিব লাগে তাৰো বুদ্ধি শিকাই দিলে। জিলাত আঁহত গছ এজোপাৰ কাষত এটা স্কুল ঘৰ আছে। তাৰ পৰা কেইখোজমান আগ বাঢ়ি গলেই এখন সোণাৰী দোকান চকুত পৰিব। তাক গোঁসাই ঘৰৰ বস্তু বেচিলে হঠাতে ধৰা পৰাৰ ভয় নাই। দেহৰবীক দুখীয়া যেন দেখি চুৰ কৰি আনিছে বুলি সি জাৰা নকৰে। কিয়নো সি চোৰাই

যালেই কিনে। দাম কম হলেও কথা নাই।

পাচ দিনা দেহৰবী গোসাঁইৰ ঘৰলৈ নাছিল। দুদিনৰ পাচতহে সুজলাক থাক বেচি টকা দিলেহি। সুজলাই শান্তি পাইছে যেন দেখা গ'ল। এদিন দেহৰবীৰ পথা জানিব পাৰিলে যে বাজুৱে পকৰাই পোৱা মানুহৰ দৰে ঘুৰি ফুৰিছে। ক'তো তাৰ টকাৰ যোগাৰ হোৱা নাই। সুজলাই এনে অনুমানেই কৰিছিল।

তাই কলে, "এই পাচলিডৰা বুঢ়া হ'ল। এই ডোখৰ কোৰ মাৰি আদা-হালধি থোৱাইহঁতেন ভাল আছিল। তই কথাটো আতাক ক'বি। আতাই (অধিকাৰে) মানুহ এটা লগোৱাৰ কথা কব। তেতিয়া তই কোৰ মাৰিবৰ কাৰণে বাজুক লৈ আহিবি। মই এই দৰে পাচ কালৰ বাৰীত তাক লগ পাব খোজেঁা।"

যেনে কথা তেনে কাম। বাজুৰ বিশ্বাসেই হোৱা নাছিল যে পৃথিৱীত ইমান মৰমীয়াল মানুহ থাকিব পাৰে।

"তোৰ কথা সকলো শুনিছোঁ।"

বাজুৱে আৰু প্ৰায় একো নেমাতিলে। সুজলাই আকৌ কলে, "তই উজনী অসময়লৈ কেতিয়া যাবি ?"

"একো ঠিক কথা নাই। ভালেমান টকা লাগে। পোনতে কাম নেপাই কেইদিনমান চলিবলৈকো টকা লাগে। কিন্তু একোপধ্যে টকাৰ যোগাৰ হোৱা নাই। কিন্তু যাম বুলিছোঁ যামেই। বহাগৰ আগতে এদিন যাবই লাগিব।"

সুজলাৰ মনটো খুব ভাল লাগিল। তেনেহলে তাই ভবা মতেই বাজুৱে সকলো ভাবি থৈছে! তাৰ পাচতেই সকলো সহজ হৈ পৰিল। দেহৰবীয়ে কলে যে সুজলাই বাজুৰ লগত বহুত পৰ কথা পাতিছিল। দেহৰবীয়ে সি চকুলো টোকা দূৰৈৰপৰা মনিব পাৰিছিল। তাই, সন্দেহ কৰে, সুজলাই তাইৰ অতীত জীৱনৰ প্ৰথম পুৰুষজনৰ কথাও কিজানি বাজুৰ আগতহে কৈছিল! কাৰণ এশ ডেৰকুৰি টকা মনে মনে বাজুৰ হাতত দিয়াৰ সময়ত তাক সুজলাই কোৱা দেহৰবীৰ কাণত পৰিছিল, "যিমান

সোনকালে হয় সিমান সোনকালে। তাইবো মন ঘুৰি যাব পাৰে। বুইছ বাজু, জীৱনলৈ ছেগ এবাৰহে আহে। মোৰ দৰে ছেগ হেৰুৱা তিৰোতা আৰু কিমান আছে!...”

বাজু যোৱাৰ পাচত দেহৰণী নগ’ল। তাইৰ সুজলালৈ বৰ কৌতূহল হ’ল। আজলমথালিকৈ সুধিলে, “আইদেউ, সিহঁত দুটা যেনিবা পলাই গ’ল, তাৰ পৰা আপোনাৰ কি লাভ হ’ল?” সুজলাই মাথো। গহীনাই কলে, “মানুহে কেৱল লাভ লোকচান বুজিয়েই কাম কৰে নেকি? সিহঁতৰ কথা শুনা দিনৰ পৰা ভাবিছিলো,—সিহঁত দুটাৰ ভাল হওক। আৰু সিহঁত দুটা পলাই যোৱাৰ কথা শুনিবলৈ মোৰ খুব হেঁপাহ।......”

বহাগ নেপালেগৈয়ে। ফাগুনৰ দ্বিতীয় সপ্তাহতে কাননগুৰ চকুত ধূলি মাৰি কাঁচনমতী বাজুৰ লগত ক’ৰবালৈ পলাই গ’ল। দেহৰণীৰ ভাষাত, “সোণাইৰ মাচ-কাছই ভূ নোপোৱাকৈ সিহঁত মাজ নিশ সোণাই পাৰ হ’ল।” দুই একে ভূ পালে যে সিহঁত হেনো ইয়াৰ মানুহে বিচাৰি পোৱা ঠাইত নাই। সুজলাইহে জানিলে, সিহঁত নিশ্চয় এতিয়া উজনী অসমৰ কোনোবা এখন তেল ওলোৱা ঠাইত। কোনোবাই তাইক কৈছিল যে সেইবোৰ ঠাইত থাকিবলৈ ভাল। বাজুৱে তাইক ঠাইখনৰ নাম কৈ ছিল। বাখৰপতীয়ানে নাহৰকটিয়া? তেনে ধৰণৰে কিবা এটা নাম হব। তাইৰ দুগালে দুধাৰি চকুলো বৈ থুঁতৰিৰ লগত মিলি পৰিল।

কাঁচনমতী পলোৱাৰ পাচত সুজলাই আগৰ দৰে দেহৰণীৰ লগত কথা নপতা হ’ল। আগৰ দৰেই নিমাতী কইনা হৈ থাকিল। দুৱাৰ বন্ধ কৰি পুথি-পাজি পঢ়ি সময় নিয়াবলৈ ধৰিলে। সকলোৱে তাইক খুব শ্ৰদ্ধাৰ চকুৰে চোৱা হ’ল। তাই অধিকাৰ উত্তম দেৱগোস্বামীৰ সন্মান লাভৰ কথা নাই বুলিয়েই তেওঁতৰ বিশ্বাস হ’ল।

# অবাস্তৱ

জেনেভাৰ হোটেল এখনত ভাৰতীয় ব্যৱসায়ী এজন দুদিনমান থাকিব লগা হৈছিল। তাতে এজন আমেৰিকান টুৰিষ্ট আৰু এজন ৰাছিয়ান কমিউনিষ্টো সোমালহি।

কিবা দুৰ্বিপাকত এদিন গধূলি তিনিওজন মানুহ হোটেলৰ ৰাজহুৱা বিশ্ৰাম কক্ষৰ একেখন টেবুলতে মুখামুখিকৈ বহিল। পৰিৱেশ অলপ মধুৰ কৰিবলৈ বুলি আমেৰিকান জনে চুৰট এটা জ্বলাবলৈ বিচাৰি দেখে যে লাইটাৰটোৱে কাম নকৰে। ৰাছিয়ান জনে ভাৰতীয়জনলৈ চাই মন্তব্য দিলে, "ধনতান্ত্ৰিক দেশৰ বস্তু এনেকুৱাই হয়।"

আমেৰিকানজনে খঙত একো নকৈ মনিবেগৰ পৰা এশ ডলাৰৰ নোট এখন উলিয়ালে আৰু তাৰে সমুখৰ মমবাতিদালৰ পৰা জুই আনি চুৰট জ্বলালে।

তেওঁৰ 'দেমাকি' দেখি ৰাছিয়ানজনৰ অসহনি হ'ল। ততালিকে তেওঁ এহেজাৰ ৰুবলৰ নোট এখন বাহিৰ কৰি তাকে পুৰি চুৰট জ্বলালে।

ভাৰতীয়জনৰ চুৰট নাছিল। তেওঁ আমেৰিকান জনৰ পৰা চুৰট এটা খুজি মুখত ভৰালে। তাৰ পাচত জেপৰ পৰা চেকবুক উলিয়াই তেতিয়াই নিজৰ নামত একলাখ টকাৰ চেক এখন লিখি তাৰে চুৰট জ্বলালে।

* * *

চহৰলৈ নতুনকৈ অহা মানুহ এজনে স্থানীয় মানুহ এজনক সুধিলে,—"এই ঠাইখনৰ জল-বায়ু ভাল নে?"

"নিশ্চয়, নিশ্চয়"—মানুহজনে তপৰাই উত্তৰ দিলে,—"মই যেতিয়া প্ৰথমে ইয়ালৈ আহোঁ, মুখেৰে মাত এষাৰো মাতিব পৰা নাছিলো। মূৰত চুলি নাছিল বুলিলেই হয়। ইমান দুৰ্ব্বল আছিলো যে খোজ কঢ়াৰ কথাই নকও, মোক বিছনাৰ পৰাই ডাঙি নিবলগীয়া হৈছিল।"

"হয়নে?"—নবাগতজনে আগ্ৰহেৰে সুধিলে, "আপুনি বাৰু ইয়ালৈ কিমান দিনৰ আগতে আহিছিল?"

"মোৰ জন্মৰ লগে লগে"—মানুহজনে নিৰ্ব্বাকাৰ ভাবে কলে।

* * *

দুজন ব্যৱসায়ী কাশ্মীৰলৈ ফুৰিবলৈ গৈছিল। তাত থকা কালত দুয়োৰো মাজত বেচ সৌহাৰ্দ্দ গঢ়ি উঠিল।

এদিন এজনে কথা প্ৰসঙ্গত উলিয়ালে, "ইঞ্চিওৰেঞ্চৰ টকাৰ বলতে মই কাশ্মীৰলৈ আহিব পাৰিছো। ফায়াৰ ইঞ্চিওৰেঞ্চত মই এইবাৰ পঞ্চাশ হেজাৰ টকা পালো।"

"হয় নেকি" ইজনে আগ্ৰহেৰে যোগ দিলে, "ময়ো ইঞ্চিওৰেঞ্চৰ টকাৰেই আহিছো। বানপানী ইঞ্চিওৰেঞ্চত মই একলাখ টকা পালো"

অলপ সময় নীৰৱতা। তাৰ পিচত প্ৰথমজনে ওচৰে পাজৰে চকু ফুৰাই লৈ সতৰ্কতাৰে সুধিলে, "বানপানী কেনেকৈ কৰে বাৰু?"

* * * *

এটা টকা চুৰিৰ মকৰ্দ্দমাত এজন সুপ্ৰতিষ্ঠ উকিলে বহুতো যুক্তি তৰ্কৰ অৱতাৰণা কৰি এজন গভাইত চোৰক প্ৰায় নিশ্চিত কাৰাবাসৰ পৰা বচালে। মকৰ্দ্দমাত জিকাৰ পিচত উকিলৰ ঘৰত ফিজ দিবলৈ যাওঁতে তেওঁ মক্কেল জনক সুধিলে,—"বাৰু এতিয়া সচাঁকৈ কোৱাচোন, টকাখিনি তুমি চুৰ কৰিছিলানে নাই?"

" মকেলে মুখ খজুৱাই উত্তৰ দিলে,—"চাৰ, ক'টত আপোনাৰ সুন্দৰ যুক্তিবোৰ শুনি মোৰো এতিয়া লাহে লাহে চুৰ কৰা নাছিলো যেনহে লাগিছে।"

* * * *

কলেজৰ শ্ৰেণীত বক্তৃতা দি দি অভ্যস্ত হৈ পৰা অধ্যাপক এজনে ঘৰতো মনে মনে থাকিবলৈ অসুবিধা পাই ঘৈণীয়েকৰ আগতে নিজৰ চিন্তাৰ বোজা পাতলাবলৈ কলে :

"এই পৃথিৱীখনত আমি নজনা কথা যে কিমান আছে, তাক ভাবিলে আচৰিত মানিব লাগে।"

সমব্যথী ঘৈণীয়েকে 'এৰা' বুলি দলাগিলত উৎসাহিত হৈ অধ্যাপকে বকলা মেলিলে :

"নিজৰ নিজৰ বিষয়ত আমি বিশেষজ্ঞ হব পাৰো, কিন্তু আন কিছুমান বিষয়ত আমাৰ অজ্ঞতা পুতৌ কৰিবলগীয়া। উদাহৰণ স্বৰূপে মূৰৰ ওপৰত জ্বলি থকা এই ইলেকৃট্ৰিক লাইটটোনো কেনেকৈ জ্বলে তাকে মই নাজানো।"

এইবাৰ কিন্তু ঘৈণীয়েকে সঁচাকৈয়ে অধ্যাপকলৈ পুতৌৰ দৃষ্টিৰে চাই কলে :

"তুমিও যে আৰু। চুইচ্‌টো টিপি দিলেই দেখোন হ'ল।"

* * * *

" হৰি, এইপিনে ওচৰত পুলিচ নাইবা থানা কিবা আছে নেকি ?"

"ওহোঁ, নাইতো। থানা ইয়াৰ পৰা বহুত দূৰৈত।"

"ভাল কথা। এতিয়া আপোনাৰ হাতঘড়ীটো আৰু মনিবেগটো দিয়কচোন"

"তেনে অনুৰোধ নকৰিব, ডাঙৰীয়া। হাতঘড়ীটো মইো এতিয়াই এজনৰ পৰা আনিছোহে। আৰু মনিবেগনো পাওঁ ক'ত ? মই জেলৰ পৰা ওলোৱা দুঘণ্টাই হোৱা নাই।"

এটি সৰু ভুলৰ গল্প।

# এখন চিঠি

নৰেণ শৰ্ম্মা

প্ৰণীতাৰ পৰা যে ইমানখিনি অশান্তি পাবলগীয়া হব পাৰে, বিজয়ে কেতিয়াও কল্পনাই কৰিব পৰা নাছিল। এঘণ্টাৰ আগলৈকে— এঘণ্টা কিয়, এই পাঁচ মিনিটৰ আগতে পিয়নে আহি চিঠিখন দি যোৱাৰ আগলৈকে প্ৰণীতাৰ প্ৰতি এনেবোৰ ভাব হবৰ কোনো কাৰণেই তাৰ হোৱা নাছিল। পাঁচ মিনিটৰ আগলৈকে প্ৰণীতা তাৰ মানত ইমান মৰমৰ, ইমান নিৰীহ, ইমান সৰল। প্ৰণীতাৰ লগত তাৰ প্ৰথম দৃষ্টিতেই প্ৰণয়, আৰু তাৰে পৰিণতিত বিবাহ। এপাহি ফুলৰহে যেন ক্ৰমবিকাশ। কলেজৰ ক্লাচ কৰিবলৈ যাওঁতে বাটত হোৱা চিনাকিৰে সিহঁতৰ প্ৰণয়ৰ সূত্ৰপাত হোৱা নাছিল, চিটি নাচত ওচৰা-ওচৰিকৈ বহি থকাৰ পৰাও কোনো 'এফেয়াৰ' 'ডেভেলাপ' কৰা নাছিল। সিহঁতৰ চিনাকি হৈছিল ৰাজহুৱা জীৱনৰ কঠোৰ কামৰ মাজত। দুবছৰৰ আগতে সি যেতিয়া নগাঁৱত ওকালতি আৰম্ভ কৰিছিল, তেতিয়াই প্ৰণীতাৰ লগত তাৰ চিনাকি। প্ৰণীতাই তেতিয়া বি. এ. পাচ কৰি ঘৰতে আছে। গুৱাহাটীত গৈ এম. এ. পঢ়াৰো সকলো ঠিক-ঠাক হৈ আছিল; কিন্তু দেউতাক ঢুকুৱাৰ

কাৰণে আৰু যোৱা নহ'ল।

নগাওঁ চহৰৰ পৰা তিনি মাইল-মান দূৰত এখন ছোৱালী হাইস্কুল স্থাপনৰ কাম হাতত লৈছিল প্ৰণীতাৰ দেউতাক ডিম্বেশ্বৰ ভূঞাই। দেউতাক আছিল নামজ্বলা দেশকৰ্ম্মী, সমাজ-কৰ্ম্মী। তিনি-চাৰি মাইল দূৰৰপৰা বহুত ছোৱালী আহি চহৰৰ হাই-স্কুলত পঢ়িব লগা হোৱাত গাঁৱৰ মানুহে প্ৰণীতাৰ দেউতাকৰ কাম চাপিছিছি আৰু ভূঞাগো দেহে কেহে খাটি স্কুল ঘৰটোৰ চালখন থিয় কৰাইছিল। কিন্তু স্কুলখন সম্পূৰ্ণ হোৱা দেখিবলৈ নৌপাওঁতেই কেন্সাৰ ৰোগত তেওঁৰ মৃত্যু হ'ল।

প্ৰণীতা বাপেকৰ বৰ জীয়াৰী। বাপেক মৰিলে বৰ ল'ৰাই যেনেকৈ বাপেকৰ সকলো কৰ্ত্তব্য মূৰ পাতি লয়, প্ৰণীতায়ো মাক আৰু দুটা সৰু সৰু ভায়েকৰ দায়িত্ব লোৱাৰ উপৰিও দেউতাকৰ সামাজিক কামৰ ভাৰখনো কান্ধ পাতি লৈছিল— বিশেষকৈ, সেই হাইস্কুলৰ আধৰুৱা কামখিনি শেষ কৰিবলৈ কৃতসংকল্প হৈছিল। গাঁৱৰ মানুহৰ সহায়ত স্কুলৰ বেৰ-খোৰ আদি দি ঘৰৰ কাম প্ৰায় সম্পূৰ্ণ কৰিছিল, এনেতে বিজয়ৰ লগত প্ৰণীতাৰ চিনাকি।

ত্ৰিলোচন কাকতি আছিল গাওঁ-খনৰ প্ৰতিপত্তিশালী লোক। আগৰ দিনৰ মানুহ। ইংৰাজী শিক্ষাৰ প্ৰতি সিমান ধাউতি নাছিল। হলেও, সাধাৰণ শিক্ষা-দীক্ষা পোৱা এজন জনা-বুজা লোক হিচাপে চহৰে-নগৰে সকলোতে তেওঁৰ এটা খিয়াতি আছিল। প্ৰণীতাৰ দেউতাক ডিম্বেশ্বৰ ভূঞাৰ তেওঁ সম্বন্ধত গোমায়েক আছিল। ভূঞা ঢুকুৱাৰ পিচত নাতিনীয়েকক মাতি আনি বুঢ়াই স্কুলখনৰ সকলো ভাৰ গটাই দি কলে, "ছোৱালীৰ অসুবিধা ছোৱালীযেহে বুজিব আই; ছোৱালী হাইস্কুলখনত তই অলপ আগ-পিচ নকৰিলে, মোৰ এই ডেকামখাৰ ওপৰত বিশ্বাস নাই। তই গাত ললে মই জানিবা নিচিন্ত মনে মৰিব পাৰোঁ। পাৰিবিনে নোৱাৰ ক?" কয়ও, প্ৰণীতাই পাৰিম বুলি আশ্বাস দিয়াৰ কেইদিনমানৰ পিচতে বুঢ়াই চকু মুদিলে।

সেই তেতিয়াৰ পৰাই প্ৰণীতাই গাঁৱৰ মানুহৰ সহায়ত স্কুলৰ আধ-কৰা কাম শেষ কৰাত আগ বাঢ়ি গৈছে। বুঢ়াই ডেকামখাৰ ওপৰত

আশা কৰা নাছিল যদিও, গাৱঁৰ ডেকাইতে ছোৱালী এজনী আগ বাঢ়ি অহা বুলিয়েই সে কি সকলোৱে কাত উজান দিছিল। বিশেষকৈ সেই গাৱঁৰে নতুনকৈ বি. এছ. চি. পাছ কৰি অহা নলিন দুৱৰাই প্ৰণীতাৰ লগত দিনে-ৰাতিয়ে খাটি-ছিল। এনেতে সেই ক্ষেত্ৰত বিজয়ৰ প্ৰবেশ।

* * * *

হাইস্কুলত পঢ়া দিনৰে পৰা বিজয় গুৱাহাটীত থাকি, তাৰপৰাই ল পাচ কৰি ওকালতি কৰিবলৈ নগাৱঁলৈ উভতি আহিছে। কিছুদিন ওকালতি কৰাৰ পিচতে ত্ৰিলোচন কাকতিৰ লগত তাৰ চিনাকি আৰু তাৰ পৰাই প্ৰণীতা ভূঞাৰ লগত। কথাই কথাই এদিন ত্ৰিলোচন কাকতিয়ে স্কুলখনৰ কথা কৈছিল আৰু তাৰ কাৰণে কাম কৰা প্ৰধান শিক্ষয়ত্ৰী গৰাকীৰ কথা কৈছিল। শিক্ষয়িত্ৰীৰ কথা শুনি তেওঁৰ বিষয়ে মনে মনে থুলমূল ধাৰণা কৰি লৈছিল বিজয়ে। ভাবিছিল স্কুলৰ শিক্ষয়িত্ৰী যেতিয়া, সি নিশ্চয় দেখিবলৈ পাব এটা ৰুক্ষ কৰ্কশ চেহেৰা, চকুত এটা ছাত্ৰীৰ পৰা কাম আদায় কৰা শাসকৰ চাৱনি, নহলেবা অনুষ্ঠান এখন স্থাপন কৰা বুলি চকুৰে মুখে নেত্ৰীত্বৰ এটা ভঙ্গিমা। কিন্তু তাৰ এটাও নেপালে বিজয়ে। পালে এখন প্ৰশান্ত মুখত হৰিণীৰ দৰে নিৰীহ এটা চাৱনি; সাগৰৰ দৰে গম্ভীৰ, অথচ লাজত অধোমুখি। দেখি তাৰ বৰ মৰম লাগিছিল প্ৰণীতালৈ......... ।

প্ৰণীতাৰ প্ৰতি সেই মৰম বিজয়ৰ কেতিয়াও কমা নাই—নাই কমা পাঁচ মিনিটৰ আগলৈকে। প্ৰণীতাক দেখা সেই প্ৰথম দিনাৰে পৰা গোটেই ঘটনাবিলাক সি মনত পেলাই চায়। প্ৰথম দেখাৰ পৰাই প্ৰণীতাক সি হিয়া উবুৰিয়াই দি ভাল পাই আহিছে।

কিন্তু প্ৰণীতাই......? বিশ্বাস-ঘাতকৰ ভূমিকা লৈ সোণৰ সংসাৰত জুই দিবলৈ ওলাইছে। বিজয়ে ভাবিবলৈ ধৰিলে, চিঠি লিখা "এন, ডি," নিশ্চয় নগাৱঁৰ সেই নলিন দুৱৰাই হব। অথচ এই নলিন দুৱৰাৰ লগত প্ৰণীতাৰ যদি ইমানেই ভালপোৱা আছিল, তাকে আগ-তেই খোলাখুলিকৈ কৈ দিয়া হলেই

ষেখোন দুয়োৰে শুকে তাৰ আছিল। প্ৰণীতাৰ প্ৰণয়ৰ পথত অন্তৰায় সৃষ্টি কৰাৰ ইচ্ছা বিজয়ৰ একেবাৰেই নাছিল। বৰং প্ৰণীতাই নিজেইহে তাক ওচৰলৈ চপাই নিছিল। এতিয়াও বিজয়ৰ কাণত প্ৰণীতাৰ সেই কিআৰাৰ কথা বাজি আছে, "আমাৰ কৰ্ম্মক্ষেত্ৰ যদি আৰু নিবিড় হয়, আমাৰ দুয়োৰে মাজৰ সম্বন্ধ যদি আৰু গাঢ় হয়, কামৰ অন্তত দুয়ো দুকালে নগৈ যদি একে কাললৈকে, একেটা আশ্ৰয়ৰ ধলী-লৈকে কেতিয়াবা যাব পাৰে ধৰক, তেন্তে আপোনাৰ কিবা আপত্তি আছে নেকি বিজয়দা?......"

দেই-পুথি শেষ হৈ যাব খোজা অন্তৰ এখনেৰে আকৌ চিঠিখন হাতত তুলি লৈ বিজয়ে পঢ়বলৈ ধৰিলে:

"মৰমৰ সোণ

তুমি চিঠিবোৰ ইমান পলমকৈ দিলে মোৰ ধৈৰ্য্য কেনেকৈ থাকে কোৱা। নতুন পৰিৱেশ পাই মোৰ কথা তুমি নিশ্চয় পাহৰি নাযাবা বুলি মই বিশ্বাস কৰিব পাৰোঁ। আজি ইমান দিন তুমি পাহৰি যোৱা নাই। এতিয়ানো পাহৰিব লগীয়া কিবা আছে জানো? তুমি মোৰ পৰা দূৰত থাকিব লগীয়া হলেও, মই জানো, তুমি সদায় মোৰ একেবাৰেই ওচৰত, একেবাৰেই অন্তৰৰ মাজত আছা......"

—এইখিনি পঢ়ি আৰু পঢ়িবলৈ বিজয়ৰ ধৈৰ্য্য নাথাকিল। আকৌ এবাৰ সি তলৰ নামটো পঢ়ি চালে—"তোমাৰেই মই— এস, ডি"

আকৌ এবাৰ সি খামটোৰ ওপৰত লিখা ঠিকনাটো চালে। "প্ৰণীতা, কেয়াৰ অব শ্ৰী বি, হাজৰিকা... "—একেবাৰেই সঁচা, বিজয়ে একো ভুল কৰা নাই।

প্ৰণীতা যদি সেই সময়ত ঘৰত থাকিলেহেতেন, বিজয়ে কি কৰিলে-হেতেন কব নোৱাৰে। প্ৰণীতা নাছিল। মইনাপাৰিজাতৰ সৌজন্যত পতা কিবা এখন প্ৰদৰ্শনীৰ আয়োজন কৰিবলৈ গৈছিল। মইনা-পাৰিজাতৰ এটা শাখাৰ লগত তেওঁ জড়িত।

* * *

প্ৰণীতা যেতিয়া ঘৰলৈ উভতে তেতিয়া ৰাতি ন বাজিছে। আহোঁতে লগত এজাক ল'ৰা-ছোৱালী। সিহঁতে

আহি "মহাদেৱ আছেনে, মহাদেৱ আছেনে" কৰি হুলস্থূল লগাই দিলেহি। আনকাল হলে তেনেকৈ দুবাৰ এবাৰ মাতিলেই বিজয় ওলাই আহি সিহঁতৰ ইটোক মৰম কৰি, সিটোক চুমা খাই, সিটোক ওপৰলৈ দাঙি উৎপাত লগাই দিয়ে; কিন্তু আজি সিহঁতে মহীদেৱেকৰ পৰাই বিদায় লৈ বাহিৰে বাহিৰে গুচি গ'ল।

সিহঁতক বিদায় দি প্ৰণীতাই ভিতৰলৈ সোমাই গৈ দেখে বিজয় বিছনাত দীঘল দি পৰি আছে। কিবা অসুখ-বিসুখ হ'ল বুলি প্ৰণীতাৰ চুলিৰ আগে জীয় গ'ল। ওচৰলৈ গৈ কপালত হাত দি সুধিলে, "আপোনাৰ কিবা অসুখ নেকি?"

বিজয়ে কপালৰ পৰা হাতখন একৰাই দি সিফালমুৱৈ বাগৰ সলালে। প্ৰণীতাই তাৰ হাতখন বুকুৰ মাজলৈ টানি আনি আকৌ সুধিলে, "কওকচোন. আপোনাৰ গা বেয়া লাগিছে?"

বিজয়ে এইবাৰ প্ৰায় এচাৰ মাৰিয়েই হাতখন একৰাই নি কলে "যোৱাচোন, তুমি অলপ যোৱা। মোক অলপ অকলে থাকিবলৈ দিয়া।" কথাটো একো বুজি নেপাই প্ৰণীতা একেবাৰেই হতভম্ব হৈ গ'ল। বিজয়ক লগ পোৱাৰে পৰা ইমান দিনৰ ভিতৰত তাৰ পৰা এনে ব্যৱহাৰ পোৱা এয়ে প্ৰথম। হঠাৎ আজি কি হ'ল?

প্ৰণীতাই তথাপি আতৰি নগৈ বিজয়ৰ মুখতে মুখখন লগাই আকৌ কলে, "কওকচোন, মোৰ ওপৰত খং কৰিছে? মোৰ কথা কোনোবাই কিবা লগাইছে?"

বিজয় এইবাৰ একেবাৰেই উঠি বহিল। প্ৰণীতাৰ ফালে চকু পকাই ৰবি কলে "শুনা প্ৰণীতা, প্ৰতাৰণা কৰিবলৈ আৰু ঠাই নেপালা? এন, ডি, কোন?"

"প্ৰতাৰণা? এন্, ডি,—এইবোৰ আপুনি কি কৈছে, কওকচোন। কোনোবাই মোৰ কথা আপোনাক কিবা লগাইছে? কোনে কি কৈছে কওকচোন।"—ভয় আৰু কোমলতা মিহলি মাতেৰে প্ৰণীতাই কলে।

বিজয়ে আকৌ সমান খঙেৰেই কলে, "নাই কোৱা, আনে কিয় কব লাগিছে? প্ৰত্যক্ষ প্ৰমাণ মোৰ হাতত। আনে আৰু কবৰ আৱশ্যক

নাই।"

প্ৰণীতাই কলে, "কতা, এন্, ডি, কোন মইতো কব নোৱাৰো। কিয় কৈছে আপুনি এই নামটো যাক? কওকচোন। সঁচা, মই বাহিৰ ওলাই এই সক সক ল'ৰাছোৱালী-বিলাকৰ কামত ঘুৰোতে বহুত মানুহৰ সংশ্ৰৱলৈ আহিছো, বহুতৰে লগত ঘুৰি পকি ফুৰিব লগা হৈছে, বহুতৰ লগতে কাম কৰি ফুৰিছোঁ। তাৰে ভিতৰত সেই এন, ডি, কোনোবা হয়তো থকিবও পাৰে। কিন্তু ইয়ানকৈ কিয় ভাবিবলগা হ'ল? মইতো এনেকৈ বাহিৰত ওলাই ঘুৰিব পকিবলৈ নেযাৱেঁই বুলিছিলো, মই জানিছিলো আপুনি সহিব নোৱাৰিব। আপুনিহে দেখোন মোক জোৰ কৰি এইবোৰত লগালে। তেন্তে আজি কিয় মোক এনেকুৱা কৰিছে কওকচোন।" প্ৰণীতাৰ মাত খোকাথুকি হৈ গ'ল, বিজয়ৰ ভৰি দুখনত খামোচ মাৰি ধৰিলে।

বিজয়ে আকৌ এচাৰ গাৰিহাত দুখন একৰাই দি কলে, "প্ৰণীতা, লুকুৱাব নেলাগে। মই সকলো বুজিছোঁ। সচায়ে তোমাৰ হিয়া যদি আন এজনক দি দিছিলা, তেন্তে মোক নকৈছিলা কিয় বাক? মইতো তোমাৰ প্ৰণয়ৰ পথত বাধা নিদিলোহেঁতেন। মইনা-পাৰিজাতৰ বাবে দুখৰ কথাও কব নেলাগে। এন, ডি, ইয়াৰ কোনো নহয়। নগা ৰী বে ই হব, নহয়?"—এই কি আৰাৰ কৈ উছাট মাৰি ওলাই গ'ল।

"নগাৰীৰ? কোনে কি লগাইছে বাক এইবোৰ? তাৰ মানে নলিন দুৱৰাৰ লগত হোৱা সেই ঘটনাবোৰৰ কথাকে কোনোবাই বিকৃত ৰূপ দি লগাইছেহি নেকি?" প্ৰণীতাই ভাবি পাৰ নেপায়। অথচ নলিন দুৱৰাৰ লগতেই বা তাইৰ কি বৰ বেছিতো হৈছিল? দুৱৰাকতো প্ৰণীতাই কেতিয়াও প্ৰশ্ৰয় দিয়া নাছিল। দুৱৰাই যে সুবিধা পালে প্ৰণীতাৰ লগত বহুত দুৰলৈকে অগ্ৰসৰ হ'লহেঁতেন সেইটো সচা; তাৰ উপৰি, এখন স্বাস্থ্যবান সুন্দৰ যুৱকৰ প্ৰতি এগৰাকী গাভৰুৰ যি স্বাভাৱিক মোহ উপস্থিত হব পাৰে, সেইখিনি অৱশ্যে প্ৰণীতাৰো নোহোৱা নহয়। কিন্তু সিমানেই। তাতকৈ বেছি হবলৈ নৌ পাওঁতেই নলিন এম্. এছ্. ছি. পঢ়িবলৈ কলিকতালৈ গুছি যায় আৰু বিজয় আহি পায়। তাৰ

পিচত যেখোন নলিনৰ লগত একো নাই। এইবোৰকে ভাবি ভাবি প্ৰণীতাই বাহিৰলৈ ওলাই গৈ বিজয় আহিছেনে নাই চাবলৈ একেবাৰে গে'টৰ মুখ পালেগৈ। কিন্তু বিজয়ৰ দেখা-দেখি নাই। বহুত পৰ বৈ থাকি প্ৰণীতা সোমাই আহিল।

আকৌ ভাবিলে, "যদি নলিন-দুৱৰাৰ কথা কোনোবাই বেয়াকৈ লগাইছে? বিজয়ৰ মগজত যদি কোনোবাই সুমুৱাই দিছে নলিনৰ লগত মোৰ কিবা গাঢ় সম্বন্ধ হৈছিল। আৰু এতিয়াও মোৰ অন্তৰ নলিনৰ প্ৰতিহে ধাৱমান, বিজয়ৰ প্ৰতি যি সমমতাৰ সি মাত্ৰ বাহ্যিকতা— অন্তঃসাৰশূন্য, মিছা আড়ম্বৰ? ইছ্ কোনে মাৰিলে এইপাত বিহ কাঁড়? কাৰ মই পানী খোৱা পুখুৰীত বিহ দিছিলোঁ। বাৰু?"— প্ৰণীতাই আৰু ভাবিব নোৱাৰা হ'ল। চকুৰেদি বাৰিষাৰ বৰষুণ ধাৰাসাৰে নামি আহিল।.........

ৰাতি ছাৰে দহ বাজিল; এঘাৰ বাজিল, বাৰ বাজিল— কিন্তু বিজয় আৰু উভতি নাহিল। কাঞ্চাটো ইতিমধ্যে শুইছিল গৈ। তাৰ জগাই আনি কুৰে, "মহেন্দ্ৰ বাবু ওলাই গৈছে, অহা নাই যেখোন।" কাঞ্চা ওলাই গৈ য'ত য'ত তাৰ বাবু থাকিব পাৰে সকলোতে খা-খবৰ লৈ আহিল— বাবু ক'তো নাই। মেলা দুৱাৰ মেলাতে থৈ প্ৰণীতাই আৰামী চকীখনতে বহি বিজয়লৈ বাট চাই থকিল।

চকু দুটা অলপ লাগো লাগো হওঁতে বিজয় পালেহি। তেতিয়া দুই বাজিছে। বিজয় অহা দেখি লৰালৰিকৈ পাকঘৰলৈ গৈ ভাত বাঢ়ি দি প্ৰণীতাই কলে, "ভাত বাঢ়িছোঁ, খাওকহি।"

বিজয়ে একো উত্তৰ নিদি বিছনাত শুই থাকিলগৈ। প্ৰণীতাই পাকঘৰত বহুত পৰ বাট চাই থাকি থাকি শোৱা কোঠালীত বিজয় শুই থকা দেখি নিজেও আৰামী চকিখনতে বহি পৰিল। নিজৰক আৰু ভাত খাবলৈ টানি ধৰিবলৈ সাহ নহ'ল। সেই ভাঁজেই প্ৰণীতাৰ ৰাতি পুৱাই গ'ল ......... ।

* * * *

পিচদিনা পুৱাই বিজয়ে কাঞ্চাক মাতি আনি কিবা কামত ওলাইছে

খুলি কৈ উঠি গ'ল। তাত বাবৰ মনত আছি নোপোৱা দেখি কাকাক আকৌ পঠাই দিলে বাবুক বিচাৰি। কাকাই বাবুক আকৌ টিলিয়াৰ মোৰাবিলে।

কিনৰ দিনটো প্ৰণতীয়ো লঘোণে ভোকে থাকি থাকিলৈ বিজয় আহিব বুলি এটা ক্ষীণ আশা লৈ বাট চাই থাকিল। সেই ৰাতি বিজয় ঘৰলৈ একেবাৰেই নাহিল।

পিচদিনা পুৱা বিজয় ঘৰলৈ আহিল। প্ৰণীতাই মাত্ৰ তৰি মুখনত ধৰি কান্দিবলৈ ধৰিলে। গুৰুগম্ভীৰ স্বৰে বিজয়ে ক'লে, "আৰু একো লাভ নাই প্ৰণীতা। মোৰ মন একেবাৰেই ভাগি গৈছে। কিছুদিনৰ কাৰণে তুমি ঘৰলৈকে যোৱাগৈ।"

"কিন্তু কাৰ লগত যাম?" প্ৰণীতাই ভয়ে ভয়ে সুধিলে।

"কাবোবাক মাতি পঠোৱা" বুলি আৰু একো কথা নকৈ বিজয় ঘৰৰ পৰা ওলাই গ'ল।

প্ৰণীতাই দেখিলে এনে পৰিস্থিতিত কিছুদিন আঁতৰি থাকিলে কিজানি মনৰ কিবা পৰিবৰ্তন হয়েই। সেই বুলি মোমায়েকলৈ এখন টেলিগ্ৰাম কৰি পিচদিনাই প্ৰণীতা নগাৱঁলৈ গ'লগৈ।

* * * *

প্ৰণীতা যোৱাৰ পিচত বিজয়ৰ একোন্তে মন নবহা হ'ল। বলিয়াৰ দৰে সি এবাৰ প্ৰণীতাৰ ফটোখন আনি বুকুত সুমুৱাই লব খোজে, এবাৰ আকৌ নি গেজৰ ওপৰত্তে ওভতাই পেলাই থয়। ভালে টোপনি নাহে, খাবলৈ নহিলে খাবৰ ইচ্ছা নহয়, কিতাপ পঢ়িবলৈ লৈ পঢ়িব নোৱাৰে। পিয়নে দি যোৱা চিঠিখনৰ কথা মনত পৰিলেই অন্তৰ দেই পুৰি আছে; কিন্তু সকলো আপদৰ মূল সেই চিঠিখন পুৰি পেলাবও নোৱাৰে।

* * * *

এদিন আবেলি। কেইবা দিনো টেনিচ খেলিবলৈ নোযোৱা দেখি বিজয়ৰ বন্ধু ৰমেন নকলা খবৰ লবলৈ আহিল। বিজয়ৰ সেই চেহেৰা দেখি ৰমেনে সুধিলে, "কি হে একেবাৰে দেখোন বিৰহী যক্ষৰ চেহেৰা লৈছা? কি হৈছে? খেলা-ধুলা এৰিলা যে? ছবিমতী আছে

ৰে নাই ?"

মেইবোৰ খেৰাজি-পুতুলা বিজয়ৰ একেবাৰেই চিন্তা লাগি গৈছে। পিং কলে, "কেও নাই। ৰবত কাঁধবাৰ অসুখ। নগাঁৱলৈ গৈছে।"

"ন' তাকে নোকোৱা কিয় ?" বমেনে বসিকতাৰ সুৰত কলে।

বিজয়ে কোনোমতে বমেনৰ পৰা হাত সাৰি বলৈ কলে, "তুমি একেবাৰেই খেলিবলৈ ওলাই আহিছা সময় বমেন। মই গৈছোঁ, তুমি আগবাঢ়াচোন, মই এই দাড়ি-কেইডাল খুৰাই পাঁচ মিনিটতে গৈছোঁ।" বুলি বমেনক বিদায় দিলে।

বমেন যোৱাৰ পিচত এইবাৰ আকৌ আঠ-দহ বছৰীয়া ল'ৰা এটা তাৰ ঘৰৰ ফালে অহা বিজয়ে দেখা পালে। তাক দেখি বিজয়ৰ আকৌ জুই জ্বলি উঠিল। মনতে ভাবিলে, সি নিশ্চয় মইনা-পাখিজাতৰ ল'ৰা। এই মইনা-পাখিজাতে বা আকৌ কি কৰিছে তলে তলে ? তাৰ সংসাৰত কিজানি আৰু একুৰা জুই অলোৱাৰ চেষ্টা কৰিছে, কোনে জানে ? সি নিশ্চয় তাৰ মাহী-দেউৰেকক নিবলৈ আহিছে। "নিবি ব, সকলো শেষ কৰি দিম। নিজেও তিলতিলকৈ শেষ হৈ যাম," বুলি মনতে ভাবি সি গেটৰ কাষে আগ বাঢ়ি গ'ল।

ল'ৰাটোৱে চুচুক-চামাককৈ আহি বিজয়ৰ হাতত চিঠি এখন তুলি দি কলে "এইখন আপোনাৰ চিঠি।"

বিজয়ৰ প্ৰশ্নসূচক দৃষ্টিৰ ল'ৰা-টোৱে নিজেই উত্তৰ দিলে, "দেউতাৰ নামো বি. হাজৰিকা। পিয়নটোৱে ভুলকৈ এইখন দেউতাৰ চিঠি বুলি আমাৰ তাত দি গৈছে। আগেয়েও এবাৰ দিছিল আৰু মই দি গৈছিলোঁ হি আপোন'-লোকৰ তাত।"

ঘোৰ অন্ধকাৰত বিজুলীৰ চিক-মিকনিয়ে চকু ছাট্ মাৰি ধৰাৰ দৰে কৈ বিজয়ে চকু-কাণ ঠিয় কৰি ক'লে,

"ও পিচে ?"

লৰাটিয়ে কৈ গ'ল, "বাইদেউৰ নামো প্ৰণীতা। আপোনালোকৰ কোনোবা প্ৰণীতা আছে হবলা— পিয়নে সেইকাৰণে ভুল কৰে। বাইদেউৰ এখন চিঠি ভেনেকৈ হেৰাইছেই। তিনদেউৱে মাজতে দিয়া চিঠি এখন বাইদেৱে পোৱা

নাই যোৱে।"

আৰু বেছি উৎকণ্ঠাৰে বিজয়ে সুধিলে,

"তোমাৰ তিনদেৱেৰাৰ নাম ?"

"মিৰেন দত্ত" বুলি কৈ ল'ৰাটি গুচি গ'ল।

* * * *

সেইদিনাই বিজয়ে প্ৰণীতালৈ এখন টেলিগ্ৰামক দিলে :

"তৎক্ষণাৎ আহা। মোৰ বৰ অসুখ।"

---

## এখন বিজ্ঞাপন

৮ম মান শ্ৰেণীত পঢ়া ছাত্ৰ এজনে বহুত ভাবি-চিন্তি দেউতাকৰ জপৰ পৰা টকা চুৰ কৰি বাতৰি কাকতত এই বিজ্ঞাপনখন দিছিল :

"লাগে ! লাগে !! লাগে !!!

১৯১৫ চনত কলেজিয়েট হাইস্কুলৰ ৮ম মান শ্ৰেণীত পঢ়া ছাত্ৰ এজন লাগে। প্ৰয়োজন :— দেউতাই কোৱামতে তেওঁ সঁচাকৈয়ে পঢ়া-শুনাত চোকা ল'ৰা আছিল নেকি তাৰে খবৰ লোৱা।"

“উমাৰ জীৱন জানো কথাছবিৰ

নায়িকাতকৈ কম চিত্তাকর্ষক?”

# বোধিদ্ৰুম

আলিমুননিছা পিয়াৰ

মৰমৰ মাইনু,

তোমাৰ, চিঠি পাইছোঁ। এৰা, মোৰো তোমাৰ দৰেই দুই ক্রান্তিকালতে সৃষ্টিৰ স্পৃহা বাঢ়ে। পথাৰ-গুৱনি জাক-দাৱনীৰ দৰে লুক-ঢাক্ নোহোৱাকৈ খিলখিলাই হাঁহি থকা বেঙুনীয়া মেটেকা ফুলে, সেউজীয়া ধাননি পথাৰখনিয়ে মাত বাউল দি মোক মাতিছে। আকাশৰ বুকুত ওমলি ফুৰা কঁহুৱা ফুলবোৰে উন্মনা কৰি তুলিছে মোক। শেৱালি সৰা পুঁৱতি পূৱ আকাশৰ ৰ'দ চেৰেঙাৰৈ চাই পুলক অনুভৱ কৰিছোঁ। নাম নজনা সৰু চৰাইজাকৰ বিবিধ কলতানে জীৱনত আবেশময় আৱহসঙ্গীতৰ মূৰ্চ্ছনা জগাই তুলিছে। কিন্তু তথাপিও সৃষ্টি যে মই কৰিব পৰা নাই। কিয় পৰা নাই শুনিব খুজিছা? শুনি মোক ‘চিনিক’ আখ্যাও দিব পাৰা। হয়তো তুমি আঁতিগুৰি বিচাৰিবা—হঠাৎ মোৰ হ'ল কি? আৰু আত্মজিজ্ঞাসাৰ ভাবেই বা ইমান প্রকট ভাবে আত্মপ্রকাশ কৰিলে কিয়? তুমিতো চিৰদিনেই নতুনৰ যাত্ৰী। তুমিতো উভতি চোৱাৰ পন্থী নহয়। তথাপিও শুনিবা? শুনা তেন্তে।

কি লিখিম বাৰু? চৌদিশে—আশে পাশে কিমান কি দেখিছোঁ, চকু মুখাই চাইছোঁ, সেই সকলো মোৰ আও পুৰণি। তুমি কোনো মতেই নতুন কিবা এটা সৃষ্টি কৰাৰ আকাঙ্ক্ষাৰে, প্ৰেৰণাৰ কণা এটি বিচাৰি পাওঁ বুলি গলো চিনেমা এখন চাবলৈ—অসম্ভৱ ভীৰ। ছবি চাই মই আগৰ দৰে তুমি কোনো আপোন পাহৰা কৰি হৈ পৰিলো, হৈ পৰিলো তোমাৰ ভাষাত 'দাৰ্শনিক'। অতি নিম্ন স্তৰৰ ৰুচি সম্বলিত ছবি এখনি চাবলৈকো দৰ্শকৰ কি ভীৰ! জানা, কি উপলব্ধি কৰিলো মই? দাৰিদ্ৰই যদি নাশ কৰে পুৰুষৰ আয়ুস, নাশ কৰে ঔজ্জ্বল্য,—স্বচ্ছলতাই নাশ কৰে কামিনীৰ কমনীয়তা। মাথোন অভিনয় ক্ষমতাক সম্বল কৰি প্ৰত্যক্ষ আবেদনেৰে দৰ্শকৰ চিত্ত অভিভূত কৰি তুলিব পৰাৰ বল যাত্ৰা-ভাওনাৰ শিল্পীৰ দৰে আন কাৰো নাই। অথচ সকলো বুজিও সুবুজাৰ ভাও ধৰি—আওকণীয়া হৈ চলি যাব পৰাটোৱেই যে এই যুগৰ ধৰ্ম্ম। মই স্বীকৃতি নিদিলেও চিনেমা শিল্পৰ একো ক্ষতি নহয়; কিন্তু এই যে 'চিনিকেল' ভাৱ এলানিৰ প্ৰবাহ—তাৰ সৃষ্টি কি বঢ় বাস্তৱৰ পৰা তাকে ভুলা।

চিনেমাহলৰ পৰা ওলাই আহিয়েই দেখিলো উমাক। মনত আছে তোমাৰ উমা চলিহাক? মুখত গীতৰ কলি, চকুত ধুনীয়া হাঁহি আৰু মুনি মনোহৰা ৰূপেৰে এইখন চহৰৰ শ্ৰেষ্ঠা শিল্পী উমা চলিহাক?

অবাক বিস্ময়ত মোৰ কণ্ঠৰোধ হৈ গৈছিলো। হাতত দু আঁটি বাঁহ ধৰিবে উমা। এহাতে সক লেম এটা। চিনেমাহলৰ কাষৰে গলিটোৰ ফালে খোজ আগবঢ়াই তাই মোক দেখি থমক খাই ৰৈছিল! হাঁহি সুধিছিল—"ভালনে?" মোৰ লগতে ভেখেতক দেখি হাৰিকেনটো নমাই থৈ হাতদুখন নমস্কাৰৰ ভঙ্গীত ওপৰলৈ তুলিবৰ বৃথা প্ৰয়াসো নকৰিলে। মাথোন মৌখিক 'নমস্কাৰ' এটা জনাই হাঁহিলে সৰল — অকৃত্ৰিম হাঁহি! 'কাবেঙৰ লিগিৰী'ৰ ভূমিকাত দুবাৰো পদক পোৱা, 'সাগৰিকা' নৃত্য নাটিকাত হেজাৰবিজাৰ দৰ্শকক অভিভূত কৰি তোলা শিল্পী উমা চলিহাক নতুন ৰূপত দেখিলো, কৌতূহলতকৈয়ো বিস্ময়ত মই হত-

বাহু হৈ পৰিছিলো ! ক্লাই বাজিলে—ইয়ানজিনৰ মূৰত দেখা হ'ল যেতিয়া আহ অলপ থহি থাকিছি, এই গুচৰতে আমাৰ 'বালিচৰ'।

'বালিচৰ' ? অপ্ৰস্তুত হোৱাৰ দৰে মই সুধিলো। ভেবেভেওঁ থাভি বহুত হ'ল দেখোন বুলি থড়ীলৈ চালে। তথাপিও তাইৰ সহৃদয় আহ্বান উপেক্ষা কৰিব নোৱাৰি মন্ত্ৰমুগ্ধৰ দৰে আমি তাইৰ পাচ ললো। ৰ'দ-বতাহৰ আশীৰ্ব্বাদৰ পৰা প্ৰায় বঞ্চিত বুলিব পৰা এটা গলি ; কিন্তু ঘৰৰ মাটিৰ মজিয়াখন তাই নিকাকৈ ৰাখিছে। তাৰে এচুকত—টুল এখনৰ ওপৰত মাটিৰ কুজা এটা ; গিলাচটো কুজাৰ মুখতে লগাই থোৱা। কাষৰ সৰু বিচনাখনত হৃদয় শুই আছে। আমি গৈ সেই কোঠাতে বহিলো। মানে—ঘৰৰ কোঠা বুলিবলৈ দুটাহে। সৰু আগচালি এখন লগাই দি তাতে আখল কৰা হৈছে। উমাৰ অকণমান পোনাটি দেউতাকৰ কাষতে শুই আছে।

নিশা এপৰত খৰি আনিবলৈ পঠোৱা হৃদয়টোৰ প্ৰতি পুহি ৰখা বিজাতীয় ক্ৰোধ এটাই মোক হঠাতে ছুহ কৰি ধুজিছিল। এতেকে বহুতো প্ৰশ্নই মোৰ মনত ভুমুৰি দি ধৰিলে। একাধাৰে লেখক, গায়ক আৰু চিত্ৰশিল্পী হৃদয়ানন্দৰ হৃদয়ৰ পৰিধি বহল বুলিয়েই জানিছিলো ; কিন্তু জীৱনটো লৈ ভণ্ডাহিণ্ডা খেল খেলিলে এতিয়া আৰু কোনোমতেই হৃদয়ক পুতৌতো নহয়েই—ক্ষমাও কৰিব নোৱাৰি। মনত বহুতো ভাৱে তোলপাৰ লগাইছিল।

সহজভাবেই উমাই কলে—"পানী এটোপা তপতাও ৰ। তেখেতক জগাবলৈ বেয়াই লাগিছে। সোঁভৰিৰ আঠুৰ জোৰাটো লৰিছে। দুসপ্তাহ হ'ল, উঠিবই পৰা নাই। টোপনি আহিছে চাগে। ভাগ্যে পোনাৰ আমনি নাই। নহ'লে প্ৰায়েই ওলাবলগীয়া হৈছে। শুয়ো পৰি থাকে ওমহি।" বুলি কৈ তাই সস্নেহে শুই থকা দুটি প্ৰাণীৰ ওপৰত চকু বুলাইছিল। নিশা দোভাগতো উমাৰ নিমন্ত্ৰণ উপেক্ষা কৰিব নোৱাৰি এঘণ্টামান বহিছিলো আমি। উমাৰ পৰাই বুজিলো— সেই গলিৰ বাটতে পিছল খাই হৃদয়ৰ ভৰি ঘূণীয়া হৈছে আৰু ধুনীয়াতকৈয়ো ধুনীয়া

হৈছে—উমাৰ মন, উমাৰ অন্তৰ আৰু উমাৰ কাৰ্য্যৰ ধাৰা! চাহ একোকাপ আগবঢ়াই দি কলে—"খা, শুদামুখে গলে মনত পৰি থাকিব।" জীৱনৰ কুৰিটা বসন্ত যি উমাই চিল্ক, চাটিন, জৰ্জ্জেট, বেনাৰসীৰে নিজৰ লয়মু দেহা আবৰি ৰাখিছিল, সেই উমাই ফটাছিটা এটা বনিয়নেৰে পোনাকণক ঢাকি খৈ শুদাচাহ একাপেৰে প্ৰিয় বান্ধৱীক অভ্যৰ্থনা জনাইছে।

হৃদয়ে ক্ষন্তেক পাচত সাৰ পাইছিল। মিচিকিয়াই হাঁহি হাত মুখন ওপৰলৈ জুৰি সুধিছিল—"ভালনে আপোনালোকৰ? উমাই চাগৈ কৈছে মোৰ পতন, মানে পদস্খলনৰ কথা" বুলি ঈষৎ কৌতুকেৰে উমালৈ চাই আকৌ হাঁহিছিল। মোৰ চকুৰ আগত জ্বলি উঠিছিল নিয়ন লাইটৰ শাৰী নহয়— গধুলি বেলিৰ তুলসী তলৰ মাটিৰ চাকিৰ শাৰী! কল্যাণ, শান্তি আৰু পবিত্ৰতাৰ প্ৰতিমূৰ্ত্তি ভাৰতীয় নাৰীৰ প্ৰতীক যেন উমা!

তুমিতো জানাই মাইমু— উমাৰ ওপৰত বহুতৰে বহুত আশা আছিল। ডিষ্ট্ৰিক্ট জাজ দুয়ৰাৰ যোৱাৰী হব উমা, যাকে ভাবিছিল। দেউতাকে—ককায়েকে কি ভাবিছিল সেই কথা নকলেও হব। উমাই নিজেও জানো ভবা নাছিল— সাতসাগৰৰ সিপাৰৰ কোনোবা অচিন ৰাজকুমাৰ আহিব—ধনুভঙ্গৰ পণ ৰাখি উমাক নিবলৈ। কিন্তু সেই সকলো কল্পনা ধূলিস্যাৎ কৰি উমাই শিল্পী হৃদয়ৰ লগত জীৱনৰ নাও মেলি দিলে— অনিশ্চয়তাৰ পাল তৰি। হৃদয়ৰ পৰিচয় মাথোন এটি— হৃদয় জীৱন শিল্পী। আৰু একো পৰিচয় হৃদয়ৰ নাই।

সৰু পৰিয়ালটিৰ একমাত্ৰ উপাৰ্জ্জনক্ষম ব্যক্তি হৃদয়ৰ—এই অৱস্থাতো সিহঁতৰ প্ৰীতিৰ বন্ধন যে একেদৰেই অটুট আছে, সেই কথা বুজিবলৈ বাকী থকা নাছিল; নাছিল এই কাৰণেই যে সিহঁত হালৰ ব্যৱহাৰত ক'তো অলপো জড়তা, অলপো আড়ষ্টতা দেখা নাছিলোঁ। লুকঢাক্ নোহোৱাকৈ দুৰ্দ্দশাৰ বহল বিৱৰণী দি হায়ে নিয়ে নকৰি নিশ্চিন্ত হৈ থাকিব পৰাত কম কচি; কম খিনি ধৈৰ্য্য আৰু সৎসাহৰ আৱশ্যক জানো?

শিল্পী স্বামীৰ সৈতে বিদেশ ভ্ৰমণৰ বহু বিচিত্ৰ অভিজ্ঞতাৰ কথা

উমাই কৈছিল— ভিতৰলৈ গৈ আমি যেতিয়া কন্তেক বহিছিলোঁ। সেই অৱসৰত! নকলে মাথোন দাৰিদ্ৰৰ চৰম সীমাত উপনীত হৈ কিদৰে চলাইছে সংসাৰ। কথাৰ মাজত এবাৰ মাথোন উল্লেখ কৰিছিল— অন্ধ অনুকৰণৰ মোহত নিজক বিসৰ্জ্জন দিয়াৰ পক্ষপাতী আমি দুয়ো নহওঁ। মই স্কুলৰ শিক্ষকতাত আছোঁ।" তাৰ বেছি কৰিবৰ ইচ্ছা আৰু সামৰ্থ্য চাগৈ উমাৰ আৰু নায়ো। সঁচাকৈ মাইনু, মই ভাবিছোঁ চকুত চমক লগোৱা কিবা এটা কৰি এটা যুগৰ বিস্ময় হোৱাত উল্লাস হয়তো আছে, তৃপ্তি নাই। আৰু জানা— বহুতক ভৰিৰে গচকি যাব নোৱাৰিলে বহুজন বন্দিতা, বহুমন নন্দিতা যে হব নোৱাৰি— সেই কথা উমাই উপলব্ধি কৰিছে চাগৈ এইদৰে তথাকথিত নিষ্ক্ৰিয় জীৱন আদৰি লৈছে। আৰু—ভাগ্যৰ ওচৰত আত্মসমৰ্পণ নকৰি পাৰে জানো?

তথাপি উমা অপৰাজিতা। জানিছিলোঁ হৃদয় শিল্পী পিতৃৰ শিল্পী পুত্ৰ। সিহঁতনো কেনেকৈ নামি আহিল— দাৰিদ্ৰৰ শেষ ঢাপলৈ তাৰ বহল বৰ্ণনা নিদিলে উমাই। কোনো অনুযোগ নকৰিলে নিয়তিৰ প্ৰতিও। তাই স্বামীৰ প্ৰতিটো নহয়েই। কোনো প্ৰহতুষ্টিৰ আয়োজনো যে কৰা নাই তাক জানিবৰ বিশেষ চেষ্টাৰ আৱশ্যক হোৱা নাছিল। নৱৰত্নৰ সহায়ত ভাগ্যৰ চকৰি ফিৰোৱাৰ প্ৰয়াস কৰা হলেও তাইলৈ পুতৌ হ'লহেঁতেন। কিন্তু তাইযে নাৰীৰ আপোন ভাগ্য জয় কৰাৰ শান্তিময়ী, মহীমাময়ী ৰূপেৰে সংসাৰৰ মাটিৰ মজিয়াত ভৰি দিলে।

আজিৰ পৃথিৱীৰ ৰোমাঞ্চসৰ্ব্বস্ব তথাকথিত কলাসেৱীৰ লোলুপতাৰ গৰাহত নপৰাকৈ তাই যে চলি যাব পাৰিছে, মই তাৰ বাবেই তাইক শতবাৰ মনে মনে অভিনন্দন জনাইছোঁ মাইনু। টি. বি. হস্পিটেলত পৰি থকা তাইৰ বৰপুত্ৰ পুৰন্দৰৰ খৰচৰ বাবে তাই হোনো ঘৰতে চিলাই শিক্ষাৰ সৰু এটি অনুষ্ঠানো খুলিবলৈ ওলাইছে। সেই গলিৰ আশে-পাশে থকা গিৰীহঁতনীজাকে কাপোৰ কটা, চিলোৱাৰ শিক্ষা লবহি। উভতি অহাৰ বাটত গলিৰ মুখৰ পান দোকানীটোৱে পাঁচমুখে শলাগিছিল উমাক।

পৰিস্থিতিৰ বা-মাৰলীয়ে সৰ্ব্বান্ত আহত-ইতৰ দৰে সিহঁতক— এইখন ধৰণীত পেলাদেখি,— য'ত থাকি য'ৰ জীৱন যাত্ৰাৰ লগত অভ্যস্ত হৈ উমাই উপলব্ধি কৰিছে— সমাজতকৈ সংসাৰৰ দায়িত্ব বহুত বেছি। সেয়ে উমাই জোৰা তাপলি মৰা এইখন সংসাৰত তিল্ তিলকৈ নিজক নিঃশেষ কৰি দিছে। মই নিৰ্ব্বাক হৈ গৈছিলোঁ। উমাৰ ধৈৰ্য্য আৰু সাহস দেখি। আজিও ভাবিছোঁ— এই উমাওতো অন্নপূৰ্ণা! মাথোন শিৱৰ বাবেই এই আত্মদহনৰ সুকঠোৰ তপস্যা! সেয়েতো তাই উপলব্ধি কৰিছে— জীৱন উপভোগ কৰাতকৈয়ো যদি ডাঙৰ হয় জীৱনৰ সঁচা সংগ্ৰাম, পাণ্ডিত্যতকৈয়ো যদি শ্ৰেষ্ঠতৰ মহত্ত্বৰ হয়— চৰিত্ৰৰ মাধুৰ্য্য আৰু জহি খহি যোৱা সংসাৰখনেই যদি হয় তাইৰ জ্ঞান লাভৰ, জীৱন উপলব্ধিৰ নিৰাট ক্ষেত্ৰ, দুখ সংসাৰখনিৰ আধি-ব্যাধি হাহি-কান্দোনৰ মাজতে যদি তাইৰ সাৰসাৰ নিহিত আছে, তেন্তে তাই ত্যাগ নকৰিব কিয়? আৰু সংসাৰেই যদি তাইৰ বাবে বোধিদ্ৰুম হয়, তেন্তে মোৰেই বা ক্ষোভ হব কিয়?

নিম্ন মধ্যবিত্ত এটি প্ৰায় আন নোহোৱা হৈ পৰা অতি সাধাৰণ পৰিয়ালৰ এই উমাৰ জীৱন জানো কথাছবিৰ নায়িকাতকৈ কম চিত্তাকৰ্ষক?

মাইচু, ই যেন কবিগুৰুৰ সেই—

"ঘৰ হ'তে শুধু
দুই পা ফেলিয়া
একটি ধানেৰ শীষেৰ উপৰে
একটি শিশিৰ বিন্দু।"

বিস্ময় আৰু আবিষ্কাৰৰ আনন্দত আজিকে মোৰ প্ৰাণত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে!

---

* [আকাশবাণী গুৱাহাটীৰ সৌজন্যত।]

# ভাল লগা কিতাপ

**নিশাৰ পূৰবী :** লক্ষ্মীনন্দন বৰা · (প্ৰথম সংস্কৰণ, ১৯৬২ : মূল্য ৪ ২৫)।

চুটি গল্পৰ খ্যাতিমান লিখক শ্ৰীলক্ষ্মীনন্দন বৰাই "নিশাৰ পূৰবী"ৰ যোগেদিয়েই উপন্যাস ৰচনাৰ পাতনি মেলিছে। তেখেতে আৰু পাঁচ বছৰৰ পিচতহে উপন্যাস লিখাৰ মানস আছিল বুলি কৈছে যদিও, উপন্যাস ৰচনাত তেখেতৰ প্ৰথম প্ৰচেষ্টা আৱতৰীয়া মেঘৰ বিফল গৰ্জ্জন নহয়। কিতাপখন আমাৰ ভাল লাগিছে। ভাল লাগিছে এই কাৰণেই যে শ্ৰীবৰাই বৰ খোজা গল্পটো আমনি নলগোৱাকৈ কব পাৰিছে। তেখেতক আমি স্বাগত সম্ভাষণ আৰু আন্তৰিক অভিনন্দন জনাইছো।

উপন্যাসখনৰ কাহিনী চহৰ-কেন্দ্ৰিক হলেও চহৰ আৰু গাওঁ— এই দুয়োখন সমাজৰে চিত্ৰ বৰাই যথেষ্ট বাস্তৱবোধ আৰু সততাৰে অঙ্কন কৰিছে। তেখেতৰ পৰ্য্যবেক্ষণ উপকৰা নহয়, আৰু সেই কাৰণেই তাত সহানুভূতিৰো অভাৱ নাই। 'গাৱঁৰ মাত্ৰ পাঁচজন মানুহৰ অৱস্থা ভাল'। বাকীবোৰৰ অৱস্থা পানীত হাঁহ নচৰা। একেষাৰতে কবলৈ হলে, বৰ্ত্তমান গাৱঁৰ ডজুৰ অৱস্থাই হয়তো তাহানি 'শান্তিৰ সৰগ ৰচা' গাৱঁলীয়া জীৱনক উপলুঙা কৰিছে। বৰাৰ ভাষাত— "সেইবোৰ পঁজাত বাস কৰা প্ৰাণীৰ প্ৰত্যেকৰে চকুত বুভুক্ষু দুৰ্ব্বাসাৰ ক্ৰোধ আৰু অভিশাপ'। কিন্তু চহৰীয়া জীৱনো জানো সভ্যতাৰ আশীৰ্ব্বাদ? হয়তো ললিতাৰ দৰে প্ৰতিভাশালী ছোৱালীয়ে দাৰিদ্ৰ্যৰ কদৰ্য্য ৰূপ প্ৰত্যক্ষ কৰিব লাগে, মাখনীৰ দৰে মাষ্টৰণীয়ে বিক্ত জীৱনৰ বোজা বহন কৰিব লাগে, অজয়ৰ দৰে শিল্পী-শিক্ষকে অচিন্ত্য ফুকনৰ দৰে ভণ্ড সমাজ-সেৱীক তোষণ কৰিব লাগে ইত্যাদি ইত্যাদি। বৰাই যেন এখন ক্ষয়িষ্ণু ৰ সমাজৰ ভয়াবহ চিত্ৰ আমাৰ

চকুৰ আগত ভাঙি ধৰিছে। কিন্তু তাৰ মাজতো আশা আছে, ভৱিষ্যত সম্ভাৱনাৰ ইঙ্গিত আছে। সেয়ে বহুত।

"নিশাৰ পৃথিবী"ত যিকেইটা চৰিত্ৰ আছে, তাৰ কোনোটোয়েই অতিমানৱ নহয় বা লিখকৰ মনেগঢ়া যন্ত্ৰমানৱো নহয়। প্ৰত্যেকজন স্ত্ৰী-পুৰুষৰে গাত তেজ-মঙহৰ গোন্ধ পোৱা যায়। এইটো আমাৰ ভাল লাগিছে। বোধহয় বৰাই মানুহক যেনেদৰে দেখিছে তেনেদৰেই দেখুৱাবলৈ প্ৰয়াস পাইছে। নায়ক অজয়ৰ প্ৰতিভা আছে, আদৰ্শও আছে: তথাপি কেতিয়াবা উজুতি খাইছে। একাধিক পুৰুষৰ সংস্পৰ্শলৈ অহা মাখনীয়েও আমাৰ সহানুভূতি নেহেৰুৱায়। ক্ষণপ্ৰভা বিজুলীৰ দৰে ললিতাই সকলোৰে চকুত চমক লগায়। আৰু অচিন্ত্য ফুকন? তেওঁক দেখোন সদায়েই দেখি থকা যেন লাগে।...... দুৰ্ভগীয়া ললিতাৰ দেউতাকলৈ জানো মনত নপৰাকৈ থাকে? আচলতে কাকনো পাহৰিব পাৰি?

কিতাপখন প্ৰকাশ কৰিছে তিনিচুকীয়াৰ "মিত্ৰ এজেন্সী"ৰ শ্ৰীনৰেন্দ্ৰ নাথ দাসে। সুৰুচিপূৰ্ণ অঙ্গসজ্জা আৰু সুন্দৰ ছপাই চকুক তৃপ্তি দিয়ে। এনে উপন্যাস আৰু ওলালে নিশ্চয় আগ্ৰহেৰে পঢ়িম।

[ ই. আ. ]

**বিদেশিনী**: এইখন ডাঃ মহানন্দ বৰুৱা, সাহিত্যভূষণৰ দ্বাৰা অনূদিত বিদেশী গল্পৰ সংকলন। আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰিবলৈ এনে কিতাপৰ যে একান্ত আৱশ্যক, সেইটো অনস্বীকাৰ্য্য। ডাঃ বৰুৱাৰ পৈণত হাতত পৰি বিদেশী গল্পকেইটা সোৱাদ লগাকৈ অসমীয়ালৈ ৰূপান্তৰিত হৈছে।

সংকলনটিত মুঠতে সাতোটা গল্প আছে। তাৰে তিনিটা চৈনিক লিখক লিন্ য়ুটাঙৰ, স্পেইনৰ ডন জুৱান মেনুৱেল আৰু হেৰিয়েট ডি ওনিচৰ তিনিটা আৰু বাকীটো ৰুচদেশীয় টলষ্টয়ৰ। আটাইকেইটা গল্পই সুনিৰ্ব্বাচিত আৰু সুখপাঠ্য। প্ৰত্যেকটো গল্পতে সাহিত্যিক সৌন্দৰ্য্যৰ উপৰিও একোটা মূল ভাবাৰ্থ থকা যেন লাগে। অনুবাদকৰ ভাষা সংযত আৰু ক'তো

অনুবাদৰ আন্তৰিকতা অনুভৱ কৰিব নোৱাৰি। কিছুমান শব্দ সংযোজনা আমাৰ ভাল লাগিছে: যেনে পাটলাহী, লাহতি, শেতেলি, ডলিয়া চাবোম, দাঁতিয়লীয়া মুখাৰ ইত্যাদি। এনে প্ৰচেষ্টাই নিশ্চয় সকলোৰে সমাদৰ লাভ কৰিব।

"বিদেশিনী" প্ৰকাশ কৰিছে গুৱাহাটীৰ 'লয়াৰ্চ বুক ষ্টল'ৰ শ্ৰীবিচিত্ৰনাৰায়ন দত্তবৰুৱাই। ছপা-বন্ধা আৰু অলপ চকুত লগা হলে ভাল লাগিলহেঁতেন। মূল্য ১·৫০ নঃ পঃ। [ডি. চ.]

**প্ৰতিজ্ঞা :** লব্ধপ্ৰতিষ্ঠ হিন্দি সাহিত্যিক প্ৰেমচাঁদৰ একেই নামৰ উপন্যাসৰ অনুবাদ কৰিছে শ্ৰীমতী নিৰুপমা ফুকনে। থোৰতে কবলৈ হলে "প্ৰতিজ্ঞা" অসমীয়া পাঠকলৈ মূল্যবান উপহাৰ।

প্ৰেমচাঁদৰ ৰচনাত পীড়িত, পদ-দলিত জনসাধাৰণ আৰু বিশেষকৈ নিৰ্য্যাতিতা নাৰী জাতিৰ প্ৰতিচ্ছবি দেখা যায়। এই উপন্যাসখনতো ভাৰতীয় নাৰী জীৱনৰ বিবিধ সমস্যাই ভুমুকি মাৰিছে। নাৰীজাগৰণ, বহুবিবাহৰ নিন্দা, হতভগীয়া বিধবাসকলৰ মুক্তিৰ আশাভৰা সুৰে প্ৰাণ স্পৰ্শ কৰে। শ্ৰীমতী ফুকনে ইতিমধ্যে প্ৰেমচাঁদৰ গল্পৰ অনুবাদ কৰিছে। "প্ৰতিজ্ঞা"ৰ অনুবাদতো তেখেতে নিজৰ কৃতিত্বৰ পৰিচয় দিব পাৰিছে। ভাৰতীয় জাতীয় জীৱনৰ বৰ্ত্তমান পৰিস্থিতিত অনুবাদ সাহিত্যৰ আদান-প্ৰদানে জাতীয় সংহতিৰ ভাৰ সুদৃঢ় কৰাত সহায় কৰিব পাৰে। আমি শ্ৰীমতী ফুকনৰ পৰা এনে বৰঙণি আৰু পাম বুলি বাট চাই ৰলো।

উপন্যাসখন প্ৰকাশ কৰিছে ডিব্ৰুগড়ৰ প্ৰাগ্ভাৰতী প্ৰকাশন মন্দিৰে। ছপা আৰু অঙ্গসজ্জাও সুন্দৰ হৈছে। বেটুপাতৰ পিচফালে দিয়া মূল লিখকৰ ছবি আৰু চমু পৰিচয় অসমীয়া কিতাপত নতুন কথা।

[অ. দে.]

**এখন মৃত্যু চাৰ্টিফিকেট :**
প্ৰথম সংস্কৰণ, ১৯৬২।

ডাঃ মহানন্দ বৰুৱা, সাহিত্য ভূষণে লিখা ছটা গল্পৰ সংকলন। তাৰে প্ৰথম ছটা "ভুল ব্যৱস্থা পত্ৰ"

আৰু “এখন মৃত্যু চাৰ্টিফিকেট” কিন্তু গল্পৰ অনুবাদ। বাকী কেইটা লিখকৰ নিজা ৰচনা। ভগাহাটিৰ দত্তবৰুৱা এণ্ড কোম্পানীয়ে প্ৰকাশ কৰিছে।

লিখক নিজে চিকিৎসক আৰু আটাইকেইটা গল্পই চিকিৎসকৰ জীৱনৰ অভিজ্ঞতা ৰঞ্জিত। অনুবাদ গল্প দুটাত ভিটেক্তিভ গল্পৰ সোৱাদ আছে। ডাক্তৰৰ ভুল ব্যৱস্থা পত্ৰৰ ফলত ৰোগীৰ কি অৱস্থা হব পাৰে ‘মৰ্ফিয়াক্ৰিয়াৰ দাসী’ মিচ উইলটনৰ কাহিনীয়েই তাৰ এক জলন্ত উদাহৰণ। ডাক্তৰৰ ধৈৰ্য্য আৰু কল্পনা শক্তিয়ে মিচ উইলটনক তেওঁৰ ভয়াবহ অভ্যাসৰ পৰা ৰক্ষা কৰি তেওঁৰ প্ৰেমাস্পদৰ সৈতে নতুন সুখী জীৱনৰ সূচনা কৰিলে। ‘এখন মৃত্যু চাৰ্টিফিকেট’ৰ কেচটো হৈছে মিচেজ ৰেমণ্ড। তেওঁ এক প্ৰকাৰ স্নায়ৱিক ৰোগৰ বেমাৰী যি ‘অসুখে নানা ছদ্মবেশেৰে আহি ইমানবোৰ জীৱন ধ্বংস কৰে।’ অৱশেষত আত্মীয়-স্বজনে তেওঁক মৃতা বুলি ঠাৱৰ কৰি শৱাধাৰত সুমাই থোৱা হৈছিল। ডাক্তৰে সকলো কথাৰ পৰা খেদি শৱাধাৰ খুলিলে আৰু জীৱিতাৱস্থাত পাই চিকিৎসাৰে তেওঁ চৈতন্য ঘূৰাই আনিলে। মিষ্টাৰ ৰেমণ্ডৰ সংসাৰ ৰক্ষা পৰিল।

বাকী কেইখন ৰচনা লিখকে কবৰ দৰে ‘এটা উদ্দেশ্য লৈ লিখা।’ শৰীৰ জ্ঞান বা চিকিৎসা জ্ঞানৰ সৰুসুৰা কথাবিলাক নজনাৰ ফলত অসংখ্যলোকে জীৱন্তাৱস্থাত মৰণৰ জীয়াতু ভুগিব লাগিছে। লিখকে কাহিনীৰ বিশেষ সমাৰোহ নকৰি, তাৰেই দুই চাৰিটা চিত্ৰ আঁকিছে। ঠিক চুটি গল্প বুলি যি বুজো, তেনেধৰণৰ বস্তু নহয় যদিও কাহিনীৰ সোৱাদ একেবাৰে নোহোৱাও নহয়। কিতাপ খনত বৰ্ণাশুদ্ধি কম, তাৰ বাবে লিখক আৰু প্ৰেছ উভয়ে প্ৰশংসাৰ যোগ্য। দাম ডেৰ টকাহে।

[সু কু. ন.]

---



# উত্থান পতনৰ মাজেৰে ভাৰতীয় হকী

চি, ভি, পাৰ্থ সাৰথি

একেবাৰে বত্রিশ বছৰ ধৰি বিশ্বত ভাৰতীয় হকীৰ স্থান অতুলনীয় আছিল। বিশ্বহকীৰ দৰবাৰত ভাৰতৰ আগমন আৰু উত্থান ধূমকেতুৰ দৰেই চমকলগা আৰু আকস্মিক। পিছে কেনেকৈনো ভাৰতীয় হকীয়ে এইদৰে উন্নতিৰ শিখৰত উঠিল, তাক চালিজাৰি চাবলৈ ইমান দিনে গাত লাগি কোনেও চেষ্টা কৰা নাছিল।

যুদ্ধোত্তৰ কালত ভাৰতীয় হকীয়ে আন আন দেশৰ সি ক্রমবর্দ্ধমান প্রতিদ্বন্দ্বিতাৰ সন্মুখীন হ'ল, সি অৱশ্যে আমাৰ আত্মসন্তুষ্টিৰ ভাব একেবাৰে আঁতৰাই পেলোৱা নাছিল। ইয়াৰ পাচতে ক্রমে আহিল ইউৰোপীয় হকীৰ হেঁচা, টকীঅ'ত আমাৰ ভাগ্য পৰিবৰ্ত্তন, ৰোম অলিম্পিকত বিপৰ্য্যয় আৰু শেষত জাকাৰ্টাত পৰাজয়ৰ গ্লানি। ভাৰতীয় হকীৰ ভাগ্য বিবৰ্ত্তনৰ এই ক্ষিপ্র-গতিয়ে ইয়াৰ উত্থান পতনৰ বিষয়ে এটি বাস্তৱ দৃষ্টি লবলৈ আমাক বাধ্য কৰিছে।

১৯২৮ চনৰ ২৬ মে; সেইদিনা আমষ্টাৰ্ডামৰ অলিম্পিক পথাৰত আন দেশৰ পতাকাৰে সৈতে ভাৰতীয় পতাকাও (ভাৰত তাৰকা-যুক্ত ইউনিয়ন জেক) বতাহত টো খেলি আছিল। যেন হকী জগতলৈ নতুন চেম্পিয়নৰ আগমনৰ আগজাননী!

১৯২৬ চনত্তে নিউজিলেণ্ড ভ্ৰমণ কৰা ভাৰতীয় সামৰিক বাহিনীৰ হকী দল এটাইহে ভাৰতীয় হকীৰ প্ৰচুৰ সম্ভাৱনাৰ বিষয়ে বিশ্বৰ দৃষ্টি সজাগ কৰিলে। ভাৰতীয় হকীৰ সন্মানো বৃদ্ধি পালে। তাত অনুষ্ঠিত হোৱা মুঠ ২১ খন খেলৰ ১৮ খনতে ভাৰতীয় দলটো জিকে আৰু এখনতহে মাত্ৰ হাৰে। নিউজিলেণ্ডৰ ২৪ গ'লৰ বিপক্ষে ভাৰতে দিয়া ১৯২ গ'লৰ পৰাই ভাৰতীয় হকীৰ গতি কেনেকুৱা হৈছিল ধাৰণা কৰিব পাৰি।

১৯৪৫ চনৰ পেৰিচ অলিম্পিকত হকী বাদ দিয়া হৈছিল। নিউজিলেণ্ডৰ নাটকীয় সফলতাই ভাৰতৰ বুকুলৈ সাহ আৰু উদ্দীপনা আনিলে আৰু আমষ্টাৰ্ডাম অলিম্পিকত ভাৰতে টানি ধৰাৰ কাৰণে হকী পুনৰ দিয়া হ'ল।

ভাৰতে বিশ্বসন্মান লভাৰ পথত অন্তৰায় অনেক আছিল। আধুনিক হকীৰ জন্মস্থান বৃটিছ যুক্তৰাজ্যক হৰুৱাও কম কথা নাছিল। ইফালে বাকী ইউৰোপীয় দেশবিলাকতো আৰকালিৰ খেল হিচাপে হকীৰ জনপ্ৰিয়তা যথেষ্ট আছিল।

যুক্তৰাজ্যত অনুষ্ঠিত হোৱা প্ৰাৰম্ভিক এঘাৰ খন খেলৰ ন খনতে ভাৰতীয় দল জিকিছিল। ভাৰতে অন্যান্য চৰকাৰী দলৰ বিপক্ষে খেলিবলৈ সুযোগ পোৱা নাছিল কিন্তু স্বেচ্ছাকাৰী দলবোৰো উলাহুলা বিধৰ নাছিল। ইংলণ্ডৰ ওঠৰ গ'লৰ বিপক্ষে ভাৰতে দিয়া ৭২ গ'ল মুখৰ কথা নাছিল। ইয়াৰ পিচত ইউৰোপত অনুষ্ঠিত হোৱা প্ৰাক-অলিম্পিক ছয়খন খেলতে ভাৰতীয় দলে জিকে আৰু সেইবোৰত ভাৰতৰ ৰেকৰ্ডলৈ চাই আগন্তুক অলিম্পিকত ভাৰতৰ স্থান কেনে ধৰণৰ হব অনুমান কৰিব পৰা গৈছিল।

অলিম্পিক খেলৰ পাঁচোখন প্ৰতিদ্বন্দ্বিতাতে ভাৰতীয় দলৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হৈছিল। বিপক্ষৰ এগ'লো নোহোৱাকৈ উনত্ৰিশ গ'ল দিব পৰাটোও ভাৰতীয় দলৰ বিৰাট কৃতিত্বৰ পৰিচায়ক। ভাৰতীয় দলৰ খেলুৱৈ তেৰজনহে— তাৰো জন-চেৰেক অসুখ হৈ পৰি থকাত এঘাৰজন খেলুৱৈয়ে ঠাই সলাই খেলিব লগাত পৰিছিল। এনেবিলাক অসুবিধা সত্ত্বেও পথম অৱস্থাত ভাৰতীয় দলৰ খেলবিলাকৰ মান যে উচ্চ আছিল তাত কোনো সন্দেহ নাই।

লচ এঞ্জেলচৰ প্ৰতিযোগিতাত ভাৰতীয় দলৰ সন্মান আগতকৈ বহুতো বৃদ্ধি পালে। আচল অলিম্পিক মেচ দুখনহে হৈছিল, আৰু এই দুখনকে ধৰি ভাৰতে মুঠতে ৩৫ টা গ'ল দিছিল। ঘৰলৈ ওলোটাৰ সময়ত ভাৰতে প্ৰাচ্য আৰু অদূৰ প্ৰাচ্যৰ দেশবিলাকত খেলি আহি-

ছিল। অলিম্পিকত যোগ দিয়া দেশবিলাকত খেলি নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ উপৰিও নিজ দেশতো প্ৰায় সকলোবোৰ হকী অনুৰাগী দেশৰ বিপক্ষে খেলিছিল ।

ভাৰতে নিউজিলেণ্ডত দ্বিতীয়বাৰ ভ্ৰমণ কৰাৰ সময়ত অনুষ্ঠিত হোৱা ৪৮ খন খেলৰ আটাইকিখনতে জিকে। তাৰে এখনত ২৪ গ'ল অৰ্থাৎ গড়ে তিনিমিনিটত এটাকৈ গ'ল দিয়ে।

বাৰ্লিন অলিম্পিকত পূৰ্ণবিকশিত ভাৰতীয় চেম্পিয়ন দলে নিজ সন্মান অটুট ৰাখিলে। ফাইনেলত জাৰ্মানী ভাৰতৰ হাতত ৮-১ গ'লত হাৰে। এইবাৰৰ বিদেশ ভ্ৰমণত ভাৰতীয় দলে ৩৯ খনত জিকে, দুখনত হাৰে। গ'লৰ ফলাফল আছিল ২৮৪-৪২ ।

১৯৩৯ চনত এটা ভাৰতীয় দল নিউজিলেণ্ড আৰু অষ্ট্ৰেলিয়াত ভ্ৰমণ কৰি তাতো আমাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে।

দ্বিতীয় মহাসমৰৰ বাবে কোনো অলিম্পিক খেল অনুষ্ঠিত নোহোৱাত ১৯৩৬ চনৰ পৰা বাৰ বছৰ কাল ধৰি আন্তঃৰাষ্ট্ৰীয় হকীৰ নামত একোৱেই নাছিল। হকীৰ যাদুকৰ সকলে উত্তৰাধিকাৰীসকলক শিকাবলৈ কিম্বা উদগনি দিবলৈ কোনো উপলক্ষই নাথাকিল। এক নিষ্ক্ৰিয়তাৰ বতাহে যেন হকী জগতক ছাটি ৰখিলে। অৱশ্যে প্ৰতিভাৰ অভাৱ এক অনৰ্থই দেখা দিলে। ভাৰত বিভাজনৰ প্ৰতিক্ৰিয়া আমাৰ পূৰ্বৰ অখণ্ড হকী পৰিয়ালতো দেখা দিলে।

১৯৪৭ চনত পূৰ্ব আফ্ৰিকা ভ্ৰমণ কৰোঁতে ভাৰতীয় দলৰ ন জন নতুন খেলুৱৈৰ আগমন হ'ল। ১৯৪৮ চনৰ উইম্ব্লি অলিম্পিকত যুদ্ধোত্তৰ হকীত ভাৰতীয় দলে আকৌ মূৰ ডাঙি উঠিবৰ সুবিধা পালে। এইবাৰেই ভাৰতীয় দলে প্ৰথমে চৰকাৰী বৃটিছ দলক হৰুৱায়। হেলচিঙ্কি অলিম্পিকত (১৯৫২) ভাৰতীয় দলৰ ৰক্ষণ-বিভাগৰ দুৰ্বলতা ভালেখিনি ওলাই পৰে। মেলবোৰ্ণ অলিম্পিকৰ [১৯৫৬] চেমি ফাইনেলত ভাৰতীয় দলে জাৰ্মানীৰ তীব্ৰ প্ৰতিৰোধৰ সন্মুখীন হব লগা হৈছিল। ফাইনেলত পাকিস্তানক বৰ্ণাৰ ককেৰে গ'ল দি হে মান ৰচায়। ভাৰতীয় খেলৰ মান যে ক্ৰমান্বয়ে নিম্নগামী হবলৈ ধৰিছিল ইয়ে তাৰ প্ৰমাণ। ১৯৪৮ চনৰ পৰা কোনোমতেহে ভাৰতীয় দলে কপালৰ বলত মান ৰক্ষা কৰি আছিল।

মিউনিকৰ ক্ৰীড়া উৎসৱ আৰু টোকিঅ'ৰ এচিয়ান গেমছত ভাৰতৰ খেল নিৰাশজনক হৈছিল যদিও দেশত এই পতনমুখী গতিৰ বিৰুদ্ধে একো প্ৰতিক্ৰিয়া হোৱা নাছিল। আগন্তুক অলিম্পিকত ভাল হব বুলি

খাঁপা আঁটিছিল আৰু সেইবাৰ গৌ-লাও' কৰা হৈছিল।

টকিঅ'ত হোৱা ভাৰত পাকিস্তানৰ খেলত ভাৰত আচলতে হৰা নাছিল, কিন্তু পাকিস্তানে দিয়া মুঠ গ'লৰ সংখ্যাৰ কাৰণেহে জেলিণ্ডনৰ সন্মান পাইছিল। পুৰণা খ্যাতিৰ উচ্চ আশা বুকুত বান্ধিয়েই ভাৰতীয় দলে পুনৰ পাকিস্তানৰ লগত ৰোমত খেলিলে, কিন্তু এটা গ'লৰ কাৰণে মাত্ৰ হাৰিব লগাত পৰিলে। এই পৰাজয়ে ভাৰতৰ হকী অনুৰাগীসকলৰ মনতে এটা জেদ জগালে আৰু তাৰ প্ৰতিকাৰৰ কাৰণে উঠিপৰি লাগিল।

ইয়াৰ প্ৰাচ্যত জাকাৰ্টাৰ এচিয়ান গেমছ্‌ৰ হকী প্ৰতিযোগিতালৈ এটি বাচকবনীয়া দল পঠিওৱা হয়। তেওঁলোকে বহুতো ঠাইত খেল প্ৰদৰ্শন কৰি লোপ পাব খোজা সন্মান পুনৰুদ্ধাৰৰ কাৰণে জাৰ্কাটালৈ যাত্ৰা কৰিলে। আচল খেলৰ আগতে মালয়ৰ নিচিনা এটা শক্তিশালী দলৰ লগত খেলিব লগা হোৱাত বহুতো খেলুৱৈ আহত হৈছিল।" কিন্তু শেষত ভাৰতৰেই জয় হল আৰু ফাইনেলত উপনীত হৈ পাকিস্তানৰ লগত খেলিবলৈ সাজু হ'ল। পাচে ভাৰতে পুনৰ পৰাজয়" স্বীকাৰ কৰিলে "৫-২ গ'লত। খেলাখনত ভাৰতে একো কৃতিত্ব দেখুৱাব নোৱাৰিলে আৰু পাকিস্তানেও গ'ল দুটা দিয়াৰ পাচত একেধৰণৰ খেলাকেই দেখুৱালে। সেইখন খেলতে ভাৰতৰ বিপক্ষে ১১টা কৰ্ণাৰৰ বায় দিয়া হৈছিল। বহুতৰ মতে খেলখনে আন্তঃৰাষ্ট্ৰীয় খেলখনৰে মৰ্য্যাদা বহুত কমালে।

ভাৰতৰ এই শোচনীয় ব্যৰ্থতাৰ ব্যাখ্যা বৰ কৌতুহলপূৰ্ণ। খেলুৱৈসকলৰ কাৰোবাৰ আঙ্গুলিত বেমেজালি কোনোবা জনা দুচা, কোনোবাজনে চেমিফাইনেলত আহত হৈ ফাইনেলত খেলিবই নোৱাৰিলে ইত্যাদি ইত্যাদি।

যেতিয়া বিধি বিমুখ হয়, ব্যাখ্যা নিষ্প্ৰয়োজন। হকীত এই হৰা জিকাৰ প্ৰশ্নটোক ভাৰতৰ ৰাষ্ট্ৰীয় সন্মানৰ লগতে জড়িত কথাটোও ভুল হব। তথাপি ভাৰতীয় হকী খেলুৱৈসকলে পুৰণা তেজতে ওকন্দি নাথাকি পুনৰ নতুন সাহ, উদ্যম আৰু মনোবলেৰে পৃথিৱীত নিজৰ চিনাকি দিবলৈ সাজু হোৱা উচিত। টকিঅ'তে ভাৰতীয় হকীৰ ভাগ্যৰ চকৰি ঘূৰিছিল আৰু টকিঅ'তে [অলিম্পিক] ইয়াক আকৌ ওলোটাই ঘূৰাব লাগিব।

• Sports and Pastimes ৰ সৌজন্যত।

# আমাৰ নিবেদন

এই সংখ্যাৰ পৰাই সজাগৰ প্ৰথম বছৰ পূৰ্ণ হ'ল। পত্ৰিকাখনৰ কলেৱৰ বৃদ্ধি কৰি আৰু চকুত লগাকৈ উলিওৱাৰ ইচ্ছা আমাৰ আছিল; কিন্তু দেশৰ বৰ্ত্তমান পৰিস্থিতিত বজাৰত কাগজ দুৰ্মূল্য আৰু দুষ্প্ৰাপ্য হৈ পৰাত আমি মন সামৰিবলৈ বাধ্য হলো। পাঠকসকলৰ মহামূল্য-সহযোগ পালে আমাৰ মনৰ ইচ্ছা নিশ্চয় পূৰণ হব। সকলোলৈকে আমাৰ নতুন বছৰৰ শুভেচ্ছা জনালো। ইতি

প্ৰফুল্ল চন্দ্ৰ বৰুৱা, সভাপতি
লক্ষীদা দত্ত, উপ-সভাপতি
সুনীল কুমাৰ বৰঠাকুৰ, সম্পাদক
কল্যাণ কুমাৰ বৰুৱা, কোষাধ্যক্ষ
লম্বেশ্বৰ বৰুৱা, বিশ্ব বৰুৱা } সহঃ সম্পাদক
নৰেন্দ্ৰ নাথ চৌধুৰী, আশীষকুমাৰ গাঙ্গুলী } হিচাব পৰীক্ষক

তফজ্জুল আলি সদস্য
ভুবন চুতীয়া ,,
অণিমা দেৱী ,,
প্ৰিয়াংশু প্ৰবল উপাধ্যায় ,,
ডিম্বেশ্বৰ চলিহা ,,
মানসকুমাৰ বৰুৱা ,,
হৰিহৰ দাস ,,
বিজয়ানন্দ কাকতী ,,
অৰুণ দত্ত ,,
মৃগেন বৰকটকী ,,
টিকেন্দ্ৰনাথ চক্ৰবৰ্ত্তী ,,
শৰৎ বৰকাকতী ,,
পূণ্যধৰ ৰাজখোৱা ,,

সীমান্তিক প্ৰকাশন
ডিব্ৰুগড়

APRIL, 1963 SANGAM Vol. 3. Price Rs. 2.00

এপ্ৰিল, ১৯৬৩ সঙ্গম মূল্য দুটকা


| | | |
|---|---|---|
| এজন পুত্ৰ আৰু এটা সমস্যা | শ্ৰীশ্ৰীপ্ৰকাশ | [illegible] |
| মই কবি হলোঁ কেনেকৈ? | শ্ৰীলীলা গগৈ | ১৮ |
| মোৰ জীৱন-দৰ্শন | এলবাৰ্ট আইনষ্টাইন | ২৪ |
| জিজ্ঞাসু বিজ্ঞানী | অধ্যক্ষ তীৰ্থনাথ শৰ্ম্মা | ২৮ |
| এজন আচৰিত ভ্ৰমণকাৰী | | ৩৫ |
| জ্যোতিপ্ৰসাদৰ শোণিত কুঁৱৰী | শ্ৰীমতী অণিমা ভৰালী | ৪১ |
| বিচিত্ৰ জগত | | ৪৬ |
| এটা হাতী মাৰিলোঁ | জৰ্জ্জ অৰৱেল | ৫১ |
| বহু আশ্চৰ্য্যৰ সন্ধান | ৰালফ্ ছেগমেন | ৬০ |
| এখন অখ্যাত উপন্যাস | শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী | ৬৬ |
| সংবাদ-সাহিত্য | শ্ৰীৰাজেন্দ্ৰ নাথ ভুঞা | ৬৯ |
| বুৰৈত এৰাতি | শ্ৰীভৱকান্ত বৰা | ৮২ |
| ব্যক্তিত্বৰ জিলিঙনি | | ৮[illegible] |
| ঘূৰণীয়া পৃথিৱীত উৰণীয়া পক্ষী | শ্ৰীডিম্বেশ্বৰ চলিহা | ৯[illegible] |
| কপহু স্বামীৰ ইতিকথা | শ্ৰীসুকুমাৰ বৰপূজাৰী | ৯০ |
| নৱজাতকৰ অন্তৰ্ভাৱণিকা ( কবিতা ) | শ্ৰীনৰেন্দ্ৰ পাঠক | ১০ |
| ইয়াত আকাশ আছে ( কবিতা ) | শ্ৰীৰবীন্দ্ৰ বৰা | ১০২ |
| "আজিহে মোৰ বিয়া" ( গল্প ) | 'শ্ৰীসুতুলি এছাবিশিঙীয়া' | ১০৬ |
| সক সক ঢউ ( গল্প ) | শ্ৰীনিৰোদ চৌধুৰী | ১১[illegible] |
| প্ৰেম ডিঙৰাৰে পাল ( গল্প ) | শ্ৰীলক্ষ্মীনন্দন বৰা | ১২[illegible] |
| অবাস্তৱ | | ১৫[illegible] |
| এখন চিঠি ( গল্প ) | শ্ৰীনাৰেণ শৰ্ম্মা | ১৭[illegible] |
| বোধিদ্ৰুম ( গল্প ) | শ্ৰীমতী আলিমুননিছা পিয়াৰ | ১৬[illegible] |
| ভাল লগা কিতাপ | | ১৬ |
| খেল পথাৰ: ভাৰতীয় হকী | শ্ৰী ছি. ডি. পাৰ্থসাৰথি | ১৭[illegible] |


EDITOR IN-CHIEF: TAFAZZUL ALI, M A. AND PUBLISHED BY SUNIL KUMAR BORTHAKUR, M A.
FOR SIMANTIK PRAKASHAN AND PRINTED AT THE MAZDOOR PRESS, DIBRUGARH, ASSAM